# অসমে

আগবঢ়াইছে

**সহায়ক-উদ্যোগৰ বাবে আৰ্কষণীয় সুযোগ**

কাৰণ ঃ

নিম্নলিখিত ঔদ্যোগিক যোজনা সমূহ দ্ৰুতগতিত গঢ়ি উঠিবলৈ ধৰিছে ঃ

* গোৱালপাৰা, নগাওঁ আৰু কাছাৰ জিলাত কাগজৰ কল।
* গোৱালপাৰা জিলাত ক'ষ্টিক চ'ডা আৰু ক্লৰাইন কাৰখানা।
* ডিব্ৰুগড় জিলাত পেট্ৰ-ৰাসায়নিক প্ৰকল্প।
* কাছাৰ জিলাত চেনিৰ কল।
* মিকিৰ পাহাৰ জিলাত বিলাতী মাটিৰ কাৰখানা।
* দৰং জিলাত শক্তি-চালিত তাতশাল প্ৰকল্প।
* চিগাৰেট কাৰখানা, শক্তি-চালিত নাঙল আৰু নাইলন সূতাৰ কাৰখানা।

**উদ্যোগ অধিকৰ্ত্তা, অসম ( শ্বিলং )ৰ দ্বাৰা প্ৰচাৰিত**


# নতুন পৃথিৱী

( প্ৰগতিশীল তিনিমহীয়া আলোচনী )

সম্পাদনা সমিতি

ডঃ হীৰেন গোহাঁই

অনিল ৰায়/চৌধুৰী

তাৰক চন্দ্ৰ গোস্বামী

উপদেষ্টা

ডঃ দেৱপ্ৰসাদ বৰুৱা

অধ্যাপক আনন্দেশ্বৰ শৰ্ম্মা


প্ৰথম বছৰ ১৯৭২

তৃতীয় সংখ্যা মে


OKDISCD

# সূচী-পত্ৰ


| বিষয় | | পৃষ্ঠা |
|---|---|---|
| সম্পাদকীয় | | ১ |
| সমাজসত্যৰ উৎস সন্ধানত | অচিন্ত্য ভট্টাচাৰ্য্য | ৯ |
| অপৰাজেয় ( কবিতা ) | আনন্দেশ্বৰ শৰ্ম্মা | ১৭ |
| পুঁজিবাদ, সমাজবাদ আৰু আৰ্থিক উন্নয়ন | তাৰক চন্দ্ৰ গোস্বামী | ১৯ |
| বিশ্ব প্ৰেম ( কবিতা ) | ডাঃ হেৰম্ব শৰ্ম্মা | ৩১ |
| শত সূৰ্য্যৰ আকাশ ( কবিতা ) | ৰবীন্দ্ৰ সৰকাৰ | ৩৫ |
| থুপি থুপি জুই ( কবিতা ) | জ্ঞান পূজাৰী | ৩৬ |
| শুকুলা ( কবিতা ) | আনিছ উজ জামান | ৩৭ |
| ৰাষ্ট্ৰৰ ম্লাপন আৰু সহিংস বিপ্লৱ | ৰঞ্জিত নাৰায়ণ ডেকা | ৩৮ |
| বাটৰ বগৰী জেং ( গল্প ) | ভুৱনমোহন মহন্ত | ৪২ |
| নবকান্ত বৰুৱাৰ কবিতাত স্থাণুধৰ্মীতা | নগেন হাজৰিকা | ৪৯ |
| ৰুছ বিপ্লৱৰ তাৎপৰ্য | ক্ৰিষ্টোফাৰ হিল | ৭৩ |
| তুধু মিঞা ( গল্প ) | অনিল ৰায় চৌধুৰী | ৭৬ |
| চিঠি পত্ৰ | | ৯৪ |
| ভদ্ৰলোক ( গল্প ) | গোবিন্দ প্ৰসাদ শৰ্ম্মা | ৯৬ |
| চীনত কি দেখিলো ? | জি, জগন্নাথ | ১১১ |
| শেক্সপীয়েৰ আৰু তেওঁৰ সমাজ | যামিনী ফুকন | ১১৭ |
| শিক্ষানীতিৰ সংকট আৰু তাৰ সমাধান | ডঃ হীৰেন গোহাঁই | ১২৪ |
| চোভিয়েট ইউনিয়নত নিৰক্ষৰতা নিৰসণ ( অনুবাদ ) | শ্ৰীমতী অলকা গায়ন | ১৩৫ |
| সাময়িক প্ৰসঙ্গ : ভিয়েটনাম, শিক্ষাৰ মাধ্যম মেডিকেল কলেজ | | ১৪৫ |
| সংস্কৃতি সংবাদ : কাৰাবাট, বহুৰূপী, বালিপৰাত বিহু | | ১৫৬ |



গুৱাহাটীৰ **প্ৰেষক** ছপাশালত শ্ৰীমুকুট ভট্টাচাৰ্য্যৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

॥ মূল্য ২.৫০ টকা॥


সম্পাদকীয়

## গণতন্ত্ৰৰ বিপদ

সাধাৰণ নিৰ্বাচন আহিল আৰু গ'ল। মধ্যকালীন নিৰ্বাচনৰ যোগেদি কেন্দ্ৰত হোৱাৰ দৰে এই নিৰ্বাচনৰ যোগেদি ৰাজ্য সমূহতো ইন্দিৰা গান্ধীৰ নেতৃত্বাধীন দলৰ চৰকাৰ বৃহৎ সংখ্যাগৰিষ্ঠতাৰে প্ৰতিষ্ঠিত হ'ল। ই এফালে যেনেকৈ শ্ৰীমতী গান্ধীৰ ব্যক্তিগত বিজয়, আনফালে তেনেকৈ তেওঁৰ কংগ্ৰেছ দলৰ পিচত থকা জমিদাৰ-পুঁজিপতি সকলৰো শ্ৰেণীগত বিজয়।

জৱাহাৰলাল নেহৰুৰ প্ৰধানমন্ত্ৰীত্বৰ শেহৰ পিনে—কংগ্ৰেছ দলৰ ভিতৰত ক্ষমতা-দ্বন্দ্বই গা কৰি উঠিছিল। নেহৰুৰ পিছত কোন? এই প্ৰশ্নটোলৈ এই দলৰ নেতাসকলৰ মাজত বিবাদ বাঢ়িছিল। ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলে ভাগ্য বিপৰ্যয়ৰ সন্মুখীন হ'ল। ১৯৬৭ চনৰ নিৰ্বাচনৰ আগৰে পৰা ইন্দিৰা গান্ধী প্ৰধান মন্ত্ৰীৰ আসনত থাকিলেও এই বিপৰ্যয়ৰ হাত সাৰিব পৰা নাছিল।

১৯৬২ চনত চীনৰ লগত বিবাদ, ১৯৬৫ চনত পাকিস্থানৰ লগত ৰণ, খৰাং বতৰ আদিৰ উপৰিও বিশ্বৰ পুঁজিবাদী সংকট, পুঁজিবাদী পথেৰে দেশ গঠনৰ প্ৰচেষ্টাৰ বাবে হোৱা অৰ্থনৈতিক সংকট আদিৰ পৰিপ্ৰেক্ষিতে বাঢ়ি অহা জন বিক্ষোভ আৰু ক্ৰমশ: সমাজতান্ত্ৰিক শক্তি সমূহে ঐক্যবদ্ধ অগ্ৰগতিৰ বাবে— দেশৰ ভুস্বামী আৰু পুঁজিপতি সকলৰ মাজত সংকটে দেখা দিছিল। কাৰ নেতৃত্বত কি উপায়ে এই সংকটৰ হাত এৰাব পাৰি—তাকে লৈ এই শ্ৰেণী দুটাৰ মুখপাত্ৰ কংগ্ৰেছ দলৰ মাজত মত বিভেদ দেখা দিছিল। এটা অংশই বিকল্প নেতৃত্ব আৰু বিকল্প কৌশলৰ কথাও ভাবিছিল।

প্ৰগতিশীল আন্দোলন আৰু সংগঠনবোৰ আগ বাঢ়ি আহিব পাৰিছিল অধিক ঐক্যৰ মাজেদি। ১৯৬৭ চনৰ নিৰ্বাচনত কংগ্ৰেছৰ বিপৰ্যয় আৰু ঠায়ে ঠায়ে প্ৰগতিশীল শক্তি সমূহৰ বিজয় পৰিলক্ষিত হৈছিল।

ইন্দিৰা গান্ধীৰ নেতৃত্বত দেশৰ পুঁজিপতি-জমিদাৰ শ্ৰেণীটোৱে অধিক ঐক্যৰে গা কৰি উঠিল। আনহাতে প্ৰগতিশীল বিৰোধী শক্তি সমূহৰ মাজত অনৈক্য বাঢ়িল। পুঁজিপতি শ্ৰেণীটোৱে নতুন কৌশলৰ মাজেদি সংকটৰ হাত সৰাৰ



OKDISCD

আশা দেখিলে, জনসাধাৰণ বিভ্ৰান্ত হ'ল। এইবাৰৰ নিৰ্বাচনত ( মধ্যকালীন নিৰ্বাচন আৰু সাধাৰণ নিৰ্বাচন ) ইন্দিৰা গান্ধীৰ নেতৃত্বাধীন দলটোৰ সাফল্যত সেয়ে আচৰিত হব লগীয়া একো নাথাকিল।

কেন্দ্ৰত শাসনত অধিষ্ঠিত দল হিচাপে, এই দলে নিৰ্বাচনত নিজ প্ৰাৰ্থী সকলৰ অনুকুলে প্ৰশাসনীয় যন্ত্ৰ, প্ৰশাসনিক ক্ষমতা আৰু চৰকাৰী ধনৰ পূৰ্ণ ব্যৱহাৰ কৰিবলৈ সক্ষম হ'ল। ইতিমধ্যে বহুতো দুৰ্নীতিৰ অভিযোগ উঠিছে। কেন্দ্ৰীয় মন্ত্ৰী সকলে চৰকাৰী খৰচত বা সেনা বাহিনীৰ হেলিকপ্তাৰত নিৰ্বাচনী প্ৰচাৰ অভিযান চলোৱা আদি সকলোৰে দেখাশুনা দুৰ্নীতিৰ উপৰিও—পশ্চিম-বঙ্গত ভোটৰ প্ৰবল জালিয়াতি হৈছে, তাত বামপন্থী মৰ্চাৰ পক্ষৰ পৰা অকাট্য যুক্তি আৰু তথ্যপাতি জনসাধাৰণৰ জ্ঞাতাৰ্থে দাঙি ধৰা হৈছে। তাত শাসক সকলৰ যুব ছাত্ৰ সংগঠনৰ হাতত যে প্ৰচুৰ পৰিমাণে অস্ত্ৰ শস্ত্ৰ আছে, আৰু এই অস্ত্ৰ শস্ত্ৰ যে বিৰোধী পক্ষৰ সংগঠনবোৰক খতম কৰাৰ বাবে পুলিচৰ চকুৰ আগতে ব্যৱহাৰ হৈ থাকে, এই কথা 'ডি হিন্দু', 'ফিনান্চিয়েল টাইমচ', বোম্বেৰ সুবিখ্যাত "ইকনমিক এন্দ পলিটিকেল উইকলি" আৰু কলিকতাৰ বহুতো বাতৰি কাকতত বিভিন্ন ভাবে প্ৰকাশ পাইছে।

এইবোৰে আৰু আন এক ভয়াবহ পৰিণতিলৈ আমাৰ দেশ যোৱা কেইবছৰ-মানৰ ভিতৰত আগ বঢ়াই নিয়া দেখা গৈছে। সেয়া হৈছে কৰ্তৃত্বশীলতাবাদ (authoritarianism)। যোৱা সাধাৰণ নিৰ্বাচনে এই পৰিণতিৰ সম্ভাৱনা বৃদ্ধি কৰিছে। ফলত দেশৰ গণতন্ত্ৰ বিপদাপন্ন হৈ পৰিছে।

শ্ৰীমতী গান্ধীয়ে প্ৰধানমন্ত্ৰীৰ গাদী দখল কৰাৰ দিন ধৰি অতিশয় সাৱধানতা, সতৰ্কতা আৰু কূট কৌশল সম্পন্ন বিচক্ষণতাৰে—তেওঁৰ হাতত দেশৰ সকলো ৰাজনৈতিক ক্ষমতা কেন্দ্ৰীভূত কৰাৰ লক্ষ্যত কাম কৰি আহিছে। আগতে কৈ অহা, কংগ্ৰেছ দলৰ আভ্যন্তৰীণ বিবাদৰ ফলত হোৱা বিভাজনক শ্ৰীমতী গান্ধীয়ে কৌশলেৰে আদৰ্শগত সংঘাত, প্ৰগতিশীলতা-সমাজতান্ত্ৰিক বনাম প্ৰতিক্ৰিয়া-শীলতা বুলি ব্যাখ্যা কৰিছিল। হঠাৎ একে নিশাৰ ভিতৰতে তেওঁ আৰু তেওঁৰ উপদলটো প্ৰগতিশীল-সমাজতান্ত্ৰিক বুলি আৰু তেওঁৰ বিৰোধী কংগ্ৰেছী উপদল-টোক প্ৰতিক্ৰিয়াশীল আখ্যা দি প্ৰচাৰ চলাইছিল। ( জন সাধাৰণৰ প্ৰগতিমুখী চেতনাৰ প্ৰতি চকু ৰাখিয়েই এইটো কৰা হৈছিল )।





কংগ্ৰেছৰ দলীয় প্ৰাৰ্থী শ্ৰীসঞ্জীৱ ৰেড্ডীৰ বিপক্ষে শ্ৰীমতী গান্ধীৰ উপদলটোৰ প্ৰাৰ্থী ভি ভি গিৰি ৰাষ্ট্ৰপতি হিচাবে বিজয়ী হোৱাৰ মূলতে, শ্ৰীমতী গান্ধীৰ উপদলটোৰ সমৰ্থনৰ উপৰিও দেশৰ আন আন প্ৰগতিশীল দলৰ ( দুয়োটা কমিউনিষ্ট দলকে ধৰি ) সমৰ্থনৰ বাবেহে ই সম্ভৱ হৈছিল।

এই সম্মিলিত শক্তিৰ জয়লাভক শ্ৰীমতী গান্ধীৰ ব্যক্তিগত বিজয় আৰু সংখ্যাগৰিষ্ঠ জনসাধাৰণৰ সমৰ্থন অকল তেওঁৰ পিচতেই থকা বুলি তেওঁৰ হাতত থকা চৰকাৰী প্ৰচাৰ মাধ্যমৰ হতুৱাই প্ৰচাৰ কৰাইছিল। গান্ধী-উপদলটোৰ পুঁজিপতি সকলৰ হাতত থকা বাতৰি কাকতবোৰেও একে ধৰণে শ্ৰীমতী গান্ধীৰ ভাবমূৰ্ত্তি গঠন কৰাৰ বাবে উঠি পৰি লাগিছিল। দলৰ আভ্যন্তৰীণ ক্ষেত্ৰতো শ্ৰীমতী গান্ধীৰ শক্তি বৃদ্ধি হয়। তেওঁ প্ৰধানমন্ত্ৰী হৈ থকা বাবে দলৰ সৰহ ভাগ পালি নেতা আৰু কৰ্মীয়ে নিজ নিজ স্বাৰ্থ ৰক্ষাৰ বাবে তেওঁৰ অনুগত হৈছিল। লাহে লাহে তেওঁৰ বিৰুদ্ধবাদী পুঁজিপতি শ্ৰেণীটোৱেও তেওঁৰ পক্ষ লবলৈ ধৰে। এই ক্ষেত্ৰতো তেওঁ প্ৰচাৰ চলায় যে প্ৰগতিশীল নীতিৰ বাবেহে তেওঁ নিজদলৰ বিপুল সংখ্যাগৰিষ্ঠ অংশৰ সমৰ্থন লাভ কৰিছে।

এনেদৰে দলৰ আভ্যন্তৰীণ ক্ষমতাযুদ্ধত বিজয়ী হলেও শ্ৰীমতী গান্ধী নিৰাপদ হব পৰা নাছিল। কাৰণ কেন্দ্ৰীয় সংসদত তেওঁৰ দলৰ যে সংখ্যাগৰিষ্ঠতা কম আছিল তেনেই নহয়, ১৯৬৭ চনৰ নিৰ্বাচনত কেবাখনো ৰাজ্যত অকংগ্ৰেছী চৰকাৰ স্থাপন হৈছিল। ফলত, শ্ৰীমতী গান্ধীয়ে প্ৰকৃতাৰ্থত সংখ্যালঘু চৰকাৰহে নেতৃত্ব কৰিছিল।

সমাজবাদৰ ধ্বনি, নাটকীয় ভাবে ১৪টা বৃহৎ ব্যৱসায়ী বেংক ৰাষ্ট্ৰীয়কৰণ আদিৰ মাজেদি ( যদিও দেশী-বিদেশী একচেতিয়া পুঁজিৰ শোষণ কোনো ক্ৰমে যাতে বন্ধ নহয় তাৰ বাবে সকলো ব্যৱস্থা অটুট ৰখা হৈছিল ) কিছুমান কৌশল লয়। চৰকাৰী প্ৰচাৰ যন্ত্ৰ আৰু পুঁজিপতিৰ হাতত থকা বাতৰি কাকতবোৰে ইয়াকে লৈ গান্ধীৰ সমৰ্থনত বিপুল হৈ-চৈ কৰি জন সাধাৰণক ভোল নিয়াবৰ যতন কৰে। 'গৰিবী হটাও' ধ্বনি দিয়া হয় আৰু তাৰ বাবে যে কেন্দ্ৰত সুস্থিৰ সবল চৰকাৰ লাগে তাকে বহুল ভাবে ৰাইজৰ আগত তুলি ধৰে। এনে এখন চৰকাৰ যে মাথোন ইন্দিৰা গান্ধীৰ নেতৃত্বাধীন কংগ্ৰেছেহে ( নামত কিন্তু কংগ্ৰেছৰ সভাপতি আনহে আছিল, ইন্দিৰা গান্ধী নহয় ) পাৰিব



OKDISCD

এনেবোৰ ধাৰণা ৰাইজক দিবলৈ যত্নপৰ হয়। কেন্দ্ৰীয় সংসদত তেওঁৰ দলৰ শক্তি বৃদ্ধি হলেহে গান্ধীয়ে গৰিবী হটাব পাৰিব বুলি ৰাইজৰ পৰা ভোট বিচাৰে। ইন্দিৰা গান্ধীয়ে যি বিচাৰিছিল তাকেই পালে—কিন্তু জনসাধাৰণে পালে কি? কেইখনমান নতুন আইন, সংবিধানৰ দুটামান সংশোধনীৰ লগতে নতুন কৰৰ বোজা বাঢ়িল; বাঢ়িল নিত্য ব্যৱহাৰ্য বস্তুৰ নাটনি আৰু চ'ৰা দাম; বাঢ়ি গ'ল ক্ৰম বৰ্দ্ধমান নিবনুৱা সমস্যা, প্ৰশাসনীয় দুৰ্নীতি, স্বৈৰাচাৰ আৰু অৰ্থ সংকট।

সংসদত সংখ্যাগৰিষ্ঠতা হলেও ৰাজ্য সমূহত তেওঁৰ দলৰ চৰকাৰ নহলে যেন গান্ধীয়ে ৰাইজক দিয়া প্ৰতিশ্ৰুতি মতে কাম কৰিব নোৱাৰিব—তেনে কাৰণ দেখুৱাই 'এক দেশ; এক জাতি; এক নৈতা' ধ্বনিৰে সাধাৰণ নিৰ্বাচনত অৱতীৰ্ণ হ'ল। বিপক্ষ দলৰ হাতৰ ৰাজ্য চৰকাৰবোৰ চলে-বলে-কৌশলে, কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা প্ৰয়োগ-অপপ্ৰয়োগেৰে ভাঙি ৰাষ্ট্ৰপতি শাসনৰ নামত গান্ধীৰ হাতলৈ নিলে। প্ৰগতিশীল বিৰোধী দল সমূহৰ ওপৰত দমন নীতি, আৰু দুৰ্নীতিৰ প্ৰয়োগ চলিল। আনকি—তেওঁৰ দলৰো গণতান্ত্ৰিক ব্যৱস্থা মষিমুৰ কৰি, ব্যক্তিগত ভাবে গান্ধীৰ প্ৰতি অনুগত সকলক লৈ নতুন নেতৃত্ব—ওপৰৰ পৰাই সংগঠিত কৰিলে। নিজৰ দলৰ ভিতৰতো তেওঁৰ এক নায়কত্ব আৰু কৰ্তৃত্বশীলতাবাদ প্ৰতিষ্ঠিত হ'ল।

ইতিমধ্যে বাংলা দেশৰ সংকট আৰম্ভ হয়। সামৰিক একনায়কত্ববাদী পাকিস্থানী শাসক সকলে তাৰ গণতান্ত্ৰিক আন্দোলন নিষ্ঠুৰ ভাবে দমন কৰিবলৈ লয়। গণতান্ত্ৰিক আন্দোলন কিন্তু আগ বাঢ়ি থাকে, সামৰিক শাসক সকলে প্ৰায় ত্ৰিশ লাখ লোকক নিৰ্মম ভাবে হত্যা কৰে আৰু এক কৌটি ভগনিয়াই ভাৰতত আশ্ৰয় লয়। পূৰ্ববঙ্গৰ মুক্তিকামী মুক্তিবাহিনীক সহায় কৰিবলৈ আৰু পূৰ্ববঙ্গত সামৰিক হস্তক্ষেপ কৰিবলৈ ভাৰতৰ সকলো শ্ৰেণীৰ লোকে চৰকাৰক হেচা দিয়ে। জনমতৰ এই প্ৰবল ছাপত ইন্দিৰা গান্ধীয়ে বাংলা দেশক স্বীকৃতি দিয়ে। পৰিণতি হিচাপে পাকিস্থানৰ লগত ৰণ হয়। এই ৰণত দল নিৰ্বিশেষে এটায়ে চৰকাৰক সমৰ্থন দিয়ে।

দেশৰ বৃহৎ পুঁজিপতি সকলেও অৱশেষত বাংলা দেশৰ মুক্তি সংগ্ৰামত সমৰ্থন দিয়ে। পৃথিবীৰ সমাজতান্ত্ৰিক শিবিৰৰ শক্তি বৃদ্ধি, সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনৰ শক্তি বৃদ্ধি আৰু পুঁজিবাদী দেশ সমূহৰ অৰ্থনৈতিক সংকটৰ ফলত





ভাৰতৰ পুঁজিবাদী অৰ্থনীতি তীব্ৰ সংকটত পৰিছে, মুদ্ৰা মূল্যৰ প্ৰকৃততে অৱনতি হৈছে, কল-কাৰখানা বন্ধ হৈছে, উৎপাদন সংকুচিত হৈছে আৰু নিবনুৱা সমস্যা বাঢ়িছে। এই সংকটৰ পৰা ৰক্ষা পৰিবলৈকে ভাৰতীয় শিল্পপতি সকলকো বজাৰ লগা হৈছে। তেওঁলোকে বাংলা দেশৰ মাজেদি নিজৰ বজাৰ বৃদ্ধি কৰিব খোজে। সেয়ে তেওঁলোকে বাংলা দেশৰ গণতান্ত্ৰিক অধিকাৰৰ বাবে নহয়—নিজৰ শ্ৰেণীস্বাৰ্থত বাংলাদেশৰ মুক্তি আন্দোলন আৰু ভাৰতৰ হস্তক্ষেপত সমৰ্থন কৰিছে।

শত সহস্ৰ ভাৰতীয় জোৱান আৰু বাংলা দেশৰ মুক্তি বাহিনীৰ আত্মত্যাগ আৰু ভাৰতৰ সকলো শ্ৰেণীৰ সমৰ্থনত বাংলাদেশ মুক্ত হ'ল, পাকিস্থানৰ বিৰুদ্ধে ভাৰত বিজয়ী হ'ল।

এই বিজয়ৰ সুযোগ ইন্দিৰা গান্ধীয়ে ৰাণী ভৱানী মুক্তিদাতা ৰূপে নিজৰ ভাবমূৰ্তি বঢ়োৱা আৰু নিজে নিজৰ কীৰ্তি-সফলতা বুলি যহ লোৱা কামত ব্যৱহাৰ কৰে। এই কামত প্ৰগতিশীল নামধাৰী সমাজতান্ত্ৰিক নামধাৰী ইন্দিৰাৰ বহুতীয়া সংশোধনবাদী সকলে ইন্দিৰা গান্ধীক সহায় কৰে।

মধ্যবৰ্ত্তীকালীন নিৰ্বাচনৰ আগতে জনসাধাৰণক শ্ৰীমতী গান্ধীয়ে দিয়া প্ৰতিশ্ৰুতিবোৰ পালন কৰিবলৈ জনসাধাৰণৰ দাবী জোৰদাৰ হোৱাৰ আগ মুহূৰ্ত্তত এই ঘটনাৱলীৰে সুযোগ লৈ ইন্দিৰা গান্ধীয়ে ৰাইজৰ মন বিদেশী শক্তিৰ বিৰুদ্ধে আকৰ্ষিত কৰাৰ কৌশলেৰে সাধাৰণ নিৰ্বাচনত অৱতীৰ্ণ হয়। দেশ ৰক্ষাৰ প্ৰয়োজনৰ নামত—আৰু নতুন কৰৰ বোজা বাঢ়িল, নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যমান অসম্ভৱ ৰূপে বাঢ়িল। আনহাতে লাভখোৰ, কৰফাকি দিয়া পুঁজিপতি সকলৰ শোষণৰ সুবিধা একেদৰেই থাকিল। আনকি জৰুৰীকালীন অৱস্থাত অধিক উৎপাদনৰ নামত পুঁজিপতি সকলে শ্ৰমিক আন্দোলনৰ ওপৰত আঘাত আৰু জোৰদাৰ কৰিলে। ভূতৰ ওপৰত দানহৰ দৰে ঘাটি বাজেটৰ যোগেদি, সৰহ মুদ্ৰা প্ৰচলনৰ মাৰাত্মক নীতি লোৱাৰ ফলত, বস্তুৰ দাম আৰু বাঢ়িল। নিমখ, চেনি, কেৰাচিন আদিৰ দাম বাধাহীন ভাবে ব্যৱসায়ী গোষ্ঠীক বঢ়াবৰ সুযোগ দিলে (কাৰণ এই পুঁজিপতি ব্যৱসায়ী সকলে নিৰ্বাচনৰ সময়ত শাসক দলৰ লোক সকলক ধন যোগায়)।

এইদৰে বাংলাদেশৰ মুক্তি আন্দোলন, পাকিস্থানী ৰণ আদিৰ কামত



OKDISCD

শোষক সকলৰ অবাধ লুণ্ঠনৰ ফলত, ভাৰতৰ জনসাধাৰণে অৱৰ্ণনীয় দুৰ্ভোগ ভুগিব লগাত পৰিল।

এই সুযোগতে শ্ৰীমতী গান্ধীয়ে তেওঁৰ প্ৰতি আনুগত্য সম্পৰ্কে অলপো সন্দেহ থকা মানুহক ৰাজ্য সমূহৰ ক্ষমতাৰ পৰা আঁতৰ কৰে। মধ্যপ্ৰদেশ আৰু আমাৰ কংগ্ৰেছ দলৰ মাজত চলা ঘটনাকেই তাৰ উদাহৰণ স্বৰূপে আঙুলিয়াব পাৰি। এনে সকলোবোৰ ৰাজ্যত ইন্দিৰা গান্ধীক 'হয় হুজুৰ' বোলা সকলক নেতা নিয়োগ কৰা হ'ল। যুদ্ধ জয়ৰ হৈ-চৈৰ পটভূমিৰ মাজত সাধাৰণ নিৰ্বাচন পাতিলে দেশত জৰুৰীকালীন পৰিস্থিতি চালু হৈ থকা সময়তেই, যাতে জনসাধাৰণে মোহবিমুক্ত ধৰণে শ্ৰীমতী গান্ধীৰ কথা আৰু কামৰ মাজত থকা পাৰ্থক্য সম্পৰ্কে গমি চোৱাৰ সুবিধা নাপায়। য'ত দেখিলে যে তেওঁৰ দলৰ জয়ৰ আশা ক্ষীণ, তেনে ৰাজ্যবোৰত অবাধ নিৰ্বাচনৰ নামত ভেবোভাওনা পতাৰ অভিযোগ উঠিল।

এক নেতা, এক দেশ আৰু এক নীতিৰ শ্লোগানৰ নামত এতিয়া দেশৰ একনায়কত্বধৰ্মী কৰ্তৃত্বশীলতাবাদৰ বিপদ ক্ৰমশঃ ঘনীভূত হৈছে। আজি ২২ বছৰ ধৰি ভাৰতবৰ্ষ একেটা দলৰ শাসনত আছে, তেওঁলোকৰ মূলনীতিৰো সলনি হোৱা নাই।

স্বাধীনতা পোৱাৰ পিচৰে পৰা ১৯৬৭ চনলৈকে কংগ্ৰেছ দলে কেন্দ্ৰ আৰু ৰাজ্য সমূহত সুস্থিৰ সবল চৰকাৰ গঠনৰ সুবিধা পাই আহিছে। এই সময়চোৱাত সমাজতান্ত্ৰিক আৰ্হি বা সমাজবাদী আচনিৰে প্ৰগতিৰ কথা নেহৰু ইন্দিৰা গান্ধী আদিয়ে ঘোষণা কৰি আহিলেও বিৰলা-টাটা আদিৰ দৰে এক-চেতিয়া পুঁজিপতি সকলে বা ভাৰতত মূলধন নিয়োগ কৰা বিদেশী পুঁজিপতি সকলে অকণো অসুবিধা পোৱা নাই—কিন্তু আনফালে জনসাধাৰণে দিনেদিনে চৰম দুৰ্দ্দশাৰ সন্মুখীন হৈছে।

মুখত 'সমাজতন্ত্ৰ' আৰু 'গৰিবীহটাও'ৰ কথা কৈ কামত বৃহৎ পুঁজিপতি সকলৰ শক্তি বৃদ্ধিত সহায় কৰা ; মুখত গণতন্ত্ৰৰ কথা কৈ নিজৰ একনায়কত্ব আৰু কৰ্তৃত্বশীলতা স্থাপনৰ হকে কাম কৰি যোৱাৰ পৰিণতি অতিশয় বিপদজ্জনক। মুকলি আৰু অবাধ নিৰ্বাচনৰ প্ৰহসন কৰি আন উপায়ে এই নিৰ্বাচনক প্ৰহসনত পৰিণত কৰা আৰু বিৰোধী দলসমূহক, বিৰোধী দলৰ কৰ্মী সকলক নিৰ্মূল





কৰা অভিযান হ'ল তাতোকৈ ভয়াবহ। এই অভিযানৰ জঘণ্য ৰূপ প্ৰকাশিত হৈছে গান্ধীৰ চৰকাৰৰ সমৰ্থনত, তেওঁৰ দলে শ্ৰমিক-কৃষক মধ্যবিত্তৰ গণ-তান্ত্ৰিক বৈধ আন্দোলনৰ ওপৰত বিভিন্ন ৰাজ্যত কৰা উলংগ আক্ৰমণত।

শ্ৰীমতী গান্ধীৰ কৰ্তৃত্বশীলতা বাদৰ অধীনত ৰাজ্যচৰকাৰ সমূহৰ স্বায়ত্ব-শাসনমূলক ক্ষমতাসমূহ বহুপৰিমাণে খৰ্ব হৈছে। কংগ্ৰেছদলৰ ভিতৰত তেওঁৰ কাৰ্যৰ সমালোচনা কৰিবলৈ সাহস কৰা লোক নথকাত ৰাজ্যসমূহৰ কংগ্ৰেছী চৰকাৰ সমূহৰ আভ্যন্তৰীণ বিষয়তো তেওঁ সঘনে হস্তক্ষেপ কৰিবলৈ লৈছে। মন্ত্ৰীসভা গঠনৰ পৰা আৰম্ভ কৰি সকলো কথাই তেওঁৰ নিৰ্দেশত চলিছে। ভৱিষ্যতে ৰাজ্য চৰকাৰ সমূহে শ্ৰীমতী গান্ধীৰ নিৰ্দেশত সংবিধান প্ৰদত্ত অধিকাৰসমূহৰ গুৰুত্বপূৰ্ণ অংশবিলাক কেন্দ্ৰীয় চৰকাৰক এৰি দিয়াৰ আশংকা আছে। ইতিমধ্যে উত্তৰ পূব অঞ্চলৰ বাবে এখন আঞ্চলিক পৰিষদ গঠনৰ ব্যৱস্থা কৰি এই অঞ্চলৰ ৰাজ্যসমূহৰ ওপৰত কেন্দ্ৰৰ কৰ্তৃত্ব অধিক কটকটীয়া কৰা হৈছেই। এনেকুৱা ব্যৱস্থাৰ ফলত ৰাজ্যসমূহত আমোলাতন্ত্ৰৰ শক্তি বৃদ্ধিৰ লগতে জনসাধাৰণৰ নাগৰিক (Civil) আৰু ৰাজনৈতিক অধিকাৰসমূহ সংকুচিত হোৱাৰ ভয় আছে।

কৰ্তৃত্বশীলতাবাদে আমোলাতন্ত্ৰ, পুলিচ আৰু সামৰিক বাহিনীৰ পৰিষদৰ আৰু প্ৰভাব বৃদ্ধি কৰে। ইতিমধ্যে প্ৰধানমন্ত্ৰীৰ সচিবালয়ৰ শক্তি অভূতপূৰ্ব ভাবে বৃদ্ধি পাইছে। কেন্দ্ৰৰ আন মন্ত্ৰীদপ্তৰ আৰু ৰাজ্য সমূহৰ ওপৰতো প্ৰধানমন্ত্ৰীৰ হস্তক্ষেপ সঘনে বৃদ্ধি পাইছে। লোক সভাৰ স্বৰাষ্ট্ৰ দপ্তৰৰ (এই দপ্তৰ প্ৰধানমন্ত্ৰীৰ হাতত) মঞ্জুৰী সম্পৰ্কৰ যোৱা ২০ এপ্ৰিলৰ বিতৰ্কত যি তথ্য-পাতি দাঙি ধৰা হৈছে তাৰ পৰা দেখা যায় যে প্ৰধানমন্ত্ৰীৰ নিজস্ব সচিবা-লয়ৰ অধীনত এটা বিৰাট গুপ্ত বাহিনী (Political and Analytical wing) গঢ়া হৈছে। C. R. P আৰু পুলিচৰ শিতানত ব্যয়বৃদ্ধিৰ হিচাবো তাৎপৰ্যপূৰ্ণ।

আনমন্ত্ৰী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী সকল প্ৰধানমন্ত্ৰীৰ অপ্ৰিয় হোৱাৰ ভয়ত প্ৰধানমন্ত্ৰীৰ সচিবালয়ৰ আমোলা সকলক সমীহ কৰি চলিব লগাত পৰিছে। (এই আমোলা সকলৰ কিছুমান আমেৰিকাত বিশেষ ভাবে শিক্ষা-প্ৰাপ্ত।) লগতে কেন্দ্ৰৰ আন মন্ত্ৰীদপ্তৰ আৰু ৰাজ্য সচিবালয় বোৰতো আমোলা সকলৰ অতপালি বৃদ্ধি হোৱাৰ সম্ভাবনাই দেখা দিছে।



OKDISCD

কংগ্ৰেছ দলৰ ভিতৰতো গণতন্ত্ৰৰ ঠাই কৰ্তৃত্বশীলতাবাদে লোৱাৰ ফলত, আগতে যদিও কিবা অলপ অচৰপ সুবিধা জন-সাধাৰণে এই দলৰ মাজেদি পাইছিল এতিয়া সেই সুযোগ নোহোৱা হ'ল।

দেশৰ সন্মুখত কৰ্তৃত্বশীলতাবাদৰ পৰা বিপদ উপস্থিত। দেশৰ অৰ্থনীতিৰ সংকটবৃদ্ধিৰ লগে লগে, এই বিপদ আৰু বাঢ়িব। যদি প্ৰগতিশীল শক্তি সমূহে গণতান্ত্ৰিক আন্দোলনৰ মাজেদি এই কৰ্তৃত্বশীলতাৰ প্ৰতিৰোধ সংগঠিত নকৰে তেনেহলে দেশৰ গণতন্ত্ৰ চিৰদিনৰ বাবে লোপ পোৱাৰ শংকা ঘনীভূত হৈ উঠিছে।

—×—



OKDISCD

# সমাজসত্যৰ উৎস সন্ধানত

অচিন্ত্য ভট্টাচাৰ্য্য

(১)

সত্যৰ উৎস কি, এই পুৰণি প্ৰশ্নটো আকৌ উত্থাপিত হৈছে।

ভাৰতৰ পুঁজিবাদী শ্ৰেণীৰ তাত্ত্বিক সকলে মাৰ্ক্সবাদৰ কিছুমান সিদ্ধান্ত সম্পৰ্কে 'নতুন' তত্ত্ব আমাৰ আগত দাঙি ধৰি দাবী কৰিছে ঃ এয়ে সত্য, ইয়াক মানি লোৱা। ভাৰতৰ সংশোধনবাদী 'মাৰ্ক্সিষ্ট' সকলে এই দাবীৰ আগত মূৰ দোৱাই অবিশ্বাসী সকলক সকিয়ায় ঃ এয়ে যুগৰ সত্য, উলঙ্ঘা কৰিলে ইতিহাসে ক্ষমা নকৰিব ; সেয়ে আহা, আমাৰ লগত 'নৱ'-সত্যৰ পিচত শাৰী পাতা!

ইতিহাসৰ কথা কোৱা টান। পিচে সমকালীন ভাৰতত যি সকলে মাৰ্ক্সবাদৰ পুঁজিপতি-শোধনবাদী ভাষ্য মানি লব নোখোজে, ৰাষ্ট্ৰৰ দণ্ডপাণিসকলে যে তেওঁলোকক ক্ষমা নকৰিব, তাৰ প্ৰমাণ অৱশ্যেই অলেখ।

ভাৰতৰ শোষক শ্ৰেণীয়ে যদি মাৰ্ক্সবাদৰ মতাদৰ্শকে পোনেই দমন কৰিব পাৰিলেহেঁতেন, তেনেহলে তাকে কৰিব বিছাৰিলেহেঁতেন। কিন্তু যুগে বাগৰ সলাইছে। আজিৰ এই ছোৱা সময়ত পুঁজিবাদৰ দেউলিয়া মতাদৰ্শৰ ভিত্তিত মাৰ্ক্সবাদক পৰাজিত কৰা অসম্ভৱ হৈ উঠিছে। গতিকে আমাৰ দেশতো মাৰ্ক্সবাদৰ শত্ৰু সকলে য়ুৰোপৰ পূৰ্বগামী সকলৰ অনুসৰণত মাৰ্ক্সবাদৰ ওপৰত ভেজা দি, সমাজতন্ত্ৰৰ নিচান দাঙি ধৰি নিজৰ উদ্দেশ্য লুকুৱাই ৰাখি মাৰ্ক্সবাদৰ ওপৰত আক্ৰমণ চলাব ধৰিছে।

তেওঁলোকৰ আওপকীয়া আক্ৰমণৰ লক্ষ্য হ'ল,—মাৰ্ক্সবাদৰ বৈপ্লৱিক তত্ত্বাৱলীক ক্ৰমাৎ নিৰ্বীৰ্য কৰি পুঁজিবাদৰ লগত সংঘৰ্ষৰ সলনি সঙ্গতি সংশোধনী আৰোপ কৰা।

ভাৰতৰ কমিউনিষ্ট আন্দোলনৰ দুৰ্বলতা আৰু বিশ্ব-কমিউনিষ্ট আন্দোলনৰ গভীৰ অন্তৰ্বিৰোধৰ সুযোগ লৈ পুঁজিবাদৰ তাত্ত্বিক আৰু সংশোধনবাদী বহতীয়া সকলে সমাজতন্ত্ৰৰ ভেশছন লৈ সাম্যবাদৰ মূল নীতিৰ বিৰুদ্ধে এই

আওপকীয়া আক্ৰমণৰ কৌশল ৰচনা কৰিছে। ভাৰতত তথাকথিত ইন্দিৰা হাৰাৰ বাতাবৰণত এনে ধৰণৰ আক্ৰমণৰ তীব্ৰ বৃদ্ধি পাব, এই সম্পৰ্কে সন্দেহ নাই। ইয়াৰ লক্ষ্য, সমাজতন্ত্ৰ আৰু মাৰ্ক্সবাদৰ নামত মাৰ্ক্সবাদৰ বৈপ্লৱিক তত্ত্বাৱলীক বিকৃত আৰু ধ্বংস কৰা, ভাৰতত এই তত্ত্বৰ প্ৰয়োগ সম্পৰ্কে সংশয় সৃষ্টি কৰা আৰু প্ৰগতিবাদী বুদ্ধিজীৱী শ্ৰেণীক মাৰ্ক্সবাদৰ মতাদৰ্শৰ পৰা আঁতৰাই নিয়া।

ভাষা আৰু যুক্তিৰ বিভিন্নতা থকা সত্বেও এই আক্ৰমণৰ সাৰবস্তু হ'ল, গণতন্ত্ৰ আৰু সমাজতন্ত্ৰৰ সংগ্ৰামত শ্ৰেণীসংগ্ৰাম আৰু সৰ্বহাৰাৰ অগ্ৰগণ্য ভূমিকাক অস্বীকাৰ কৰা।

এই 'নতুন' তত্ত্ববিলাক নো কি?

ৰাজনীতিৰ ক্ষেত্ৰত, পুঁজিবাদী শ্ৰেণীৰ নেতৃত্বত ভাৰতীয় সমাজৰ সমাজতান্ত্ৰিক ৰূপান্তৰ সাধিত হব পাৰে, এই উদ্দেশ্যমূলক দাবীক এফাকি 'মাৰ্ক্সীয়' তত্ত্বত পৰিণত কৰা হৈছে।

অৰ্থনীতিৰ ক্ষেত্ৰত এই দাবী আগবঢ়োৱা হৈছে যে পুঁজি ক্ৰমাৎ কেন্দ্ৰীভূত হৈ একচেতিয়া (মন'পলী) পুঁজিবাদলৈ পৰিণত হোৱাৰ সুপৰিচিত মাৰ্ক্সীয় তত্ত্ব ভাৰতত আৰু নেখাটে; কাৰণ দেখুৱা হৈছে যে ভাৰতত নৱ-পুঁজিবাদ সৰুসুৰা উৎপাদনৰ আলম লৈ তলৰ ফালে বিয়পিব ধৰিছে (বিপ্লৱী ইন্দিৰা নীতিক ধন্যবাদ) যাৰ ফলত পুঁজিবাদ সাম্ৰাজ্যবাদ লক্ষ্যৰ বেচি নিলগ হৈ থকা নাই!

উপৰোক্ত সিদ্ধান্তৰ ভিত্তিত দাবী কৰা হৈ আছে যে ভাৰতৰ বেলিকা শ্ৰেণী-সংগ্ৰামৰ মাৰ্ক্সীয় তত্ত্বও লাগতিয়াল নহয় আৰু ভুল।

এই বিলাক 'নতুন' সিদ্ধান্ত অকল তত্ত্বতেই সীমাবদ্ধ হৈ থকা নাই। শাসক-কংগ্ৰেছ আৰু সোঁপন্থী কমিউনিষ্টৰ যুক্ত ম'ৰ্চা, শ্ৰমিক আন্দোলনৰ ক্ষেত্ৰত পুঁজিবাদী নিয়ন্ত্ৰিত শ্ৰমসংঘৰ লগত সোঁপন্থী কমিউনিষ্ট আৰু সমাজতান্ত্ৰিক দলৰ শ্ৰমসংঘৰ জোঁট—এই নৱদৰ্শনৰ ব্যৱহাৰিক ৰূপ।

এই ঐক্য আৰু ম'ৰ্চা পুঁজিবাদৰ বিৰুদ্ধে নহয়, হোৱা হলে পুঁজিপতি শ্ৰেণীৰ আশীৰ্বাদ নাপালেহেঁতেন।

এই ম'ৰ্চা শ্ৰেণীসংগ্ৰাম আৰু পুঁজিৰ অনিবাৰ্য পতনৰ মাৰ্ক্সীয় তত্ত্বৰহে বিৰুদ্ধে!





(২)

বিশ্বকমিউনিষ্ট আন্দোলনৰ ইতিহাসত মাৰ্ক্সবাদৰ এই শ্ৰেণীৰ সমালোচনা আৰু সংশোধনীৰ দেউলিয়া চৰিত্ৰ বাৰে বাৰে উদঙাই দিয়া হৈছে। তথাপি ভাৰতত এই একেশ্ৰেণীৰ চতুৰ সমালোচনাৰ উত্তৰ দিবৰ প্ৰয়োজন নাই, এনে নহয়। ভাৰতত পুঁজিবাদী শ্ৰেণীৰ বিভিন্ন মতবাদৰ প্ৰভাৱ এতিয়ালৈকে প্ৰবল। গতিকে তেওঁলোকৰ প্ৰতিটো আক্ৰমণৰ সুনিৰ্দিষ্ট উত্তৰ দিয়াৰ প্ৰয়োজন এতিয়াও লোপ পোৱা নাই।

এই প্ৰবন্ধৰ লক্ষ্য অৱশ্যে বেলেগ।

শোষক শ্ৰেণীৰ এলানি তত্ত্ব আৰু এজাক যুক্তি মাৰ গ'লে তেওঁলোকৰ তাত্ত্বিক সকলৰ পক্ষে মকৰাৰ নিচিনাকৈ পেটৰ পৰা সূত্ৰ উলিয়াই ততালিকে আৰু এলানি তত্ত্ব আৰু যুক্তিৰ পাল পতাটো একো তান কাম নহয়! সেয়ে তেওঁলোকৰ এনে ধৰণৰ আক্ৰমণৰ সমগ্ৰ তত্ত্বগত ভিত্তিৰ 'সত্যতা' চালিজাৰি চোৱাটো এই প্ৰবন্ধৰ লক্ষ্য।

সত্যৰ উৎস কি, পৰিমাপ কি, এই প্ৰশ্নাৱলীৰ আলোচনা সেয়ে প্ৰাসঙ্গিক হৈ পৰিছে। পুঁজিবাদৰ মতাদৰ্শ আৰু শোধনবাদৰ এই যৌথ আক্ৰমণৰ বিৰুদ্ধে যুজিবলৈ এই তাত্ত্বিক আলোচনাৰ গুৰুত্ব গধুৰ।

(৩)

শোষক শ্ৰেণী আৰু তেওঁলোকৰ সংশোধনবাদী বহুতীয়া তত্ত্বকাৰ সকলৰ এই অভিযানৰ সাফল্যৰ আশা অৱশ্যে নাই।

মাৰ্ক্সবাদৰ তত্ত্ব পুঁজিবাদী সমাজ ব্যৱস্থাৰ বাস্তৱ অৱস্থাৰ প্ৰতিফলন—তাৰ সাধাৰণ আৰু সূত্ৰবদ্ধ ৰূপ। এই তত্ত্ব মাৰ্ক্সৰ 'উদ্ভাৱন' নহয়। কালজয়ী প্ৰতিভাৰ লগত অদম্য বৈপ্লৱিক কৰ্মোদ্যমৰ যোগাযোগেৰে মাৰ্ক্সে পুঁজিবাদৰ বিকাশৰ নিয়ম সমূহ আৱিষ্কাৰ কৰিবলৈ সমৰ্থ হয়; পুঁজিবাদী সমাজ ব্যৱস্থা চিৰকলীয়া নহয়, বিকাশৰ শেহত তাৰ বিনাশো ধ্ৰুৱ, আৰু তাৰ ঠাইত বিপ্লৱৰ যোগেদি নতুন উন্নত সমাজব্যৱস্থাৰ অভ্যুদয়ো সুনিশ্চিত—মাৰ্ক্সে এই তত্ত্ব প্ৰমাণিত কৰে। ক্যাপিটেল (প্ৰথম খণ্ড) প্ৰকাশিত হোৱাৰ এশতিকা কাল উকলি যোৱা



OKDISCD

সত্বেও এই তত্বাৱলীৰ সত্যতা আৰু শক্তি আজিলৈকে ক্ৰমাৎ বেছিকৈ স্পষ্টহৈ উঠিব ধৰিছে।

এই তত্বাৱলীৰ পুঁজিবাদী সমাজৰ গতিসূত্ৰৰ যথাৰ্থ প্ৰতিফলন হয় নে নহয়, সমাজৰ বাস্তৱতায়েই তাৰ প্ৰমাণৰ একমাত্ৰ কষটি পাথৰ। এই প্ৰমাণ কোনো মানুহৰ গ্ৰহণ বা বৰ্জন নাইবা আনকাৰোবাৰ ধাৰণাৰ ওপৰত নিৰ্ভৰ নকৰে। যোৱা আধা শতিকাৰ ঘটনাপ্ৰবাহৰ ফলত, বিপ্লৱৰ পথেৰে পৃথিবীৰ তিনিভাগৰ এভাগত পুঁজিবাদৰ ধ্বংসাৱশেষৰ ওপৰত সমাজতান্ত্ৰিক ব্যৱস্থা কায়েম হৈছে। এই গোটেই যুগটো মাৰ্ক্সবাদৰ সিদ্ধান্ত সমূহৰ অভ্ৰন্ততাৰ নিদৰ্শন।

ক্ৰমঃবিকাশৰ নিচিনা বিপ্লৱো সামাজিক বিবৰ্তনৰ স্বাভাৱিক নিয়ম। সমাজত মৌলিক পৰিবৰ্তনৰ সময় আহি পালে মানুহৰ চিন্তাত তাৰ ছাঁ পৰে, বিপ্লৱৰ চিন্তা ওপজে। বিপ্লৱৰ বাস্তৱ অৱস্থাত বিপ্লৱী সত্যও প্ৰতিফলিত হয়। সমাজৰ পৰিবৰ্তনৰ ক্ষেত্ৰত বিপ্লৱী চেতনা আৰু তত্বৰ গধুৰ ভূমিকা থকা স্বত্বেও তত্বই বিপ্লৱৰ বাস্তৱভিত্তি সৃষ্টি নকৰে। কিছুমান বিপ্লৱী তত্বই যিকোনো দেশত যিকোনো সময়ত বিপ্লৱ সৃষ্টি কৰিব নোৱাৰে। একেটা কাৰণৰ বাবে ৰক্ষণশীল সকলৰ চিন্তা আৰু তত্বই ইচ্ছামতে প্ৰতি বিপ্লৱো মাতি আনিব নোৱাৰে।

সেয়ে সমকালীন পুঁজিৰ 'বৰ্ণাশ্ৰম'ৰ ন-ব্ৰাহ্মণ আৰু তেওঁলোকৰ শোধনবাদী লিটিকা সকলে মাৰ্ক্সবাদক কাটিছিঙি ফৰমাচ মতে নিজৰ বৌদ্ধিক হিমঘৰৰ পৰা 'ঠাণ্ডা' বিপ্লৱ আমদানী কৰিব নোৱাৰিব।

সামাজিক বাস্তৱতায়েই সমাজতত্বৰ ভিত্তি—এই তত্বৰ বিকল্প নাই।

( ৪ )

পুঁজিবাদৰ তাত্বিক সকলে মানুহৰ জ্ঞানৰ এই বস্তুমূল মানি নলয়। ভাববাদৰ কুৰঁলিয়ে তেওঁলোকৰ জ্ঞানৰ বাট আৱৰি ৰাখিছে। ভাববাদী দৰ্শনৰ জ্ঞানতত্বৰ মতে, মানুহৰ মনেই সত্যৰ জনমভূমি ; মানুহৰ জ্ঞানৰ স্বকীয়া, বস্তুগত ভিত্তি নাই, অস্তিত্ব নাই ; জ্ঞান সদায় চেতনাময় আৰু বস্তুবিমুখ।

ভাববাদৰ মতে মানুহে ইন্দ্ৰিয়ৰ যোগেদি যি অনুভূতি লাভ কৰে, নিজৰ চেতনাৰ ৰসেৰে 'পুটপাক' কৰি তাৰ পৰা বস্তুজগৎ সম্পৰ্কে কিছুমান ধাৰণা





হে লাভ কৰে। এই ধাৰণা সমষ্টিয়েই মানুহৰ জ্ঞানৰ ভৰাল—জনাৰ সীমা এই আত্মগত ধাৰণাৰ সিপাৰলৈ যাব নোৱাৰে। এই সীমাৰ বাহিৰে বস্তু জগৎ 'মায়া' নে তাৰ স্বকীয় অস্তিত্ব আছে মানুহে জানিব নোৱাৰে।

এই জ্ঞানতত্বয়ো আধ্যাত্মবাদৰ নিচিনা প্ৰাচীন। মানব সমাজৰ আদি পৰ্বত বস্তু জগৎ সম্পৰ্কে মানুহৰ জ্ঞান আছিল অতি সীমাৱদ্ধ। প্ৰকৃতিৰ ওপৰত ক্ৰিয়া কৰাৰ শক্তি আৰু সঁজুলী মানুহৰ হাতত ইমান কম আছিল যে, প্ৰকৃত জ্ঞানৰ ঠাইত কল্পনা ধাৰণা আদিয়ে প্ৰধান হৈ পৰিছিল। পৰৱৰ্ত্তী সময়ত সভ্যতাৰ আৰম্ভণিত সমাজত শ্ৰেণীবিভাগ দেখা দিয়েহি আৰু মানসিক শ্ৰম দৈহিক শ্ৰমৰ পৰা বিচ্ছিন্ন হৈ পৰে। এই পটভূমিত মানুহৰ চেতনাত মন আৰু বস্তুৰ বিচ্ছেদৰ তত্ব সহজতে শিপা মেলিবলৈ সক্ষম হয়।

ভাববাদী জ্ঞানবাদৰ এই সামাজিক আৰু ঐতিহাসিক উৎস লক্ষ্য কৰা প্ৰয়োজন।

এই জ্ঞানবাদৰ অতি প্ৰাঞ্জল আৰু উন্নত প্ৰকাশ হ'ল গীতাত। ইন্দ্ৰিয় চঞ্চল, মন 'প্ৰমাথি' ; ইন্দ্ৰিয়জ্ঞান আৰু মন ও বুদ্ধিৰ বিচাৰ শক্তিয়ে যি জ্ঞানৰ যোগান দিয়ে তাক সেয়ে সত্য বুলি মানি লব নোৱাৰি ; সেয়ে এই সমস্ত সৃষ্টিৰ নিৰ্বিশেষ মূল কাৰণ ব্ৰহ্মাৰ উপলব্ধিয়েই একমাত্ৰ সত্যজ্ঞান।

প্ৰাচীন গ্ৰীচত প্ৰোটাগোৰাছ (মানুহেই সকল বিষয়ৰ পৰিমাণ), ভাৰতত চণ্ডীদাসে (সবাৰ উপৰে মানুষ সত্য তাহাৰ উপৰে নাই) ৰূপকেৰে 'লোকায়ত' ভংগীত এই একেটা তত্বক যুগ যুগ ধৰি মানুহৰ প্ৰত্যহৰ সাধাৰণ চিন্তাত সুমুৱাই দিছে। ভাববাদী জ্ঞান বাদৰ মূল সুৰ একেটা ; আমাৰ ধাৰণা চেতনাৰ মাজতেই জগতৰ অস্তিত্ব; তাৰ বাহিৰত আছে নে নাই জানিব নোৱাৰোঁ।

বস্তু জগতৰ স্বকীয়া অস্তিত্ব সম্পৰ্কে সংশয়, অস্তিত্ব থাকিলেও তাৰ ৰূপ জনাৰ উপায় নাই, এই বিশ্বাস, এই নিমজ ভাববাদী ধাৰণা যদি সঠিক হয়, তেনেহলে প্ৰকৃতি-বিজ্ঞানৰ ভিত্তিয়েই নেথাকে। পিচে বিজ্ঞানৰ দুৰ্বাৰ অগ্ৰগতিয়ে বিপৰীতটোহে প্ৰমাণিত কৰিলে।

আধুনিক বিজ্ঞানৰ সূত্ৰপাতৰ যুগত অভিজাত শ্ৰেণীৰ তন্ত্ৰধাৰক পাদৰী-সকলে বৈজ্ঞানিকৰ মূৰ কাটি বিজ্ঞান ধ্বংস কৰিবলৈ বিচাৰিছিল। সমাজ



OKDISCD

আৰু প্ৰকৃতি সম্পৰ্কে সত্যজ্ঞান শোষক শ্ৰেণীৰ পক্ষে বিপজ্জনক আছিল। কাৰণ পাদৰী শ্ৰেণীয়ে যি ধাৰণাসমূহক জ্ঞানৰ নামত পোষণ কৰিছিল বিজ্ঞানে তাৰ গৰা খহুৱাই নিব ধৰিছিল। পাদৰী শ্ৰেণীৰ ভাববাদী জ্ঞানমতে মানুহৰ মনেই সত্যৰ কঠিয়াতলী; গতিকে যি মনে 'ধৰ্মদ্ৰোহী' সত্যৰ জনম দিয়ে, তাক নিৰ্মূল কৰিলে বিজ্ঞানো নিৰ্মূল হব, মধ্য যুগৰ ইনকুইজিশ্বনৰ যুক্তি শাস্ত্ৰ আছিল এয়ে। ফলত এই ধৰ্মান্ধ সকলে কিছুমান বিজ্ঞানীৰ শিৰোচ্ছেদ কৰিলে সঁচা, কিন্তু বিজ্ঞানৰ শিৰোচ্ছেদ কৰিব নোৱাৰিলে। এই কাম আছিল তেওঁলোকৰ সাধ্যৰ অতীত।

পাদৰীতন্ত্ৰৰ যুগটো কেতিয়াবাই উকলিল। কিন্তু আজিয়ো, বিজ্ঞানৰ অপ্ৰতিহত অগ্ৰগতিৰ এই যুগতো পুঁজিৰ অভিজাত শ্ৰেণীৰ মতান্ধ বুদ্ধিজীৱী সকলে ভাববাদৰ জ্ঞান তত্ত্বক এৰিব পৰা নাই! অন্ততঃ সমাজতত্ত্বৰ ক্ষেত্ৰত তেওঁলোকে ভাববাদী দৰ্শনক ভালকৈ সাবটি লৈ বহি আছে। মধ্যযুগৰ পাদৰী সকলৰ দৰে তেওঁলোকেও ভাবে যে মাৰ্ক্সবাদৰ চিন্তাক ৰোধ কৰিব পাৰিলে মাৰ্ক্সে যি সমাজ সত্যক জ্ঞানৰ পোহৰেৰে দেখুৱাই দিছে, সেই 'তিক্ত' (পুঁজিবাদীৰ পক্ষে) সত্যও নাইকিয়া হৈ পৰিব।

সেয়ে মাৰ্ক্সীয় চিন্তাৰ বাটত জপনা জাপিবলৈ তেওঁলোকৰ প্ৰয়াসৰ শেষ নাই। ইনকুইজিশ্বনৰ নিচিনাকৈ মাৰ্ক্সবাদীৰ মূৰ কোনোবাই কাটি পেলালে তেওঁলোকে প্ৰতিবাদ নকৰে। পাদৰীৰ নিচিনাকৈ তেওঁলোকেও 'জ্ঞানৰ দুৱাৰৰ শলখাডাল গুচাব' নুখুজে, কিয়নো সমাজসত্য শোষক শ্ৰেণীৰ পক্ষে বিপজ্জনক।

এই বিজ্ঞান বিৰোধী আৰু স্ববিৰোধী জ্ঞানবাদে সহজতে সত্য আৰু মিথ্যাৰ পাৰ্থক্য গুচাই পেলাব পাৰে। সমাজসত্য যদি সমাজৰ বাস্তব অৱস্থাৰ প্ৰতিফলন নহয়, যদি মানুহৰ আত্মগত ধাৰণা আৰু ভাবৰ সমষ্টি মাথোন হয়, তেনেহলে শোষক শ্ৰেণীৰ পক্ষে নিজৰ শোষণৰ প্ৰয়োজনত 'সত্য' সৃষ্টি কৰাত কিহেনো বাধা দিব পাৰিব?

মাৰ্ক্সবাদ ভ্ৰান্ত, অন্ততঃ ভাৰতৰ বেলিকা নাখাটে—এই বুলি ধাৰণা যদি বহুলোকৰ মনত সুমুৱাই দিব পৰা যায়, তেনেহলে মাৰ্ক্সবাদ বিৰোধী 'সত্য' সৃষ্টি কৰিব পাৰি—পুঁজিবাদী তাত্ত্বিক সকলে এই যুক্তি এনেই দাঙি ধৰা নাই। তাৰ এটা দাৰ্শনিক ভিত্তি আছে।





য়ুৰোপত অবক্ষয়ৰ যুগৰ দাৰ্শনিক স্পেংলাৰে সমালোচনাৰ ভাবত মন্তব্য কৰিছিল, 'সত্য কি? ... আজিৰ সত্য হল সংবাদপত্ৰত উৎপন্ন কৰা এবিধ পণ্য।" য়ুৰোপত নাৎজীবাদে 'সত্য' উৎপাদনৰ এই পদ্ধতিৰে মাৰ্ক্সবাদ আৰু গণতন্ত্ৰৰ বিৰুদ্ধে প্ৰচাৰকলাৰ চূড়ান্ত বিকাশ ঘটাইছিল আৰু লগতে কমিউনিষ্ট আৰু সকলো প্ৰগতিবাদীৰ নিধনযজ্ঞও চলাইছিল। পিচে এটা দশক পাৰ নৌহওঁতেই এইবোৰ 'সত্য' আৰু স্ৰষ্টা সকলক সামাজিক বাস্তবতাই ইতিহাসৰ জাবৰদ'মলৈ নিক্ষেপ কৰিলে।

ভাৰতত আজিৰ এই অবক্ষয়ৰ যুগত পণ্যৰ দৰে সত্য উৎপাদনৰ এই পদ্ধতিৰ নশিকাৰুসকলে ফ্যাচীবাদৰ অহোবলিয়ালি আৰু ধ্বংসৰ দাৰ্শনিক কাৰণবোৰ ভাবি চাব নে?

আজিৰ যুগত মানুহৰ জ্ঞানৰ সীমা মনৰ দেৱাল পাৰ হৈ প্ৰকৃতি আৰু সমাজৰ বহু গভীৰলৈ আগবাঢ়ি গৈছে; মানুহে বস্তুজগৎ সম্পৰ্কে সত্য ক্ৰমাৎ বেছিকৈ আয়ত্ব কৰিব ধৰিছে। এই যুগত ভাববাদৰ জ্ঞানতত্ত্ব মানুহৰ সত্যানুসন্ধানৰ বাধা আৰু প্ৰতিক্ৰিয়াৰ বাহন হৈ পৰিছে।

আমাৰ দেশত মাৰ্ক্সবাদ বিৰোধীসকলে ভাববাদৰ তূণৰ পৰা এটাৰ পিচত এটাকৈ শৰ আনি মাৰ্ক্সবাদী মতাদৰ্শৰ পিনে নিক্ষেপ কৰি আছে।

যোৱা দুই দশকৰ ঘটনাপ্ৰবাহে দেখুৱাই দিয়ে যে, তেওঁলোকৰ কাৰবোৰ লক্ষ্যভ্ৰষ্ট হৈছে আৰু মাৰ্ক্সবাদৰ বস্তুনিষ্ঠ দৰ্শনৰ প্ৰভাৱ বাঢ়িয়ে আছে।

(৫)

সত্যৰ উৎস মানুহৰ মন, নে বাস্তব জগৎ—এই প্ৰশ্নৰ উত্তৰেই সত্যানুসন্ধানী মানুহক দুটা বিপৰীত দৰ্শনৰ শিবিৰত বিভক্ত কৰি পেলাইছে।

সত্যজ্ঞান চিন্ময়, এই ভাববাদী তত্ত্বৰ বিৰুদ্ধে মাৰ্ক্সবাদে দ্বন্দ্বমূলক বস্তুবাদী তত্ত্ব প্ৰতিষ্ঠিত কৰিছে। মাৰ্ক্সীয় তত্ত্ব মতে জ্ঞানৰ উৎস বস্তুজগতহে আৰু প্ৰয়োগৰ যোগেদি এই লব্ধজ্ঞানৰ সত্যতা পৰিমাপ কৰিব পাৰি।

মাৰ্ক্সবাদে জ্ঞানৰ সন্ধানত মানুহৰ চেতনাৰ গুৰুত্বপূৰ্ণ ভূমিকা মানি লয়, পিচে তাক জ্ঞানৰ উৎস, সত্যৰ ভিত্তি বুলি মানি নলয়। সমাজবদ্ধ মানুহে জীৱনধাৰণৰ প্ৰয়োজনতেই নিত্য-ক্ৰিয়াশীল হৈ, বস্তুজগতৰ সম্পৰ্কে ইন্দ্ৰিয়ৰ



OKDISCD

যোগেদি অনুভূতি লাভ কৰে ; এই ইন্দ্ৰিয়জ্ঞানেই জ্ঞানৰ প্ৰাথমিক উপাদান, কেঁচামাল। মানুহৰ চিন্তাশক্তিয়ে এই প্ৰাথমিক আৰু সিচৰিত হৈ থকা জ্ঞানক উন্নত যুক্তিসংগত জ্ঞানত পৰিণত কৰে। এই চিন্তাশক্তিও চিন্ময় নহয়, মস্তিষ্কত সংগঠিক জৈৱিক বস্তুৰেই সবিশেষ গুণ মাত্ৰ।

ইন্দ্ৰিয়ৰ আৰু মনৰ ক্ষমতা সীমাবদ্ধ ; গতিকে লব্ধজ্ঞানৰ সত্যতা জুখি চোৱাৰ প্ৰশ্ন জ্ঞানতত্ত্বৰ অপৰিহাৰ্য অঙ্গ। বাস্তৱত প্ৰয়োগেই জ্ঞানৰ সত্যতাৰ পৰিমাপ।

এটি সজ দৃষ্টান্তেৰে বক্তব্যটো স্পষ্ট কৰা যাওক।

কিছুমান ৰোগৰ বীজাণুক নিৰ্বীৰ্য্য কৰি তাৰ দ্বাৰাই মানুহৰ দেহতে ৰোগ-বিশেষৰ প্ৰতিৰোধৰ শক্তি সৃষ্টি কৰা সম্ভৱ, এই তত্ত্ব আজি প্ৰায় সকলোৱে জানে। সমাজবদ্ধ মানুহে অগণন মানুহৰ ইন্দ্ৰিয়জ্ঞান আৰু চিন্তা শক্তিৰ গুণত এই উন্নত জ্ঞানফেৰা লাভ কৰিছে। এই জ্ঞান প্ৰকৃতি আৰু জীৱদেহৰ কিছুমান বাস্তৱ অৱস্থাৰ যথাৰ্থ, সত্য ৰূপ হয় নে নহয়? মানুহে ছিটা আৰু টীকাৰে ৰোগ প্ৰতিৰোধ কৰিবলৈ সক্ষম হৈ অকল উপৰোক্ত তত্ত্বৰেই সত্যতা প্ৰমাণিত কৰা নাই,—এই আযাৰ কথাকো প্ৰমাণিত কৰিলে যে বস্তুজগৎ সম্পৰ্কে প্ৰকৃত সত্য-জ্ঞান লাভ কৰা সম্ভৱ। বস্তুজগৎ আছে নে নাই নেজানো, থাকিলেও তাৰ সত্য ৰূপ আমি জানিব নোৱাৰো,—এই ভাববাদী চিন্তাধাৰাৰ ভ্ৰান্তিও জল জলকৈ ওলাই পৰিল।

এই জ্ঞানৰ পথ সৰল ৰেখা নহয়, জটিল আৰু দ্বন্দ্বমূলক।

ইন্দ্ৰিয়ৰ অনুভূতিৰ পৰা চিন্তাশক্তিৰ যোগেদি উন্নত, যুক্তিসংগত জ্ঞান, বাস্তৱত প্ৰয়োগৰ যোগেদি তাৰ সত্যতা পৰীক্ষা কৰা, বহুলাই লোৱা,—সত্যৰ জটিল পেঁচাল পথ এই দৰে ক্ৰমাৎ সম্প্ৰসাৰিত হৈ আছে। বস্তু আৰু মনৰ অচ্ছেদ্য সম্পৰ্ক, প্ৰাথমিক ইন্দ্ৰিয়জ্ঞানৰ লগত পৰিপক্ক তত্ত্বজ্ঞানৰ যোগসূত্ৰ, তত্ত্ব আৰু প্ৰয়োগৰ ঐক্যতা,—এইবোৰ বিপৰীতৰ সমাহাৰ আৰু দ্বন্দ্বেৰে মানুহৰ জ্ঞান অনন্ত পথলৈ আগবাঢ়ি আছে।

সত্যৰ সন্ধানত মানুহে এই পথেৰে বুলি আছে।

'লাইট, ম'ৰ লাইট' *—মানুহৰ নিত্যকালৰ প্ৰাৰ্থনাৰ এইহে উত্তৰ।

( ৯১ পৃষ্ঠাত চাওক )

* Light, More light.



# অপৰাজেয়

আমাৰ খোজত
এটা বহু দীঘলীয়া পথৰ ক্লেদ আৰু ক্লান্তি,
আৰু বুকুত
এটা পুৰণি বেদনাৰ বোজা।
আমাৰ চকুত টোপনি নাই
বহু নিশা উজাগৰে কটালোঁ
মৰা-জোন আকাশৰ মাজে মাজে
নতুন দিগন্ত বিচাৰি—
এটা নতুন পুৱাৰ—
পোহৰৰ ৰঙালি উৎসৱ।
কিন্তু আমি নিজিৰাওঁ
আমাৰ আহৰি নাই
আমাৰ আজৰি নাই—
সমুখত বহু যোজনৰ দীঘলীয়া বাট।

আমাৰ বুকু গচকি যুগবোৰ পাৰ হৈ যায়।
আমাৰ স্বপ্নৰ জঁকাবোৰ
ইতিহাসৰ কবৰে কবৰে
বালিত পোত খাই আছে।
আমাৰ দিঠকৰ আশাবোৰ
বিভীষিকা নিশাৰ আদিম অন্ধকাৰত
একো একোটা দৈত্য হৈ পৰে,
আৰু আমাৰ পুতলা-শিশুবোৰ
খেলাৰ সামগ্ৰীৰ দৰে
ভাগিছিগি ধূলি হৈ যায়।
কিন্তু তোমালোকৰ বুৰঞ্জীৰ সাঁচিপাতত
ইহঁতৰ খবৰ নাই,
আমি তাত নাই।



OKDISCD

আমাৰ কাহিনী এটা ৰক্তাক্ত কাহিনী ;
অন্যায় আৰু নিৰ্যাতনৰ
ই এটা জীৱন্ত নিৰ্মম সাধুকথা।
কিন্তু আমি মৃত্যুহীন, আমি নমৰোঁ।
আমি জীয়াই থাকোঁ, জীয়াই থাকিম।
জীৱন আমাৰ পেছা আৰু নিচা।
আমি ভাগৰোঁ, নেভাগো,
বাৰে বাৰে আমি লুণ্ঠিত হওঁ,
বঞ্চিত হওঁ,
কিন্তু আমি হাৰ নেমানো।

আমাৰ ইতিহাসৰ পাতে পাতে আছে
জীৱনৰ ৰক্ত-স্বাক্ষৰ।
দুঃখ আৰু লাঞ্ছনা, অপমান আৰু গঞ্জনা,
আৰু সমগ্ৰ সংগ্ৰাম আৰু সংগ্ৰামৰ মাজেদি
আমাৰ জন্ম হয়
এটা মৃত্যুঞ্জয়ী দুঃসাহস,
আৰু সূৰ্য্যৰ দৰে উত্তপ্ত আৰু উজ্জ্বল
এটা কঠোৰ অঙ্গীকাৰ।

আমাৰ এই পথ বহু দীঘলীয়া।
কিন্তু বাট ভাঙি আমি গৈ থাকোঁ,
আকাশৰ মুকলি পোহৰ বিচাৰি
কেঁচা মাটিৰ কোমল, সজীৱ পৰশ
আৰু পথাৰৰ বুকুভৰা চেনেহৰ উম।
আমি বিচাৰি যাওঁ
জীৱনৰ জয়-কোলাহল—
তীখা আৰু ইস্পাতৰ সংঘাত-বজ্ৰৰ—
দুৰ্জয় সৃষ্টি-বহ্নি,
আৰু
মানুহৰ ঘৰে ঘৰে
ৰং মেলাৰ
হাঁহি-খলকনি।

**আনন্দেশ্বৰ শৰ্ম্মা**



# পুঁজিবাদ, সমাজবাদ আৰু আৰ্থিক উন্নয়ন

**তাৰকচন্দ্ৰ গোস্বামী**

আমাৰ দেশৰ আৰ্থিক উন্নয়নৰ বাবে একুৰি বছৰৰ আগৰেপৰা চৰকাৰী নেতৃত্বত পৰিকল্পনা চলি আছে। এই পৰিকল্পনা চলোৱা হৈছে সম্পূৰ্ণ পুঁজিবাদী প্ৰথাৰে। চৰকাৰে সমাজবাদৰ কথা কলেও কাৰ্যতঃ আমাৰ দেশৰ পৰিকল্পনাত সমাজবাদৰ মূল নীতিকে যে মানি লোৱা হোৱা নাই, আৰু সমাজবাদৰ নামত যিবোৰ নীতি প্ৰৱৰ্তন কৰা হৈছে সেইবোৰে দেশত পুঁজিবাদী ব্যৱস্থা টনকিয়াল কৰাতহে যে সহায় কৰিছে এই বিষয়ে এই লেখকে আগৰ এটা প্ৰৱন্ধত ( নতুন পৃথিৱী : প্ৰথম বছৰ : প্ৰথম সংখ্যা ) বহলাই আলোচনা কৰিছে। এই প্ৰসঙ্গত হয়তো প্ৰশ্ন কৰিব পাৰে যে সমাজবাদী প্ৰথাৰে নহৈ পুঁজিবাদী প্ৰথাৰেই যেনিবা আমাৰ দেশত পৰিকল্পনা কৰা হৈছে তাতনো আপত্তি কৰিব লগীয়া কিটো আছে? তেওঁলোকে হয়তো লগতে এনে মতো প্ৰকাশ কৰিব পাৰে যে আমাৰ লক্ষ্য আৰ্থিক উন্নয়নহে, পুঁজিবাদ বা সমাজবাদ নহয় ; আৰু পৰিকল্পনা হৈছে আৰ্থিক উন্নয়নৰ মাধ্যম মাত্ৰ। আনহাতে তেওঁলোকে আকৌ কব পাৰে যে ইংলণ্ড, ফ্ৰান্স, পশ্চিম জাৰ্মানী, আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান আদি দেশত পুঁজিবাদী প্ৰথাৰে আৰ্থিক উন্নয়ন সম্ভৱ হৈছে যেতিয়া ভাৰত বা আন যিকোনো দেশতো এই প্ৰথাৰে আৰ্থিক উন্নয়ন হোৱাত কোনো বাধা থাকিব নোৱাৰে। এই পটভূমিতে বৰ্তমান প্ৰৱন্ধত আৰ্থিক উন্নয়নৰ লগত পুঁজিবাদ আৰু সমাজবাদৰ প্ৰশ্ন কেনেভাবে জড়িত হৈ আছে তাক আলোচনা কৰিবলৈ লোৱা হৈছে। পুঁজিবাদী আৰু সমাজবাদী ব্যৱস্থাত আৰ্থিক পৰিকল্পনাৰ ভূমিকাৰ কথাও প্ৰসঙ্গক্ৰমে আলোচনা কৰা হব।

পৃথিৱীৰ যিবোৰ দেশত আৰ্থিক উন্নয়ন হৈছে সেইবোৰক বহলভাবে দুটা ভাগত ভাগ কৰিব পাৰি : (১) পুঁজিবাদী ব্যৱস্থাৰে উন্নত হোৱা দেশ আৰু (২) সমাজবাদী ব্যৱস্থাৰে উন্নত হোৱা দেশ। ইংলণ্ড, আমেৰিকা যুক্তৰাষ্ট্ৰ, পশ্চিম জাৰ্মানী, জাপান আদি প্ৰথম বিধৰ আৰু চোভিয়েট যুক্তৰাষ্ট্ৰ, চেকোশ্লোভাকিয়া, ৰুমানীয়া, চীন আদি দ্বিতীয় বিধৰ উদাহৰণ। পুঁজিবাদী



OKDISCD

দেশসমূহত যাইকৈ ব্যক্তিগত মালিকিস্বত্বৰ অধীনত বিভিন্ন আৰ্থিক প্ৰতিষ্ঠানসমূহ পৰিচালিত হয় আৰু সেইবোৰৰ ওপৰত চৰকাৰ বা ৰাষ্ট্ৰৰ কিবা নিয়ন্ত্ৰণ থাকিলেও সি ব্যক্তিগত মালিকিস্বত্ব বা ব্যক্তিগত লাভৰ পৰিপন্থী নহয়। আনহাতে সমাজবাদী ব্যৱস্থাৰ দেশসমূহত যাইকৈ সামাজিক বা ৰাষ্ট্ৰীয় মালিকিস্বত্বৰ অধীনত বিভিন্ন আৰ্থিক প্ৰতিষ্ঠানসমূহ পৰিচালিত হয় আৰু সেইবোৰৰ ওপৰত ৰাষ্ট্ৰ বা চৰকাৰৰ নিয়ন্ত্ৰণো সামাজিক বা ৰাষ্ট্ৰীয় স্বাৰ্থৰ অনুকুলে হয়। এনে ব্যৱস্থাত ব্যক্তিগত মালিকিস্বত্ব নথকা বাবে ব্যক্তিগত লাভালাভৰ কথা নুঠে। পুঁজিবাদী দেশত বস্তুৰ উৎপাদন আৰু বিতৰণ বজাৰৰ শক্তিয়ে বা যাইকৈ গ্ৰাহকৰ চাহিদাই নিয়ন্ত্ৰণ কৰে। যিবোৰ বস্তু খৰচৰ অনুপাতে অধিক দামত বিক্ৰি কৰি লাভ কৰা সম্ভৱ সেইবোৰহে উৎপাদন কৰিবলৈ উৎপাদনকাৰীয়ে আগবাঢ়ে। এইবাবে এইবোৰ দেশত সৰ্বসাধাৰণক লগা অত্যাৱশ্যকীয় বস্তুৰ অভাৱ থাকিলেও অধিক আয় বিশিষ্ট তাকৰীয়া সংখ্যক লোকসকলক লগা ভোগ বিলাসৰ সামগ্ৰীবোৰৰ প্ৰাচুৰ্য দেখা যায়। আমাৰ নিজৰ দেশতে নিমখ, কেৰাচিন তেল, চেনি, চাউল, দালি, গাখীৰ, সাধাৰণ কাপোৰ, ঔষধ আদি অত্যাৱশ্যকীয় বস্তুৰ নাটনি আৰু চৰাদাম চলি আছে যাৰ ফলত কম আয়ৰ সাধাৰণ শ্ৰেণীৰ লোকসকলে এইবোৰ বস্তু আৱশ্যকীয় পৰিমাণে ভোগ কৰিবলৈ সক্ষম হোৱা নাই। কিন্তু এই দেশত চহকীলোকসকলে ব্যৱহাৰ কৰা ৰেডিঅ', ৰেফ্ৰিজাৰেটৰ, টেৰিলিন, নাইলন, চিল্ক, আন বিলাতী কাপোৰ, মটৰ গাড়ী, বিজুলিপাঙ্খা, মদ আদি কম লাগতিয়াল বা বিলাসী সামগ্ৰী প্ৰচুৰ পৰিমাণে উৎপাদন হৈ আছে। পুঁজিবাদী ব্যৱস্থাত বস্তু উৎপাদনৰ যোগেদি ব্যক্তিগত লাভ কৰাটোৱে উৎপাদন প্ৰক্ৰিয়াৰ উদ্দেশ্য হোৱা বাবে এনে নহৈ নোৱাৰে। কিয়নো যিবোৰ বস্তু উৎপাদন কৰিলে বেচি লাভ হয় সেইবোৰৰ উৎপাদনত উৎপাদনকাৰীয়ে অধিক মনোযোগ দিয়ে আৰু চহকী লোকসকলে যিবোৰ বস্তুত অধিক ধন খৰচ কৰে সেইবোৰ বস্তুৰ উৎপাদনতে অধিক লাভ হয়। ইয়াৰ বিপৰীতে সমাজবাদী দেশত বস্তুৰ উৎপাদন আৰু বিতৰণ বজাৰৰ শক্তি বা গ্ৰাহকৰ কিনা ক্ষমতাৰ যোগেদি নিয়ন্ত্ৰিত হবলৈ দিয়া নহয়। এনে ব্যৱস্থাত ব্যক্তিগত লাভৰ বাবে নহৈ সামাজিক প্ৰয়োজনতহে উৎপাদন প্ৰক্ৰিয়া পৰিচালিত হয়। এইবাবে সমাজবাদী দেশত জনসাধাৰণ





বা সমাজৰ অত্যাৱশ্যকীয় বস্তুবোৰৰ উৎপাদন আৰু বিতৰণৰ ব্যৱস্থা হোৱাৰ পিচতহে সম্ভৱ হলে কম লাগতিয়াল বস্তুৰ উৎপাদন আৰু বিতৰণৰ ব্যৱস্থা কৰা হয়।

পুঁজিবাদী অৰ্থব্যৱস্থা আৰু সমাজবাদী অৰ্থব্যৱস্থাৰ কাৰ্যপদ্ধতিৰ যি চমু আভাষ ওপৰত দিয়া হৈছে তাৰপৰা এটা কথা বিশেষভাবে মন কৰিব পাৰি। পুঁজিবাদী ব্যৱস্থাত ব্যক্তিগত মালিকিস্বত্বৰ অধীনত বস্তুৰ উৎপাদনকাৰীয়ে কি বস্তু উৎপাদন কৰিব বা কি পৰিমাণে কি বস্তু উৎপাদন কৰিব তাক গ্ৰাহকৰ চাহিদা অনুমান কৰিহে নিৰ্দ্ধাৰণ কৰে বাবে তাত সামগ্ৰিকভাবে আৰ্থিক পৰি-কল্পনা কৰাৰ প্ৰশ্ন নুঠে। কোনো বস্তুৰ বাবে গ্ৰাহকৰ কি পৰিমাণৰ চাহিদা হব সেইটো অন্য কিছুমান দিশৰ উপৰিও গ্ৰাহকৰ আয়ৰ ওপৰত নিৰ্ভৰ কৰে। কোনো গ্ৰাহকৰ আয় তেওঁ কৰা কামৰ বা শ্ৰমৰ লগতে তেওঁৰ মালিকিস্বত্বত থকা সম্পত্তিৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে। পুঁজিবাদী ব্যৱস্থাত ব্যক্তিগত সম্পত্তি নাগৰিকসকলৰ এটা অপৰিহাৰ্য মৌলিক অধিকাৰ বুলি গণ্য কৰা হয়। সম্পত্তিৰ-পৰা আয় হয় বাবে আৰু প্ৰচুৰ সম্পত্তি থাকিলে কাম নকৰাকৈ চলি থাকিব পাৰি বাবে পুঁজিবাদী ব্যৱস্থাত সম্পত্তি আহৰণ আৰু ৰক্ষাৰ বাবে প্ৰতিযোগিতা হয়। এই প্ৰতিযোগিতাৰ ৰূপ যিয়ে নহওক কিয় ইয়াৰ ফল সদায় একেটাই হয়—কিছুমানৰ সম্পত্তিৰ পৰিমাণ বৃদ্ধি পায় আৰু আনবিলাকৰ কমি যায়। সম্পত্তিৰ হ্ৰাস-বৃদ্ধিৰ লগে লগে আয়ৰো হ্ৰাস-বৃদ্ধি হয়। আকৌ অন্যলোকৰ সম্পত্তিৰ লগত জড়িত হৈ যিলোকে কাম কৰে তেনে লোকৰ কাম থকা-নথকাটোও সম্পত্তিৰ মালিকৰ সম্পত্তিৰ হ্ৰাস-বৃদ্ধিৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে কামৰ যোগেদি হোৱা আয়ো ব্যক্তিগত সম্পত্তিৰ মালিকিস্বত্বৰ লগত জড়িত। মুঠ কথা পুঁজিবাদী ব্যৱস্থাত বিভিন্ন লোকৰ আয় হ্ৰাস-বৃদ্ধি হৈ থকাটোৱে এটা সাধাৰণ নিয়ম। এইবাবে বিভিন্ন বস্তুৰ চাহিদাৰো হ্ৰাস-বৃদ্ধি হৈ থাকে। যি লোকৰ আয় কমে তেওঁ বাধ্য হৈ আৱশ্যকীয় বস্তুৰো ভোগ কমাব লগীয়া হয়। আনহাতে আগেয়ে আয় বেচি থকা লোকৰ আয় বাঢ়িলে কিছুমান কম লাগতিয়াল বা বিলাসী সামগ্ৰীৰ ভোগত তেওঁৰ বৰ্দ্ধিত আয়ৰ কিছু অংশ খৰচ হয়। এনে অৱস্থাত পুঁজিবাদী ব্যৱস্থাৰ দেশত কোনো এক সময়ত বিভিন্ন বস্তুৰ মুঠ চাহিদাৰ পৰিমাণ আগতীয়াকৈ সমূহীয়া ভাবে



OKDISCD

নিৰ্ণয় কৰাটো প্ৰায় অসম্ভৱ। ফলত গোটেই সমাজৰ উৎপাদন আৰু বিতৰণ ব্যৱস্থা পৰিকল্পিত ভাবে চলিব নোৱাৰে। বিভিন্ন উৎপাদনকাৰীয়ে নিজ নিজ বস্তুৰ উৎপাদন কৰোঁতে বস্তুৰ সাম্ভাব্য চাহিদা সম্পৰ্কে নিজে অনুমান কৰে আৰু সেই অনুসৰি পৰিমাণ নিৰ্দ্ধাৰণ কৰে। কিন্তু এনে কৰোঁতে কিছুমান বস্তুৰ উৎপন্ন প্ৰায়ে আৱশ্যকতকৈ অধিক হয় আৰু কিছুমানৰ কম হয়। ফলত বস্তুৰ দামৰ হ্ৰাস-বৃদ্ধি হয় আৰু সেই অনুসৰি উৎপাদনকাৰীৰ লোকচান বা লাভ হয়। লোকচান নহৈ সদায় লাভ কৰিবলৈ বহুত সময়ত কোনো বস্তুৰ উৎপাদনকাৰী সকলে আলাপ আলোচনাৰ যোগেদি সেই বস্তুৰ মুঠ উৎপাদনৰ পৰিমাণ আৱশ্যকতকৈ কিছু কমায় আৰু উৎপাদন ব্যয়ৰ ওপৰত থকাকৈ দাম নিৰ্দ্ধাৰণ কৰে। এনেকৈ একচেটিয়া ব্যৱসায় প্ৰতিষ্ঠা হয়। কেতিয়াবা প্ৰতিযোগিতাত টিকিব নোৱাৰা দুৰ্বল উৎপাদনকাৰী সকলে বস্তুৰ উৎপাদন বন্ধ কৰাৰ ফলতো বাকী উৎপাদনকাৰীসকলৰ একচেটিয়া কাৰবাৰ প্ৰতিষ্ঠা হোৱা দেখা যায়। এনেকুৱা স্বাধীনতা ৰক্ষিত হোৱা পুঁজিবাদী অৰ্থ ব্যৱস্থাত সামগ্ৰিক ভাবে কোনো পৰিকল্পনা সম্ভৱ নোহোৱাটোৱে স্বাভাৱিক।

কিন্তু সমাজবাদী ব্যৱস্থাত পৰিকল্পনা নোহোৱাকৈ উৎপাদন আৰু বিতৰণ চলি থকাটো অসম্ভৱ। কাৰণ এনে ব্যৱস্থাত উৎপাদন প্ৰতিষ্ঠান ব্যক্তিগত লাভৰ বাবে পৰিচালিত ব্যৱসায় চক্ৰ নহয়; বৰং সমাজক লগা বস্তুৰ যোগান ধৰা সেৱা প্ৰতিষ্ঠানহে। কোন বস্তু কি পৰিমাণে কোন উৎপাদন প্ৰতিষ্ঠানে উৎপন্ন কৰিব আৰু তাক কি দামত কাৰ ওচৰত কেতিয়া বিক্ৰি কৰিব সেই সকলো কথা কোনো এক কেন্দ্ৰীয় পৰিকল্পনা প্ৰতিষ্ঠানে নিৰ্ণয় কৰি দিলেহে সমাজবাদী অৰ্থব্যৱস্থা চলিব পাৰে। আকৌ সমাজবাদী ব্যৱস্থাত ব্যক্তিগত মালিকিস্বত্বৰ অধীনত উৎপাদনক্ষম সম্পত্তি নথকা বাবে বস্তু কিনোতাসকলৰ আয় তেওঁলোকে কৰা কাম বা শ্ৰমৰ মূল্যৰ ওপৰত নিৰ্ভৰ কৰে। এনে ব্যৱস্থাত তেওঁলোকৰ আয় সঘনে উঠা-নমা কৰাৰ প্ৰশ্ন নুঠে আৰু সেয়ে যি কোনো বস্তুৰ সাম্ভাব্য চাহিদাৰ পৰিমাণ আগতীয়াকৈ নিৰ্ণয় কৰাত অসুবিধা নাই। গতিকে সাম্যবাদী অৰ্থব্যৱস্থাৰ লগত আৰ্থিক পৰিকল্পনা ওঃতপ্ৰোত ভাবে জড়িত হৈ আছে।

ওপৰৰ আলোচনাৰপৰা দেখা গ'ল যে পুঁজিবাদী অৰ্থব্যৱস্থা অপৰিকল্পিত





আৰু সমাজবাদী অৰ্থ ব্যৱস্থা পৰিকল্পিত হোৱাটো সিহঁতৰ প্ৰকৃতিগত বৈশিষ্ট্য। ইয়াৰ পৰা এই কথাও বুজিব পাৰি যে পুঁজিবাদী দেশৰ আৰ্থিক উন্নয়ন এটা অপৰিকল্পিত বা স্বয়ংক্ৰিয় প্ৰক্ৰিয়া; কিন্তু সমাজবাদী দেশৰ আৰ্থিক উন্নয়ন এটা পৰিকল্পিত আৰু প্ৰচেষ্টা মূলক প্ৰক্ৰিয়া। ইংলণ্ড, আমেৰিকা যুক্তৰাষ্ট্ৰ, পশ্চিম জাৰ্মানী, জাপান আদি পুঁজিবাদী দেশত হোৱা আৰ্থিক উন্নয়ন বিশেষ ধৰণৰ প্ৰচেষ্টাৰ যোগেদি নহৈ প্ৰাকৃতিক আৰু ঐতিহাসিক সুযোগ সুবিধা কিছুমানৰ যোগেদিহে সম্ভৱ হৈছে। সেয়ে এই সুযোগ সুবিধাসমূহ কেনে ধৰণৰ আছিল তাক ফঁহিয়াই চোৱা উচিত। কিয়নো সেইবোৰ সুযোগ-সুবিধা থকা দেশেহে পুঁজিবাদী ব্যৱস্থাৰে আৰ্থিক উন্নয়ন লাভ কৰা সম্ভৱ। বৰ্তমানৰ অনুন্নত বা উন্নয়নগামী দেশবিলাকৰ বাবে এই দিশটো বিশেষ ভাবে প্ৰাসঙ্গিক। পুঁজিবাদী দেশবোৰৰ আৰ্থিক উন্নয়নৰ বিপৰীতে চোভিয়েট ৰাচিয়া আদি সমাজবাদী দেশবোৰৰ আৰ্থিক উন্নয়ন কিছুমান বিশেষ প্ৰাকৃতিক আৰু ঐতিহাসিক সুযোগ সুবিধাৰ যোগেদি নহৈ বিশেষ ধৰণৰ সামাজিক প্ৰচেষ্টাৰ যোগেদিহে সাধিত হৈছে। এই বিশেষ ধৰণৰ সামাজিক প্ৰচেষ্টাই হৈছে আৰ্থিক পৰিকল্পনা। ইয়াক মই বিশেষ সামাজিক প্ৰচেষ্টা বোলাৰ কাৰণ হৈছে এই যে ইয়াত উৎপাদন প্ৰক্ৰিয়া ব্যক্তিগত মালিকিস্বত্বৰ অধীন নহৈ ৰাষ্ট্ৰীয় বা সামাজিক মালিকিস্বত্বৰ অধীন। মালিকিস্বত্বৰ প্ৰশ্নটো প্ৰকৃত আৰ্থিক পৰিকল্পনাৰ ক্ষেত্ৰত বিশেষ তাৎপৰ্যপূৰ্ণ। পৰিকল্পনা সফল হবলৈ হলে উৎপাদন প্ৰতিষ্ঠান সমূহৰ ওপৰত পৰিকল্পনাকাৰীৰ নিয়ন্ত্ৰণ সম্পূৰ্ণ হব লাগিব। মালিকিস্বত্ব আৰু প্ৰকৃত নিয়ন্ত্ৰণ অঙ্গাঅঙ্গীভাবে জড়িত। আৰ্থিক প্ৰতিষ্ঠানসমূহৰ ওপৰত সমাজ বা চৰকাৰৰ নিয়ন্ত্ৰণ সম্পূৰ্ণ হব লাগিলে সেইবোৰৰ মালিক ব্যক্তিবিশেষ নহৈ সমাজ বা ৰাষ্ট্ৰ হব লাগিব। সমাজবাদী দেশ বোৰত এনে ব্যৱস্থাই কৰা হৈছে। আমাৰ দেশত পুঁজিবাদী ব্যৱস্থা বাহাল ৰাখিয়ে যে আৰ্থিক পৰিকল্পনা কৰা হৈছে প্ৰসঙ্গক্ৰমে তালৈ পাঠকৰ দৃষ্টি আকৰ্ষণকৰা হ'ল। (এই বিষয়ে আগেয়ে উল্লেখ কৰা এই লেখকৰ প্ৰবন্ধটোত বিশেষভাবে আলোচনা কৰা হৈছে।) আমাৰ দেশত আৰ্থিক প্ৰতিষ্ঠানবিলাকৰ সৰহ ভাগে ব্যক্তিগত মালিকিস্বত্বৰ অধীন। এইবাবে এইবোৰৰ ওপৰত পৰিকল্পনাকাৰীসকলৰ নিয়ন্ত্ৰয়ণ নগন্য। মালিকিস্বত্বৰ সলনি পাৰ্মিট, লাইসেন্স আদিৰ যোগেদি আমাৰ দেশৰ ব্যক্তিগতখণ্ডৰ



OKDISCD

আৰ্থিক প্ৰতিষ্ঠানসমূহৰ ওপৰত নিয়ন্ত্ৰণ চলাবলৈ চেষ্টা কৰা হৈছে। কিন্তু এই চেষ্টা সফল হোৱা নাই। বহুতো উদ্যোগপতিয়ে লাইসেন্স পোৱা উদ্যোগ নাপাতি অন্য কাৰবাৰ কৰি আছে। আকৌ নাটনি হোৱা কেচামালৰ পাৰ্মিট পায়ো বহুত ক্ষেত্ৰত উদ্যোগপতিসকলে বস্তুৰ উৎপাদন নকৰি কেচাসামগ্ৰীৰ চোৰাং ব্যৱসায় কৰি ধন উপাৰ্জন কৰা দেখা গৈছে। এনে অৱস্থাত ব্যক্তিগত মালিকিস্বত্ব আৰু আৰ্থিক পৰিকল্পনাৰ মাজত যে ৰাশি-জোৰা নাহে তাক বুজাবলৈ অধিক কিবা কোৱাৰ প্ৰয়োজন নেদেখো। এই সম্পৰ্কে প্ৰখ্যাত ফৰাচী অৰ্থনীতিবিদ চাল্‌চ্ বেটেলহেইমে (Charles O. Bettelheim) প্ৰকাশ কৰা মত উদ্ধৃত কৰা হ'ল: "...For genuine economic planning socialisation of the ownership of the means of production is needed." এই অৰ্থনীতিবিদ গৰাকী ভাৰতলৈ আহিছিল আৰু ভাৰতৰ আৰ্থিক পৰিকল্পনাৰ অভিজ্ঞতাৰ পৰা তেখেতৰ এই মত আৰু দৃঢ় হোৱা বুলি কৈছে— "...the experience I had of the attempt towards economic planning in India has completely cofirmed this view". ভাৰতৰ দৰে দুৰ্বল পুঁজিবাদী দেশত পলিকল্পনা কৰিবলৈ ৰাজহুৱাখণ্ডৰ পৰিসৰ শক্তিশালী পুঁজিবাদী দেশৰ ক্ষেত্ৰত প্ৰয়োজন হোৱাতকৈ কম হলেও হয় বুলি কৈও তেখেতে লিখিছে যে ভাৰতত ৰাজহুৱাখণ্ড এতিয়াও ইমান সীমিত যে তাৰ ওপৰত নিৰ্ভৰ কৰি আৰ্থিক উন্নয়নৰ বাবে প্ৰকৃত পৰিকল্পনা যুগুত আৰু কাৰ্যকৰী কৰা সম্ভৱ নহয় "...the strength of the public sector in India, as well as the changes implemented in the field of agrarian social relations are still much too limited to give a definite possibility of preparing and implementing a real plan of economic development...." ব্যক্তিগত সম্পত্তিৰ মালিকে পৰিকল্পনাকাৰীৰ নিৰ্দেশ মানিব ইচ্ছা নকৰে বাবেই পৰিকল্পনাৰ লগত ব্যক্তিগত সম্পত্তি খাপ নাখায়: "Private property assumes, indeed, the responsibility and independence of owner, and so would be irreconcilable with submission to the orders of the plan" (এই আটাইকেইটা উদ্ধৃতি বেটেলহেইমৰ **Studies In The Theory of Planning** গ্ৰন্থৰ পৰা লোৱা হৈছে।)





এতিয়া প্ৰশ্ন হৈছে কেনে অৱস্থাত কোনো এখন দেশত পুঁজিবাদী ব্যৱস্থাৰে আৰ্থিক উন্নয়ন হোৱা সম্ভৱ? আগেয়ে কোৱা হৈছে যে ইংলণ্ড আমেৰিকা যুক্তৰাষ্ট্ৰ আদি যি কেইখন দেশত পুঁজিবাদী ব্যৱস্থাৰে আৰ্থিক উন্নয়ন সাধিত হৈছে সেইবোৰত কিছুমান বিশেষ প্ৰাকৃতিক আৰু ঐতিহাসিক অৱস্থা বা সুযোগ সুবিধা আছিল। গতিকে এইবোৰ সুযোগ-সুবিধানো কি আছিল তাক বিচাৰ কৰি চালেই আমাৰ প্ৰশ্নৰ উত্তৰ পোৱা যাব।

কোনো এখন দেশত আৰ্থিক উন্নয়ন হোৱা মানে তাৰ সাধাৰণ শ্ৰেণীৰ লোকসকলৰ জীৱনধাৰণৰ মান উন্নত হোৱাটোকে ঘাইকৈ বুজায়। অৱশ্যে এই উন্নত জীৱন-যাত্ৰা তাৰ উৎপাদন আৰু বিতৰণ পদ্ধতিৰ আভ্যন্তৰিণ বিকাশৰ ফলতহে হব লাগিব। জীৱনযাত্ৰা উন্নত হবলৈ হলে কাম কৰিব পৰা লোক সকলে যথেষ্ট পৰিমাণে মজুৰি পাব পৰা কাম পাব লাগিব আৰু অৰ্জিত মজুৰিৰে লাগতিয়াল সকলো বস্তু কিনিব পাৰিব লাগিব। কৰ্মসংস্থান নিৰ্ভৰ কৰে বস্তুৰ উৎপাদন আৰু বিতৰণ ব্যৱস্থাৰ ওপৰত। অৱশ্যে অনুন্নত দেশত কৰ্মসংস্থানৰ যোগেদি কৰ্মীসকলে অতি কম পৰিমাণে উপাৰ্জ্জন কৰিব পাৰে। কাৰণ উৎপাদন পদ্ধতি অনুন্নত। অৰ্থাৎ অনুন্নত সা-সজুলি ব্যৱহাৰ কৰা বাবে এনে ব্যৱস্থাত কৰ্ম্মীসকলৰ উৎপাদন ক্ষমতা কম। গৰু আৰু নাঙলেৰে হাল বাই এজন মানুহে যি পৰিমাণে আয় কৰিব পাৰে ট্ৰেক্তৰেৰে হাল বাই তাতকৈ অধিক আয় কৰিব পাৰে (দুয়ো ক্ষেত্ৰতে যথেষ্ট খেতিৰ মাটি খেতিয়কজনৰ নিজা বুলি ধৰা হৈছে)। গতিকে আয় বৃদ্ধি হবলৈ হলে উন্নত সা-সজুলিৰ ব্যৱহাৰ অৰ্থাৎ বৰ্দ্ধিত পৰিমাণৰ মূলধনৰ বিনিয়োগ অপৰিহাৰ্য। আকৌ উন্নত সা-সজুলিৰে উৎপাদন কৰি উৎপন্ন বস্তুৰ বিক্ৰিৰ বাবে এখন বহল বজাৰৰ প্ৰয়োজন হয়। কাৰণ বিক্ৰিৰ সুবিধা নাথাকিলে সৰহ পৰিমাণে বস্তু উৎপদান কৰিলেও কৰ্ম্মীসকলৰ আয় বৃদ্ধি হোৱা সম্ভৱ নহয়। গতিকে আৰ্থিক উন্নয়নৰ বাবে মূলধন বৃদ্ধি কৰা আৰু বস্তু বিক্ৰি কৰাৰ বাবে সুবিধা আৰু সুযোগৰ প্ৰয়োজন। ইংলণ্ড, ফ্ৰান্স, হ'লেণ্ড, জাৰ্ম্মানী আদি দেশে সিবিলাকৰ উপনিবেশ সমূহৰ লগত বেহা-বেপাৰৰে যোগেদি যি ধন আহৰণ কৰিছিল তাৰ ফলতে সেইবোৰ দেশত আৰ্থিক উন্নয়নৰ আদিতে মূলধন বৃদ্ধি কৰা সম্ভৱ হৈছিল। এই দেশবোৰে পৃথিবীৰ অনুন্নত অঞ্চলবিলাকত উপনিবেশ পাতি সেইবোৰৰ



OKDISCD

লগত একচেটিয়া বেহা-বেপাৰ কৰি প্ৰচুৰ লাভ কৰিছিল আৰু সেইবোৰ দেশৰ বজাৰ বিলাকত নিজ নিজ দেশৰ উদ্যোগ সমূহৰ বাবে কেচা সামগ্ৰী কম দামত কিনিছিল আৰু নিজ দেশত উৎপাদিত বস্তুবোৰ অধিক দামত বিক্ৰি কৰিছিল। বহুকাল পিছত জাপানেও সেই একেই পথ অনুসৰণ কৰি আৰ্থিক উন্নতিৰ পথত অগ্ৰসৰ হৈছিল। এই দেশবোৰৰ আৰ্থিক বুৰঞ্জী অধ্যয়ন কৰিলে দেখা যায় যে উপনিবেশবোৰ নথকাহেঁতেন এইবোৰ আৰ্থিক উন্নয়ন সম্ভৱ নহল-হেঁতেন। উপনিবেশ বোৰে মুলধন বৃদ্ধি আৰু বস্তু বিক্ৰিত সহায় কৰাৰ উপৰিও বৰ্দ্ধিত জন সংখ্যাৰ একাংশ বাহিৰলৈ ওলাই যোৱাত সুবিধা কৰি দিছিল।

ইংলণ্ডৰ আৰ্থিক উন্নয়নৰ বাবে ঔপনিবেশিক শাসন আৰু শোষণৰ যোগেদি আমাৰ দেশৰ পৰা কি পৰিমাণৰ ধন কঢ়িয়াই নিয়া হৈছিল তাক এই প্ৰসঙ্গত উদাহৰণ স্বৰূপে উনুকিয়াব পাৰি। ভাৰত চৰকাৰৰ প্ৰকাশন বিভাগৰ দ্বাৰা প্ৰকাশিত বুৰঞ্জীবিদ তাৰাচন্দ ৰচিত **"History of the Freedom Movement In India"** **(Vol I)** গ্ৰন্থৰ নৱম অধ্যায় আৰু জৱাহৰলাল নেহৰুৰ **"ভাৰত সন্ধেদ"** গ্ৰন্থৰ সপ্তম অধ্যায় বিশেষকৈ "বঙ্গদেশৰ লুণ্ঠন কাৰ্য্যত ঔদ্যোগিক বিপ্লৱৰ উদ্‌গনি" শিৰ্ষক অনুচ্ছেদত এই বিষয়ে পাঠক সকলে পঢ়িবলৈ পাব। প্ৰমোক্ত গ্ৰন্থত পোৱা যায় যে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বঙ্গদেশৰ শাসন ভাৰ হাতত লৈয়ে তাৰ খাজনাৰ ধনেৰে ভাৰতীয় বস্তু কিনি ইংলণ্ডলৈ পঠাবলৈ লৈছিল। প্ৰথম ছয় বছৰৰ ভিতৰত কোম্পানীৰ মুঠ খাজনা আছিল ১৩,০৬৬,৭৬১ পাউণ্ড আৰু মুঠ খৰছ আছিল ৯,০২৭,৬০৯ পাউণ্ড। মুঠ খাজনাৰ পৰা মুঠ খৰছ বাদ দি অতিৰিক্ত ৪,০৩৯,১৫২ পাউণ্ডৰ বস্তু কিনি ইংলণ্ডলৈ পঠোৱা হৈছিল। ইয়াৰ বাহিৰেও কোম্পানীৰ কৰ্ম্মচাৰী সকলে বিপুল ধন ভাৰতৰ পৰা ব্যক্তিগত ভাবে স্বদেশলৈ পঠাইছিল। ১৭৬৬ চনৰ পৰা ১৭৬৮ চনলৈ তিনিবছৰৰ বাবে যুগুত কৰা এটা হিচাপ অনুসৰি এই কেইবছৰৰ ভিতৰত কোম্পানীয়ে ভাৰতলৈ আমদানি কৰা বস্তুৰ মুঠ মূল্য আছিল ৬২৪,৩৭৫ পাউণ্ড আৰু ভাৰতৰ পৰা ৰপ্তানি কৰা বস্তুৰ মূল্য আছিল ৫,৩১১,২৫০ পাউণ্ড। ইয়াৰ পৰা দেখা যায় যে কোম্পানীয়ে এই তিনিবছৰত মুঠতে ৪,৬৮৬,৮৭৫ পাউণ্ড বা প্ৰতি বছৰে গড়ে প্ৰায় ডেৰ নিযুত পাউণ্ড উদ্বৃত্ত স্বদেশলৈ পঠাইছিল। অন্য এটা হিচাপ অনুসৰি





পলাচীৰ যুদ্ধ আৰু ওৱাটৰলুৰ যুদ্ধৰ ভিতৰত ভাৰতৰ পৰা একহাজাৰ নিযুত পাউণ্ড ইংলণ্ডৰ বেঙ্ক সমূহলৈ স্থানান্তৰিত হৈছিল। নেহৰুৱে বুৰঞ্জীবিদ এডৱাৰ্ড টম্পচনৰ দিয়া এটা উদ্ধৃতি বিশেষ তাৎপৰ্যপূৰ্ণ: "বৃটিছে সৃষ্টি কৰা ভাৰতৰ আগছোৱা কালৰ ইতিহাসৰ স্মৃতি বোধকৰো পৃথিবীৰ ভিতৰতে পৰস্বাপহৰণৰ সৰ্বোচ্চ স্তৰ।" এইদৰে লুটি নিয়া ধনৰ যোগেদিয়ে ইংলণ্ডৰ ঔদ্যোগিক বিকাশ হৈছিল বুলি আন বহুত লেখকৰ দৰে নেহেৰুৱেও কৈছে। তেওঁ আমেৰিকাৰ লেখক ব্ৰুক আদামচৰ পৰা তলৰ উদ্ধৃতিটো দিছে: "পলাচীৰ অলপ পিচতেই বঙ্গৰ পৰা লুটি-পুটি নিয়া সামগ্ৰী যাবলৈ ধৰিলে আৰু ইয়াৰ পৰিণামে লগে লগে দেখা দিছিল। ইয়াৰ কাৰণ স্বৰূপেই ১৭৭০ চনতেই যে ঔদ্যোগিক বিপ্লৱ আৰম্ভ হৈছিল সেইটো কৰ্তৃত্ব সকলোৱেই স্বীকাৰ কৰে। পলাচীৰ যুদ্ধ হৈছিল ১৭৫৭ চনত আৰু ইয়াৰ পিচতেই যি গতিৰে পৰিবৰ্তন আৰম্ভ হৈছিল, তাৰ দ্ৰুততাৰ লগত একোৰে তুলনা নহয়। ১৭৬০ চনত উৰণীয়া মাকোৰ আবিৰ্ভাব হ'ল আৰু ধাতু গলোৱাত কয়লাই কাঠখৰিৰ ঠাই ললে। ১৭৬৪ চনত হাৰগ্ৰীভে সুতাকটা যন্ত্ৰ আবিষ্কাৰ কৰিলে। ১৭৭৬ চনত ক্ৰম্পটান 'মিউল' বোলা সুতা কটা যন্ত্ৰ প্ৰস্তুত কৰিলে। ১৭৮৫ চনত কাৰ্টৰাইতে বৈদ্যুতিক তাঁত শাল 'পেটেণ্ট' কৰিলে আৰু ১৭৬৮ চনত ওৱাটে বাষ্পচালিত ইঞ্জিন চলিব পৰা কৰিলে। কিন্তু এই যন্ত্ৰবিলাক যদিও সময়ৰ গতিবেগ বঢ়াবৰ কাৰণে উপলক্ষৰ দৰে হৈছিল সেইবোৰে নিজৰ বেগ নিজে সৃষ্টি কৰিব নোৱাৰিছিল। আবিষ্কাৰ আৰু উদ্ভাৱনবিলাকৰ নিজৰ কৰ্ম্মশক্তি নাই, সেইবিলাক নিষ্ক্ৰিয়, সিহঁতক ক্ৰিয়াশীল কৰিব পৰাটো যথেষ্ট শক্তি ভঁৰালত গোট নোখোৱালৈকে সেইবোৰ ৰৈ থাকে। এই ভঁৰালটোৱে ধনৰ ৰূপ গ্ৰহণ কৰিব লাগিব—কিন্তু সেয়ে সঞ্চিত ধন নহয়, গতিশীল ধন। ভাৰতৰ সম্পত্তি হোৱাহোৱে অহাৰ আগতে আৰু সেই ধনৰ পৰা জন্ম পোৱা ধনৰ বজাৰত বিশ্বাস স্থাপন হোৱাৰ আগতে এই যন্ত্ৰবিলাক কৰ্মঠ কৰিব পৰা যথেষ্ট শক্তি ইংৰাজৰ নাছিল।" (অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত নেহৰুৰ **"ভাৰত সন্ধেদ"** গ্ৰন্থৰ পৰা উদ্ধৃত।)

এতিয়ালৈ উন্নত হোৱা প্ৰায়বোৰ পুঁজিবাদী দেশতেই ইংলণ্ডৰ দৰে ঔপনিবেশিক শোষণৰ যোগেদি আৰ্থিক উন্নয়ন সাধিত হৈছিল। আনকি এই পদ্ধতিৰ একেবাৰে শেষত উন্নত হোৱা দেশ জাপানো ইয়াৰ ব্যতিক্ৰম নহয়।



OKDISCD

জাপানে ইয়াৰ চুবুৰীয়া কোৰিয়া, টাইৱান, চীন আদিত উপনিবেশ পাতিছিল। তাৰ উপৰি আগেয়ে জাপান সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত নোহোৱাকৈ থকা জাপান দ্বীপপুঞ্জৰ বহুতো দ্বীপত পিচত উপনিবেশ পাতি সাম্ৰাজ্যভুক্ত কৰা হৈছিল। অৱশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক্ষেত্ৰত ঔপনিবেশিক শোষণৰ ৰূপটো অলপ বেলেগ ধৰণৰ। এই দেশখন য়ুৰোপৰ পৰা যোৱা পমুৱা লোকসকলে স্থাপন কৰা বাবে য়ুৰোপৰ পৰা যোৱা মূল ধনেৰে তাৰ আৰ্থিক উন্নয়ন আৰম্ভ হৈছিল। আনহাতে প্ৰথমে অধিকৃত হোৱা অঞ্চলৰ সীমা ক্ৰমশঃ ভাবে বঢ়াই নিয়াৰ সুবিধা থকা বাবে অন্য দেশলৈ গৈ উপনিবেশ পতাৰ আৱশ্যক হোৱা নাছিল। আনকথাত আমেৰিকাৰ আদিমবাসী সকলক খেদি পঠিয়াই বা তলতীয়া কৰি আমেৰিকা যুক্ত ৰাষ্ট্ৰৰ সীমাবৃদ্ধি কৰি থকা হৈছিল। আকৌ এই আদিমবাসী সকলৰ উপৰিও আফ্ৰিকাৰ পৰা দাস হিচাপে অনা কৃষ্ণবৰ্ণৰ লোকসকলৰ শ্ৰমৰ অবদানো আমেৰিকা যুক্তৰাষ্ট্ৰৰ আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত কম নহয়। পিচলৈ আমেৰিকা মহাদেশৰ অন্যান্য দেশবোৰক আৰু চীন আদি অন্যান্য দেশক নব্য উপনিবেশবাদৰ যোগেদি আমেৰিকা যুক্তৰাষ্ট্ৰই শোষণ কৰিবলৈ লয়। নব্য উপনিবেশবাদত পোনপতীয়া ঔপনিবেশিক শাসন প্ৰৱৰ্ত্তন নকৰাকৈয়ে মূলধন বিনিয়োগ আৰু একচেটিয়া বেহাবেপাৰৰ যোগেদি শোষণ কৰা হয়। বৰ্তমান সময়ত পৃথিবীৰ প্ৰায় সকলোবোৰ শক্তিশালী দেশেই অনুন্নত দেশবোৰক এই পদ্ধতিৰে শোষণ কৰি আছে।

এতিয়া এই কথা স্পষ্টভাবে প্ৰতিপন্ন হৈছে যে ঔপনিবেশিক শাসন আৰু শোষণৰ সুবিধা-সুযোগ পোৱা দেশ সমূহেহে পুঁজিবাদী পদ্ধতিৰে উন্নত হবলৈ সক্ষম হৈছে। পুঁজিবাদৰ এই সাম্ৰাজ্যবাদী ভূমিকাৰ বাবেই ইতিমধ্যে পৃথিবীত দুখন মহাযুদ্ধ আৰু বহুতো তাতকৈ ক্ষুদ্ৰতৰ পৰিসৰৰ যুদ্ধ হৈছে। যিকেইখন দেশ এইদৰে আগতীয়াকৈ উন্নত হৈছে সেইবোৰে বাকীবোৰক শোষণ কৰি থকা বাবে আৰু সেইবোৰৰ লগত প্ৰতিযোগিতা কৰি বাকীবোৰে ঔপনিবেশিক শোষণৰ সুবিধা লব নোৱাৰা বাবে আজি আৰু পুঁজিবাদী পথেৰে আৰ্থিক উন্নয়ন সম্ভৱ নোহোৱা হৈছে। তাৰ উপৰি দ্বিতীয় মহাযুদ্ধৰ পিচত পোনপতীয়া ঔপনি-বেশিক শোষণৰ প্ৰায় অন্ত পৰি নব্য ঔপনিবেশিক শোষণৰ বিস্তৃতি ঘটা বাবেও বৰ্তমানৰ অনুন্নত দেশবিলাক অসুবিধাত পৰিছে। অনুন্নত দেশবিলাকে





নিজে নব্য ঔপনিবেশিক শোষণত ককবকাই থাকি অন্য দেশক সেই একে কৌশলেৰে শোষণ কৰা সম্ভৱ নহয়। আনহাতে এইবিধ শোষণৰ ক্ষেত্ৰতো শক্তিশালী পুঁজিবাদী দেশবিলাকৰ লগত প্ৰতিযোগিতাত দুৰ্বল দেশে জয়ী হব নোৱাৰে। এইবাবে আন্তৰ্জ্জাতিক বাণিজ্যৰ যোগেদি বৰ্তমানৰ অনুন্নত দেশ বিলাকে বিশেষ একো সুবিধা কৰিবলৈ সক্ষম হোৱা নাই। গতিকে আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত "প্ৰথম" বা 'আগতীয়া' হোৱাৰ ঐতিহাসিক সুবিধা ইংলণ্ড ফ্ৰান্স, জাৰ্মানী, হ'লেণ্ড আদি দেশ সমূহে পাইছিল বাবেহে আৰু অনাবাদী বা আদিম বাসীৰ দ্বাৰা অধিকৃত বিস্তৃত অঞ্চল ওচৰতে থকাৰ প্ৰাকৃতিক সুবিধাৰ বাবেহে আৰু উন্নত দেশসমূহৰ পৰা মূলধন বিনিয়োগ হোৱাৰ সুযোগ থকা বাবেহে আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে দেশে আৰ্থিক উন্নয়নৰ পথত খোজ পেলাবলৈ সক্ষম হৈছিল। এচিয়াত প্ৰথম বা আগতীয়া হোৱাৰ সুবিধা জাপানেও পাইছিল। জাপান দ্বীপপুঞ্জৰ অনাবাদী অঞ্চলত উপনিবেশ পতাৰ সুযোগো এই দেশৰ বাবে আছিল।

ওপৰত উল্লেখ কৰা বিশেষ ধৰণৰ ঐতিহাসিক আৰু প্ৰাকৃতিক সুবিধাৰ অভাৱত পুঁজিবাদী পথেৰে আৰ্থিক উন্নয়ন সম্ভৱ নোহোৱা বাবে ভাৰত আদি বৰ্তমানৰ অনুন্নত দেশৰ বাবে কেৱল সমাজবাদী পথহে মুক্ত হৈ আছে। সমাজবাদী পথেৰে আৰ্থিক উন্নয়ন সাধন কৰিবলৈ ঔপনিবেশিক শোষণৰ প্ৰয়োজন নাই। সমাজবাদী ব্যৱস্থাত দেশৰ সকলো উৎপাদনৰ সা-সজুলিৰ ওপৰত ব্যক্তিগত মালিকিস্বত্বৰ বিলোপ সাধন কৰি ৰাষ্ট্ৰীয় বা সামাজিক মালিকিস্বত্ব প্ৰৱৰ্তন কৰা হয়। এনে কৰাৰ ফলত দেশৰ সকলো সম্পদ আৰ্থিক উন্নয়নৰ লক্ষ্যৰ বাবে বিনা প্ৰতিবন্ধকতাৰে ব্যৱহাৰ কৰিবলৈ সুবিধা হয়। এইবাবে এনে ব্যৱস্থাত প্ৰকৃত অৰ্থত আৰ্থিক পৰিকল্পনা যুগুত আৰু কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আৰু কোনো বাধা নাথাকে। পৰিকল্পিত অৰ্থব্যৱস্থাত বিশেষ ধৰণৰ ঐতিহাসিক বা প্ৰাকৃতিক সুযোগ সুবিধাৰ ওপৰত আৰ্থিক উন্নয়ন নিৰ্ভৰ নকৰি মানুহৰ নিজ প্ৰচেষ্টাৰ ওপৰতহে নিৰ্ভৰ কৰে। আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত উন্নত ধৰণৰ উৎপাদন ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে এহাতে মূলধনৰ বিনিয়োগ বৃদ্ধি হব লাগে বুলি আৰু আনহাতে বৰ্দ্ধিত পৰিমাণৰ উৎপাদিত বস্তু বিক্ৰিৰ সুযোগ লাগে বুলি আগেয়ে কৈ অহা হৈছে। ব্যক্তিগত সম্পত্তি



OKDISCD

থকা সমাজত সাধাৰণতে এমুঠি উচ্চ শ্ৰেণীৰ লোকৰ হাতত জাতীয় সম্পদ আৰু আয়ৰ এক বৃহৎ অংশ থুপ খাই থাকে। সমাজবাদী সমাজ প্ৰৱৰ্তনৰ লগে লগে সকলো সম্পত্তি ৰাষ্ট্ৰ বা সমাজৰ মালিকিস্বত্বৰ অধীনলৈ আহে। ফলত আগেয়ে এমুঠি লোকৰ অধীনত থকা বৃহৎ পৰিমাণৰ সম্পদৰাজি আৰ্থিক উন্নয়নৰ বাবে আৱশ্যক হোৱা মুলধন বৃদ্ধিৰ বাবে ব্যৱহাৰ কৰাটো সম্ভৱ হৈ পৰে। পুঁজিবাদী ব্যৱস্থাত বস্তুৰ উৎপাদন আৰু বিক্ৰি পুঁজিপতিসকলৰ ব্যক্তিগত লাভৰ বাবেহে হয়। সেয়ে বস্তুৰ মুঠ উৎপাদন বৃদ্ধি হলেও সাধাৰণ লোকৰ বাবে আৱশ্যকীয় ধৰণৰ বস্তুৰ উৎপাদন নহব পাৰে আৰু হলেও বিক্ৰিৰ সমস্যা থাকি যায়। সমাজবাদী ব্যৱস্থাত জনসাধাৰণৰ কল্যাণৰ বাবেই উৎপাদন আৰু বিতৰণ ব্যৱস্থা চলাই ৰখা হয় দেখি তাত যাইকৈ জনসাধাৰণক বা ৰাষ্ট্ৰক আৱশ্যক হোৱা ধৰণৰ বস্তুহে উৎপাদন কৰা হয় আৰু সেইবোৰ জনসাধাৰণৰ মাজত যথোপযুক্ত ভাবে বিতৰণ কৰা হয়। জনসাধাৰণৰ সকলো কৰ্মক্ষম ব্যক্তিকে কৰ্মসংস্থানৰ যোগান ধৰি বস্তু কিনাৰ বাবে আৱশ্যক হোৱা উপাৰ্জনৰ বাট মুকলি কৰি দিয়া হয়। এনে অৱস্থাত সমাজবাদী ব্যৱস্থাত বস্তুৰ বিক্ৰি সম্পৰ্কে কোনো সমস্যাৰ উদ্ভৱ নহয়। এনেকৈয়ে আৰ্থিক পৰিকল্পনাৰ যোগেদি সমাজবাদী দেশত আৰ্থিক উন্নয়ন সাধিত হয়। তাৰ উপৰি সমাজবাদী দেশত কোনো বস্তুৰ নাটনি হলে সকলো লোকৰ বাবে হয়। পুঁজিবাদী ব্যৱস্থাৰ দৰে তাত অকল এমুঠি লোকে অধিক পৰিমাণে ভোগ বিলাস কৰিবলৈ নাপায়। এইবাবে সমাজবাদী দেশত শ্ৰমিক শ্ৰেণীৰ লোকসকলে অধিক উৎসাহ আৰু কাৰ্যদক্ষতাৰে কাম কৰিবলৈ প্ৰেৰণা পায়। ফলত সমাজবাদী ব্যৱস্থাত অতি দ্ৰুত গতিত আৰ্থিক উন্নয়ন সাধিত হয়। ইংলণ্ড, আমেৰিকা, যুক্তৰাষ্ট্ৰ আদি পুঁজিবাদী দেশক যি উন্নতিৰ বাবে কমেও ডুশ বছৰ লাগিছিল তাক চোভিয়েট যুক্তৰাষ্ট্ৰই চল্লিশ বছৰৰে। কমতে লাভ কৰিবলৈ সক্ষম হৈছিল। এই সকলোবোৰ কাৰণে বৰ্তমানৰ অনুন্নত দেশৰ জনসাধাৰণ ক্ৰমশঃ সমাজবাদৰ আদৰ্শৰ প্ৰতি অধিক পৰিমাণে আকৃষ্ট হব ধৰিছে।

—×—



# বিশ্ব প্ৰেম—

পশুবিহঙ্গ কীতপতঙ্গ
জীৱনৰ সোঁত বইছে
কি মহামেলাত মৰণকোলাত
গীত-তৰঙ্গ উঠিছে।
ক'ত আছে আলো, ক'ত আছে ছায়া
জাগি উঠে নিত্য নব নব কায়া
চেতনাপূৰ্ণ অদ্ভুত মায়া
বুৰবুৰকৈ ফুটিছে।

নাচে ছয় ঋতু, নামানে বিৰাম
অনন্ত গতিত চলে অধিৰাম,
নানান ধৰণে নানান বৰণে
নব নব বেশ ধৰি,
পৰে চৰণত কত বনফুল
হিয়া উঠে ফুটি হৈ যে আকুল
উঠে ধৰণীত হৃদয় বিপুল
হাঁহি কান্দোনৰে ভৰি।

কোনেনো বজায় কি যে বজায়
কি যে ৰাগ ৰাগিণী!
নাচিছে গঙ্গা নাচিছে সিন্ধু
জলধিৰ কত ৰাগিনী।
ঘন অৰণ্য কৰি মহানন্দ
শত বাহু কেশ মেলি
কি গাবলৈ যায় কথা হেৰুৱায়
নেচায় ভাবি গুণি।



OKDISCD

কোনেনো বজায় ৰাতিদিন নাই
বহি অন্তৰ আসনত
মনোমোহা সুৰে মনোৰম ছন্দে
বজায় কালৰ যন্ত্রত।
কি যে বজায় বুজিকে নেপায়
ভাবে কত গুণী, কত জ্ঞানী
বিলাই যতনে সাদৰে সঘনে
সযতনে পোৱা তথ্যথিনি।

সংসাৰৰ সোঁত যাই উটি ভাহি
বহু বহু দূৰলৈ
ধুসৰ ধুলিয়ে উৰ্ব্বৰ মৰু যে
আছে মৃতপ্ৰায় হৈ।
নাই কোনো গতি নাই কোনো গান
নাই কোনো কাজ নাই কোনো প্ৰাণ
বহি আছে এক মহানিৰ্বাণ
এন্ধাৰ মুকুট লৈ।

অন্তৰ মোৰ উঠে ৰিঙি ৰিঙি
মানব মিলন ভাবি
নিখিলৰ সতে মহাৰাজ পথে
চলো যেন দিবা ৰাতি।
আজন্মকাল মৃতপ্ৰায় হৈ
জৰাৰ বাধোনে আছো ৰৈ ৰৈ
এটি মাত্র ফোটা জীৱন অমৃত
হেপাহেৰে খাবলৈ





শৰ শয্যাত ভীষ্মৰ দৰে
শত শৰ বিদ্ধ হৈ
পৰি আছে ধীৰ প্ৰবল প্ৰবীণ
গ্লানি-গৰিমাৰ চানেকী লৈ।
কুৰু-পাণ্ডৱৰ মহাসমৰৰ
নিজৰ তেজেৰে ৰাঙলী হৈ
এটি ধাৰা পানী গঙ্গাৰ পৰা আনি
মৰণ তৃষ্ণা পুৰাবলৈ।
জীৱন মৰণ সমাধি শয়ন
সৰু বৰ একো নাই যে নিয়ম,
নাই তাত একো শাসন শোষণ
অবাধ গতিতে চলে;
মানবৰ প্ৰেম ইযে এটি সুৰ
ইযে এটি লয় আনন্দ মধুৰ
একেটি বীণাতে বাজে
বিশ্ব বিয়পি পৰে।

গহীন গভীৰ মন্দ মধুৰ
বাজক বিশ্ব বাজানা
জাগক চিত্ত পুলক নিত্য
যাওক মৰ্ম্ম বেদনা।
ভাঙক যত মহাবন্ধন, অন্তৰ ভৰি দিয়া আলিঙ্গন
প্ৰেমৰ বান্ধোনে বান্ধি,
আহিব নিত্য নব নব আশা
ফুটিব নিত্য নব নব ভাষা
নব নব ৰূপ ধৰি।



OKDISCD

বান্ধোন চিঙিব   যত নাগপাশ
মানুহেই গঢ়া জাতি জালপাশ,
মুক্ত হৃদয়ত লাগিব বতাহ
নিৰ্ম্মূল হব মিছাৰ তৰাস।

বিশ্ব প্ৰেমেৰে ধৌত কৰিব
মানুহৰ যত মলিনতা যাব
নব অভ্যুত্থানে নব জীৱনৰ
নব সঙ্গীত গাব, নব ছবি আকি থব।

ডাঃ হেৰম্ব শৰ্ম্মা



# শত সূৰ্য্যৰ আকাশ

এটি ভয়ঙ্কৰ অক্টোপাচে
মোক মেৰিয়াই ধৰিছে,
মূৰৰ ওপৰত জিলিকিছে
শত সূৰ্য্যৰ আকাশ।
মই বিচাৰি ফুৰিছো সেইবাটে
যি বাটেদি মানুহৰ অহাযোৱা,
দিনান্তত ক্ষন্তেক জিৰণিৰ বাবে
এখনি জিৰণি ঘৰ।

এৰি থৈ অহা দিনৰ স্মৃতিয়ে
কেচুৱাৰ কান্দোনৰ দৰে
কেতিয়াবা আমনি কৰে—
মৰিশালীত মালাপিন্ধি
অহৰহ বলিয়াটোৰ চিঞৰ।

এটি ভয়ঙ্কৰ ষড়যন্ত্ৰই
মোক খেদি ফুৰিছে,
মই তাৰ শিপাদাল
উঘালিব পৰা নাই।
মোৰ সমুখৰ বাটটোৰেদি
মানুহৰ মুখাপিন্ধি
মানুহৰেই অহাযোৱা।
কোনে কি ফুল ভাল পায়
সুধিলেও নিদিয়ে উত্তৰ।

পুখুৰীত বৰ বৰ মাছৰ টিঘিলঘিলনি দেখি
বুকুত কঁপনি—
সমুখত ভয়ঙ্কৰ অক্টোপাচ
আৰু মোৰ মূৰৰ ওপৰত জিলিকিছে
শত সূৰ্য্যৰ আকাশ।

ৰবীন্দ্ৰ সৰকাৰ



OKDISCD

বান্ধোন চিঙিব যত নাগপাশ
মানুহেই গঢ়া জাতি জালপাশ,
মুক্ত হৃদয়ত লাগিব বতাহ
নিৰ্ম্মূল হব মিছাৰ তৰাস।

বিশ্ব প্ৰেমেৰে ধৌত কৰিব
মানুহৰ যত মলিনতা যাব
নব অভ্যুত্থানে নব জীৱনৰ
নব সঙ্গীত গাব, নব ছবি আকি থব।

ডাঃ হেৰম্ব শৰ্ম্মা



## শত সূৰ্য্যৰ আকাশ

এটি ভয়ঙ্কৰ অক্টোপাচে
মোক মেৰিয়াই ধৰিছে,
মূৰৰ ওপৰত জিলিকিছে
শত সূৰ্য্যৰ আকাশ।
মই বিচাৰি ফুৰিছো সেইবাটে
যি বাটেদি মানুহৰ অহাযোৱা,
দিনান্তত ক্ষন্তেক জিৰণিৰ বাবে
এখনি জিৰণি ঘৰ।

এৰি থৈ অহা দিনৰ স্মৃতিয়ে
কেচুৱাৰ কান্দোনৰ দৰে
কেতিয়াবা আমনি কৰে—
মৰিশালীত মালাপিন্ধি
অহৰহ বলিয়াটোৰ চিঞৰ।

এটি ভয়ঙ্কৰ ষড়যন্ত্ৰই
মোক খেদি ফুৰিছে,
মই তাৰ শিপাদাল
উঘালিব পৰা নাই।
মোৰ সমুখৰ বাটটোৰেদি
মানুহৰ মুখাপিন্ধি
মানুহৰেই অহাযোৱা।
কোনে কি ফুল ভাল পায়
সুধিলেও নিদিয়ে উত্তৰ।

পুখুৰীত বৰ বৰ মাছৰ টিঘিলঘিলনি দেখি
বুকুত কঁপনি—
সমুখত ভয়ঙ্কৰ অক্টোপাচ
আৰু মোৰ মূৰৰ ওপৰত জিলিকিছে
শত সূৰ্য্যৰ আকাশ।

ৰবীন্দ্ৰ সৰকাৰ



OKDISCD

# থুপি থুপি জুই

লাহে লাহে কুঁৱলীৰ চিলমিল ছায়াবোৰে ঘেৰি পেলাইছিল
জুইৰ আঙনিৰ দৰে
সৰিয়হ ফুলবোৰ

প্ৰতিটো তৰাই গলি গলি নামি আহি
সৰিয়হ ফুলৰ চকুৰ মণিত।
ৰাতিৰ ছিৰাছিৰ জোনাকবোৰ
সৰিয়হ ফুলৰ কোমল বাহুলগত।

বিনিদ্ৰ ৰাতিৰ গুলিয়া-গুলিত
লালকাল হৈ পৰি থকা
জোঙা আঙুলিবোৰেও
জোঙাল হৈ খুচিছিল।
ক্ষুধাৰ্ত ওঁঠৰ প্ৰতিটো স্পৰ্শত ফুলবোৰ জ্বলি উঠিছিল।

ঘাম আৰু মাটিৰ লগত সঞ্জীৱিত
ফুল ফুটাৰ বাৰুদৰ গন্ধত
আমাৰ মন-প্ৰাণ ডুৰু-ডুৰু কঁপিছিল।

লাহে লাহে নিয়ৰৰ টোপালবোৰ নামি আহিছিল।
ফৰকাল জোনাকৰ টুকুৰাবোৰ ফৰিঙৰ দৰে জপিয়াই ফুৰিছিল
সৰিয়হ ফুলৰ মঙহৰ উৰ্মিত।

ভীতা হৰিণীৰ দৰে কুঁৱলীবোৰ সন্ত্ৰস্ত হৈ চুটিছিল।

নতজানু হৃদয়ত লালিত সজাল ধৰা কঠিয়া
থুপি থুপি জুই হেন
তেজ হৈ ৰব পৰা
সৰিয়হ ফুল।

শ্ৰী জ্ঞান পূজাৰী



# শুকুলা

শুকুলা দিনত নাথাকে
পৃথিবীৰ হাঁহি আৰু—
আনন্দৰ গান

'ছয়ামৰ্যা' পোহৰৰ ঢৌত
শুকুলা পালতৰি
নাপায় কোনেও
ডুপাৰৰ সেউজীয়া আলোড়ন,

শুকুলা পাখীৰ বা লাগি
নকঁপে—
চেতনাৰ নতুন তোৰণ

শুকুলা হাতীৰে
নোৱাৰে কৰিব
বিজয়ৰ নৱ উন্মোচন।

আনিছ উজ জামান



OKDISCD

# ৰাষ্ট্ৰৰ ম্লাপন আৰু সহিংস বিপ্লৱ

**ৰঞ্জিত নাৰায়ণ ডেকা ( অনুবাদক )**

( দ্বিতীয় সংখ্যাৰ পিচৰ পৰা )

এইটো বাজী মাৰি কব পাৰি যে ৰাষ্ট্ৰৰ "ম্লাপন" সম্পৰ্কে পঢ়া বা শুনা প্ৰতি ১০,০০০ জনৰ ভিতৰত ৯,৯৯০ জনেই সম্পূৰ্ণৰূপে নাজানে বা মনত নাৰাখে যে এই সূত্ৰৰ পৰা টনা তেওঁৰ সিদ্ধান্তটোক এঙ্গেলছে কেৱল নৈৰাজ্যবাদীসকলৰ বিৰুদ্ধেই প্ৰয়োগ কৰা নাই। বাকী দহ জনৰ ন জনেই "মুক্ত জনসাধাৰণৰ ৰাষ্ট্ৰৰ" অৰ্থ নাজানে আৰু এই শ্লোগানক আক্ৰমণ কৰিলেই কিয় সুবিধাবাদীক আক্ৰমণ কৰা হয় তাকো নুবুজে। এনেদৰেই বুৰঞ্জী লিখা হয়! এনেভাবেই মহান বিপ্লৱৰ শিক্ষাক বুজিব নোৱাৰাকৈ মিছা কৰা হয় আৰু প্ৰচলিত ফিলিষ্টিনবাদৰ গ্ৰহণযোগ্য কৰা হয়। নৈৰাজ্যবাদীসকলৰ বিৰুদ্ধে থকা সিদ্ধান্তবোৰ হাজাৰ বাৰ দোহৰা হয়; এইবোৰক বিকৃত কৰা হয়, মানুহৰ মগজুত টুলুঙা ৰূপত হেচি সুমুৱাই দিয়া হয়, আৰু এইদৰে ই এটা কুসংস্কাৰ হৈ পৰে। আনহাতে, সুবিধাবাদীসকলৰ বিৰুদ্ধে থকা সিদ্ধান্তবোৰ অস্পষ্ট কৰা বা "পাহৰি পেলোৱা" হয়।

"মুক্ত জনসাধাৰণৰ ৰাষ্ট্ৰ" কাৰ্য্যসূচীৰ এটা দাবী আছিল আৰু সপ্তম দশকৰ জাৰ্মান সমাজী গণতান্ত্ৰিকসকলৰ হৰিনাম[৬] আছিল। গণতন্ত্ৰৰ ধাৰণাক কোৱাভাতুৰীয়া ফিলিষ্টিন ঢঙত বৰ্ণনা কৰাৰ বাহিৰে এই হৰিনামৰ আৰু একো ৰাজনৈতিক সাৰমৰ্ম নাই।

গণতান্ত্ৰিক প্ৰজাতন্ত্ৰত বৈধভাবে অনুমোদন হোৱাৰ ইঙ্গিত যিমান দূৰলৈ ই দিয়ে সিমান দূৰলৈ এঙ্গেলছে বিক্ষোভৰ দৃষ্টি কোণৰ পৰা "কিছু সময়ৰ বাবে" ইয়াৰ ব্যৱহাৰ "সমৰ্থন" কৰিবলৈ প্ৰস্তুত আছিল। কিন্তু এই হৰিনাম সুবিধাবাদীৰহে, কাৰণ ই বুৰ্জুৱা গণতন্ত্ৰৰ ঢাক-ঢোল বজায়ে ক্ষান্ত থকা নাই, আৰু সাধাৰণতে ই ৰাষ্ট্ৰৰ সমাজবাদী সমালোচনা বুজাৰ ব্যৰ্থতা

৬ Catchword





সূচায়। ধনতন্ত্ৰৰ অধীনত থকা সৰ্বহাৰাৰ বাবে গণতান্ত্ৰিক প্ৰজাতন্ত্ৰই সৰ্বোত্তম ৰাষ্ট্ৰ বুলি আমি আদৰ জনাওঁ। কিন্তু আমাৰ পাহৰাৰ কোনো অধিকাৰ নাই যে আনকি শ্ৰেষ্ঠতম **গণতান্ত্ৰিক বুৰ্জুৱা প্ৰজাতন্ত্ৰতো জনগণৰ ভাগ্যত থাকে মজুৰি-দাসত্ব।** তাৰোপৰি, প্ৰত্যেক খন ৰাষ্ট্ৰই নিস্পেষিত শ্ৰেণীক দমন কৰাৰ কাৰণে একোটা "বিশেষ শক্তি"। গতিকে, **প্ৰত্যেকখন** ৰাষ্ট্ৰ "মুক্ত" ও **নহয়,** "জনসাধাৰণৰ ৰাষ্ট্ৰও" **নহয়।** এই কথাটো মাৰ্ক্স আৰু এঙ্গেলছে সপ্তম দশকত দলৰ কমৰেদসকলক বাৰম্বাৰ ব্যাখ্যা কৰি দিছিল।

পঞ্চমতঃ, এঙ্গেলছৰ একেখন ৰচনাতে, যিখনৰ ম্লাপন সম্পৰ্কে থকা যুক্তি-বোৰ সকলোৱে মনত ৰাখিছে, সহিংস বিপ্লৱৰ তাৎপৰ্য্য সম্পৰ্কীয় যুক্তিও আছে। ইয়াৰ ভূমিকা সম্পৰ্কে এঙ্গেলছে কৰা ঐতিহাসিক বিশ্লেষণ সহিংস বিপ্লৱৰ প্ৰশস্তিস্বৰূপ। এইটো "কোনোৱে মনত নাৰাখে"। এই ধাৰণাটোৰ তাৎপৰ্য্য সম্পৰ্কে আজিৰ সমাজতান্ত্ৰিক দলবোৰত আলোচনা বা ভবা-চিন্তা কৰা নহয়, আৰু দলবোৰে জনসাধাৰণৰ মাজত কৰা দৈনন্দিন প্ৰচাৰ আৰু আন্দোলনৰ ক্ষেত্ৰতো ইয়াৰ কোনো ভূমিকা নাথাকে। অথচ এই কথাটো ৰাষ্ট্ৰৰ "ম্লাপন"ৰ সৈতে অবিচ্ছেদ্যভাবে সাঙোৰ খাই থকা বস্তু!

এঙ্গেলছৰ যুক্তি হ'ল এনেঃ

"......শক্তিৰ অৱশ্যে ইতিহাসত আৰু এটা ভূমিকা ( পৈশাচিক শক্তিৰ বাহিৰে ) আছে, ই হ'ল বিপ্লৱী ভূমিকা। মাৰ্ক্সৰ ভাষাত ই নতুন সমাজৰ বীজ ধাৰণ কৰা প্ৰতিখন পুৰণি সমাজৰ ধাত্ৰী, ইয়াৰ সহায়ত সামাজিক প্ৰগতিৰ শক্তি[৭] মৃত, ফছিল হৈ পৰা ৰাজনৈতিক ৰূপবোৰ[৮] চূড়মাৰ কৰি আগবাঢ়ি যায়। এই সম্পৰ্কে হেৰ ডুৰেৰিঙৰ কোনো বক্তব্যই নাই। শোষণৰ ওপৰত প্ৰতিষ্ঠিত আৰ্থিক অৱস্থা উচ্ছন্ন কৰোঁতে শক্তিৰ আৱশ্যক হোৱাৰ এটা সম্ভাবনাহে তেওঁ স্বীকাৰ কৰিছে হা-হুমুনিয়াহ আৰু কেকনি-গেথনিৰে। কাৰণ তেওঁ দুখ কৰি কৈছে যে শক্তিৰ সকলো ধৰণৰ প্ৰয়োগে প্ৰয়োগ-কাৰীজনক নীতভ্ৰষ্ট কৰে। প্ৰতিটো বিজয়ী বিপ্লৱে অসীম নৈতিক আৰু আধ্যাত্মিক প্ৰেৰণা দিয়া সত্বেও হেনো এনে হয়! তেওঁ এনে কথা কৈছে

৭. forces ৮. forms



OKDISCD

জার্মানিত, য'ত ত্রিশ বছৰীয়া যুদ্ধত লাঞ্ছিত হোৱাৰ ফলস্বৰূপে জাতীয় চেতনাত সোমাই পৰা দাসত্ব মনোভাব এটা সহিংস সংঘৰ্ষই মচি পেলোৱাত সহায় কৰিলেহেতেন। এই পাদ্ৰীসুলভ ভোটা, নিৰস আৰু বন্ধ্যা চিন্তাধাৰাই ইতিহাসখ্যাত আটাতকৈ বিপ্লৱী দলটোকো প্ৰভাবান্বিত কৰিব খোজে।" ( পৃঃ ১৯৩, তৃতীয় জাৰ্মান সংস্কৰণ, ২য় অংশ, চতুৰ্থ অধ্যায়ৰ শেষাংশ )

১৮৭৮ চনৰ পৰা ১৮৯৪ চনলৈকে, অৰ্থাৎ তেওঁৰ মৃত্যুৰ সময়লৈকে, এঙ্গেলছে সহিংস বিপ্লৱৰ প্ৰশস্তিৰে জাৰ্মান-সমাজী-গণতান্ত্ৰিকসকলৰ দৃষ্টি বিপ্লৱৰ প্ৰতি অবাৰিতভাবে আকৰ্ষণ কৰি আহিছিল। তত্ৰাচ ( সহিংস বিপ্লৱৰ গুণগৰিমাক ) "ৰাষ্ট্ৰৰ ম্লাপন" তত্বৰ লগত সাঙোৰ খুৱাই কেনেকৈ এটা তত্ব কৰা হয়?

দুয়োটা তত্বকে আচলতে অধেমধে মিলাই খিচিড়ি বনোৱা হয়, এনে নীতিবিহীন আৰু ভ্ৰান্তিমূলক বাচনি কৰা হয় স্বেচ্ছাচাৰীভাবে ( ক্ষমতাত অধিষ্ঠিত শক্তিক তুষ্ট কৰাৰ কাৰণে ); বেছি নহলেও শতকৰা নিৰান্নব্বৈটা ক্ষেত্ৰত "ম্লাপন"ৰ সুত্ৰটোক অগ্ৰাধিকাৰ দিয়া হয়। দ্বন্দ্ববাদৰ ঠাই লয় খিচিড়ি চিন্তাই (eclecticism)। মাৰ্ক্সবাদ সম্বন্ধীয় বৰ্ত্তমান সমাজী-গণতান্ত্ৰিক দলীয় লিখনীত সচৰাচৰ আৰু ব্যাপকভাবে এয়ে চলি আছে। এনে ধৰণৰ বংবদল (Substitution) অৱশ্যে একো নতুন কথা নহয়। আনকি ক্লাচিকেল গ্ৰীক দৰ্শনৰ ইতিহাসতো এনে কৰা দেখা যায়। সুবিধাবাদী ঢঙেৰে মাৰ্ক্সবাদক মিছা প্ৰমাণ কৰি, দ্বন্দ্ববাদৰ ঠাইত খিচিড়ি পদ্ধতি সলাই দিয়াটোৱেই জনসাধাৰণক প্ৰতাৰণা কৰাৰ আটাইতকৈ সহজ পন্থা। ই ভ্ৰমাত্মক সন্তুষ্টিহে দিয়ে; ই প্ৰক্ৰিয়াৰ সকলো দিশ, বিকাশৰ সকলো ধাৰা, সকলো বিবদমান প্ৰভাৱ আদিক বিবেচনা কৰা যেন দেখুৱায়; কিন্তু দৰাচলতে ই সমাজ-বিকাশ প্ৰক্ৰিয়াৰ কোনো অখণ্ড[৯] আৰু বিপ্লৱী ধাৰণা সমূলি নিদিয়ে।

আমি আগতে কৈছোঁৱেই আৰু পিচতো পূৰাকৈ কম যে মাৰ্ক্স আৰু এঙ্গেলছৰ সহিংস বিপ্লৱৰ অপৰিহাৰ্য্যতা সম্পৰ্কীয় তত্বই বুৰ্জুৱা ৰাষ্ট্ৰকহে আঙুলিয়াইছে। **"ম্লাপন" প্ৰক্ৰিয়াৰে সৰ্বহাৰা ৰাষ্ট্ৰই** (সৰ্বহাৰাৰ একনায়কত্বই) **বুৰ্জুৱা ৰাষ্ট্ৰৰ**

৯, Integral.





**স্থান দখল কৰিব নোৱাৰে,—কিন্তু নিয়ম মতে পাৰিব একমাত্ৰ সহিংস বিপ্লৱৰ যোগেদিহে।** এঙ্গেলছে কৰা ইয়াৰ গৰীমাকীৰ্ত্তন মাৰ্ক্সে পুনঃপুনঃ কৰা উক্তিৰ সৈতে সম্পূৰ্ণ সঙ্গতিপূৰ্ণ ( "**দৰ্শনৰ দাৰিদ্ৰ্য**"[১০] আৰু **কমিউনিষ্ট ইষ্টাহাৰৰ**"[১১] শেষাংশ চাওঁক, ইয়াত সহিংস বিপ্লৱৰ অপৰিহাৰ্যতা সম্পৰ্কে বলিষ্ঠ আৰু উদাও ঘোষণা আছে; ১৮৭৫ চনৰ গ'থা কাৰ্যসুচী সমালোচনা কৰি মাৰ্ক্সে লিখা কথাখিনি চাওক, ইয়াত সেই কাৰ্যসুচীৰ সুবিধাবাদী চৰিত্ৰক নিষ্ঠুৰ ভাবে কশাঘাত কৰিছে। ) —এই গৰীমাকীৰ্ত্তন কেৱল আবেগ, কেৱল ভাবপ্ৰবন উদ্দীপনা বা বিতৰ্কমূলক-সৰস-উক্তি[১২] নহয়। একমাত্ৰ সহিংস বিপ্লৱৰ ( পৰিষ্কাৰ ভাবে কেৱল এই মতামতৰ ) প্ৰয়োজনত জনসাধাৰণক প্ৰণালিবদ্ধভাবে দীক্ষিত কৰাৰ আৱশ্যকতাই মাৰ্ক্স আৰু এঙ্গেলছৰ **সমগ্ৰ** তত্বৰ গুৰিত। বৰ্ত্তমানৰ প্ৰচলিত সমাজী-উগ্ৰস্বাদেশিকতাবাদী আৰু কাউৎস্কীপন্থী সকলে সিহঁতৰ প্ৰচাৰ আৰু আন্দোলনত এওঁলোকৰ শিক্ষাক অৱহেলা কৰি বিশ্বাসঘাটকতা কৰিছে।

**সহিংস বিপ্লৱ অবিহনে সৰ্বহাৰা ৰাষ্ট্ৰৰ দ্বাৰা বুৰ্জুৱা ৰাষ্ট্ৰৰ দখল অসম্ভৱ।** "ম্লাপন" প্ৰক্ৰিয়া অবিহনে সৰ্বহাৰা ৰাষ্ট্ৰ, অৰ্থাৎ সাধাৰণভাৱে ৰাষ্ট্ৰৰ, বিলুপ্তি কৰণ অসম্ভৱ।

প্ৰতিটো বিপ্লৱী পৰিস্থিতি অধ্যয়ন কৰোঁতে, প্ৰতিটো বিপ্লৱৰ অভিজ্ঞতাৰ শিক্ষা বিশ্লেষণ কৰোঁতে, মাৰ্ক্স আৰু এঙ্গেলছে এই মতামতৰ বিশদ আৰু জীৱন্ত ব্যাখ্যা দিছিল।

১০. The Poverty of philosophy ১১. Communist Manifesto
১২. Polemical Sally



OKDISCD

# বাটৰ বগৰী জেং

ভুবনমোহন মহন্ত

গুণকান্তই ভাবিলে প্ৰবন্ধটো লিখি উঠি তৰুলতাক ডাক্তৰৰ ওচৰলৈ নিব লাগিব। তাৰ পিচতহে সি ঘৰলৈ যাব। ঘৰৰ মানুহখিনিক লৈ আনিব লাগিল। নহলে বৰ খেলিমেলি হৈ আছে। মাউথে উটিলে গুৰি পৰুৱাৰো মৰণ নাই।

হাঁহি বিৰিঙি থকা তৰুলতাই আনন্দ মনেৰে ভাবিলে ঘৰখনলৈ তায়েই এবাৰ গৈ আহিব নে কি? কিন্তু গুণকান্তই যাবলৈ দিব জানো এতিয়া? কথাটো ভাবি তাইৰ লাজ লাগি গ'ল।

যি সময়ত তৰুলতাই মৰলীয়া শাকৰ মাজত গজি উঠা লফা শাকৰ পাত চিঙিছিল সেই সময়ত গুণকান্তই ভিতৰত বহি স্থানীয় আলোচনী খনলৈ প্ৰবন্ধ এটা লিখিবলৈ হাতত কাগজ কলম লৈছিল। আচলতে গুণকান্তই কাগজ কলম লোৱাৰ বাবেই তৰুলতাই মৰলীয়া শাকৰ মাজত অ'ত ত'ত গজি উঠা লফা শাকৰ পাত বুটলিছিল। নহলে কিবাকিবি নোহোৱাৰ ফৰ্দ দি গুণকান্তৰ পুৱাৰ উজ্জ্বল মনটোক ডাৱৰীয়া কৰি পেলালেহেঁতেন। কিন্তু তৰুলতাৰ খং উঠিছিল। সেই কথা, মানে কাৰ ওপৰত খং উঠিছিল তাৰ কথা, তৰুলতাই নিজেও গম পোৱা নাছিল। গুণকান্তকো খং কৰিবলগীয়া নাই। এতিয়ালৈকে গুণকান্তই যিখিনি কৰিছে তাতকৈ বেচি এইখন সমাজত তাৰ কাৰণে অসম্ভৱ। গুণকান্তই বাহিৰা পইচা পোৱা চাকৰি নিবিচাৰিলে — বিচৰা হলে পালেহেঁতেন নে নাই সেয়া বেলেগ কথা—কিন্তু বিয়াৰ আগতে তৰুলতাই গুণকান্তৰ এই এতিয়া থকাখিনিকেই মনে প্ৰাণে বিচাৰিছিল। মানে সৎ উপায়েৰে উপাৰ্জন কৰা ধনত নিজক সন্তুষ্ট ৰাখিব পৰা অৱস্থা। নহলে বুৰ্জুৱা সমাজৰ আন নাৰীৰ নিচিনাকৈ তাই ইটো সিটো বহুতো বিচাৰি গুণকান্তৰ লগত খৰিয়াল পাতিলেহেঁতেন। কিন্তু এতিয়া তাইৰ খং উঠিছে। চলিত সমাজ ব্যৱস্থাৰ উৰ্দ্ধলৈ গতি কৰাৰ সকলো পথ যেন তাইৰ কাৰণে বন্ধ হৈ গৈছে! তাই যেন এতিয়া পূৰ্বৰ সিদ্ধান্তৰ বন্দীশালত সোমাই ছাটি ফুটি কৰিছে।





মৰলীয়া শাকৰ মাজত গজি উঠা লফাশাক চিঙোতে গুণকান্ত বহি থকা টেবুলৰ ওচৰৰ খিৰিকিখনলৈ এবাৰ চালে তৰুলতাই। তাই দেখিলে গুণকান্তই খুব মনোযোগেৰে কিতাপ এখন পঢ়ি আছে। বোধহয় যোৱা ৰাতি কোৱা বিষয়টোৰ ওপৰতে তেওঁ পঢ়া আৰম্ভ কৰিছে। কৰক। নহলে প্ৰবন্ধটো আজি দিব নোৱাৰিলে খুব বেয়া কথা হব ঃ প্ৰথমতে মানুহকেইজন আজিৰে সৈতে তিনিদিন আহিল আৰু উভতি গ'ল। দ্বিতীয়তে প্ৰবন্ধটোৰ বাবদ মানুহকেইজনে আগধন হিচাপে দহটকা দি থৈ গৈছে জোৰ জুলুমকৈ। গুণকান্তৰ জীৱনত এই প্ৰথমবাৰৰ বাবে প্ৰবন্ধৰ বাবদ আগধন পাইছে। এইটো এটা সাংঘাতিক কথা। হওক মানুহে লিখকৰ মূল্য বুজিবলৈ লৈছে। সেয়ে প্ৰবটো আজি যেনে তেনে লিখাবই লাগিব গুণকান্তৰ দ্বাৰা।

তৰুলতাই জানে গুণকান্তই হাতত কলম ললেই হ'ল। তেওঁৰ নজনা কথা নাই, অন্ততঃ তৰুলতাৰ বাবে। প্ৰবন্ধটো হেনো শ্ৰেণী সংগ্ৰামৰ ওপৰত লিখিব। শ্ৰেণী সংগ্ৰাম কি তৰুলতাই বুজি নাপায় ভালকৈ। কিন্তু গুণকান্তৰ পৰা এটা কথা তাই জানিছে সেইটো হল মানুহৰ মাজতে থকা সৰু বৰ ভাব আৰু কামবিলাক আচলতে মানুহৰেই সৃষ্টি। আৰু সেই শ্ৰেণী মানুহে সিহঁত জীয়াই থাকিবলৈ ঈশ্বৰ, ভাগ্য নিচিনা কেতবোৰ মানুহে চিন্তা কৰিব নোৱাৰা কথা উলিয়াইছে। আৰু সাধাৰণ মানুহবোৰেও তাকে সঁচা বুলি গ্ৰহণ কৰি শোষণক আদৰি লৈছে। গুণকান্তই কেতিয়াবা বৰ দুখ কৰে। মানুহবোৰৰ জ্ঞান চকু কেতিয়া মুকলি হব? আৰু এই জ্ঞান চকু মুকলি কৰিবলৈ সিয়েইবা কিটো কৰিছে? মাত্ৰ মাজে মাজে দুই এটা প্ৰবন্ধ লিখি আঙুলিয়াই দেখুৱাইছে। কিন্তু তাতেই সমাজ সলনি হৈ নাযায়। মানুহবোৰে সেইবোৰ জানিবৰ কাৰণে শিক্ষাও পাব লাগিব। সেই শিক্ষা দিবলৈ সমাজ ব্যৱস্থাৰ যান্ত্ৰিক সকল ৰাজী নহয়, কাৰণ তেতিয়াই তেওঁলোকৰ মৃত্যু। এই অনিবাৰ্য মৃত্যুক জানি শুনি সাৱটি লবলৈ ইচ্ছা কাৰোৰেই নহব।

এইবোৰ কথা গুণকান্তৰ। তৰুলতাক কোৱা। গতিকে প্ৰবন্ধ এটা লিখিবলৈ এইবোৰ কথাই যথেষ্ট তৰুলতাৰ কাৰণে। কিন্তু সময়তো বহুত হল। এতিয়ালৈকে কাগজত এটা আচোঁ পৰা নাই। কেতিয়ানো লিখিব? আবেলিলৈ সেইটো নিবলৈ মানুহ আহিবই। কি যে হয় মানুহটোৰ! কেতিয়াবা



OKDISCD

তিনিদিনতে চাৰি পাচটা প্ৰবন্ধ লিখা হয়! কেতিয়াবা সপ্তাহ সপ্তাহ ধৰি বহি থাকিলেও একলম লিখিব নোৱাৰে। সুধিলে গুণকান্তই "হব দিয়া" বুলি তাইৰ প্ৰশ্নৰ উত্তৰ এটা দি থয় যাৰ অৰ্থ তৰুলতাৰ কাৰণে শূন্য। তাৰ পিচত হয়তো কব "চাহ একাপ দিয়াচোন বাৰু, চেষ্টা কৰি চাওঁ।" চাহ আনি দিলে, ধোৱাঁ ফুৰাই ফুৰাই খালে, চিগাৰেট এটা জ্বলাই ললে, তাৰ পিচত ভিতৰলৈ উঠি গৈ সাজ কৰিলেগৈ আৰু শেষত কলে, 'ফুৰিবলৈ যাবা নে কি?" বচ্। তৰুলতাৰ বিস্ময়ৰ সীমা নাথাকে। খঙে বিষে তাই কব "চাহ কাপৰ দাম দি যোৱা। মই ফুৰিবলৈ নাযাওঁ।" তেতিয়া গাৰ কাষলৈ আহি অনতি দূৰৈৰপৰা চুমা এটা যাচি কব "আজি মুড নাই সোণ! অলপ ফুৰি আহিলেই ভাল লাগিব। আহিয়েই লিখিম। কথা দিলোঁ।" হৈ গ'ল। তৰুলতাৰ খং মৰম হয়—লগে লগে গুণকান্তৰ লগত ফুৰিবলৈ ওলাই যায়। এইজনেই সম্পূৰ্ণ গুণকান্ত নহয়—এই কথাও তৰুলতাই জানে।

এইবোৰ হলেও মানুহেতো গুণকান্তক তেনেকৈ গ্ৰহণ নকৰে। গুণকান্তৰ 'মুড' হোৱাৰ অৱস্থালৈ মানুহ ৰৈ থাকিব নোৱাৰে। তেনে পৰিবেশ এই খন সমাজত নাই। পৰিবেশ ইয়াত তৈয়াৰ কৰি লব লাগে। মনত থকা ঋণ পৰিশোধৰ চিন্তা, বেমাৰ আজাৰৰ চিন্তা, ভাতমুঠিৰ চিন্তা জোৰ কৰি আঁতৰাই থৈ বুদ্ধিজীৱী সকলৰ চিন্তাৰ খোৰাক যোগাব লাগে, সাহিত্য মনৰ দাপোন হৈ সমাজত জিলিকি থাকিব লাগে ইত্যাদি ইত্যাদি লাগেবোৰৰ মাজত গুণকান্তৰ নিচিনা মানুহবোৰ ঠাৰৰিব নোৱাৰাটোত অস্বাভাৱিকতা নাই একো।

চালনিখনত লফাশাক কেইদাল থৈ মৰলীয়াও দুজোপামান উঘালি আনিলে। এই মৰলীয়াবোৰ এনেয়ে হৈছে। সিচি থোৱা লফা গুটিৰ পৰা গছ ওলোৱাৰ আগতেই এইবোৰ গজি গোটেইখন চাটি ধৰিলে। পিছে বেয়া হোৱা নাই। মৰলীয়া আৰু মোৱা মাছৰ আদ্থৰীয়া খাবলৈ বৰ জুতি। কালি অনা মোৱা মাছ দুটামানো আছে। হব। বগৰীও আছে। লফাৰে ভাল হব। গুণকান্তই টেঙা আঞ্জা বৰ ভাল পায়। তেওঁৰ ভালপোৱাবোৰ কৰি তৰুলতাই ভাল পায়।

খিৰিকিখনেদি গুণকান্তলৈ চালে। নাই এতিয়াও কলম হাতত লোৱাই নাই। বেলিও বহুত হল। স্কুললৈও যাব এতিয়া। ছেঃ কি যে হব! একো





কৰবও নোৱাৰি। কি বা ভাৱত আছে। 'মুড' ভাগি গলে লিখিব পাৰিব জানো? ওহোঁ নহব। তাই তাক আমনি নকৰে। লিখিবইতো।

খহি যাব খোজা কাপোৰখন ঠিক কৰিলৈ বাটৰ ফালে এবাৰ চালে। দুজনমান ডেকা লৰাই তাইলৈ চাই চাই গৈ আছে। তাইৰ লাজ লাগি গ'ল। তাই ভাবিলে তাই এতিয়াও ছোৱালীৰ পৰ্যায়ৰ পৰা উন্নীত হব পৰা নাই। চাওক। এই চোৰাবোৰ সকলো ঠাইতে আছে। সিহঁতৰ ঘৈণীয়েক বোৰোক আন ডেকা ল'ৰাই চাব। পৰম্পৰাগত এই কথাবোৰক ঢাকি ৰখাৰ কোনো উপায় নাই। লগে লগে তাইৰ স্কুলীয়া জীৱনৰ কথাবোৰ মনত পৰিল। আল্লাউদ্দিন-পদ্মিনীৰ কাহিনী, সীতাৰ ৰূপ বৰ্ণনা। ল'ৰা-ছোৱালী একে লগে পঢ়া এই স্কুলবোৰত এইবোৰ বৰ সাংঘাতিক কথা। বিশেষকৈ আমাৰ ঠাইত। কাৰণ ইয়াত কোনো মানুহেই মানসিক হিচাপে মুক্ত নহয়। ল'ৰাই ছোৱালীলৈ বা ছোৱালীয়ে ল'ৰালৈ চোৱা বা পৰস্পৰে পৰস্পাৰৰ লগত কথা পাতিলেই প্ৰেম নামৰ উৎকট ব্যাখ্যা আৰম্ভ হৈ যায়, য'ত প্ৰেম মানে যৌন আকাঙ্ক্ষাৰ বাহিৰে আন একোৱেই আধিপত্য বিস্তাৰ কৰিব নোৱাৰে। এই খনেই আমাৰ সমাজ। ছিঃ! গুণকান্তৰ দ্বাৰা শিখা প্ৰাপ্ত তৰুলতাই এইবোৰ কথা শুনি ইচ্ইচ্াই মৰিবহে পাৰে তাৰ প্ৰতিবাদ কৰিবলৈ তাইৰ সাহস নহয়। সাহস হলহেঁতেন যদি তাইৰ নিচিনা আন দহজনী ওলালহেঁতেন। থাকিবও পাৰে—তাইৰ নিচিনাকৈ মনে মনে লগ বিচাৰি ফুৰা দহজনী কিয় এশজনীও ওলাব পাৰে। কিন্তু অপ্ৰকাশৰ বেদনাৰ চাটিফুটিৰ বাহিৰে একোৱেই দেখা নাই তাই। গুণকান্তৰ মতে প্ৰকাশৰ সেই দিনটোলৈ বেচি দিন নাই।

ৰ'দ কাচলিত বহি লফাশাক মৰলীয়াৰ মাজত কিবা পোক-চোক আছেনে নাই চাই ললে। তাৰ পিছত উঠি গৈ মৈদাখন আনি পাচলি কুটাত লাগিল। গুণকান্তক এইবাৰ নেদেখি। তেওঁ নিশ্চয় লিখাত বহিছে এতিয়ামানে। দুটা মান পৃষ্ঠা হবই পায়। চাহ একাপ দিবনে কি? নাই, থাওক। আগতে চাহ দিলে ভোকহে মৰিব। সময়-অসময় নোহোৱাকৈ চাহ খাই ফুৰি তৰুলতাৰ দেউতাক পেটৰ অসুখত ভুগি এদিন মৰি থাকিল। গুণকান্তক তেনে হবলৈ এৰি দিব নোৱাৰি। ছেঃ কি যে অমঙ্গলীয়া কথাবোৰ ভাবিছে তাই! গুণকান্তৰ আকৌ সেইবোৰ হবলৈ যাব কিয়!



OKDISCD

পাচলি কুটা হলত পাক ঘৰলৈ গ'ল তৰুলতা। গুণকান্তৰ স্কুললৈ যাবৰ হবই এতিয়া। তেওঁ পলমকৈ যাবলৈ বেয়া পায়। নিয়মানুবৰ্তিতা তেওঁৰ মন্ত্ৰ নিচিনা। ছাত্ৰৰ আদৰ্শ স্থানীয় ব্যক্তি হবলৈ এইটো বৰ প্ৰয়োজনীয় দিশ গুণকান্তৰ মতে।

এটা সময়ত ৰন্ধন প্ৰকৰণৰ কাম শেষ কৰি তৰুলতাই গুণকান্তৰ ওচৰলৈ বুলি দুৱাৰ মেলিলে। তাই মনে মনে ভাবিলে গুণকান্তই ইতিমধ্যে লিখা সামৰি গা ধুবৰ বাবে চকীৰ পৰা উঠিছে ছাগে'। তাই গৈ আমনি কৰি প্ৰৱন্ধটো পঢ়ি চাব খুজিব; গুণকান্তই 'এতিয়া সময় নাই, মই গলে পঢ়িবা' বুলি কৈ যাব খুজিব নাইবা আবেলি মানুহ কেইজন আহিলে প্ৰৱন্ধটো দি দিবলৈ কব। এনেকুৱাবোৰ সদায় ঘটি থকা ঘটনাৰেই কল্পনা কৰিলে তাই।

ক'তা? চকীততো গুণকান্ত নাই! কলৈ গল? বিচনা খনলৈ চালে, তাতো নাই। হঠাৎ কি হ'ল মানুহটোৰ? বাহিৰৰ দুৱাৰখন মেলি চাই দেখিলে লফাশাকৰ সিফালে থকা মুকলি ঠাইখিনিত মূঢ়া এটা পাৰি বহি কিবা ভাবি আছে।

"কি হল?" তৰুলতাই সুধিলে।

চকখোৱাৰ দৰে গুণকান্তই তাইলৈ চাই ৰ'ল। যেন এটা সাংঘাতিক অন্যায় কাম কৰি পলাই ফুৰা এজন মানুহ হঠাৎ পুলিচৰ আগত ভেটা-ভেটি হল। অলপ সংযত হৈ কলে, "বৰ ভাগৰ লাগিছে। অলপ বহিছোঁ।"

"লিখিলা!"

সি একো নামাতি অপৰাধীৰদৰে চাই ৰ'ল তৰুলতালৈ। তাই বুজি পালে গুণকান্তই লিখা নাই। তাইৰ সকলো কল্পনা ধুলিসাৎ কৰি গুণকান্তই এই শাস্তি দিয়াৰ অধিকাৰ পালে ক'ত? মানুহকেইজনক কি বুলি উত্তৰ দিব আজি!

চাং কৰে তাৰপৰা গুছি গৈ গুণকান্তৰ বিচনাখনত তাই উবুৰি হৈ পৰিল।

গুণকান্তই বুজিলে অৱস্থা গহীন। তৰুলতাক ইমান সহজে বুজোৱা কঠিন। সি লাহে লাহে উঠি গ'ল। কোঠালীৰ ভিতৰত সোমাই তৰুলতাৰ কাষতে বহিল।

"শুনাচোন।"

তৰুলতাৰ কোনো মাত নাই। জানে, তাক তাই এতিয়া নামাতে।





স্বগতঃ উক্তি কৰাৰ বাহিৰে তাৰ এতিয়া আন উপায় নাই। তৰুলতাকে উদ্দেশ্য কৰি সি অকলে অকলে কৈ যাবলৈ ধৰিলে—

"তোমাক কোৱা নাই। পৰহি ভনীজনীৰ পৰা এখন চিঠি পাইছোঁ। তাই লিখিছে ঘৰত হাঁহাকাৰ। দেউতাৰ পেঞ্চনৰ ধনেৰে দহদিনো নাযায়। ভাই পুতুল আজি সাতদিনে ঘৰত নাই। মাৰো গা ভাল নহয়। গতিকে মই এবাৰ গৈ আহিব লাগে।"

এইবাৰ তৰুলতাই মূৰ তুলি চালে। চকুত পানী। তাই ভাবিছিল মানুহ কেইজন আহিলে টকা কেইটা ঘূৰাই দিব। দহ টকাৰে একো সমস্যাৰ সমাধান নহয়। ঘৰত এতিয়াৰ সাজ আৰু গ'ধুলিৰ সাজৰ কাৰণে বস্তু আছে। দৰমহা পাবলৈও দিন আছে। তাই সিদ্ধান্ত কৰিছিল এই দহটকাৰেই অন্ততঃ দুদিন মানলৈ টোটৰ মৰিব। কিন্তু গুণকান্তৰ নিৰৱতাই তাইৰ আশাৰ মূৰত চেঁচা পানী ঢালিলে। এয়া হল গুণকান্তৰ ওচৰৰ পৰা গুছি অহাৰ পাছত ভাব। এতিয়া গুণকান্তৰ কথা শুনি তাইৰ সেই ভাব ক্ষন্তেকলৈ নোহোৱা হল।

"এইবোৰ কথা মোক নকৈ তুমি কাক ক'ম বুলি ভাবিছা। ইমান দিনেও তুমি মোক বুজি নাপালা।" তৰুলতাই কলে, কৈয়েই তাই কান্দি পেলালে। গুণকান্তই বুজিলে এয়া তৰুলতাৰ অভিমানৰ কান্দোন—তাক বুজিবলৈ নিদিয়াৰ চকুলো। কিন্তু গুণকান্তই ইয়াকো জানে তৰুলতাই বৰ্তমান অৱস্থাত তাক নৈতিক সহায়ৰ বাহিৰে একো দিব নোৱাৰে। সেইবোৰ সি অকলৈয়ে সমাধান কৰিব লাগিব। নৈতিক সহায়ো প্ৰয়োজন। কিন্তু আজিৰ ক্ষেত্ৰত সেয়া প্ৰযোজ্য নহয়। সেয়ে সিদ্ধান্ত কৰিলে তিলতিলকৈ মৰাৰ আগতে একেবাৰেই মৰাই ভাল—আমাৰ সমাজত জীয়াই থকাৰ যেতিয়া কোনো নিৰাপত্তা নায়েই। মৰাৰ আগতে ভালকৈ জীয়াই থাকিবলৈ যেতিয়া যুঁজ কৰিবই লাগিব তেতিয়া আৰু অনাগত ভবিষ্যতৰ কল্পনা কৰি লাভ নাই। গতিকে প্ৰৱন্ধটো সি লিখি পেলাব আজিয়েই।

ভাবিয়েই সি থিয় হল, টেবুলৰ ওচৰলৈ গৈ চকীত বহিল, সামৰি-সুতৰি থোৱা কাগজ কলম উলিয়াই ললে।

"কি ক'ৰা?" চকুলো মুচি তৰুলতাই সুধিলে।

"প্ৰৱন্ধ লিখিম।" দৃঢ়কণ্ঠেৰে গুণকান্তই কলে।



OKDISCD

“স্কুললৈ যাববে হ’ল দেখোন।”

“আজি স্কুললৈ নাযাওঁ।”

লগে লগে সি সমাজতান্ত্রিক দেশৰ লিখক সকলৰ কথা ভাবিলে। সেই বোৰ দেশৰ লিখকসকলে এইদৰে এখন ঘৰৰ খোৰা পিন্ধাৰ চিন্তা কৰিব নালাগে। ঘৰ-সন্তানৰ দায়িত্ব থাকে ৰাষ্ট্ৰৰ হাতত। ছিঃ ক’ত বাস কৰিছে সি!

তৰুলতাৰ মুখত হাঁহি বিৰিঙিল। প্ৰবন্ধটো তেনে লিখা হব! উস্ ৰক্ষা। ঘৰথনলৈ তায়েই এবাৰ গৈ আহিব নেকি? কিন্তু গুণকান্তই যাবলৈ দিব জানো? তাই যে আৰু এটা জীৱনত ভাৰবৈ আছে যি জীৱনে পোহৰ পাবলৈ এমাহতকৈও কম সময়হে আছে। আৰু যাৰ ৰক্ষনাবেক্ষণত দায়িত্বও তাইৰ ওপৰতে ন্যস্ত, গুনকান্তই কৈ থকা ৰাষ্ট্ৰবোৰৰ দৰে ঠাইত তাই যিহেতুকে বাস কৰা নাই। তেনেকুৰা ৰাষ্ট্ৰ হবলৈ বাৰু কিমান দিন আছে? হোৱা মানলৈ তাই দেখোন বুঢ়ী হৈ যাব। যাওক—হলেই হ’ল।

গুণকান্তই ভাবিলে প্ৰবন্ধটো লিখা হলেই তৰুলতাক ডাক্তৰৰ ওচৰলৈ নিব লাগিব, তাৰ পিচত পৰীক্ষাৰ বহীবোৰ চাব লাগিব, আৰু তাৰ পিচত সি ঘৰলৈ গৈ সকলোকে লৈ আনিবগৈ। পুতুলক বিচৰাৰ কথাটোও আছে। সি বা ক’ত আছে! হলেও বিচাৰি উলিয়াব লাগিব।

একেলগে থাকিলে বহুত চিন্তা দূৰ হয়—সি আকৌ এবাৰ ভাবিলে।

বিচনাখনলৈ চালে। তৰুলতা নাই। বোধহয় পাক ঘৰলৈ গৈছে। চাহ একাপ পোৱা হলে ভাল আছিল।



# নবকান্ত বৰুৱাৰ কৱিতাত স্থাণুধৰ্মীতা

**নগেন হাজৰিকা**

সাহিত্যৰ সমালোচনাৰ বাবে মই যোগ্য ব্যক্তি হব নোৱাৰেঁ। তথাপি অসহ্য হ’লে মাত নামাতি নোৱাৰো। নবকান্ত বৰুৱা নিঃসন্দেহে বৰ্তমান যুগৰ অসমীয়া সাহিত্যৰ এজন প্ৰতিভাৱান স্বভাৱ কবি। কিন্তু মনটো স্থিতাৱস্থাপ্ৰিয় হোৱা বাবে তেওঁৰ কৱিতাত মনোমুগ্ধকাৰী অনুপম কাব্যিক সৌন্দৰ্যৰ স্বচ্ছতাৰ আঁৰে আঁৰে স্থাণুধৰ্মী এক প্ৰতিক্ৰিয়াশীল মনোভাবৰ অত্যধিক প্ৰাধান্য সৰ্বসাধাৰণ পঢ়ুৱৈৰো চকুত পৰে।

মানুহে কয়, গান্ধীৰ আদৰ্শৰ কুপ্ৰভাৱ বৰ্তমান যুগৰ ভাৰতীয় মনৰ পৰা আঁতৰি গৈছে। নব বৰুৱাৰ কৱিতা পঢ়িলে সেই মত সিমান সত্য বুলি প্ৰমাণিত নহয়। তেওঁৰ বহু সংখ্যক কৱিতাত গান্ধীৰ নানা দিশৰ মনোভাৱৰ স্পষ্ট প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। কোনো কোনো ক্ষেত্ৰত তেওঁ গান্ধীৰ দ্বাৰা এনেভাবে প্ৰভাৱান্বিত যে তেওঁ গান্ধীৰ প্ৰতিক্ৰিয়াশীল দুই-এক আদৰ্শত গান্ধীকো অতিক্ৰম কৰি যাব খোজে।

সমাজত সেই সকলেই প্ৰতিক্ৰিয়াশীল মনোভাৱাপন্ন স্থাণুসাম্যপ্ৰিয় হয় যাৰ অন্তৰত থাকে পৰিৱৰ্তনৰ, বিশেষকৈ সামাজিক পৰিৱৰ্তনৰ, প্ৰতি তীব্ৰ সন্ত্ৰাস। ভাৰতবৰ্ষৰ ৫৫ কোটি বাসিন্দাৰ প্ৰায় শত ৪০ জনেই অৰ্দ্ধাহাৰী, অনাহাৰী, কিন্তু দুৰ্ভাগ্যৱশতঃ এই ভাৰততে পুঁজিপতি সকলৰ কথাই নাই, সাধাৰণ মধ্যবিত্ত শ্ৰেণীৰো এক বুজন অংশৰ লোকে অৱসৰযুক্ত, সুখসাধ্য এক নিষ্কণ্টক আৰামৰ জীৱন যাপন কৰিছে। গতিকে এওঁলোকৰ অন্তৰৰ কোনো এক নিভৃত কোণত আছে এক যন্ত্ৰণাময় বিভীষিকা—কিজানি বৰ্তমান সমাজ ব্যৱস্থা হঠাতে পৰিৱৰ্তন হৈ তেওঁলোকৰ সোণৰ সংসাৰ চাৰখাৰ হৈ যায়। কিজানি সাধাৰণ মানুহ বুলি ভবা মানুহখিনিৰ দৰে শাৰীৰিক ক্লেশৰ দ্বাৰা জীৱিকা অৰ্জন কৰিব লগীয়া হয়। নিষ্পেষিত শ্ৰেণীটো যদি সাৰ পাই উঠে! গতিকে পৰিৱৰ্তন এটা চিৰন্তন সত্য হলেও, এই পৰিৱৰ্তনৰ দুশ্চিন্তাই, প্ৰকৃত পুঁজি-



OKDISCD

পতি বিলাকতকৈও, এই মধ্যবিত্ত লোকখিনিকহে অধিক আতঙ্কিত কৰি তোলে। পৰিৱৰ্তনৰ ভীতি-বিহ্বলতাই হ'ল স্থাণুধৰ্মীতাৰ মূল।

বৰ ভয় লাগে          বৰ ভয় লাগে
ভয়ত কথাটো নোৱাৰোঁ ক'ব
এই মিনিজনী          মেকুৰী হোৱাদি
ভন্টিজনীও আইতা হ'ব ।

( নবকান্ত )

কৱিতা ফাকিৰ স্বচ্ছ কাৱ্যিক সৌন্দৰ্যৰ মনোগ্ৰাহীতা অনস্বীকাৰ্য। লগতে স্থাণু-ধৰ্মী তীব্ৰতাও পাঠকৰ বাবে অসহ্য। "বৰ ভয় লাগে, বৰ ভয় লাগে, ভয়ত কথাটো নোৱাৰেঁা ক'ব।" প্ৰকৃত পৰিৱৰ্তন বাদেই, তাৰ কথা ভাবি-বলৈকো সুবিধাভোগী, মধ্যবিত্ত অলস জীৱনৰ মোহান্ধ, কায়িক শ্ৰমবিমুখ পৰপৰিপুষ্ট এইজন কৱিৰ ভয়। ভাষাটো লক্ষ কৰক, বেয়া বা দুখ লগা নহয়। একদম ভয়, তাতে আকৌ "বৰ ভয়"। দুমহীয়া শিশুটি কোলাত লৈ মাকে ভাবে পোনাটিয়ে কাহানি চুচৰিব, চোচৰা দেখি আটায়ে আশা কৰে কাহানিনো সি থিয়-দঙা দিব, টুক-টাক খোজ কাঢ়িব, শিশু কণ্ঠৰ অমৃত বৰষা কলভাষণেৰে ঘৰখনত সুষম শান্তি বিলাব। শিশু বালক হ'ব, বালক যুৱক হ'ব, ঘৰ সংসাৰ পাতিব এইদৰে শিশুটিৰ পূৰ্ণত্ব প্ৰাপ্তিৰ পথপ্ৰসৰ্পণৰ স্তোকে স্তোকে পিতৃ-মাতৃ, হিতাৰ্থী স্বজনবৰ্গ আটাইৰে কত উৎকণ্ঠা, কত যে আনন্দ! শিশুটিৰ ক্ৰমপ্ৰস্ফোটনত আতঙ্কিত হোৱাৰ কাৰণ নাই। এতেকে আটায়ে হৰষিত হয়। আতংকিত হব লাগিলে, তাৰ এটা কাৰণৰ প্ৰয়োজন। বালিকা যুৱতী হোৱাৰ সময়ত বিয়া দিব হয়তো নোৱাৰিবও পাৰেঁা, এই ভাবত কোনোবা পিতৃ-মাতৃ শঙ্কিত হ'ব পাৰে। কৱি বৰুৱাক সমগ্ৰ মানব জাতিৰ কন্যাদায়গ্ৰস্ততাই ব্যতিব্যস্ত কৰিছে নেকি? সেইটোতো সম্ভৱ নহয়, এতেকে উৰহি গছৰ ওৰ কৰবাত। প্ৰকৃততে ই এটা সামূহিক পৰিৱৰ্তনৰ শংকা।

এনে ধৰণৰ পৰিৱৰ্তনৰ ভয়ে এনেবিধ লোকৰ জীৱন অহৰ্নিশ অসহ্য যন্ত্ৰণাময় আৰু বিষাক্ত কৰি ৰাখে আৰু সেই যন্ত্ৰণা প্ৰকাশিত হয় ভৱিষ্যতৰ হতাশা আৰু বৰ্তমানৰ প্ৰতি তীব্ৰ ঘৃণাৰ মাধ্যমত। জীৱন হয় নৰক, নিৰ্যাতন।





নবকান্ত বৰুৱাৰ কৱিতাত স্থাণুধৰ্মীতা

"নৰক প্ৰৱাস মোৰ শেষ হ'লে কেতিয়াবা
তোমাৰ আলহি হৈ ময়ো তাত
এদিন থাকিম—
...          ...          ...          ...          ...
আৰু ঘূৰি আহি……
ঘূৰি আহি …………?
হায়, ঘূৰি যে আহিম।"

( স্বনিমন্ত্ৰিত )

সেয়ে মনলৈ আহে পলায়নবাদী বৈৰাগ্য ভাব। তাৰেই প্ৰকাশৰ অক্ষমতাত কৱিৰ আক্ষেপ :

"তথাপিও এটিবাৰো নোৱাৰিলেঁা ক'ব সেই কথা
—সেই আদিম কথা।
হয়তোবা সেই কথা ভাবিছিল পৃথিৱীৰ প্ৰথম মানুহে।
হেজাৰ ব'ৰাগী আহি সেই কথা ক'ম বুলি
গানে গানে বিচাৰিলে সোণৰ সোলেং।"

( স্বগত : )

চিৰপ্ৰৱাহমান কাল স্তব্ধ হৈ যাওক, এই দুৰাশাই কৱিৰ অন্তৰত খুন্দিওৱা নাই। সময়ৰ লগে লগে যাতে কোনো পৰিৱৰ্তন নহওক, তাৰ বাবেহে তেওঁৰ হাহাকাৰ।

"অ' তোৰ খোলা বুকুৰ খোলা বুটাম
ফুট-ফুটীয়া ফ্ৰক্,
সদায় খোলা থক।
নালাগে তই ডাঙৰ হ'ব
বাইদেউ মা আইতা হ'ব,
বয়সৰে বালিচন্দা বালিত পৰি ৰ'ক।"

"বয়সৰে বালিচন্দা বালিত পৰি ৰ'ক," কিযে গভীৰ আৰ্তনাদ! এই ভন্টিজনী তথা ভাইটিটোও চিৰদিন ভাইটি-ভন্টি হৈ ৰোৱাৰ লগতে গোটেই দেশৰ বা সমগ্ৰ পৃথিৱীৰ ভন্টি-ভাইটিহঁতৰ দলটোও ভন্টি-ভাইটি হৈয়েই ৰওক



OKDISCD

সদায়, চিৰদিন । সিহঁত ডেকা হব নালাগে। নবকান্ত বৰুৱাই কিন্তু মৃত্যুক অস্বীকাৰ নকৰে। তেওঁ মানি লৈছে যে, ক্ষণে ক্ষণে মৃত্যু আমাৰ জীৱন জুৰি লগৰীয়া হৈ আছে।

"মৃত্যুৰ ঘড়ীত বজা আমাৰ আত্মাৰ ধ্বনি।"

( এন্ধাৰ ৰাতিৰ ইলিজী )

সেই ধ্বনি তেওঁৰ পৰিচিত। ধৰ্ময়ো কয় মৃত্যুক ভয় নকৰিবা ঃ

"পঞ্চধা সম্ভৃতঃ কায়ো যদি পঞ্চত্বমাগতঃ
কৰ্মভিঃ স্বশৰীৰোথৈস্তত্ৰ কা পৰি দেৱনা॥"

( যাজ্ঞৱল্ক্য—৩, ৯ )

পূৰ্ব জন্মৰ কৰ্মফল ভোগাৰ বাবে পঞ্চ ভূতৰ এই দেহ, গতিকে মৃত্যুত দুখৰ কি কাৰণ থাকিব পাৰে ?

গান্ধী আছিল দুৰ্ঘোৰ জন্মান্তৰবাদী। ভাৰতীয় চিন্তাধাৰাৰে অনুপ্ৰাণিত কৰি নবকান্তও জন্মান্তৰত বিশ্বাসী হবই। তাৰে আভাস তলৰ কৱিতা ফাকিত পাব।

"উভতি যোৱাৰ বাট আমাৰ জন্মৰ পদুলিৰে
উভতি যোৱাৰ বাট আমাৰ মৃত্যুৰ পদুলিৰে
চিৰ প্ৰত্যাবৰ্তনৰ যাত্ৰী আমি,"

( উভতি অহাৰ কৱিতা )

জন্মান্তৰবাদী কৱিৰ বাবে মৃত্যু কদাপি ভয়াবহ হব নোৱাৰে। ভাইটি-ভন্টিহঁতো মৰিব—মৰক, কিন্তু ডেকা-ডেকেৰী হ'ব নালাগিব। কলিটো ফুলহৈ ফুলি উঠি, কলি হৈ থাকি কলিতেই মৰহিব লাগিব। "ভন্টিজনীও আইতা হ'ব" এইটো বাৰ্দ্ধক্যৰ ভয় বুলি নাভাবিব। কৱিয়ে জানে গাভৰু নোহোৱাকৈ ভন্টি বুঢ়ী নহয়। তেওঁ ভন্টিক গাভৰুও হবলৈ নিদিয়ে। "নালাগে তই ডাঙৰ হ'ব বাইদেউ মা আইতা হ'ব।" তেওঁ চাবলৈ নিবিচাৰে ষোড়শী ভন্টিৰ লাজুৱা-লাজুক চাহনি। তেওঁ বুজিছে—লাজুক চাহনি দেখাৰ আশা কম। ন-চাম গাভৰুৰ চকুত নিশ্চয় দেখা যাব লাজৰ পৰিবৰ্তে ঘৃণাৰ বিদ্ৰূপ আৰু বিপ্লৱৰ অগনি। তেওঁ চাবলৈ নিবিচাৰে ভন্টিৰ সুসজ্জিতা কন্যাৰ ৰূপ





বা অন্তঃসত্বা ভন্টিৰ চকুৰে-মুখে ম'নালিসাৰ হাঁহি, ভন্টিৰ মেডোনা মূৰ্তি। তেওঁৰ ভয় হয়তো তেওঁ ইয়াৰ এটাও চিৰাচৰিত ভাবে দেখা নাপাব।

সন্ত্ৰাসিত কৱিয়ে হিয়া-ধাকুৰি আৰ্তনাদ কৰিছে, শিশুসৱ! তোমালোক শিশু হৈ ৰোৱা। চিৰ-শিশু। শিশু মন শিশু কৰি ৰাখা। জ্ঞানৰ জেউ-তিৰে তাক পোহৰাই নুতুলিবা। নহলে আমি এচামে যুগে-যুগে চলাই অহা ধৰ্মাশ্ৰয়ী আৰু বৰ্তমানত চক্ৰান্তকাৰী গান্ধীবাদৰ ধূপৰ ধোঁৱাৰে ঢাকি ৰখা সমাজৰ প্ৰকৃত স্বৰূপ বুজি পাই তোমালোকৰ মন অশান্ত হৈ উঠিব। "বৰ ভয় লাগে, বৰ ভয় লাগে; ভয়ত কথাটো নোৱাৰোঁ কব," তোমালোকে বিদ্ৰোহী হৈও উঠিব পাৰা। তেতিয়া হ'লে অন্যান্য পৰাশ্ৰয়ী বুদ্ধিজীৱীৰ দৰে মোৰো বজাৰখন ধ্বংস হৈ যাব পাৰে।

নবকান্ত বৰুৱাৰ এইটো ভন্টি গাভৰু হোৱাৰ বিক্ষিপ্ত সন্ত্ৰাস নহয়, এই সন্ত্ৰাসৰ মাজেদি প্ৰকাশ পাইছে এক সামূহিক পৰিবৰ্তনৰ প্ৰতি মৰ্মভেদী আতঙ্ক।

"সপোন নেদেখাকৈয়ে মাজনিশা সাৰ পাই
মনত পৰে আৰু এটি নিদ্ৰাহীন অস্তিত্ব।
* * * * *
নেজানো, মাথোন জানো সি ভয় কৰে
নতুন সৃষ্টিৰ স্বপ্নলৈও।"

( অজ্ঞাতবাসৰ আগনিশা )

প্ৰকৃত কথা কবলৈ হলে তেওঁৰ কৱিতাৰ যোগেদি তেওঁৰ সেই নতুন সৃষ্টিৰ স্বপ্নলৈও ভয় কৰা, ভীত, চিন্তান্বিত, চিৰ বিনিদ্ৰৰজন্যজ্ঞাপিত সত্তাটোৰহে এক মাত্ৰ পৰিচয় পাওঁ। অন্য কিবা অস্তিত্ব আছে যদি নাজানোঁ।

ডেকা ভাইটিৰ মন শিশু-মন হৈ নাথাকে। ডেকা মন পোহৰ সন্ধানী হয়। আকৌ জ্ঞানপুষ্ট পোহৰ মন অশান্ত হয়। ন্যায্য অধিকাৰৰ দাবীত তেনে মনে প্ৰতাৰিত হৈ যিকণ পাইছে তাতে সন্তুষ্ট নহৈ অৰ্থাৎ "discontented with his cottage or his lot" হৈ সমাজত অথন্তৰ ঘটায়।



OKDISCD

"The ordinary meaning of education is knowledge of letters. To teach boys reading, writing and arithmatic. A peasant earns his bread honestly. He has ordinary knowledge of the world. He knows fairly well how he should behave towards his parents, his wife, his children and his fellow villagers. He understands and observes the rules of morality. But he can not write his own name. What do you propose to do by giving him a knowledge of letters? Would you add an inch to his happiness? Do you wish to make him **discontented with his Cottage or his lot?** And even if you want to do that he will not need such an education. Carried away by the flood of Western thought we came to the conclusion, without weighing the pros and cons, that we should give this kind of education to the people."

( **Hind Swaraj**—Gandhi : Page 87-88)

গান্ধীৰ মতে সৰ্বসাধাৰণক নিৰক্ষৰ কৰি ৰাখিব লাগে। শিক্ষাৰ পোহৰে তেওঁলোকক অশান্ত কৰিব। আচাৰ-বিচাৰ পালন, গুৰু-গোসাঁই মনা ইত্যাদিৰ জ্ঞানেই তেওঁলোকৰ কাৰণে যঠেষ্ট। অদৃষ্টৰ দোহাই দি তেওঁলোকে সকলো নীৰৱে সহ্য কৰি আহিছে। লিখা-পঢ়াই সমাজৰ অন্যায়হে কৰিব। কিন্তু এসময়ত গান্ধীয়ে তেওঁৰ ৰান্ধনি ৰৱিশঙ্কৰক নিৰক্ষৰ বুলি জানি, শিক্ষা দিবলৈ ব্যগ্ৰ হয়। "সেইবাবে মই ৰৱিশঙ্কৰৰ শিক্ষক হব লগীয়া হ'ল।" (মোৰ সত্য অন্বেষণৰ কাহিনী, অমিয় দাসৰ তৰ্জমা, পৃঃ ৯৫)। কস্তুৰবাকো তেওঁ অক্ষৰ সংযুক্তা কৰিছিল। এই বোৰ আদৰ্শ আৰু কাৰ্যৰ বৈষম্য নেকি? গান্ধীৰ হিন্দু ধৰ্ম্মৰ উপলব্ধি গভীৰ। তেওঁৰ আদৰ্শ ঠিকেই আছে। গান্ধীয়ে নিজে ৰৱিশঙ্কৰৰ বিষয়ে লিখিছে, "তেওঁ বামুণ আছিল"। যাজক শ্ৰেণীক হোজা কৰি ৰাখিলে নচলিব। বৈশ্যয়ো কিছু লিখা-পঢ়া জনা দৰকাৰ। মাত্ৰ মূৰ্খ কৰি ৰাখিব লাগিব কোটি কোটি জনতাক অৰ্থাৎ শোষিত শূদ্ৰবোৰক।





বিদ্যাই ব্ৰাহ্মণক কৈছে "গোপায় মাং" (ছান্দোগ্যব্ৰাহ্মণ)

"ৱিদ্যা ব্ৰাহ্মাণমেত্যাহ শেৱধিস্তেহস্মি ৰক্ষ মাম।"

(মনু ২, ১১৪)

বিদ্যা হ বৈ ব্ৰাহ্মণমাজগাম্।
গোপায় মাং শেৱধিস্তেহহমস্মি॥

(ৱসিষ্ঠ-সংহিতা ২, ১৩)

বিদ্যাই ব্ৰাহ্মণৰ ওচৰলৈ আহি ক'লে, মোক ৰক্ষা কৰা, মই তোমাৰ গুপ্ত ধন।

**ভাৰতীয় জনতাই ৰাম ৰাজ্যতো কোনো দিন শিক্ষাৰ সুবিধা পোৱা নাছিল। তেওঁলোকক চিৰ অজ্ঞ কৰি অন্ধবিশ্বাসৰ চেপাত চেপেটা কৰি শোষণ কৰা হৈছিল।** জনতাক জগাই তুলিব নোৱাৰি।

"ন শূদ্ৰায় মতিং দদ্যাৎ", শূদ্ৰক মতি নিদিবা।

(ৱসিষ্ঠ-সংহিতা ১৯, ৯ ; ৱিষ্ণু-সংহিতা ৭১,৪৮ ; গৰুড়-পুৰাণ ১, ১৬, ৫৩)

শূদ্ৰৰ শিক্ষকতা কৰিলে পৰ-জন্মত শ্বাপাক নামৰ কুকুৰ ভক্ষী চণ্ডাল জাতত জন্ম হব।

শূদ্ৰোপাধ্যায়ঃ শ্বাপাকঃ।

(গৌতম-সংহিতা ২০)

ব্ৰাহ্মণং ৱাশিলং ক্ষত্ৰমযোদ্ধাৰং ৱিশং জৰম্।
শূদ্ৰমক্ষৰসংযুক্তং দূৰতঃ পৰিৱৰ্জয়েৎ॥ (গৰুড় ১, ৬৪, ৫)

মূৰ্খ ব্ৰাহ্মণ, অযোদ্ধা ক্ষত্ৰিয়, জৰ বৈশ্য আৰু আখৰ চিনা শূদ্ৰক দূৰতে বৰ্জন কৰিবা। (১)

ভাৰতৰ জন সাধাৰণক অজ্ঞতা আৰু ধৰ্মান্ধতাত ডুবাই ৰাখি, আত্ম-বিস্মৃত কৰি অবাধ শোষণ, শাসন, নিষ্পেষণ চলাই অহা হৈছে। যুগ-যুগান্তৰে অবৰ্ণনীয় নিৰ্যাতন, লাঞ্ছনা, গঞ্জনা দুৰ্ভোগ কৰিও তেওঁলোক সদায় নিমাত, নিজুৰ্, নিষ্প্ৰাণ। নিজৰ ভাগ্যকে ধিয়াই বা পৰজন্মবাদৰ হলাহল দৰ্শনৰ ৰসাস্বাদন কৰি তেওঁলোক চিৰনিদ্ৰিত। গান্ধীৰ মতে আজিও আমি তাকেই কৰা উচিত। জন্মান্তৰবাদ শাশ্বত সত্য বুলি তেওঁ প্ৰচাৰ কৰিছিল আৰু



OKDISCD

পশ্চিমৰ পৰা গ্ৰহণ কৰা আত্মঘাতী আদৰ্শ আখ্যা দি জনশিক্ষাৰ বিৰোধিতা কৰিছিল। গান্ধীৰ মতে জনসাধাৰণৰ বাবে আন্ধাৰেই শ্ৰেয়। তেওঁলোকৰ মাজত পোহৰ নিবিলাবা। জনতাৰ অজ্ঞতাতহে আমাৰ স্থিতি সুদৃঢ়। তাতেই আমাৰ শান্তি। বৰুৱাৰ বিননিতো তাৰেই প্ৰতিধ্বনিঃ

“আমাৰ কাৰণে যদি শান্তি আছে
আশা আছে—
চিৰ শিশু মানুহৰ মহা মূঢ়তাত,”

( বোধিদ্ৰুমৰ খৰি )

স্থাণুধৰ্মীতা অতিমাত্ৰা হলে প্ৰতিক্ৰিয়াশীল মনে বৰ্তমানক লৈও শান্তিত থকা সম্ভৱ নহয়। সাম্ভাব্য পৰিৰ্বৰ্তনৰ দুশ্চিন্তাই তেওঁলোকক অস্থিৰ কৰি ৰাখে। গতিকে এওঁলোক হয় অতীত বিলাসী। হিন্দুৰ সত্যযুগ, চীনাৰ গোল্ডেন এ'জ, মধ্যযুগীয় খৃষ্টান যাজকৰ খৃষ্টান ধৰ্ম প্ৰচাৰ আদিম প্ৰিস্টিন পিওৰ সমাজ, গান্ধীৰ ৰাম ৰাজ্য আৰু তাৰ মোহ একেই কথা। ভাৰতৰ বৈ-বৈ যোৱা যুগটোৰ বিষয়ে গান্ধীৰ বৰ স্পষ্ট ধাৰণা নাছিল। প্ৰথমে তেওঁ যন্ত্ৰ-সভ্যতাৰ চেকা নলগা প্ৰাক-ব্ৰিটিশ সামন্তবাদী যুগটোকেই সোণালী যুগ বুলি ধাৰণা কৰিছিল। পাচলৈ বাস্তৱৰ লগত পৰিচয় হোৱাত তেওঁ একেকোবে এটা কাল্পনিক যুগলৈ ধাপলি মেলিলে। সেইয়ে গান্ধীৰ ৰাম ৰাজ্য। তেওঁৰ মতে ৰাম ৰাজ্যৰ সময় খৃঃ পূঃ ষষ্ঠ শতাব্দী। এইয়া ভাৰতীয় সমাজক আঢ়ৈ হাজাৰ বছৰ পিচুৱাই নিয়াৰ অপচেষ্টা। আৰু দুশমান বছৰ পিচুৱাই নিলেও—বস্তু স্বৰত নহলেও চিন্তাধাৰাত।

নবকান্ত বৰুৱাৰ মনে অতীতৰ কোনটো যুগৰ বাবে হুমুনিয়া কাঢ়ে ঠিক বুজা নাযায়। মুঠৰ ওপৰত প্ৰাণত শান্তি লভিবৰ কাৰণে তেওঁক এটা সোণালী অতীত লাগে। সেই অতীতৰ কল্পনাই ৰাম ৰাজ্যকো অতিক্ৰম কৰে। কেতিয়াবা এই ফালেও থাকে।

“আমিতো নাপোলোঁ হায় পৃথিবীৰ প্ৰথম যৌবন
অৰণ্যৰ সেউজী সুৰভি।”

( আমাৰ পৃথিৱী )





“মগ্ন চেতনাই মোক আনি দিলে ছঁয়া ময়া সেউজীয়া ছবি
তোমাৰেই—হে পৃথিবী,
সেউজীয়া পৃথিবীৰ আদিম অৰণ্য
মই তাৰ আদিম মানুহ!
ডাইনাচৰৰ সতে মোৰ যুদ্ধ অবিৰাম
( সভ্যতাৰ সৃষ্টিৰ সংগ্ৰাম ? )
সেউজীয়া পৃথিবীত মেমথৰ তেজৰ টোপাল
সভ্যতাৰ আদি আলিপনা।

( ক্ৰুপন )

বিজ্ঞানক ঘিণ কৰা কবিৰ পৰা বৈজ্ঞানিক চিন্তাধাৰা আশা কৰিব নোৱাৰি। বিজ্ঞানবিৰোধী কবিয়ে মধে-মধে বৈজ্ঞানিক তথ্য ব্যৱহাৰ নকৰাই যুক্তিসংগত আছিল। ডিনোসৰ হ'ল ৰেপ্টাইল। কণী-পৰা চেঁচা তেজৰ প্ৰাণী। ৬ কোটি বছৰৰ পূৰ্বে ইহঁত মৰি নিঃশেষ হ'ল। এক কথাত মানুহৰ ক্ৰমবিকাশৰ কোনো যুগতে ডিনোসৰৰ কথা অসম্ভৱেই, গতিকে সিহঁতৰ লগত যুজ কৰি সভ্যতাৰ আদি আলিপনা সৃষ্টিৰ কথা দোষযুক্ত কল্পনা।

“মোক লৈ যোৱা সেই আলিয়েদি মানুহৰ মাজলৈ
য'ত আদম হাৰাই গিয়ান গছৰ
গুটি খোৱা নাই তেতিয়াও
* * * *
* * * *
মন থাকিলেও নাই য'ত এই
ঃ চাইকলজিৰ বিকাৰ।”

( মোক লৈ যোৱা )

এইয়াহে প্ৰকৃত নবকান্ত বৰুৱা। ঈশ্বৰে এদিন ঘপহকৰে এই বিশ্বব্ৰহ্মাণ্ড আৰু জীৱ-জন্তুবোৰ সৃষ্টি কৰি দিলে। ই ধৰ্মৰ বাণী। এতেকে গ্ৰহণীয়। সময়টো কেতিয়া যেয়ে যিহকে বুজে বুজক। পিচে কবিৰ কল্পনাত আৰু এটা আঁসোৱাহ ৰ'ল। আদম হাৰাই গিয়ান গছৰ গুটি খোৱাৰ আগতে



OKDISCD

তেওঁ ক'ৰ মানুহৰ মাজলৈ যাব খোজে? সিহঁত দুটায়ে মাত্ৰ মানুহ। আৰুতো মানুহ নাই। এতেকে গলে সিহঁত দুটাৰ ওচৰলৈকে যাব লাগিব।

বিজ্ঞানে টেটুত চেপামাৰি ধৰাৰ আগলৈকে য়ুৰোপৰ যাজকবোৰে, হিব্ৰু বাইবেলৰ ভুল ব্যাখ্যা কৰি ছাত্ৰক শিক্ষা দিছিল যে পৃথিৱীখন ঈশ্বৰে খৃঃ পূঃ ২০০৪ চনত সৃষ্টি কৰে (২)। কৰি বৰুৱাই ডাৰবিনৰ থিওৰী বিশ্বাস নকৰে। গতিকে এনেকুৱা এটা ব্যাখ্যাকে তেওঁ হয়তো মানি লৈছে।

"আমি হেনো আহি আছোঁ
যুগে যুগে ৰূপে ৰূপে
সলনিৰ সেতুৰ বুকুৰে;
পৃথিৱীৰ আঁহে আঁহে
পাকে পাকে বিজৰিত
আমাৰ স্থিতিৰ শিপা—
এই ৰাতি এন্ধাৰত
সেই মহা ৰহস্যৰ ময়ো হোনো প্ৰকাশ প্ৰতিভূ
সাবিত্ৰী পৃথিৱী এয়া আমাৰ আপোন
নোৱাৰোঁ যে স্বীকাৰ কৰিব।"

(এন্ধাৰ ৰাতিৰ ইলিজী)

বৰ্তমানটো বৈজ্ঞানিক যন্ত্ৰ সভ্যতাৰ যুগ, সেয়ে এতিয়া ৰাতিৰ এন্ধাৰ। এন্ধাৰ নমোৱা বিজ্ঞানৰ কথা তেওঁ কিয় মানিব? গতিকেই ডাৰবিনৰ তথ্যৰ এই স্পষ্ট অস্বীকৃতি। তেওঁৰ বিশ্বাস আদম ইবৰ কাহিনীত। আৰু চাব আধাডুথৰীয়াকৈ বিজ্ঞানৰ তথ্য ব্যৱহাৰ কৰি গোটেইখন খেলি-মেলি লগাব। কোটি-কোটি বছৰৰ পূৰ্বৰ আদিম ডিনোসৰ যুগৰ সেউজী অৰণ্য (?) আহি প্ৰায় নৱপ্ৰস্তৰ যুগত পৰিৱহি।

বুৰঞ্জীৰ সিপাৰৰ এটা দিন।
অৰণ্য আছিল সেইদিনা আৰু সেউজীয়া

(প্ৰথমে)





সেই দিনতে এজনী গাভৰু আহি আউল-বাউল চুলিত গুজি ললে এপাহ ফুল,

"পৃথিৱীৰ প্ৰথম নাৰীয়ে যিটি ফুল খোপাত গুজিলে
সেইবাবে বিহমেটেকাৰে
সেইবাবে পৃথিৱীৰ সৌন্দৰ্য্যৰ পূজাৰীয়ে মাথো পায়
বিহৰ দংশন"

(প্ৰথমে)

কিন্তু তেনেতে কি হ'ল?

"তেনেতে আহিল 'সি'
হাতত শিলৰ জাঠি—পিঠিত মৰা হৰিণা".

(প্ৰথমে)

কৰিৰ সেই একেটা আদিম যুগৰ ধাৰণা এতিয়া কিছু অন্য ৰূপত ব্যক্ত হ'ল। নৱপ্ৰস্তৰ যুগৰ কিয়দংশ আগ বঢ়া অৱস্থা। অৰ্থাৎ আজিৰ পৰা প্ৰায় ৯।১০ হাজাৰ বছৰ আগৰ যুগ।

"মনটো কোনোমতেই থাকিব নোখোজে
প্ৰায় দুহেজাৰ বছৰ পিচৰ
এই ২৫ ডিচেম্বৰত
দু-হে-জা-ৰ-বছৰ
(মোৰ একো নাই......একো নাই)
মনে মোৰ মেলি দিয়ে
অতীতৰ বুকুলৈ অবান্তৰ এটি ছুটি।"

(পচিচ ডিচেম্বৰ)

এইটো খৃষ্টান যাজকৰ কল্পনাৰ ২০০০ বছৰ আগৰ নিষ্কলঙ্ক যুগটো। গান্ধীয়ে বাস্তৱত ৰামৰাজ্য ফিৰাই অনাৰ চেষ্টা কৰি নিষ্ফল হ'ল। নবকান্ত পিছে কৰি, গতিকে কল্পনাৰ ডেউকাৰ সহায়ত অতীতৰ বুকুত য'তে পাই ত'তে থপজপাই শান্তি লভিছে। তথাপি বাস্তৱতো তাকে নোপোৱাৰ জ্বালাত মাজে মাজে তেওঁ কাতৰ হয়,

"আৰু
যি অতীত অহা নাই, তাৰ
বেদনা অপাৰ।"

(নৰকত ডনজুৱান)



OKDISCD

কোনোৱে নতুন পৃথিৱী গঢ়াৰ বাবে উৎসাহিত হৈ বন্দুকৰ নলীটোলৈ নিষ্ঠাৰে দৃষ্টি নিক্ষেপ কৰিছে, কোনোৱে অতীত ফিৰি নহাৰ দুখত চকুলো টুকিছে। কিন্তু "ন হি ভীৰু গতং নিৱৰ্ত্ততে।" (লোকায়ত দৰ্শন)—ভীৰু, যোৱাটো উভতি নাহে। চাৰ্বাক সকল আছিল যুক্তিবাদী, গতিকে তেওঁ-লোকৰ মন আছিল সবল। যন্ত্ৰযুগীয় পুঁজিবাদী সমাজ প্ৰতিষ্ঠাৰ পূৰ্বৰ সমগ্ৰ পৃথিৱীৰ যিমান বিলাক সভ্যতাৰ সন্ধান পাওঁ, এক কথাত সেই আটাইবোৰ অন্ধবিশ্বাসময়, জঘন্য অমানুষিক আচাৰ পূৰ্ণ, কুৎসিৎ আৰু বিকৃত আদৰ্শৰে অনুশাসিত। উদাহৰণ স্বৰূপে, উত্তৰৰামচৰিতত সম্বুক উপাখ্যানত ৰামৰ কদৰ্য আদৰ্শৰ সুন্দৰ পৰিচয় আছে।

এইবিলাকৰ উপৰিও নবকান্ত বৰুৱাৰ মতে চিন্তাশক্তি বিহীন এই বৰ্ত্তমান যুগটোৰ পূৰ্বে আৰু দুটা জ্ঞান দীপ্ত যুগ পাৰ হৈ গ'ল। এটা হ'ল প্ৰথম উপনিষদ ৰচনাৰ যুগ (খৃঃ পূঃ অষ্টম শতাব্দী), আনটো মধ্য ব্ৰিটিশ যুগ। এই দুই যুগতে উত্তৰ নাপালেও মানুহৰ মনত কিন্তু শুদ্ধ প্ৰশ্নটোৰে অন্ততঃ ভুমুকি মাৰিছিল। এতিয়া বোলে নমৰা হ'ল।

"প্ৰথমে এদিন প্ৰথম মানুহটো আচৰিত হ'ল ঃ
পূবফালৰ সেই বিৰাট কাৰবাৰটো কি?
ৰাতি ওপৰৰ পৰা ইমানবোৰ চকুৰে
ইংগিতেৰে ইহঁতক কলৈ মাতিছে?
সৃষ্টি হ'ল উপনিষদৰ কবিৰ প্ৰাৰ্থনা মন্ত্ৰ ঃ
... ... = ...
... ... ... ...
... ... ... ...
আকৌ এদিন নতুনকৈ আচৰিত হ'ল ৰবীন্দ্ৰনাথ
সেই মানুহটোৰ দৰে,
উত্তৰ নোপোৱাৰ গ্লানিটোও ৰঙাই গ'ল
জীৱনেৰে ... ... ..
আমি যে আচৰিত হ'বলৈও পাহৰিলোঁ।"

(বুৰঞ্জী)





উপনিষদৰ আত্মা-পৰমাত্মা বিশ্বাসী পণ্ডিত কেইজনে সত্যৰ সন্ধান নাপালেও তেওঁলোকৰ সত্য সন্ধানৰ দিশ আছিল নিৰ্ভুল। ৰবীন্দ্ৰনাথো সেই প্ৰভাৱতে সেই চিৰ শুদ্ধ পথৰ যাত্ৰী হৈছিল। বৰ্তমান যুগৰ অনুবীক্ষণ, দূৰবীক্ষণ, ইলেকট্ৰিসিটি, ৰিয়েক্টৰ, কেলকুলাস আদিৰ সহায়ত গৱেষণা কৰাটো কিবা সত্যৰ সন্ধান হব পাৰে নে? হায় আইনষ্টাইন তুমি নিৰৰ্থক বিজ্ঞানৰ সহায়ত কি ফাল্টু সত্যৰ সন্ধানত ব্যাকুল হৈছিলা? আমাৰ কৱিয়ে বেয়া পাইছে। তুমি থিওৰি অৱ ৰিলেটিৱিটিহে দিলা। তাৰ কি মূল্য? তেনেকুৱা বিজ্ঞানৰ অন্তঃসাৰশূণ্য আৰু কিবা এটা দিয়া, সেই আশা আমি নকৰোঁ। তুমি এটা সুৰ দিয়া। আৰু কেনেকুৱা সুৰ তাকো শুনা।

"অনন্তক ঘেৰি থকা
বুদ্ধিত ওপজা—তোমাৰ বুদ্ধিত—এটি
সমান চিনেৰে। আৰু হেনো বেহেলা
বজোৱা তুমি! চিৰপ্ৰশান্তিত থকা
চিৰ অতৃপ্তিৰ—(শুনি শুনি দুখ লাগি
আৰু শুনো যেন লগা) সুৰ এটা
নবজোৱা জানো।"

(এলবাৰ্ট আইনষ্টাইন সমীপেষু)

য়ুৰোপত ১৪৫৩ চনত কনষ্টান্টিনোপল পতন হোৱাৰ লগে লগে (অৰ্থাৎ ৫০০ বছৰ পূৰ্বে) যুক্তিবাদী মুক্তচিন্তাৰ ৰেনেসাঁস যুগ আৰম্ভ হয়। এই যুক্তিবাদী চিন্তাচৰ্চাৰ পৰাই বিজ্ঞানৰ জন্ম। বিজ্ঞানৰ পৰাই কল-কব্জা অৰ্থাৎ যন্ত্ৰমূলক পুঁজিবাদী সমাজৰ আবিৰ্ভাব। পুঁজিবাদেই সেই সময়ত প্ৰগতিৰ বাহক। পুঁজিবাদী যন্ত্ৰযুগে সামন্তবাদ আৰু ধৰ্ম্ম দুয়োটাৰে ওপৰত নিৰ্মম আঘাত হানে। ক্ৰমওৱেলৰ বিদ্ৰোহে সামন্ত যুগৰ অৱসান আৰু পুঁজিবাদৰ জয়ৰ সূচনা কৰে ওঠৰ শতাব্দীত। গতিকেই ৰেনেসাঁস আৰু ক্ৰমওৱেলৰ আন্দোলন দুয়োটাই ৰক্ষণশীল সকলৰ কাৰণে অসহ্য পীড়াদায়ক। আদি যুগ, ৰাম ৰাজ্য ইত্যাদি চিঞৰৰ কেমুফ্লাজ, প্ৰকৃততে গান্ধীগোষ্ঠী প্ৰতিক্ৰিয়া-শীল সকলৰ সোণৰ সংসাৰথন ক্ৰমওৱেল আৰু ততোধিক ৰেনেসাঁসৰ আগৰ যুগ।



OKDISCD

ভাৰতত ব্ৰিটিশ শাসন প্ৰতিষ্ঠা হোৱাৰ আগলৈকে, অন্যান্য ঠাইতো এসময়ত কৰাৰ দৰে, সামন্তবাদ আৰু ধৰ্মই ইটোৱে সিটোক ৰক্ষা কৰি তাণ্ডৱ নৃত্য চলাই আছিল। গতিকে গান্ধীয়ে প্ৰাকব্ৰিটিশ যুগটোক সোণালী যুগ বুলি ভাবিছিল। নৱকান্ত বৰুৱাৰ অতীত বিলাসিতাৰ অন্তৰালতো ডিনোসৰ যুগৰ কথা কলেও প্ৰকৃততে সামন্ত যুগৰ বিনন্দীয়া ছবি এখনহে ফটফটীয়া হৈ আছে। তেওঁৰ মনে প্ৰকৃততে মাৰিব খুজিছে, সেইটোহে—

"অতীতৰ বুকলৈ অবান্তৰ এটি চুটি।
চিপাহী বিদ্ৰোহৰ অস্ত্ৰৰ জন্‌জননি পাৰ হৈ
চালাদিনৰ বৰ্ষাৰ মাজেৰে

(পচিচ ডিচেম্বৰ)

সেইটো অতীততে আৰু তেওঁ দেখা পাব—

"মমবাতিৰ পোহৰত টপা মুৰ জিলিকি উঠা
ক্ৰমৱেলক (তীখাৰ চকুত চকুলো)"

(পচিচ ডিচেম্বৰ)

এই সুন্দৰ সুবিমল অতীতটো বিচাৰ কৰক। চিপাহী বিদ্ৰোহৰ পূৰ্বাৱস্থা। গতিকে ভাৰতত সামন্তবাদ ধ্বংসকাৰী ব্ৰিটিশ যুগৰ অস্থায়ী অৱস্থা; সালাদিনৰ সময়, অৰ্থাৎ ক্ৰুসেদৰ যুদ্ধত কন্‌ষ্টান্টিনোপাল পতন হোৱাৰ আগৰ যুগ, সেয়ে প্ৰাক্ ৰেণেসাঁস যুগ। ক্ৰমওৱেলৰ সময়। ক্ৰমওৱেলক দেখিছে "মমবাতিৰ পোহৰত" অৰ্থাৎ তেওঁৰ বিপ্লৱৰ দ্বাৰা সামন্ত যুগক চিৰ সমাধিস্থ কৰাৰ আগৰ যুগ। যি সময়ত সামন্তবাদী আৰু যাজক গোষ্ঠীৰ আক্ৰমণৰ তাড়ণাত যন্ত্ৰ যন্ত্ৰণাকাতৰ "তীখাৰ চকুত চকুলো"। তীখাক যন্ত্ৰযুগৰ প্ৰতীক কৰণ বৰ যুক্তি সঙ্গত নহয় যেন লাগিলেও, জন-সমাজত প্ৰচলিত ধাৰণালৈ লক্ষ্য কৰিলে, ই অনুপযুক্ত বুলিও বিবেচিত হব নোৱাৰে।

"আহৰণ কৰি আনিলা পাচ শতাব্দীৰ আগৰ
কিছুমান মুমূৰ্ষু ভাইৰাচ,
মুক্ত চিন্তাৰ উত্তাপত ক্ষীণ হৈ আহিছিল যাৰ জীৱন ধাৰা।"

(বেজালি)

পাচ শতাব্দীৰ আগৰ, অৰ্থাৎ ৰেণেসাঁস যুগৰ প্ৰাৰম্ভণৰ লগে লগে





মানুহৰ মনত ন-কৈ গঢ় লোৱা সামন্তবাদ আৰু ধৰ্ম বিৰোধী যি বৈপ্লৱিক আদৰ্শ সেইয়া মুমূৰ্ষু ৰাইৰাস। সেই ৰাইৰাসবোৰ মৰণমুখী হৈছে মুক্ত চিন্তাৰ প্ৰকোপত। কবি বৰুৱাৰ মতে মুক্ত অৰ্থাৎ যুক্তিবাদী চিন্তাৰ কুক্ষি হ'ল ধৰ্মশাস্ত্ৰ। চাৰ্বাকসকলহে যুক্তি বিৰোধী! কৱিয়ে এই ৰাইৰাস বিধ্বংসী ধৰ্মীয় বা গান্ধীবাদী যুক্তিক সমৰ্থন কৰে। গ্ৰীক ঐতিহ্য অবলম্বিত ৰেণে-সাঁসী যুক্তিক কিন্তু তেওঁ অপ্ৰয়োজনীয় মূল্যহীন বস্তু বুলি ভাবে। চাৰ্বাক আদি লোকায়তি তেওঁৰ মতে যুক্তি অগ্ৰহকাৰী লোক।

এইয়া গল য়ৰোপত হোৱা ৰেণেসাঁস আৰু পুঁজিবাদ আৰু তাৰ লগতে সেই চিন্তাধাৰা ভাৰত প্ৰৱেশৰ বিৰুদ্ধে বিষোদগাৰ। বাকী ৰল সাম্যবাদ।

"তোমালোকে ক'ব নোৱাৰাকৈয়ে সিহঁতে খাই গ'ল
তোমালোকৰ সুৰক্ষিত মন্ত্ৰণাকক্ষৰ দুৱাৰৰ তলা।
আন দ'ল কীটানু বগাই গৈছে
তোমালোকৰ বীক্ষণযন্ত্ৰৰ নলীদালেদিয়েই
সিহঁতো বাহিৰ ওলাই যাব ?

(বেজালি)

এই দুই দল কীটানুৰ প্ৰথম দল কম্যুনিষ্টবোৰ আৰু আন দল যুক্তিবাদী সমাজ। ইহঁতৰ প্ৰতিষেধক আৱিষ্কাৰ বিজ্ঞানৰ শক্তিৰ অতীত। গতিকে কৱিয়ে হাবিয়াস কৰিছে যে, পৃথিৱীৰ অন্য দেশ অপাৰগ হ'লেও, এই বিষাক্ত কীটানু ধ্বংসী ঔষধ ভাৰততে তৈয়াৰ হব ধৰিছে—ধন্বন্তৰী হয়তোবা গান্ধীবাদীসকল। গতিকেই তেওঁ ভৱিষ্যতবাণী কৰিছে যে পৃথিৱীক পুনৰ আপুৰুগীয়া সামন্তবাদী বিনন্দীয়া পুৰণি সাজত সজাই তোলাৰ সঞ্জীৱনী মন্ত্ৰ নিশ্চয় এদিন উচ্চাৰিত হ'ব পূণ্যভূমি ভাৰতৰ পৰাই। পশ্চিম তুমি অক্ষম তথাপি নিৰ্ভয়।

"আমাৰ দেহত
আমাৰ দেশত
ঘৰে ঘৰে ক্ষণে ক্ষণে
প্ৰস্তুত হ'ব লাগিছে সিহঁতৰ 'এন্টিবডি'
আমাৰ দেহত



OKDISCD

আমৰ দেশত
সিহঁত লীন হৈ যাব, নিঃশেষ হৈ যাব
আৰু
তোমালোকৰ ভয় আৰু ভ্ৰান্তিৰ ভুনভুননিৰ ঠাইত
বাজি উঠিব মানুহৰ গৃহে গৃহে প্ৰতিষ্ঠাৰ মন্ত্ৰ।''

( বেজালি )

সামন্তবাদ আৰু ধৰ্মৰ মহা শত্ৰু হ'ল—প্ৰথম যুক্তিবাদী চিন্তা, দ্বিতীয় বিজ্ঞান, তৃতীয় যন্ত্ৰ। নৈৰাশ্যবাদী দৰ্শন আৰু অন্ধবিশ্বাসত জনসাধাৰণক পুতি ৰাখি শোষণ কৰাৰ ক্ষেত্ৰত এই তিনিটাই প্ৰধান অন্তৰায়। গতিকেই ধৰ্ম বিশ্বাস প্ৰধান আৰু যুক্তি বিৰোধী হয়। ধৰ্মৰ সিদ্ধান্ত কোনোৱে যুক্তিৰে খন্দাব খুজিলে তেওঁ হ'ব কুতৰ্কী।

কুলাদিনঃ কুতৰ্কাশ্চ কুৎসিতাঃ কলিৰূপিনঃ॥
কুবুদ্ধয়ঃ কুবোদ্ধাৰঃ কুৎসিতাচাৰকাৰকাঃ।
নাৰলোক্যা ন সম্ভাষ্যা ৰিপ্ৰনামকধাৰকাঃ॥

( কপিল-স্মৃতি ৫০-৫১ )

কুলাদী, কুতৰ্কী, কুৎসিৎ মানুহ কলিৰূপী। যাৰ কুৎসিৎ বুদ্ধি আৰু যি অকল কুৎসিৎ অৰ্থহে বুজে, যাৰ আচাৰ বেয়া তাক নাচাবা আৰু সম্ভাষণো নজনাবা। কুতৰ্কী আৰু কুৎসিৎ অৰ্থ বুজা মানে হ'ল প্ৰকৃত অৰ্থ বুজা যুক্তিবাদী জন। যথা মধুপৰ্ক গোমাংস আৰু মৌৰে প্ৰস্তুত হিন্দুৰ এক অতি পৱিত্ৰ খাদ্য। কিন্তু গাৰ বলেৰে সেইবোৰৰ বিকৃত অৰ্থ কৰা হয়। প্ৰকৃত অৰ্থ যিজনে কৰিব খুজিব, তেওঁ হ'ব কুৎসিৎ অৰ্থ বুজা জন আৰু তাকে লৈ যুক্তিৰে তৰ্ক কৰিলে হ'ব কুতৰ্কী। এই কুতৰ্কীয়ে পাব সামাজিক নিৰ্যাতন, বিচাৰ, ইন্‌কোৰিজিশ্যানৰ শাস্তি, ক্ৰুন' দাহন।

কুতৰ্কহেতুবৃত্তান্তৈৰজ্ঞানাবৃতচেতসঃ॥

( পদ্ম-পুৰাণ ১, ১১, ৭২ )

কুতৰ্ক, হেতুবাদ আৰু বৃত্তান্ত আদিৰ দ্বাৰা অজ্ঞানতাৰে আবৃত চিত্ত যাৰ। অৰ্থাৎ যুক্তিবাদী, হেতুবাদীৰ অন্তৰ অজ্ঞানতাৰে আবৰা।

শ্ৰুতিস্তু ৰেদো ৰিজ্ঞেয়ো ধৰ্মশাস্ত্ৰন্তু ৰৈ স্মৃতিঃ।
তে সৰ্বাৰ্থেষ্বমীমাংস্যে তাভ্যাং ধৰ্মো হি নিৰ্বভৌ॥
যোহৱমন্যেত তে মূলে হেতুশাস্ত্ৰাশ্ৰয়াদ্দ্বিজঃ।
স সাধুভিৰ্বহিষ্কাৰ্যো নাস্তিকো বেদনিন্দকঃ॥

( মনু ২, ১০-১১ )





অৰ্থাৎ ৰেদক শ্ৰুতি আৰু ধৰ্মশাস্ত্ৰক স্মৃতি বোলা হয়। "মন্বাদিশাস্ত্ৰং স্মৃতিঃ, তে উভে প্ৰতিকূলতৰ্কৈৰ্ন ৰিচাৰয়িতৱ্যে।" (কুল্লুক) সকলো বিষয়ে এই শাস্ত্ৰ তৰ্কৰ অতীত। এই দুই শাস্ত্ৰৰ পৰাই ধৰ্মজ্ঞান সম্যক প্ৰকাশিত হৈছে। যি হেতুশাস্ত্ৰ আশ্ৰয় কৰি ধৰ্মৰ মূল শ্ৰুতি-স্মৃতি অৱমাননা কৰে তাক সাধুসকলে বহিষ্কাৰ কৰিব। "চাৰ্বাকাদিনাস্তিক ইৰ নাস্তিকো যতো ৰেদনিন্দকঃ।" (কুল্লুক) তেনে লোক চাৰ্বাক আদি ৰেদনিন্দকৰ দৰে ৰেদনিন্দক, গতিকে নাস্তিক (হিন্দু আদৰ্শত ঈশ্বৰ নামানিলে নাস্তিক বোলা নহয়, ৰেদ অৱমাননা কৰাজনহে নাস্তিক)।

হেতুবাদৰ সম্মুখত ধৰ্ম তিষ্ঠিব নোৱাৰে, গতিকে প্ৰতিক্ৰিয়াশীল সকলৰ প্ৰধান শত্ৰু যুক্তি।

"খন্তেক জিৰাবা আহি।
সলাবা কাপোৰ-কানি। তৰ্কৰ ধুলিৰ বোজা
মজিয়াত পেলাবা জোকাৰি—মোৰ মজিয়াতে।"

( মহাকাব্যৰ পাণ্ডুলিপি )

ভাৰতীয় চাৰ্বাকসকল, গ্ৰীক সোফিষ্ট, মুসলমান স্থুফিসকলে যুক্তিৰ বলেৰে সমাজক ধৰ্মীয় আৱৰ্জনাস্তূপৰ চেপাৰ পৰা উদ্ধাৰ কৰাৰ চেষ্টা কৰিছিল। প্ৰকৃত সত্যটো ক'লে সত্যক সমৰ্থন জনোৱা হয়। সত্যক সমৰ্থন কৰা সামন্তবাদী আদৰ্শৰ পৰিপন্থী। গতিকে নৱকান্তই দেখুৱাব খুজিছে ধৰ্মশাস্ত্ৰবোৰ সুস্থ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত আৰু চাৰ্বাকসকলহে যুক্তিবিৰোধী—যুক্তিবিৰোধী নৱকান্তও তাৰেই এজন। ইও এক ওভোটা উক্তি।

"ঈশ্বৰক ঢাকি থই সংহিতাৰ অনুস্বৰ বিসৰ্গৰ স্তূপৰ মাজত
তুমি বন্ধু আহিলা ওলাই
স্বাধীন মানুহ হৈ মুকলি বাটত।
... ... ...
তোমাৰ হাতত ধৰি ময়ো যেন গুচি আহোঁ
বাটৰ মাজলৈ
বাটৰ ধুলীৰ দৰে গছকি যুক্তিৰ আৱৰ্জনা।

( চাৰ্বাক )



OKDISCD

ধৰ্মান্ধ বুৰ্বকবোৰৰ বিৰোধিতা কৰা অকল যুক্তিৰ দ্বাৰা সম্ভৱ হোৱা নাছিল। প্ৰয়োজন হ'ল বিজ্ঞান আৰু ততোধিক যন্ত্ৰৰ। গতিকেই এই দুয়োটা প্ৰতিক্ৰিয়াশীলৰ শত্ৰু। গান্ধীৰ শত্ৰুও ব্ৰিটিশ নাছিল, আছিল পশ্চিমীয়া সভ্যতা আৰু প্ৰধানতঃ যন্ত্ৰ।

এৰিস্ততলৰ কথা সাৰোগত কৰি জ্যা কেন্দ্ৰিক (geo-centric) বিশ্বৰ কল্পনাত বিভোৰ হৈ থকা ধৰ্মবাদীবোৰে যুক্তিক যেনতেনোপায়েন দমাই ৰাখিছিল। কিন্তু যেতিয়া যুক্তিৰ লগত বিজ্ঞান আহি লগ লাগিল আৰু তাৰ লগতে যন্ত্ৰও, যাজক গোষ্ঠী বিমোৰত পৰিল। যন্ত্ৰৰ সহায়ত বিজ্ঞানে নিঃসন্দেহে প্ৰমাণ কৰিলে, জগত হেলি কেন্দ্ৰিক (helio-centric)। গেলিলিয়েও দূৰবীক্ষণৰ সহায়ত দেখুৱাই দিলে যে জুপিটাৰৰো উপগ্ৰহ আছে। মুঠৰ ওপৰত বিজ্ঞানৰ সন্মুখত ধৰ্ম-যাজকসকলৰ জ্ঞান আবৰ্জনা বুলি প্ৰমাণিত হ'ল।

যুক্তি, বিজ্ঞান আৰু যন্ত্ৰ একত্ৰ হৈ ধৰ্ম আৰু সামন্ততন্ত্ৰৰ ধৰণী কঁপাই তুলিলে। কিন্তু ই অকল খৃষ্টান ধৰ্মৰে বিপৰ্যয় ঘটোৱা নাছিল। এই তিনিটাৰ প্ৰভাৱ য'লৈকে প্ৰসাৰিত হ'ল সেই সকলোতে ধৰ্ম বিপদগ্ৰস্ত হয়। আধুনিক সভ্যতা পশ্চিমত গঢ় ললেও প্ৰকৃততে ই যান্ত্ৰিক সভ্যতা। সামন্তবাদ আৰু ধৰ্মৰ শত্ৰু এই যান্ত্ৰিক সভ্যতাৰ বিৰুদ্ধে সেই বাবেই ৰক্ষণশীল দল চিৰ খড়গহস্ত। এই দিশত গান্ধীয়ে পৃথিৱীৰ সকলো ৰক্ষণশীলকে চেৰ পেলাইছে।

ৰেল-জাহাজ নালাগে, এনেকুৱা কথা গান্ধীৰ বাহিৰে আন কোনোৱে কবলৈ সাহ কৰা নাছিল। গান্ধীক ডাক-তাৰ বিভাগ নালাগে (৩)। শিক্ষাপ্ৰাপ্ত ডাক্তৰ বোৰতকৈ বেজবোৰেই শ্ৰেয় (৪)। দূৰবীন পাপ-যন্ত্ৰ (৫)। য়ুৰোপৰ যাজক সকলেও কিন্তু দূৰবীনক পাপ-যন্ত্ৰ বোলা নাছিল, বুলিছিল কুহক যন্ত্ৰ (deceptive instrument) (৬)। যাহওক ধৰ্মীয় বিশ্বাস বিনাশকাৰী যি কোনো যন্ত্ৰই পাপ-যন্ত্ৰ হবই। গান্ধীৰ বাবে যন্ত্ৰাদিমূলক আধুনিক সভ্যতা অসহ্য ঘৃণাৰ বস্তু। তেওঁক লাগে ৰাম-ৰাজ্যৰ সমাজ আৰু সভ্যতাৰ কল্পনা বিলাসী নিৰ্মলতা, য'ত যন্ত্ৰৰ ঘৰঘৰণীয়ে, জেটৰ শব্দই, ৰেলৰ উকিয়ে অলস শান্ত পৰিবেশত উত্তেজনাৰ সৃষ্টি নকৰে। ৰেল জাহাজে কৰাৰ দৰে জাতিভেদ প্ৰথাৰ মূৰত কুঠাৰাঘাত নকৰে। অতএৱ নবকান্তঃ





১। আধুনিক সভ্যতা।

"খদ্দৰৰ পঞ্জাবীটোৰ ওপৰত চাৰ্জৰ জহৰ কোটটো
এটা নতুন সমস্যা পিন্ধি লওঁ
জ্বলা জ্বলা গোন্ধ সনা"
(পলায়ন)

আমাৰ সভ্যতাৰ মূল এতিয়াও গান্ধীবাদী ভাৰতীয়, প্ৰতীক খদ্দৰৰ পাঞ্জাবী। এই ভাৰতীয় সভ্যতামূলক সমাজখনত পশ্চিমীয়া সভ্যতা (চাৰ্জ) আৰু তাৰ দ্বাৰা আকৃষ্ট প্ৰগতিবাদী লোকসকলে (জহৰ কোট→জৱহৰলাল) সনা, ওপৰত পিন্ধা অৰ্থাৎ উপকৰা জ্বলা জ্বলা (ধ্বংসাত্মক) গোন্ধটোৱেহে নতুন সমস্যাৰ সৃষ্টি কৰিছে। ভাল একো কৰা নাই।

"জ্বলা জ্বলা গোন্ধসনা
চকুৰ পানীয়ে য'ত বাট দেখুৱায় সভ্যতাৰ
চাৰ্কাচৰ ব্যৰ্থকাম বহুৱা বোৰক......"
(স্বনিমন্ত্ৰিত)

অৰ্থাৎ আধুনিক সভ্যতা গ্ৰহণ কৰিবলৈ গৈ আমি অক্ষম অনুকৰণকাৰী —সাৰ্কাসৰ বহুৱা হৈছোঁ। এই পশ্চিমীয়া আদৰ্শ অনুসৰণ কৰি ভাৰতীয় সমাজত শান্তিৰ সুষমা বোৱাব নোৱাৰি। কাৰণঃ

"আমাৰ কাৰণে যদি শান্তি আছে
আশা আছে
*   *   *
*   *   *
তামোলৰ পিক সনা আইতাৰ জধলা চুমাত।"
(বোধিদ্ৰুমৰ খৰি)

আধুনিক যন্ত্ৰ সভ্যতাৰ সোফিষ্টিকেশ্যানত নহয়। আমাৰ আশা আছে, একমাত্ৰ পুৰণি সমাজখনৰ দৰদী বক্ষত।

"টেটুচেপা ট্ৰেফিকৰ বোবা আৰ্তনাদ স্তব্ধ কৰি
আমাৰ স্নায়ুত বাজি উঠে
মৰা অতীতৰ



OKDISCD

হেজাৰ হেজাৰ মহেনজোদাৰোৰ
বুকুৰ হাড়ৰ কৰকৰণি
জয়' কাৰ নাজানো। মাথোন জানো
আমি যেন হাৰোঁ'

( অজ্ঞাতবাসৰ আগনিশা )

বাটৰ ট্ৰেফিকে কৰিৰ টেটুত চেপামাৰি ধৰিছে। কিন্তু তেওঁ প্ৰতিবাদ জনাবলৈ সক্ষম হোৱা নাই। গতিকে তেওঁৰ অন্তৰ আত্মাই হুমুনীয়া কাঢ়িছে অতীতৰ ৰাম-ৰাজ্যৰো নহয়, তাৰো হাজাৰ হাজাৰ বছৰ আগৰ মহেঞ্জোদাৰোৰ দিনবোৰৰ কথা ভাবি। তেওঁ তুলনামূলক বিশ্লেষণ কৰিছে আৰু তাত আমাৰ পৰাজয় হৈছে। অৱশ্যে মহেঞ্জোদাৰোৰ গৰুগাড়ীয়ে জেট প্লেনক কিদৰে হৰুৱাব সেইটোহে বুজা মস্কিল হল।

"পশ্চিম দুৱাৰ আজিও মুকলি, উপহাৰ দিয়ে বিহৰ ধোৱাঁ
নিয়ে ভাৰতৰ জীৱন ৰস। শেষত হিচাব নিমিলে গই।
দানবৰ সতে সংগ্ৰামত মহামানবেও
অপৰিটক্ষ্ফুটনৰ অসন্মান লই—আঁতৰি যায়।"

( সভ্যতাৰ সংকট )

পশ্চিমে বিহ ঢালি আছে। আমি গৈ গৈ আনিয়েই আছোঁ। চৰকাৰেও স্কলাৰশিপ দি দি বিহ আনিবলৈ ছাত্ৰ পঠিয়াই আছে। হিচাব আৰু কিটো মিলাম? সকলো দেখোন অনাৰ লিপ্তিত। দিয়াৰ ঘৰত মস্ত এটা শূন্য। গান্ধী ব্যৰ্থ হ'ল বুলি তেওঁ কিয় ভাবিছে। তেওঁ সময় নাপালে। দেশ স্বাধীন হৈছিল হে। সময় পালে, নিজ চেলাৰে গঠিত চৰকাৰৰ দ্বাৰা নিশ্চয় ভাৰতৰ চাৰিও ফালে এমাইলমান ওখ এখন দেৱাল দি বিহ অহা বন্ধ কৰিলে হেতেন। ভাৰতততহে অমৃত ওপজে, অন্য দেশত জহৰ পয়দা হয়। গতিকেই সাগৰ যাত্ৰা নিষিদ্ধ কৰা হোৱা নাছিল জানো? ৰবীন্দ্ৰনাথে মতিভ্ৰম হৈ উল্টা বকিলে নেকি?

"পশ্চিম আজি খুলিয়াছে দ্বাৰ, সেথা হতে সবে আনে উপহাৰ,
দিবে আৰ নিবে, মিলাবে মিলিবে, যাবেনা ফিৰে—
এই ভাৰতেৰ মহামানবেৰ সাগৰতীৰে॥"

( ভাৰততীৰ্থ-ৰবীন্দ্ৰনাথ )





২। বিজ্ঞান।

"সিহঁতেতো নেজানিব
বিজ্ঞানৰ আশীৰ্বাদ আমাৰ জীৱন জুৰি মাথো প্ৰহসন।
মহামানবৰ স্বপ্ন?
আমাৰ তেজত তাৰ নাছিল আকুতি
বিহ আৰু অমৃতৰ বিস্ময়ত মুগ্ধ হৈ
আছিলো জীয়াই আমি"

( যোগসূত্ৰ )

অৰ্থাৎ বিজ্ঞানৰ বিহ আৰু গান্ধীৰ সামন্ত-তন্ত্ৰী অমৃতৰ সহ-আগমনৰ সন্ধিক্ষণত আমি কিংকৰ্তব্য বিমূঢ় হৈ ৰ'লোঁ। বিহ দলিয়াই অমৃত পান কৰি কলমতিয়াবলৈ পাহৰিলোঁ। গান্ধীয়ে বিজ্ঞানক থিয়ই থিয়ই পুতি বিজ্ঞানৰ "ব"টোও পৃথিৱীৰ পৰা নোৱাৰিলেও অন্ততঃ ভাৰতৰ পৰা নিৰ্মূল কৰাৰ স্বপ্ন দেখিছিল। আমি তাত সহাৰি নজনালোঁ। হায় কিযে বেদনা অপাৰ!

২। যন্ত্ৰ।

"এনিমিয়া বেমাৰীৰ উষ্মা প্ৰণয়ৰ
গণিকাৰ শিৰৰ সেন্দুৰ
পোহনীয়া শালিকাৰ ৰামায়ণ পাঠ
তাৰ সতে তাল ৰাখি নাগাৰা বজায়
যন্ত্ৰবোৰে টাটা নগৰৰ।"

( ঐক্যতাল )

যন্ত্ৰই কিহৰ কিহৰ সৈতে তাল ৰাখিছে মন কৰক। এনিমিয়া বেমাৰীৰ প্ৰণয় উষ্মা, গণিকাৰ শিৰৰ সেন্দুৰ, শালিকাৰ ৰামায়ণ পাঠ যিমান সাৰশূন্য অৰ্থহীন কথা, যন্ত্ৰৰে সভ্যতা গঢ়াৰ প্ৰয়াসো তিমানেই অমূলক, অবাস্তৱ।

"পাতাল পুৰীৰ ৰাজকুঁৱৰীৰ টোপনি ভাঙে……
ওপৰত কাৰ পাখীৰ শব্দ……কলৰ ড্ৰেগন
তাতৰ শালত চিলনীৰ জী চক খাই উঠে
ময়ো চক খাওঁ………
"জানিছিলোঁ জানোঁ এইখন মৰা দেশ?"

( ক্ৰমশঃ )



OKDISCD

যন্ত্ৰ ড্ৰেগনৰ শব্দত ভাৰত মাতাৰ টোপনি ভাগিছে। অৰ্থাৎ দেশ অশান্ত হৈছে। ট্ৰেডিশ্যনেল কুটিৰ শিল্পী চক খাই উঠিছে। কৱিয়েও বুজিছে যন্ত্ৰ আহিল মানে সামন্তবাদী আৰু ধৰ্মীয় সভ্যতাৰ অপমৃত্যু হবই। এতেকে কৱিৰ বাবে এইখন দেশৰ মৃত্যু হ'ল। কিন্তু কোনখন দেশৰ ? হাজাৰ বছৰ পৰাধীনতাৰ গ্লানিৰে কলঙ্কিত, কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ জঘন্য পুলিশ-ষ্টেটৰ আদৰ্শৰে শাসিত, মনু-সংহিতাৰ ধৰ্মীয় অনুশাসনৰে নিষ্পেষিত, নিপীড়িত, বুভুক্ষ জনতাৰ হাহাকাৰেৰে চিৰ বিষাক্ত দেশখন নহয় জানো ? তাৰ বাবেও যদি হৃদয় বিদাৰি আৰ্তনাদ কৰিব খুজিছে, বন্ধু! দুৱাৰ চুকত অকলে কৰক, সাহিত্যৰ মুকলি চ'ৰাত নকৰিব।

মই এই প্ৰৱন্ধত কবি নবকান্তৰ স্থাণুধৰ্মীয় দিশটোহে মোটামোটিকৈ আলোচনা কৰাৰ প্ৰয়াস কৰিলোঁ। "মই নিঃসহায়"; "শক্তিহীন মই ক্লীব"; "মই বৃহন্নলা", লগতে অন্যান্য পলৰীয়া মনৰ বৈৰাগ্য ভাব ইত্যাদি দিশ ইয়াত সুমুৱা হোৱা নাই।

কবি নবকান্ত বৰুৱাৰ ছন্দোপলব্ধি অতুলনীয়। ফুলৰ ৰেণুৰ দৰে সুকোমল তেওঁৰ মন। তেওঁৰ প্ৰায় প্ৰতিটো কবিতাই মনোৰম কাব্যিক সৌন্দৰ্যৰে গৰিমা মণ্ডিত। নিৰ্বিবাদে, অসমীয়া যি দুই চাৰিজন স্বভাৱ কবি আছে নবকান্ত তেওঁলোকৰ অন্যতম। কিন্তু কথা হ'ল অনুভূতিপূৰ্ণ কাব্যিক সৌন্দৰ্যৰ মোহত সেই অনুভূতিৰ অন্তৰালত থকা তথ্য আৰু বক্তব্যক বিসৰ্জন দি সাহিত্যৰ মূল্যায়ন সম্ভৱ নহয়। গতিকেই এই আলোচনা।

—×—



# পাদটীকা

(১) "It is certain that from the earliest times learning was cultivated by the Hindus. The Brahmins have always been, as it were, its dipositories, and have always considered it as belonging exclusively to themselves. They saw well enough what a moral ascendency knowledge would give them over the other castes, and they therefore made a mystery of it by taking all possible precautions to prevent other classes from obtaining access to it."

( Hindu Manners, Customs and Ceremonies—by Abbe J. A. Dubois, P. 376 )

(১) "The upper classes and castes are often not only indifferent to the education of the less fortunate villagers, but are actively opposed to it, since it is likely to interfere with the unquestioning obedience and service that has been offered by the lowest caste through the ages."

( Village School in India—by Olcott, P. 43 )

(২) "Over a large part of the civilized world it was believed and taught that the world had been created suddenly in 4004 B.C., though authorities differed as to whether this had occurred in the spring or autumn of that year. This fantastically precise misconception was based upon a too literal interpretation of the Hebrew Bible,"

( A Short History of the World—by H. G. Wells, P.11)

(২) "The World had been created on 7 October 3761 B. C (according to Jews), or on 1 September 5509 (according to



OKDISCD

the Eastern Orthodox Christian) or at 6 p.m. on the evening before 23 October, 4004 B.C (according to the seventeenth—century Anglo—Irish chronologist, Archbishop Ussher )

(A Study of History, Vol. II by A.J. Toynbee, abridged, P. 70)

(২) "The world, they said, was created in 4004 B.C., complete with fossils, which were inserted to try our faith."

( An Outline of philosophy—Russell, P. 7 )

(৩) Hind Swaraj—by M. K. Gandhi.

(৪) Mother India—by Miss Mayo, P. 245

(৫) Gandhi—by Geofrey Ashe, P. 126.

(৬) "When Galileo's telescope revealed Jupiter's moon, the orthodox refused to look through it, because they knew there could not be such bodies, and therefore the telescope must be deceptive."

(The Impact of Science on Soceity—Russell, P. 15 )

—×—





## —ৰুছ বিপ্লৱৰ তাৎপর্য—

১৯৪৩ চনত 'কমিউনিষ্ট ইণ্টাৰনেচনেল' ভাঙি যোৱা ঘটনাই প্ৰমাণ কৰিলে যে ৰুছ বিপ্লৱ এবিধ ৰপ্তানী সামগ্ৰী নহয়। ইয়াৰ পৰা ৰুছ বিপ্লৱৰ জাতীয় চৰিত্ৰহে অধিক স্পষ্ট হৈ পৰিল। তথাপি ৰুছ বিপ্লৱৰ প্ৰভাব সন্দেহাতীত ভাবে লেনিনৰ মৃত্যুৰ সময়তকৈ আজিহে বেচিকৈ অনুভূত হৈছে। এই বিপ্লৱৰ লগত তুলনা কৰিব পৰা আন এক উল্লেখযোগ্য ঘটনা হ'ল ফৰাচী বিপ্লৱ। ফৰাচী বিপ্লৱৰ দ্বাৰাও কোনো আন্তৰ্জাতিক সংগঠন বা অনুষ্ঠানৰ সৃষ্টি হোৱা নাছিল; কিন্তু তথাপি ইতিহাসত ইয়াৰ প্ৰভাব স্থায়ী আৰু সুদূৰ প্ৰসাৰী। আন্তৰ্জাতিক সাম্যবাদ প্ৰতিষ্ঠা হওকেই বা নহওকেই, যেতিয়ালৈকে পৃথিবীত মানুহৰ সমস্যা থাকিব,—যিবোৰৰ সঠিক উত্তৰ বিপ্লৱৰ মাজেদিয়েই সম্ভৱ,—তেতিয়ালৈ ৰুছ বিপ্লৱৰ তাৎপর্য অনস্বীকার্য হৈ ৰ'ব।

এই সুদূৰপ্ৰসাৰী তাৎপর্য কি? এই প্ৰশ্নৰ একমাত্ৰ আৰু শেষ উত্তৰ দিয়া সময় এতিয়াও হোৱা নাই; কিন্তু আমি এই অসামান্য প্ৰভাবৰ বিষয়ে তলত দিয়া ধৰণে চমুকৈ আলোচনা কৰিব পাৰো।

প্ৰথমতে, আধুনিক সভ্যতাক অনগ্ৰসৰ জনতাৰ মাজলৈ সম্প্ৰসাৰিত কৰাত চোভিয়েট অভিজ্ঞতা, বিশেষকৈ চোভিয়েট প্ৰথাৰ উন্নতি আৰু কৃষক সকলৰ কাৰণে যৌথপামৰ যোগেদি আত্মশাসনৰ ব্যৱস্থা—ইয়াৰ দ্বাৰা পূৰ্ব য়ুৰোপ, এচিয়া আৰু শেষত আফ্ৰিকা আৰু দক্ষিণ আমেৰিকাৰ দেশ সমূহ প্ৰভাবান্বিত হ'ব।

দ্বিতীয়তে, চোভিয়েট ৰুছিয়াই কাৰ্যকৰী কৰি দেখুৱালে যে সমাজবাদে অতি প্ৰতিকূল অৱস্থাৰ মাজতো কাম কৰিব পাৰে। পৃথিবীৰ উদ্যোগ সম্পন্ন দেশবোৰৰ কাৰণে সামূহিক অৰ্থনৈতিক উন্নয়ন আৰু ৰাজনৈতিক স্বাধীনতাৰ মাজৰ দ্বন্দ্ব বিশেষ চিন্তাৰ বিষয়। চোভিয়েটৰ এক পাৰ্টি ব্যৱস্থাই এই দ্বন্দ্বৰ সমাধান আগ বঢ়াব পাৰিছে। লাহে লাহে এইটো অধিক স্পষ্ট হৈ আহিছে যে ব্যক্তিগত মালিকানাৰ নিৰঙ্কুশ স্বাধীনতা আৰু জনসাধাৰণৰ দাৰিদ্ৰ্যৰ পৰা মুক্তি একেলগে সম্ভৱ নহয়। চোভিয়েট বিপ্লৱে বিজ্ঞান সন্মত অৰ্থনৈতিক পৰিকল্পনা, সম্পূৰ্ণ কৰ্ম্ম নিয়োগ আৰু অৰ্থনৈতিক স্বাধীনতা ৰুছ জনসাধাৰণৰ বাবে সম্ভৱপৰ কৰি তুলিছে। গতিকে চোভিয়েট সমাজবাদৰ আহিঁয়ে পৃথিবীৰ



OKDISCD

অন্যান্য দেশত দীৰ্ঘস্থায়ী প্ৰভাৱ পেলাব। এই প্ৰভাৱ পশ্চিম য়ুৰোপৰ আৰু উত্তৰ আমেৰিকাৰ দেশসমূহতো নপৰাকৈ নাথাকে।

শেষত ৰুছ বিপ্লৱে প্ৰমাণ কৰিলে যে পৃথিৱীৰ শোষিত জনতাই ক্ষমতা দখল কৰাটো সম্ভৱপৰ, আৰু শাসনৰ ক্ষেত্ৰতো তেওঁলোক অধিক পটু। এই দৃষ্টি-কোণৰ পৰা কব পাৰি যে জাৰ্মানীৰ বিৰুদ্ধে যোৱা যুদ্ধত Red Army ৰ প্ৰতিটো জয় Communist Internationl ৰ অসংখ্য ইস্তাহাৰতকৈ অধিক উদ্দীপক।

লেনিনে এই যুক্তি আগ বঢ়াইছিল তেওঁৰ “বলচেভিকে দেশ শাসনৰ ক্ষমতা লাভ কৰিবনে” নামৰ প্ৰবন্ধত। এই প্ৰবন্ধটো লেনিনে অক্টোবৰ বিপ্লৱৰ তিনি সপ্তাহ আগতে লিখিছিল। তেওঁ কৈছিল: “আমি এতিয়াও শ্ৰমিক-সৰ্বহাৰা আৰু দুখীয়া খেতিয়ক সকলৰ মাজত বাধা দিয়াৰ ক্ষমতা দেখা পোৱা নাই। এই ক্ষমতা চকুত পৰিব যেতিয়া সৰ্বহাৰাই সম্পূৰ্ণ ক্ষমতা হস্তগত কৰিব, যেতিয়া দাৰিদ্ৰ্য আৰু পুঁজিবাদী দাসত্বই নিষ্পেষিত কৰা কোটি কোটি মানুহে নিজৰ অভিজ্ঞতাৰে দেখিব, অনুভৱ কৰিব যে দেশ শাসনৰ ক্ষমতা তেওঁলোকৰ হাতলৈ আহিছে। তেতিয়ালৈ তেওঁলোক ৰাজনৈতিক ভাবে সুপ্ত, দাৰিদ্ৰ্য আৰু হতাশাত জৰ্জ্জৰিত। জীয়াই থকাৰ অধিকাৰ হেৰুৱাই, আত্ম বিশ্বাস হেৰুৱাই তেওঁলোক হতাশ হৈ পৰিছে। একেকেন্দ্ৰীভূত শাসনে যে তেওঁলোকৰ উপকাৰ কৰিব সেই সম্ভাৱনাও তেওঁলোকৰ চকুত পৰা নাই।”

১৯১৮—২১ আৰু ১৯৪১—৪৫ চনৰ ভিতৰত Red Army ৰ জয়লাভে এজন ইংৰাজ মানুহৰ তিনিশ বছৰ আগৰ সপোন বাস্তৱত ৰূপায়িত কৰিলে। তেওঁ কৈছিল যে এখন সাম্যবাদী দেশত যদি কোনোবা বৈদেশীক শক্তিয়ে ভৰি দিবলৈ চেষ্টা কৰে আমি এক সামূহিক প্ৰতিজ্ঞাৰে তাৰ বিৰুদ্ধে থিয় হৈ নিজৰ প্ৰাপ্ত সম্পত্তি ৰক্ষা কৰিম। আমি পৰস্পৰে পৰস্পৰৰ প্ৰতি সঁচা (true) হ'ম।” ৫৪৮ ডিভিজনৰ এজন অনামী সৈনিকেও অক্টোবৰ বিপ্লৱৰ ঠিক আগতে ঠিক একে কথাই কোৱা শুনা গৈছিল: “মাটি যেতিয়া কৃষকৰ হাতলৈ আহে, কাৰখানা শ্ৰমিকৰ হাতলৈ আৰু শাসন ক্ষমতা চোভিয়েটে পায়, তেতিয়া আমি নিশ্চিত যে আমি **যি কোনো শক্তিৰ বিৰুদ্ধে** যুজ কৰাৰ প্ৰয়োজন হ'ব পাৰে আৰু আমি যুজ কৰিমেই।”





মই বাৰে বাৰে ৰুছ বিপ্লৱৰ এই ফালটোলৈ উভতি আহিছো যে এই বিপ্লৱে দৰিদ্ৰ, নিষ্পেষিত সকলক মুক্তি দিলে আৰু তেওঁলোকৰ দৈনন্দিন জীৱনৰ অৱস্থাৰ উন্নতি সাধন কৰিলে। এইটোৱেই এই বিপ্লৱৰ দীৰ্ঘস্থায়ী ফল। জীৱনৰ দৈনন্দিন অৱস্থা বুলিলে মই এতিয়াও দুখীয়া আৰু অভাৱগ্ৰস্ত সকলকে বুজাওঁ আৰু তেওঁলোক পৃথিৱীৰ জনসংখ্যাৰ এক বুজন শক্তি। বিপ্লৱৰ বিষয়ে আটাইতকৈ সুন্দৰ মন্তব্যটোও আহিছিল এজন চোভিয়েট প্ৰতিনিধিৰ পৰা, তেওঁক চ্যাখালিন দ্বীপৰ এখন গ্ৰাম্য জিলালৈ পঠোৱা হৈছিল। তাৰ এখন সভাত এজন বুঢ়া কৃষকে তেওঁক কৈছিল: “চাওক, আমি গুজৱ শুনিবলৈ পাইছো যে বৰ্ত্তমান ৰুছদেশত ৰুছমানুহৰ মাজতে যুঁজ চলি আছে— কোনোবা বলচেভিক আৰু কোনোবা বগা মানুহৰ মাজত। সিহঁতে কোৱা শুনিছো যে বলচেভিক সকলে সৰ্বসাধাৰণ মানুহৰ কাৰণে যুঁজ কৰিছে, যাতে আৰু কোনো জাৰে (Tsar) শাসন ক্ষমতা নাপায়, আৰু যাতে জমিদাৰৰ হাতৰ পৰা মাটি কাঢ়ি আনি কৃষকৰ মাজত ভগাই দিব পৰা যায়। সেইবোৰ কথা আমি একো বুজি নাপাওঁ। আমাক অলপ বুজাই কবনে?” আন এজন খেতিয়ক, যি এজন নিৰ্বাসিত আচামী—তেওঁ কলে: “জাৰে মাটিবোৰ কৃষকক ভগাই দিয়া হ'লেই ভাল আছিল। মোৰ মনত পৰে আমাৰ দিনত ৰুছিয়াত মোৰ নিজ গাৱঁতে মানুহে কোৱা মেলা কৰিছিল যে মাটি এসময়ত ভগাই দিবই লাগিব। আমি কিন্তু মাটি নাপালো।”

(ক্রিস্টোফাৰ হিলৰ Lenin and the Russian Revolution গ্ৰন্থৰ “The Significance of the Russian Revolution” অধ্যায়ৰ সাৰাংশ)

—×—



OKDISCD

# দুধু মিঞা

এজন হ'ল পানীমল আৰু আন জন হ'ল দুধু মিঞা। এজন ধৰ্মত হিন্দু, খাচ্ বৰকলিতা কুলৰ। আন জন হ'ল যৱন—ধৰ্মত ইচলাম। দুয়ো এৰঁা গাখীৰৰ বেপাৰী। দৈৰ বেপাৰীক কয় দৈহেৰা, এৰঁা গাখীৰৰ বেপাৰীক গুৱাল বুলিয়ে কয়।

পানীমল আৰু দুধু দুয়োটা নামৰে কোনো চৰকাৰী ভিত্তি নাই। মাটিৰ পট্টাত, ভোটাৰ তালিকাত বা পানীমলৰ সোঁৱৰণীত সেই নাম নাই। গাখীৰৰ বেপাৰৰ পৰা নাম দুটা আহিল। ৰাইজে দিলে। ৰাইজেই ৰজা, সিহঁতে আপত্তি কৰাৰ, অমান্তি হবৰ থল ক'ত। "এক সেৰ গাখীৰত এক সেৰ পানী" বুলি লৰাহঁতে পানীমলক কেতিয়াবা জোকায়। তাৰ নামৰো উৎপত্তি সেয়েই।

পানীমলৰ গ্ৰাহকৰ বৈশিষ্ট্য আছিল। এচাম 'বুঢ়াবুঢ়ৈচা' আৰু অকাল পক্ক ডেকা ভকতে যৱন বেপাৰীৰ দুগ্ধ সেৱন কৰি জন্মৰ লগতে গাত লাগি অহা আৰু শৰণ ভজন কৰি মজবুত কৰি লোৱা নিজৰ ধৰ্মটোৰ গাত চেকা লগাবলৈ প্ৰস্তুত নাছিল। সেই সকলৰ বাবে আছিল পানীমল। গাখীৰৰ লগত পানী বা পানীৰ লগত গাখীৰ যিহকে মিহলি নকৰক কিয় দধি, দুগ্ধ, ঘৃত, মধু, নদীৰ জল এই পঞ্চপদ অমৃত বস্তুৰ দুপদহে তেওঁৰ।

দুধুৰ গ্ৰাহক সকলৰ ভাৱনা আনধৰণৰ। এৰঁা গাখীৰ যদি অমৃত বস্তু হয়েই, যৱন স্পৰ্শত সি অপবিত্ৰ হব কেনেকৈ? ৰাক্ষসৰ স্পৰ্শতো অমৃত ভাণ্ডাৰৰ অমৃত নষ্ট হোৱা নাছিল। গাখীৰ গৰুৰহে। গৰুৰ কিবা হিন্দু মুছলমান জাতি আছে নেকি? পানীমলেও মিঞাৰ ঘৰৰ গাখীৰ আনে। নগদ পইচা দি পানী কিনাৰ যুক্তি ক'ত?

পুৰণিয়ে নতুনৰ ওচৰত হাৰ মানেই। গতিকে পানীমল ওৰফে দামোদৰ দাসৰ প্ৰস্থান আৰু দুধুমিঞা ওৰফে আবুবক্কৰ চিদ্দিকীৰ দুগ্ধভাৰ সহিতে ৰঙ্গমঞ্চত প্ৰবেশ।

পানীমলেও দেখিলে যে, গাখীৰৰ বেপাৰ কৰাতকৈ ওডালগুৰিলৈ গৈ





নিজৰ গৰুৰ গাড়ীৰে গাৱঁৰ পৰা ধান কিনি মিলত বেচা বেপাৰেই উত্তম। পানী মিহলোৱাৰ বাবে ককৰ্থনা কৰাৰ বা ছা-ছলিয়ে জোকোৱাৰ বাট নাই! 'দেউল' 'দমাহি' 'কীৰ্ত্তনত' আহিবা, বৰপেটাত থকা দিন কেইটা খৰচ-ভৰচ কৰি খাবা, ভালকৈ ফুৰিবা। লোকে সুধিলে কবা— ওডালগুৰিত বেপাৰ কৰোঁ। তোমাৰ বেপাৰৰ পুঁজি কিমান? কিহৰ বেপাৰ? কেৱে নোসোধে। এনে বেপাৰত লাভো সৰহ, ইজ্জতো আছে। তাৰ গাখীৰৰ বেপাৰ এৰাৰ কাৰণো বোলে সেয়ে। অন্তত সি নিজে সেই বুলি কয়।

দুধু নামৰ উৎপত্তি সম্পৰ্কে ভিন্ন জনৰ ভিন্ন মত। সি কয় যে, মাকৰ পেট মোচা সন্তান গতিকে তাৰ নাম দুধু। কেৱে কয়—দুধ, বা এৰঁা গাখীৰৰ বেপাৰ কৰা বাবে তাক দুধু বুলি মাতে।

"কাবাক দুধ লাগ বোনা?" বুলি সি পোনতে চিঞৰিছিল। 'দুধ' শব্দটো বৰপেটীয়াৰ কাণত বাজিল। গতিকে তাৰ নাম হ'ল দুধু মিঞা। এতিয়া অৱশ্যে সি দুধ শব্দটো ব্যৱহাৰ নকৰি গাখীৰ বুলিয়েই কয়। তথাপিও এবাৰ যদি নামটো ৰাইজে দিয়ে সেই নাম ৰৈয়ে যায়।

আপোনাকহে কওঁ— কাকো নকব। আচল কথাটো কি জানে? আমি খাঁটি বৰপেটীয়া হিন্দু বৈষ্ণৱ মানুহ। ৺ কলীয়া ঠাকুৰ গোঁসাইৰ খাচ তালুকৰ প্ৰজা। মিঞাৰ পৰা গাখীৰ কিনি খালেও তাক মুছলমানী ৰহিম, কৰিম, আব্দুল, আদি নাম ধৰি মাতিবলৈ ভাল নালাগে দিয়কচোন। এই বিষয়ত তৰ্ক নকৰিব। মাৰোৱাৰীয়ে হেনো আমৰ ভিতৰৰ পোক বধ হব বুলি নিশাহে আম খায়। একে কাৰণতে 'দুধু' নামটো আমাৰ ভাল লাগে বুলি ধৰকচোন।

বৰপেটা অকল সত্ৰই নহয়; ষাঠি, সত্তৰ বছৰ ধৰি ই এখন মিউনিচিপেলিটি থকা চহৰ। পইতাচোৰাক চৰাই, বাদুলিক জন্তু বা চব্ ৰেজিষ্টাৰক হাকিম নুবুলিব পাৰে, কিন্তু বৰপেটাক চহৰ নুবুলিলে কিন্তু নেৰিম।

চহৰৰ লগত চাহৰ এৰাব নোৱাৰা সম্বন্ধ। যি ঠাইত চাহৰ দোকান নাই তাত ভৱিষ্যতে চহৰ গঢ়ি উঠাৰ সম্ভাৱনাও নাই। অসমীয়া জাতি আৰু অসমৰ ঘাই ভেটি হল চাহপানী টোপা। বৰপেটাৰ সত্ৰৰ চৌহদৰ কেউলীয়া সকলৰ বাবে বোলে চাহখোৱা মানা। আনবোৰ নামলগোৱা,



OKDISCD

বন্তি লগোৱা, খোল বজোৱা, ভোৰতাল বজোৱা, ভাগৱত পঢ়োতা, শুনোতা সকলোৰে চাহপানী টোপা নহলে নচলে। হৰিনাম ৰসৰ ই যেনিবা অনুপানহে। চাহ নহলে পুৰাৰ এঙামুৰি নাভাঙে। আবেলি মূৰ কামোৰণি হামিত তত্ নোহোৱা হয়। আবেলি ভাগৱত গৃহত ভাগৱত শ্ৰৱন কৰি আছে, কৰ্ণপথে হিয়াত প্ৰবেশি সেই ৰসে আপোনাৰ দুৰ্বাসনা সমস্ত হৰণ কৰি আছে; কিন্তু চাহ নোখোৱাৰ বাবে হোৱা মূৰ কামোৰণি, হামি হৰণ কৰিব পৰা নাই।

"বাপ হৰি কথা শুনি মোৰ মনৰ পৰা কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য্য সকলোটি এৰা দিলে, মাথোন"—

"কি মাথোনহে — কি ৰ'ল আৰু?" — গুৰুই শিষ্যক সোধে।

"হুতাহটোহে ৰ'ল বাপ"— শিষ্য ভকতে লাহেকৈ কলে।

চাহৰ বেলিকাও সেই একেধৰণৰ কথা।

বৰপেটাত চাহৰ প্ৰয়োজনীয়তা এতিয়া হেনো আৰু বাঢ়িছে। আধা মানুহৰ দুবেলা দুসাজি যোগাৰ নহয়; নিশাৰ সাজ চাহেৰে চলে। চাহৰ ক্ষুধা দমন শক্তি বৰ বেচি হেনো। "চাহ হেন দ্ৰব্য ইটো—অমৃত বাচক ভৈলা।" ভাত নহলে তাৰেই বাচি থাকা।

ঠিক একে কাৰণতে অৰ্থাৎ চাহ নচলা বাবে নতুনকৈ কেউলীয়া উদাসীন ভকত সত্ৰলৈ নহা হ'ল হেনো। হৰিনাম ৰস পান কৰি ভোক নুগুচে; অথচ দুবেলা দুসাজি যোগাৰ হয়নে নহয়। আনহাতে চাহপানী টোপাও খাব নোৱাৰে। কোনেনো আহিব বাৰু? মনে মনে চাহ ৰস সেৱন কৰা অপৰাধত কেবাজনো উদাসীন ভকতে ভৰ্ৎসনা পোৱাৰ নজিৰ নথকা নহয়। কেউলীয়া মানুহৰ আত্মীয় পৰিজন বংশৰ লগত লেঠা নাই গতিকে তেওঁলোকক ভৰ্ৎসনা কৰাৰ ভয় নাথাকে; কিন্তু হ'লীৰ সময়ত সোমৰস পান কৰি সত্ৰৰ চৌহদত উদ্ধণ্ডালি কৰা কোনো গৃহী ভকতৰ সন্তানক গতিয়াই বাহিৰ কৰি দিয়াৰ নজিৰ নাই।

সত্ৰৰ এজন বুঢ়া ভকতক মই জানো। বেচেৰাৰ ঘৰটো ১৯৪২ চনৰ আন্দোলনত ভলন্টিয়াৰৰ আড্ডা আছিল। তেওঁ গোটেই জীৱনটো শঙ্কৰী গীত মাতৰ সাধনাতে কটালে আধা বয়সলৈ। এতিয়া সত্ৰত শঙ্কৰী কৃষ্টিৰ সাধনা





অৰ্থহীন। ৰেডিও, ষ্টুডিও বা চহৰৰ বিদ্বতলীত তাৰ আৰ্থিক স্বীকৃতি আছে। বুঢ়া ভকতক কোনে চায়? নাই নিজৰ বেপাৰ, মাটি বৃত্তি। 'পানী গামোচাৰে লঘোণীয়া পেটটোত ফাচ লগাই" একান্তমনে তেওঁ হেনো আগৰ দৰেই গীত মাততে লাগি মহাপুৰুষৰ গীত মাতৰ উন্নতিৰ সপোন দেখিছে।

এৰা, যি সকলে বিষয়ক বিষধৰ বুলি এৰি আহিল তেওঁলোকৰ মাটিৰ পঞ্চভূতা দেহা বৰ্ত্তেনে নবৰ্ত্তে তাক লৈ চিন্তা কৰাৰ কাম কি? বিষয়ীৰ কথা বেলেগ। ঈশ্বৰ হেনো সকলোতে আছে। ধৰ্ম্মও তেনে। বায়ুৰ মাজত থকাৰ দৰে আমি ধৰ্ম্মৰ মাজতে আছোহঁক। ধুমুহাত যেনেকৈ বতাহৰ শক্তিৰ উমান পোৱা যায়, পঞ্চায়তৰ বিধান সভাৰ, লোকসভাৰ নিৰ্বাচনত ধৰ্মৰ শক্তিৰ কথা গম পোৱা যায়। ভোট প্ৰাৰ্থীৰ জীপৰ তাড়নাত ভকতৰ পদধূলি ৰঞ্জিত পথবোৰ ধুৱঁলী কুঁৱলী হয়। খোদা আৰু ঈশ্বৰৰ ভিতৰত কাৰ প্ৰভাৱ বেচি তাৰে পৰীক্ষা চলে। হিন্দুবীৰ—মুছলমান বীৰ সকলে ধৰ্ম ধ্বজা হাতত লৈ যি কোনো ৰাজনৈতিক দলৰ চাব পিঠিত মাৰিবলৈ ৰণত অৱতীৰ্ণ হয়। এটা প্ৰশ্নই ডাঙৰকৈ দেখা দিয়েহি—জন্মৰ লগতে লাগি অহা ধৰ্ম ডাঙৰ নে ৰাজনীতিৰ আদৰ্শ ডাঙৰ? উত্তৰো তৎক্ষণাৎ ওলাই আহে ধৰ্ম ডাঙৰ। বাকীটো পিচতেহে আহে। পিচৰ কথা পিচৰ। সেই সময়ত ডুধুৰ গাখীৰৰ সোৱাদ পালেও মানুহ জনক বৈৰী যেন লাগে। ডুধুয়ো ভাৱে সকলোবোৰ মানুহ যদি মুছলমান হলহেঁতেন।

এনেহেন ধৰ্ম প্ৰধান ঠাইত সত্ৰৰ চৌহদৰ কাষৰৰ এখন দেৱালত কোনোবাই ৰঙা আখৰেৰে লিখি থৈছে—

"হৰিনামে ভোকাতুৰক ভাত নিদিয়ে—

লেনিনৰ পথেই শুদ্ধ পথ"—

সকলোৰে চকুত পৰিছে সেই লিখাবোৰ। ডুধুই দেখি সোধে—বৰ ডেকাক।

"অ' কাকা দেখ্ছাহ তাতে কি লেখ্ছে"?

"দেখ্ছু দে, কি আৰ কৰ্‌বি—আজি কালিৰ ছাব্ চেংৰাৰ কাম। কলিকালৰ শেষ প'ৰ্‌ছেটোন।" বৰ ডেকাই উত্তৰ দিয়ে।

"আমাৰ কোৱাণ হদিশ'টো ক'ৱা আছে—ইগিলা কাফে'ৰৰ কাম।" ডুধুই কয়।



OKDISCD

কোৰাণৰ নাম লোৱাত বৰ ডেকাই বিৰক্ত হৈ কয়—

"আমাৰ কীৰ্ত্তন ঘোষাতো কৈছে—কলি কালত এনে হবোই আৰু কলিৰ শেষত কল্কি অবতাৰ হবো,—কি কৈছে জানা—

নিশ্চিন্তে চৰণ নাম নলৱে তোমাৰ।
সদায় প্ৰমত্ত লোক পাষণ্ড আচাৰ।
কলিৰ শেষত হৈবা কল্কি অৱতাৰ।
কাটি মাৰি মেলেচক কৰিবা বুন্দামাৰ॥

মহাপুৰুষৰ কথা মিছা হবা ন'ৰে। জানচাহ।"

ভোকাতুৰৰ ভোকৰ ভাত যোগাৰ কৰা অন্ততঃ বৰ ডেকা বা তুধুৰ বাবে যে সাধাৰণ কম নহয় তাক দুয়ো ষাঠি বছৰীয়া অভিজ্ঞতাৰে ভালদৰে বুজে। এই বয়সত এজনে ভৰ দুপৰ ৰ'দত ৰাজমিস্ত্ৰি কাম কৰিব লাগে। আন জনে নিতৌ দহ মাইল বাটকুৰি বাই ত্ৰিশ সেৰ পৰিমাণৰ ভাৰ বব লাগে, পেটৰ ভাতৰ বাবে, তাক অস্বীকাৰ কৰে কেনেকৈ? সিহতৰ ভৰালত ধান নজমে, বৰপেৰাত ধন নজমে, নজমে দেহত চৰ্বি, কিন্তু অধিকাৰ, মহন্ত, মোল্লা, মৌলবীক হৰিনামে দিছে সকলো। ভৰালত ধান দিছে, বৰ পেৰাত ধন, সোণ আৰু দিছে—একো কৰ্ম নকৰি হৰি নামৰ ওপৰতে নিৰ্ভৰ কৰা দেহৰ ভাজে ভাজে উথপ্ থপ চৰ্বিৰ মোকৰা। তুধু মিঞাই অকল খোদাৰ ওপৰতে ভৰসা কৰি ৰব নোৱাৰে—কাম নকৰাকৈ। অমৃত বুলি অভিষিক্ত দুগ্ধ হেন দ্ৰব্যৰ সময়-সচেতনতা অতি সাংঘাতিক। সময়মতে গাইৰ ওহাৰৰপৰা গ্ৰাহকৰ ঘৰ পহুচাই দিব নোৱাৰিলে 'বজাৰ হৈব বয়া।' গাখীৰ ফাটি গলে তাৰ কপালত জুই লাগিব। পুৱা পুবে বগাদাৰ দিওঁতে উঠি নিত্য নৈমিত্তিক সমাপণ কৰে। ইপিনে 'ফজেৰ'ৰ আজান শুনা যায়। নমাজ পঢ়ি মছজিদৰ পৰা বাহিৰে বাহিৰে ওলাই যায় গাখীৰ গোটাবলৈ। এই উপলক্ষে গাৱৰ মানুহৰ লগত লাগতিয়াল সুখ দুখৰ কথা পাতে। ৰমজানে খাতিৰ ধৰে ঘৈণীয়েকৰ চকুৰ অসুখৰ বাবে গণক কুছিৰ বুঢ়ীৰপৰা মন্ত্ৰপুত পানী আনি দিবলৈকে। ৰহমতৰ কেচুৱাৰ বাবে বাসু ডাক্তৰৰপৰা হেমোপাথি ঔষধ আনি দিব লাগে।

গাখীৰ গোটাই আহি নাকে-মুখে চাৰিটা গুজি চহৰ অভিমুখে কান্ধত





দুগ্ধ ভাৰ লৈ যেতিয়া ওলায় তেতিয়া বেলিৰ ৰঙা ৰং গুচিছে আৰু ৰ'দ ট' ট'কৈ ওলাইছে। চহৰলৈ পাচ মাইল। বাট বৰ কম নহয়, তাতে কান্ধত গধুৰ দুগ্ধভাৰ; মাজতে নদী পাৰ হব লাগে। সিপাৰত নাও আছে গেৰি মাৰি ঘাটুৱৈক মাতে—

"অ' ঘাউতে কাকা! কাব' ক'ৰচু সনকালে আহ।" এই সময়ত তুধুৰ মেজাজৰ অৱস্থা ঘাটুৱৈয়ে জানে। মুখ খজুৱাই সেয়ে সি সিপাৰৰপৰা চিঞৰি উত্তৰ দিয়ে—

"এহ বেটা ৰাণ্ডা ঘ'ৰাত উঠি আইহছে। ৰ'হ খানিকমেন, মৰি নায' দে।"

তুধুৰ মানত প্ৰতিটি মুহূৰ্ত্তয়ে একো একোটি দিনহে। এই সময়ত কাৰো লগত মুখ চোবোৰাৰ সময় নাই তাৰ। এক মাত্ৰ ভয় জানোচা গাখীৰ ফাটি যায়।

"এ কাকা—তই আৰ তামচা ক'ৰবাৰ সময় নাপলি।" ঘাটুৱৈয়ে পলম নকৰে। সোনকালে নাওখন এই পাৰলৈ লৈ আহে। তুধুৰ অস্থিৰতাখিনি মাথোন উপভোগ কৰে। দুয়ো দুয়োকো ভাল পায়। কোনো বন্দবস্ত বাধ্য বাধকতাৰ মাজত নহয়—তথাপিও ঘাটুৱৈয়ে কোনো দিনে তুধুৰ ঘাটৰ পইচা লোৱা নাই আৰু তুধুই ঘাটুৱৈক দিয়া গাখীৰ পেৰাৰো কোনো দিনে দাম লোৱা নাই।

ঘাট পাৰহৈ আকৌ বেগাই যোৱা 'বাংকা বুলন'ৰ গতি প্ৰায় দৌৰৰ সমান। বুলন কেইবা প্ৰকাৰৰ। ন-কইনাৰ দৰে লাহে লাহে খোজ কাঢ়িলে সি হ'ল কইনা বুলন; দপ্ দপাই গপ্ গপাই গলে সি হল ঘোৰা বুলন, এখন ভৰি থৈ উঠি আনটো খোজ ক'ত দিওঁ কেতিয়া দিওঁ এনে ভাবৰ হ'ল বাবু বুলন; কিন্তু কোনোটোৰ লগত বাংকা বুলনৰ তুলনা নহয়। মাজৰ পিনে ডাঠ বহল—দুই পিনে চিঞা; ওপৰলৈ অকণমান ভাজ লগা বাহৰ এফালৰ তৈয়াৰী ভাৰ মাৰি সিয়ে হ'ল বাংকা বা বাওকা। শিকিয়াৰে বন্ধা, বস্তুৰ ভৰত ই খোজত দুয়োমুৰ দো খাই যায়, সি খোজত ওপৰলৈ উঠে। স্থিতিস্থাপক ভাৰ মাৰিৰ উত্থান পতনৰ ফলত, এই মুহূৰ্ত্তত ভাৰ হয় গধুৰ—আন মুহূৰ্ত্তত লঘু। লঘু হোৱা মুহূৰ্ত্তত তাল ৰাখি আগলৈ খোজ দিব লাগিব। সেয়ে হল বাংকা বুলন। বাংকাৰ ছন্দে ছন্দে খোজ মিলাব নোৱাৰিলে ভাৰ হয় দুৰ্বহ। ৰ'দৰ তাপত পিঠি পুৰি যায়, ঘামত গাৰ কাপোৰ তিতি যায়,



OKDISCD

দেহাৰ কল-কব্জাৰ গতি হয় দ্ৰুত। তথাপিও জিৰাবৰ সময় নাই। ঘৰে ঘৰে গাখীৰ এসেৰ, আধাসেৰ, এপোৱা দি দাম লৈ বাকীৰ হিচাবৰ সৰু নোট বহীত টুকি লৈ গৈ গৈ শেষ গ্ৰাহকৰ ঘৰ নোপোৱাঁলৈ দেহৰ ভাগৰ, পিয়াহ, সকলোবোৰে যেন অপেক্ষা কৰি থাকে। তাৰ পিচত অৱসাদে হেচি ধৰে, পিয়াহত ওষ্ঠ-কণ্ঠ শুকায় যায়। আকাশৰ বেলিটিও তেতিয়া ভাগৰি মূৰৰ ওপৰৰ পৰা অলপ কাতি হয়।

"বাপ্প:ঐ যি গৰম পৰ্ছে— দেহাৰ মাঙাহ গিলান যেন গলি যাই জোল ব'বা ধৰছে— আনদে বাই একঘটি পানী।" নাদৰ পৰা পানী তুলি ওপৰৰ পৰা যৰন দেহৰ স্পৰ্শ নলগাকৈ ঢালি দিয়ে মালতীৰ মাক বুঢ়ীয়ে। হাতৰ আজলিৰে আকণ্ঠ পান কৰে। চকু, মুখ, ভৰি, হাত ধুই আহি গছৰ ছাঁত থিয় দিয়ে তুধুই। লাহেকৈ সোধে তুধুই—"জেঠিএ কাকাহুনৰ টাকা আইহছে? মোৰ বৰ টানঠা আছে; যাৰা মাহৰ থিনি পালি হ'ল হই।" সি জানে পুতেকৰ পৰা টকা আহিলেই বুঢ়ীয়ে তাৰ বাকীখিনি সোধায়।

"নাই দে স'না, ই ছনি বা কিয় দেৰী হৈছে, আইহলি তোৰখিনি দিম দে নাভাববি?"

"কুন্ দিনা নু ভাব্ছু?"

তাৰ পাচত কেইঘৰ মান গৈ হাটীৰ সি মূৰে ৰামজয় পাঠকৰ ওচৰত বহেগৈ। সদায় দুপৰীয়া পাঠকে হাটীৰ মূৰৰ মহানিমুৰ গছৰ ছাঁত আৰামী চকীখন পাৰি বহি দুইদিন আগৰ বাতৰি কাকত পঢ়ে। প্ৰাইমাৰী স্কুলৰ পণ্ডিত আছিল—বুঢ়া হৈ অৱসৰ পাইছে। ল'ৰাহঁত সুপ্ৰতিষ্ঠিত। বাপেকলৈ ধন পঠায় প্ৰবাসৰ পৰা। ওচৰৰ এঘৰৰ বাতৰি কাকত ৰাখে। তেওঁলোকৰ পঢ়া হৈ গলে পাঠকে আনি নিতৌ দুপৰীয়া পঢ়ি সময় কটায়। দুপৰীয়া শোৱাৰ অভ্যাস নাই।

"কি এ তুধু আইহ্চা বহ"—

"পাচে জেঠা দেখ'ৰ খবৰহু কি?"

"খবৰ আৰু কি— দেখখেন তুহুনে খালি। পাকিস্তানী আহি ভৰি পৰছে।"

"ব'লু, আহে কহেঁদি?

"আইহবো আৰ কহেঁদি— যহেঁদি আমাৰ পুলিশ মিলিটাৰী থাকে সহেঁদি।





ভেটী দিলি হ'ল। উপৰোৰ পৰা তলোক লগি গটেয়ে ভেটী খায়। জানচাহ তুধু দেশখেন আহুন খালাক। চাহাব থাকতেই ভাল আছিল দে।'; নিজে প্ৰশ্ন কৰি নিজে উত্তৰ দি বকলা মেলে পাঠকে। কাষৰত মুগ্ধশ্ৰোতা তুধু মিঞা। তুধুই জানে যে পাঠক পণ্ডিতে তাক নিজৰ মানুহ বুলি ভাবিহে এনেদৰে কয়। এৰা চাৰিওপিনে পাকিস্তানী অনুপ্ৰৱেশকাৰী বুলি কয়হে, কাকো কিন্তু ধৰিব নোৱাৰে। যাক ধৰে, তাৰ হয়তো জন্ম কৰ্ম্ম ইয়াতে। সি পাকিস্তান দেখাই নাই। কথাটো পাঠক আৰু তুধুই ভালদৰে জানে।

বাতৰি কাকতৰ শক্তি অসীম। তিলকে তাল কৰিব পাৰে। আৰু হাতী মাৰি ভুৰুকাত ভৰাবও পাৰে। তুধুহতে বাতৰি কাকতত ভৱিষ্যৎ বিপদৰ আগলি বতৰা আছেনে জানিবৰ চেষ্টা কৰে।

"জেঠা কাকতত আৰো যুদ্ধ হব বুলি লেখ্ছেনা?"

"লেখা নাই দে চুন, তেৰ' কৈছু। যুদ্ধ লাগা মুখৰ কথা নেকি? যুদ্ধৰ নাম শুন্লিয়ে বস্তুৰ দাম বাঢ়ে, আৰো যি কুনো কাৰণতে একবাৰ বাঢ়লি আৰ সি কমৰা নাজ্নে।"

তুধুৰ ভয় জানোচা পাকিস্তান আৰু ভাৰতৰ মাজত যুঁজ হয়। এবাৰ হৈছিল। পাকিস্তানৰ চি, আই, ডিক বিচাৰি পুলিচৰ দাৰোগা, চি, আই, ডি যায়—সিহঁতৰ এলেকালৈ। আকৃৰাম মাতবৰে কৈছিল যে—কাক কি কৰে ঠিক নাই। গতিকে গাওঁখনৰ ঘৰে ঘৰে তিনি টকাকৈ চান্দা তুলি আকৃৰামক দিয়া হ'ল। সি দাৰোগা চি, আই, ডিৰ লগত মেল মহব্বত কৰি কিবা কৰিলে আৰু গাওঁখনক জেললৈ যোৱাৰ পৰা ৰক্ষা কৰিলে। পহিলতে জেলত সুমুৱাই থব, বিচাৰ হলে হব ছয়মাহ পিচতহে। এই ছয়মাহ কি হব?

আন সকলো বাতৰিৰ সংক্ষেপ শুনাও হ'ল, জিৰোৱাও হ'ল। তাৰ পিচত সি ওলাই যায়। লেঠা কিবা এটানে? মধুৰ মাকৰ পৰা আঢ়ৈহাতী তেলচ কাপোৰ আঠখন আজি নিব লাগিব। আজি কালি সিহঁতৰ গাৱত এইবিধ কাপোৰৰ চাহিদা বাঢ়িছে। বুঢ়ীয়েও দাম পায়, তাৰো দুপইচা লাভ হয়।

তালদাৰণী বুঢ়ীক শেলুক কেইটা দিব লাগিব। বুঢ়ীৰ সৰু বোৱাৰীয়েকৰ গা-বন্ধ, প্ৰথমবাৰ, শেলুক খোৱাৰ মন গৈছে। ধান নিৰোৱাৰ সময়ত পথাৰৰ



OKDISCD

পৰা তাৰ লৰাটোৱে গোটাই আনি থৈছিল। বাসু ডাক্তৰৰ ওচৰলৈ যাব লাগিব, বৰ বজাৰলৈ যাব লাগিব আৰু কবিৰাজৰ লগত তাৰ ঘৈণীয়েকৰ অসুখটোৰ কথা আলচ কৰিব লাগিব। "যাৰ তিৰী বেমাৰী তাৰ জীৱনত কাম নাই" বুলি ভোৰ ভোৰাই পোনতে কবিৰাজৰ তালৈয়ে গ'লগৈ। গাখীৰ বিক্ৰীৰ পিচত এইবোৰ তাৰ উপৰুৱা কাম।

পদ্দুৰ মাকৰ তালৈ সি যাবই লাগিব। বেচেৰীৰ বাৰীৰ বেল, নাৰিকল আৰু তামোল পাৰি দিব লাগিব। ওচৰৰ দোকান এখনত দি দিয়ে। তাৰে তাইৰ সংসাৰ চলোৱাত সহায় হয়, দুধুৰো লাভ হয়—তাৰে এটা ভাগ তাক বুঢ়ীয়ে দি দিয়ে।

সি অহা কালি হৰগোবিন্দ বুঢ়াৰ ঘৰলৈ যাব। আজি আলিবাটতে বুঢ়াৰ লগত তাৰ কথা কটাকটি হ'ল। বুঢ়া হলে প্ৰকৃতি লৰে। কয়নো কি—"এই দুধু গাখীৰ তিনসেৰ দি যাচুন"

"নাই দেখুন দিয়ক, গোটে হিচাবৰ গাখীৰ"—

বোধহয় কাৰোবাৰ ওপৰত কিবা খং উঠি আছিল। একেছাতে দাং খাই উঠিল—"আজি কালি হৰগোবিন্দৰ কথা কাৰে শুনবো? টাকা পইচা নহ হৈছে; আগতে উঠবা ক'লি উঠ, বইবহা ক'লি বহ। কাথিৰ পৰা মানুহে শুগুছে। যা বেটা নতুন ধনীৰ ঘৰে ঘৰে মাটি চেল্‌কি ফুৰ। তই বেটা চকুৱাৰ ছলি, তয়ো মোৰ কথা নাৰাখলি।"

"কিয়' বয়া পায় দ'ক, গৰুইটো নাজনে আপনাক গাখীৰ লাগবো ব'লি। মই এখেন কাৰ ভাগৰ কাঢ়ি কাক দিউ, এনেহলি বাটত নথান্দাৰ পানী মিহলহে হব। আধা সেৰমেন হলি নিবা পাৰে"—

'যা—যা—আৰ কথা নকবি, নালগে যা"—

অৱশ্যে সি তেনেকৈ নকলেই ভাল কৰিলেহেঁতেন। বুঢ়া আগৰ দিনৰ ধনী মানুহ। ছকুৰি ম'হৰ নিজৰ বাথান আছিল। বেপাৰৰ টকা গৰুৰ গাড়ীত বোজাই কৰি অনা মানুহ। পাচোটা পুতেকৰ এটাও নাথাকিল। কোনো মতে খাই বৰ্ত্তি আছে। সম্পত্তি টকা পইচা নোহোৱা হ'ল। থকাৰ ভিতৰত জীয়েক এজনী আছে। জোৱায়েকে পুহি আছে—বুঢ়া বুঢ়ীক। বুঢ়াৰ নাতিয়েক দুজন আহিছে, ভালকৈ খুৱাবৰ মন গৈছিল হবলা।





অহা কালি বুঢ়াৰ তালৈ যাব আৰু গাখীৰ তিনিসেৰ দিবগৈ। উদং মানুহ, বয়স হৈছে, শোকে তাপে প্ৰকৃতি লৰিছে। মান সৎকাৰ কৰি কলে বুঢ়াৰ খং গুচিব। বুঢ়াৰ ছোৱালী জনীও তাৰ গাখীৰ খাই ডাঙৰ হৈছে। চালচলনত ঠিক খানদানী ঘৰৰ ছোৱালী, মৰম দয়া আছে। তাইৰ বিয়া হৈ গল— লৰা-ছোৱালীৰ মাকো হ'ল— ল'ৰা-ছোৱালী ডাঙৰ হল। ল'ৰা দুটাক চাবও লাগে। সি একেবাৰে সৰুতে দেখিছিল।

আটাইবোৰ কাম শেষ কৰি যেতিয়া ঘৰলৈ ওভতাৰ খোজ ললে তেতিয়া বেলি পৰিছে। কথাতে বোলে "বনমুৱা বাৰা (গাহৰি) ঘৰমুৱা সাৰা (পাচনিয়াৰ)" সি কব নোৱাৰাকৈয়ে তাৰ ভৰি দুখনে আপোনা আপুনি তাক ঘৰলৈ টানি নিব।

এইখিনি সময় তাৰ বৰ নিজৰ। মনটোৰে মুকলি মনেৰে ভাব ৰাজ্যত বিচৰণ কৰি ফুৰা সময়। কাৰো লগত বৰকৈ কথা পাতিবৰ মন নাযায়। ডেকা কালৰ ঘৈণীয়েকৰ মুখৰ ছবিটো তাৰ মনত পৰে। গুণ গুণাই আৰম্ভ কৰে—

"ঐ যে ভৰানদীৰ বাকে বাকে
কাশেৰ বনেৰ ফাকে ফাকে
দেখা যায় যে ঘৰখানি, সেথায় বধু
থাকে লো ও ও"।

লোকালয় এৰি যিমানে আঁতৰি আহে তিমানেই ক্ৰমে তাৰ মাতটো ডাঙৰ হয়। গাখীৰ অনা টিনটোত দগৰৰ বোল তোলে।

তাৰ গাওঁ সাউদৰ-বৰীলৈ কোনো পি, ডব্লিউ, ডি, লোকেল বোৰ্ড পঞ্চায়তৰ ৰাস্তা নাই। সদৰ ৰাস্তাৰ পৰা ডেৰমাইল বাট, ছয়মাহ নাৱেৰে যাব লাগে। খৰালিৰ কেইমাহ নাওঁ যোৱা দাবাৰে* মানুহে আহযাহ কৰে।

চহৰৰ ভদ্ৰলোক বা আন গাৱৰ মানুহৰ অহা যোৱা বেচি নাই। গাৱঁৰ প্ৰাইমাৰী স্কুলটোলৈ ৰামেশ্বৰ পণ্ডিতে খৰালি চাইকেল মাৰি নিজৰ ঘৰৰ পৰাই অহা যোৱা কৰে। বাৰিষাৰ ছয়মাহ স্কুল ঘৰটোৰ কাষৰৰ পজাটোত থাকে আৰু নিজে ৰান্ধি বাঢ়ি খায়।

আৰু আহে মাজে মাজে মণ্ডল, দাৰোগা, কাননগো। তেওঁলোক মাতব্বৰৰ

* দলনিৰ মাজে মাজে নাওঁ যোৱা বাট।



OKDISCD

ঘৰত থাকে। তেওঁলোকৰ খোৱা লোৱাৰ বাবে চান্দা, সিধা, তুলি গাওঁৰ মানুহে মাতব্বৰৰ তাত নি দিয়ে। এনে বিধৰ চৰকাৰী বিষয়াৰ বাবে সিহঁতৰ এলেকাবোৰ সোণৰ খনি। এনেকুৱা এলেকাত চাকৰি পাবলৈ দিয়া নিজৰ ওপৰৱালাক খাতিৰ কৰে। অলপ সময়ৰ ভিতৰতে ধনী হবৰ সুযোগ আন কোন ঠাইত আৰু পাব?

‘জমি’ অৰ্থাৎ মাটি, ‘জৰু’ অৰ্থাৎ নাৰী আৰু ‘গৰু’ এই তিনিবিধৰ লগত অকল আৰ্থিক স্বাৰ্থই নহয় এওঁলোকৰ মৰ্যাদাৰ প্ৰশ্নও জড়িত। মাতব্বৰ দেৱানী সকলৰ মোগল ৰাজত্বৰ চুবেদাৰ জায়গীৰদাৰৰ দৰে ইটোৰ সিটোৰ লগত প্ৰবল প্ৰতিদ্বন্দ্বিতা। সাধাৰণ মানুহে হয় ইজন, নহয় সিজনৰ পিচে পিচে ফুৰিব লাগিব অনুগত প্ৰজাৰ দৰে। খুনাখুনি, হত্যা, অপহৰণ প্ৰায়েই হয়। ইঘৰ সিঘৰৰ সৰু কথাৰ কাজিয়াৰ পিচত মাতব্বৰ দেৱানী লাগি বিৰোধ জটিলতৰ কৰি তোলে।

আৰু ভোটৰ সময়ত যায় নেতাসকল। মাতব্বৰৰ নিৰ্দেশ মোল্লাৰ উপদেশ এই ক্ষেত্ৰত অপৰিহাৰ্য আদেশৰ ৰূপ লয়। মোল্লা সকল আহে ধৰ্ম সভাত যোগ দিবলৈ।

দুধুমিঞাৰ গাৱঁলৈ এবাৰ আমিও গৈছিলোঁ। দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত সিহঁতৰ গাৱঁৰ পৰা তিনি মাইল মান দূৰৰ পাজৰ ভাঙাত এখন আমেৰিকান উৰাজাহাজ যন্ত্ৰ বিকলহৈ নামিবলগীয়া হ’ল ধাননি পথাৰত। নামোতে পাথি ভাঙিল। ধাননি পথাৰকেই চাচি চুকুকি ‘ৰাণৱে’ৰ দৰে কৰি উৰা জাহাজৰ ভঙা-চিঙা আদি উৰা জাহাজেৰেই কঢ়িয়াইছিল। দুধুই আমাক খবৰটো দিছিল। স্কুলৰ শেষৰ পিনৰ ছাত্ৰ আছিলো আমি। দলবান্ধি পিচদিনা খনেই ওলাইছিলো দুধুৰ লগত। জীৱনত সেয়ে প্ৰথমবাৰৰ বাবে উৰাজাহাজ দেখিছিলোঁ, ধন্য মানিছিলোঁ। মনৰ উৎসাহত যোৱাৰ সময়ত ভাগৰ লগা নাছিল। ওভোতাৰ পথত হলোঁ দুখে-ভাগৰে-ভোকে বিপৰ্যস্ত। আহোঁতে দুধুৰ ঘৰত সোমালো জিৰাবৰ মনেৰে। সিহঁতৰ কুঁৱাৰ পানী তুলি তৃষ্ণা দূৰ কৰিলো। তাৰ চাচাজানে আথে-বেথে প’কা অমিতা কেইটামান আগবঢ়াই দিলে। দুধুই বৰপেটাৰ পৰা খাজুৰি এক পেকেট আনিছিল আমাৰ বাবেই। আলহী আহিলে নোখোৱাকৈ পঠিয়াব নাপায়। তেওঁলোকৰ মৰমৰ অনুৰোধ আৰু আমাৰ ভোকৰ তাড়না কোনোটোৱে উপেক্ষা কৰা সম্ভৱপৰ নহয়। তথাপিও মিঞাৰ





ঘৰত আহাৰ গ্ৰহণ এটা বিৰাট সমস্যা হ’ল। আমি কেইজন মানে খালোঁ। বাকী দুজন মানে নাখালে। সেই কেজনক আমি অনুৰোধ কৰিলো— কাৰো আগত এই কথা বেকত নকৰিবলৈ। নকৰি পাৰেনে? ভোকৰূপী ৰাক্ষসৰ আগত পৰিও প্ৰাণলৈ কোনো সংশয় নকৰি, যৱনৰ ঘৰত আহাৰ পানী নধৰি, নিজৰ জাত ধৰ্মকে বচাই আহিলে, সেই বীৰত্বৰ কথা নকৈ পাৰেনে? কোৱাৰ লগে লগে খোৱা কেইজনৰ ভিতৰৰ চাৰিজন মানে সঘোনে থাকি পৰাচিত হব লগীয়া হ’ল। বাকী কেইজনে ঘৰত খালে অপৰিসীম কৰ্কথনা।

দুধু তেতিয়া কেইবাটাও লৰা-ছোৱালীৰ বাপেক। পথাৰৰ পৰা সাত আঠ হাত ওখ ভেটিত কেইটামান খেৰৰ জুপুৰি। ঘৰ বোৰৰ দুই মুধ দোখোৱা। মৰাপাটৰ ঠাৰিৰ বেৰ। সেই ঘৰৰ ভেটিৰ মাটি তেতিয়াও ঘৰৰ মাইকী মানুহ কেইজনীয়ে মূৰেৰে কঢ়িয়াই আছে। সাত আঠ বছৰীয়া ছোৱালীৰ গাত সৰু নীলা বৰণৰ শাৰী, নহলে বাকী তেনে বয়সৰ বা তাতকৈ কম বয়সৰ লৰা ছোৱালী বোৰ উলঙ্গ। সকলোৰে বুকুৰ পৰিধিতকৈ পেটৰ পৰিধি ডাঙৰ, বোকা মাটি লাগি লেতেৰা। দুধুৰ বেমাৰী বুঢ়া আব্বাজানৰ বাহিৰে সকলোৰে কাম কৰি পেট প্ৰবৰ্ত্তায়। এঘৰনে দুঘৰ মানুহৰ বাহিৰে গাওঁখনৰ বাকীবোৰৰ একে অৱস্থা।

দুধুহঁতৰ ঘৰৰ পদুলিত এডাল পুৰণি আম। তলত পকী দেৱালেৰে বন্ধোৱা এটা কবৰৰ চিন। লিখা আছে—“হাজী শেখ আলিমুদ্দিন”—সেইটো দুধুৰ ককাকৰ কবৰ। শেষ বয়সত হজলৈ গৈছিল। আহোতে বোম্বাইৰ পৰা অনা আমৰ গুটি এটা ৰুইছিল নিজ হাতে। মৰাৰ পিছত তাৰে তলত তেওঁক কবৰ দিয়া হ’ল।

দুধুৰ পিতাক কৰিমুদ্দিন। কৰিমুদ্দিনৰ পিতাক আলিমুদ্দিন। অসমলৈ আলিমুদ্দিন আহিছিল ডেকা বয়সত। পুতেক কৰিমুদ্দিন তেতিয়াও খোজ কাঢ়িব পৰা হোৱা নাই। মাকৰ কোলাৰ কেচুৱা।

মিৰজুমলাৰ দৰে আলিমুদ্দিনে ৰাজ্য জয় কৰিবলৈ অহা নাছিল,—আহিছিল বাচি থকাৰ তাড়ণাত—মাটিৰ অন্বেষণত। তেতিয়া আমিনগাওঁলৈ ৰেলপথ হোৱা নাই।

বাটে বাটে দুধুই কৈ গৈছিল সিহঁতৰ পৰিয়ালৰ পুৰণি কথা—

“আমাৰ আতাহুন যেথেন ম’ৰে, তেথেন মই আঠু কাঢ়ি ফুৰু। পিতাহুন



OKDISCD

আৰো চাচাজান আহুনে ক'ৰা শুনচু—আতাহুন বলে আছিল পাচ ভায়েক। বৈনেক আছিল তিন্‌টা। ভায়েক আহাৰ ভিতৰত আতাই হ'ল সৰু। আমাৰ মুছল'মানৰ বাপেকৰ মাটিৰ জীয়েক আহুনো ভাগ পায়। বাপেক মৰাৰ পাচ'ত যেথেন সম্পত্তি ভাগ'লাক তেথেন যিথ্‌নি মাটি ভাগ'ত পালাক তাতে হাল ঘূৰ'বা নাটে। মৈমানসিঙৰ পৰা তাহুন দুই ভায়েকে তাৰে মাটি এৰি দি অন্য মানুহ'ৰ লগ'ত আহিল আসামক মাটি ভাঙবা। ইয়াত মাটি দেধাৰ। ভাঙলিয়েই পায়। মণ্ডলে জোৰ কৰি পাট্টা দেই। খেতি ভাল নহলি ইয়াৰ মাটি এৰি তাত লয়। আহাৰ অসুবিধা নাই, ব্ৰহ্মপুত্ৰেদি উজে আইহ্‌লি হ'ল। আমি হুলি নাজন্নু, কওঁতে শুন্‌চু তেথেন মৈমানসিঙ আৰু আসাম বলে একে লাটৰ তলত আছিল। লাট চাহাব আছিল ঢাকাত। আহি সম্‌পহিলে থাকৃলাক কেইবছৰমান গোৱালপাৰাৰ অচৰ'ৰ শিলমাৰিৰ চৰ'ত। মাটি বলে স'নাহেন। আহিন মাহৰ পহিল পথ'তে হাল নামাৰাকে বেহুৰ বুই দিলি বলে বেহৰ হয় মানুহ তল যাৰ চা'ৰ (ওথ)। অপৰখেতি হয়। পাচে হলি কি হবো, ব্ৰহ্মপুত্ৰৰ চৰ, কেথেন খহি যায় ঠিক নাই। তাৰে মাটি যেথেন গেল, উজে আহিল কনৰা চাচাৰাৰ অচৰ'ক। আগতে তাত ডাঙাৰ ডাঙাৰ গাওঁ আছিল। ভূমিকম্প'ত মাটি বহিল—কলাজৰ'ত মানুহ মৰি নহ' হল। গটে মানুহ কইহবা কইহবি ভাঙি গেল। ভিঠা গিলা পৰি আছে, চাইৰোফালে বুন জঙ্গল। দিনতে বাঘ, বাৰা, মুইহ, অল'ই। তাতে বুঢ়াৰ ডাঙাৰ পুতেক দুটাক একদিনাখেন ভূঁইৰ পৰা বাঘে টানি নিলাক—দিপইৰাতে। আবুই ভাত ৰান্ধি বৈ আছে। বাঘৰ মুখৰ পৰা কুনি আনবো, এটা নহ'ই দুটা বাঘ। মনৰ বিকাৰ'তে ইয়াকে উঠি আহিল। তেথেনৰ পৰা ইয়াতে আছু। আমাৰ পিতাৰ ডাঙাৰ ভায়েক এটাই পাচ'ত কনৰাৰ ভিঠাক উঠি যায়।"

আমগছ জোপাও বুঢ়া হ'ল। তাৰ জাত লৰিল। দুধুহঁতৰো মাত লৰিছে, তাৰ মুখত নিভাজ বৰপেটীয়া থাচৰ অসমীয়া।

ৰাজনীতিয়ে সীমা বান্ধে প্ৰাকৃতিক-ভূগোলক। সেই সীমা যুগমীয়া কৰাৰ বাবে গঢ়ি উঠে আইনৰ দেৱাল। এই দেৱাল কিমান উঠিল, কিমান খহিল, মানব ইতিহাসত তাৰ হিচাব কিমান আৰু কোনে ৰাখে? মৈমনসিঙ জিলা পূৱ পাকিস্তানত। পাকিস্তান বিদেশী সাৰ্বভৌম ৰাষ্ট্ৰ। মানুহ সোঁশৰীৰে কিয় তাৰ





আত্মীয় স্বজনলৈ থকা প্ৰেম প্ৰীতিয়ে৷ সেই সীমা পাৰহৈ যোৱা প্ৰায়েই অসম্ভৱ হৈ পৰে। কেতিয়া ৰাজৰোষে ৰুদ্ৰমূৰ্তি ধৰে ঠিক নাই।

"জান্‌চে দাদা, সিপাৰ'ৰ লগ'ত এথেন আমাৰ কুনো লেঠা নাই; আমাৰ নিজৰ চাচা আহাৰ ঘৰ, মোৰ মামাথেৰ ঘৰ, শহুৰথেৰ ঘৰ, বইনী আহুন গটেগিলাই ভাৰততে আছে। পাচে দেশখেন ভাগ হৈ বয়া হ'ল। আমি নাজ্‌না মানুহ। তেথেন এনে হবো বুলি জানা নাছিলু। য'তে নাথ্‌কক কিয় দুইথ্যা মানহ'ৰ হিন্দুস্থানতো যি পাকিস্তানতো সেই একে। লাভৰ ভিত্‌ৰত সিফালৰ পেৰান খেদা খাই হিন্দু গিলা ইফালে আহে বিলাই নহ'হৈ। ইফালৰপৰা মুছলমান যায় তাহাৰো বিলাই একে। কেথেনবা আমাৰ লীডাৰ গিলাকক কুবৰাৰ মন যায়। খোদাতাল্লা যদি গটে দুখীয়া থেনৰ মালিক্‌, তেউঁৰ নামত বেলেগ কিয় পাকিস্তান লাগা হ'ল? এইতান ইগ্‌লা কথাত মাত মাতবা ভয় লাগে যি দিন কাল পৰ'ছে কেথেন বা কি হাৰা উঠে। আমি গৰীব মানহ'ৰ মৰণ য'তে ত'তে, ডাঙাৰ গিলাৰ মাজত গাখীৰ মিঠে।"

প্ৰত্যেক সাধাৰণ দুখীয়া চকৰা মুছলমান বা ন-অসমীয়াৰ মনৰ চিন্তা জানো এয়েই নহয়? প্ৰত্যেকটো সাধাৰণ সাম্প্ৰদায়িক বিবাদৰ ঘটনা বা তাৰ ৰটনাত সিহঁতে চক্‌ খাই উঠে; দেশৰ ৰাষ্ট্ৰপতি বা মন্ত্ৰী, এম-এল-এ, এম-পি মুছলমান হোৱাৰ পাচতো।

"দুকুৰি বছৰ ধৰি গাখীৰ বেচ্‌লু। তেথেন যি আজি পাচসিকা, ডেৰ টকা দামটো সেই। টাকা আহিল আৰো গেল, হাত'ত হুলি নৰ'ল। বংশ বাঢ়িল মাটি নাবাঢ়িল। পিত'হুনৰ সম্পত্তিৰ উপৰ'তে ৰলু। লাভৰ ভিতৰ'ত ডাঙাৰ ছলি দুটাই হাল বায়, সৰুটু কাঠৰ মিস্ত্ৰি হৈছে। মোক কেথেনবা কয় গাখীৰৰ বেপাৰ এৰ্‌বা। দিন কেইটা গেলেই, কিয়নু এৰু। ইয়াক আহি আই-মাই, বাপ-ভাই, চাৰ ছলিগিলাৰ লগত ভাল্‌কে দিনটু যায়। বুঢ়া হলুই, যেইখানক লগি টান্‌বা পাৰু এনকেই চলু দে। পাচে দাদা, ঘৰতো শান্তি নাই, তিৰীটুৰ এটাৰ পাচত এটা অসুখ। কেমান হেকিম, ডাক্তৰ লগলু বাদ নাই। বাত বিহে ধৰ্‌ছে।" ঈদ বা পৰব আৰু নিজৰ অসুখৰ বাহিৰে কোনো দিনাই দুধু নহাকৈ নাথাকে। আনোতে গাখীৰ ফাটিলেও ঘৰে ঘৰে খবৰটোকে দি যায়। সেই দুধু কেইদিনমান নাহিল।



OKDISCD

এদিন তাৰ গাৱঁৰ এজন নতুন গাখীৰ বেপাৰীক লগত লৈ আহি প্ৰতি ঘৰ চিনাই দিলে। তাৰ ঘৈণীয়েক মৰিল। সি হেনো হজলৈ যাব। মাটি এবিঘা বেচিছে। হাতৰ জমাখিনিৰে তাৰ অহা যোৱাৰ খৰচ আদি জুৰিব। যোৱাৰ আগতে চিনা জনা সকলোকে মাত লগাবলৈ আহিল।

“যাবা খুজ্‌চু, খোদাই নিলি, ঘুৰি আইহ্‌বা পাৰু না নৰু, অত বছ্‌ৰে তুহাৰ লগত লেন দেন কাৰবাৰ কৰলু, কাবাক কেথেনবা বয়া ভাল কথা বেবহাৰ কৰ্‌বা পাৰু মাফ্‌ কৰি দিবি।”

সকলোৰে মন সেমেকিল। তুধু যেন আমাৰ একান্ত আপোনাৰ জন। সৰ্বাৰ মাকে তাক এখন গামোছা দি কলে—“ভালে ভালে আইহবি যা বাচা, প্ৰমিলাৰ মাক পাঠকনী বুঢ়ীয়ে তাৰ মূৰত কীৰ্ত্তন ঘৰৰপৰা আনি থোৱা নিৰ্মালী অকণ দি থোকাথুকি মাতেৰে কলে—“চিন্তা নক'ৰ্‌বি তুধু, কইলা ঠাকুৰে তোক ভালে ভালে আন্‌বো যা। কইলা ঠাকুৰক ভাব্‌বি মন বেয়া লাগ্‌লি।” বেচেৰীৰ মগজুত প্ৰশ্ন নেখেলালে যে হিন্দুৰ কলীয়া ঠাকুৰ শ্ৰীকৃষ্ণৰ এ্ৰি ক্ৰিয়াৰৰ ভিতৰত মুছলমান তুধু বা মক্কাশৰীফ পৰিব নে নপৰিব।

বহু বছৰ ধৰি প্ৰবাসত আছোঁ। আজি বাৰান্দাত বহি গধূলিৰ আকাশ খনি চাই আছোঁ। ৰেডিওত শুনিলোঁ—

“ওৰে অচিন গাইয়েৰ নাইয়া—
কোনবা কন্যাৰ দ্যাশ যাওৰে—
চাদেৰ ডিঙা বাইয়া—”

মোৰ কিয় জানো চাত্‌ কৰে মনত পৰিল বৰপেটাৰ দিনবোৰলৈ, মনত পৰিল তুধুৰ কথা। নাজানো—সি হজ্বৰ পৰা উভতি আহিব পাৰিছেনে নাই, নাজানো সি শুনিছে নে নাই যে মৈমনসিঙৰ মানুহ বিলাকেও ধৰ্মৰ ভিত্তিত ৰাষ্ট্ৰগঠনৰ নীতিৰ বিৰুদ্ধে গৈ বাংলা দেশ স্বাধীন কৰিছে, ধৰ্মৰ আৱৰণ লোৱা সাম্ৰাজ্যবাদী চক্ৰান্ত বুজি পাইছে। বহুদিন আগতে সি গোৱা গান ফঁাকি মোৰ মনত পৰিল—

“ঐ যে ভৰা নদীৰ বাকে বাকে
কাশেৰ বনেৰ ফাকে ফাকে
দেখা যায় যে ঘৰ খানি
সেথায় বধু থাকে লো-ওঁ-ওঁ।”

**অনিল ৰায় চৌধুৰী**





( ১৬ পৃষ্ঠাৰ পিচৰ পৰা )

(৬)

স্পষ্টতঃ কেৱলমাত্ৰ মানুহৰ চিন্তা আৰু চেতনাক লক্ষ্য কৰা আৰু সেই-বোৰৰ বস্তুগত ভিত্তি লক্ষ্য নকৰা,—ভাববাদৰ এই একানপতীয়া দৃষ্টিভংগীৰ দ্বাৰা মাৰ্ক্সবাদ পঙ্গু হৈ থকা নাই।

মাৰ্ক্সবাদে জ্ঞানানুসন্ধানত চিন্তা আৰু চেতনাৰ ভূমিকা অস্বীকাৰ কৰে, এই সমালোচনা ভিত্তিহীন। বস্তু আৰু মনৰ অবিচ্ছেদ্য যোগ, তত্ত্ব আৰু প্ৰয়োগৰ নিত্য ঐক্য, সমাজ আৰু প্ৰকৃতি সম্পৰ্কে সকলো কৰ্মধাৰাৰ ওপৰত মানুহৰ চেতনা আৰু চিন্তাৰ প্ৰবল ভূমিকা,—আদি তত্ত্বই প্ৰমাণিত কৰে যে মাৰ্ক্সবাদত চেতনাৰ ভূমিকা অস্বীকৃত হোৱাৰ প্ৰশ্নই নুঠে। “বিপ্লৱী তত্ত্বৰ অবিহনে বিপ্লৱ নহয়”—লেনিনৰ এই সুবিখ্যাত সুত্ৰত মাৰ্ক্সবাদৰ এই সিদ্ধান্তয়েই প্ৰতিফলিত হৈছে। পিচে চেতনাই আচল, বস্তু গৌণ,—মাৰ্ক্সবাদ এই ভাববাদী তত্ত্বৰ দুৰ্ঘোৰ বিৰোধী।

বস্তুজগৎ নিজস্ব নিয়মেৰে মানুহৰ জনা-অজনাৰ ওপৰত নিৰ্ভৰ নকৰাকৈয়েই বৰ্তি আছে। মানুহে শ্ৰম আৰু যৌথ প্ৰচেষ্টাৰে বস্তুজগৎ সম্পৰ্কে প্ৰকৃত সত্য জানিব পাৰে, আৰু ঐতিহাসিক ভাবে জানি আহি আছে।

সেয়ে এই জ্ঞানবাদে বিজ্ঞানৰ পথ খুলি দিয়ে।

মাৰ্ক্সবাদৰ জ্ঞানতত্ত্ব বিজ্ঞানৰ হাতত এপাত শক্তিশালী অস্ত্ৰ।

শ্ৰমজীৱী শোষিত মানুহে চলিত সমাজব্যৱস্থাৰ প্ৰকৃত ৰূপ জানিবলৈ পুঁজিপতি শ্ৰেণীৰ নিচিনাকৈ ভয় নকৰে। ভয় কৰিবৰ কাৰণো নাই। সমাজৰ প্ৰকৃত অৱস্থা উদঙাই দিবলৈ এই শ্ৰেণীৰ আগ্ৰহ প্ৰবল।

গতিকে মাৰ্ক্সবাদ সহজতে শ্ৰমজীৱী মানুহৰ জীৱনদৰ্শন, শোষিত মানুহৰ জ্ঞান আৰু কৰ্মযোগ।

(৭)

আজি পুঁজিবাদৰ জীৱনসংঘাত পুঁজিৰ তাত্বিক সকলৰ পক্ষে সমাজসত্যক অকপটে মানি লোৱা সম্ভৱ নহয়। এই সত্য এই শোষকশ্ৰেণীৰ মৃত্যুসদৃশ। এই শ্ৰেণীয়ে সমাজ বিকাশৰ সোঁতত ভেটা দিব বিচাৰিছে। মুখত বিজ্ঞানক



OKDISCD

অস্বীকাৰ নকৰিলেও কামত তেওঁলোকে অলৌকিকতাৰ আশ্ৰয় লবলৈ দ্বিধা নকৰে। এই শ্ৰেণীৰ প্ৰচাৰৰ ফলত, জাতীয় নেতাৰ মূৰ্ত্তি ইতিমধ্যে দেৱালয়ত প্ৰতিষ্ঠিত হৈছে। আনকি ভাৰতীয় সংসদত দেশৰ প্ৰধান ৰাজনৈতিক দলৰ নেত্ৰীক দশভূজা দুৰ্গা বুলি অভিহিত কৰাত কিছুমান সদস্যই একো টান পোৱা নাই! দেবীমাহাত্ম্য প্ৰচাৰৰ হেঁচাত মোহমুগ্ধ এগৰাকী দুখীয়া তিৰোতাই আশীৰ্বাদৰ আশাত যদি দেবীৰ ভৰি ধুই দিয়ে, তেনেহলে দেশৰ বাতৰি কাকতবোৰে সালঙ্কাৰেৰে এই বাতৰি প্ৰচাৰ কৰাত মুঠতে সঙ্কোচ বোধ নকৰে। এইদৰে ৰাষ্ট্ৰৰ আলম লৈ দেবীপূজা চলোৱাৰ যি চেষ্টা চলিব ধৰিছে, বিশ্ববিদ্যালয়ত ৰাজনীতিৰ পাঠমালাত শ্ৰীচণ্ডীক অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ আহি যাব বুলি আশংকা হয়!!

এলেন্দুৱা অন্ধবিশ্বাস ঘুৰাই অনাৰ প্ৰচেষ্টা, শোষণৰ প্ৰয়োজনত প্ৰচাৰৰ কাৰখানাত 'সত্য' বনোৱা, বিজ্ঞানৰ ঠাইত ওজালি,—ভাৰতৰ পুঁজিবাদী শ্ৰেণীয়ে এই অতিপাত পিছল বাটত ভৰি দিছেহি।

আচৰিত কথা, শোধনবাদী সোঁপন্থী কমিউনিষ্টদলে এই বাটতো পুঁজিপতি-শ্ৰেণীৰ লগ এৰা নাই! 'ৰাজদ্বাৰে শ্মশানেচ যঃ তিষ্ঠতি সঃ বান্ধবঃ'—এই নীতি তেওঁলোকে আখৰে আখৰে মানি চলিছে।

(৮)

যোৱা পঁচিশবছৰৰ ইতিহাসে দেখুৱাই দিয়ে যে পুঁজিপতিশ্ৰেণীৰ হাতত ৰাষ্ট্ৰৰ নেতৃত্ব থাকিলে দেশত পুঁজিবাদেই ডাঙৰ দীঘল হয়, পুঁজিৰ প্ৰভাৱ কটকটীয়া হয়—কোনোপধ্যে সমাজবাদ নহয়। ভাৰতত এই কালছোৱাত শ্ৰেণীবৈষম্য আৰু শ্ৰেণীশোষণ আগতকৈ তীব্ৰ হৈছে,—এই কথাষাৰ একমাত্ৰ পুঁজিৰ স্তাবকসকলে অস্বীকাৰ কৰিব পাৰে। ইয়াত পুঁজিবাদে মন'পলী সৃষ্টি নকৰে, বৰঞ্চ 'অপুঁজিবাদী' উপাদনবোৰকে ক্ৰমাৎ শক্তি যোগাই আছে, এই তত্ত্বও সমূলঞ্চে মিছা,—ম'নপলী কমিচনৰ ৰিপ'ৰ্টখনত চকু ফুৰালেই প্ৰমাণ পোৱা যাব।

এই তত্ত্ববোৰ ভাৰতৰ পুঁজিবাদী আৰু সংশোধনবাদী বহুতীয়া সক্ৰলৰ আত্মগত ইচ্ছাৰ প্ৰতিফলন মাথোন।

কোনো শ্ৰেণীয়ে বা কোনো ব্যক্তিয়ে নিজৰ ইচ্ছাৰে সত্যসৃষ্টি কৰিব





নোৱাৰে! ভাৰতৰ শোষক শ্ৰেণীৰ সংসদীয় একাধিপত্য, প্ৰচাৰ যন্ত্ৰ আদিয়ে সিহঁতৰ আত্মগত অভিলাষক কিছুদিন হয়তো জীয়াই ৰাখিব পাৰিবও, হয়তো অজ্ঞানৰ এন্ধাৰত ধনগুলৈৰ দৰে কিছুমানক ভোলখুৱাই মোহৰ পিতনিৰ পিনে লৈ যাব পাৰিব; পিচে সমাজৰ বাস্তবতাই যি সত্যক আশ্ৰয় নিদিয়ে, তাক কোনোৱে সৃজন কৰিব নোৱাৰিব।

আজিৰ ভাৰতত সমাজসত্য সৃষ্টি হৈ আছে খেতিৰ পথাৰত, পঁজাঘৰত, চহৰৰ ধূলিধূসৰ কাৰখানাত আৰু শ্ৰমজীৱীৰ জুপুৰিত; যত মানুহে শ্ৰম আৰু জ্ঞানেৰে কাম কৰি আছে, তাতেই অগণন মানুহৰ জীৱিকাৰ সংগ্ৰামত, ধনৰ শোষণ আৰু বলৰ পীড়নৰ বিৰুদ্ধে শ্ৰমৰ প্ৰতিৰোধৰ এই সত্য নিত্য ওপজি আছে।

সমাজ সত্যৰ এই উৎস শোষকশ্ৰেণীয়ে মানি নলয়। সিহঁতে পুঁজিৰ তত্ত্বাৱলীক শ্ৰমজীৱী মানুহৰ সোঁ-মাজত খড়গৰ দৰে দাঙি ৰাখিছে। সিহঁতে শ্ৰমজীৱী মানুহকো মাতিছে,—আহা আমাৰ লগ ধৰা; আমিহে সমাজতন্ত্ৰলৈ লৈ যাব পাৰিম; এই যুগত এই দেশত মাৰ্ক্সবাদ খাপ নেখায়, আৰু তাৰ বহুতোখিনি ভুল। গতিকে আমাৰ নেতৃত্ব মানিলোৱা (নহলে ধ্বংস হৈ যাবা)!

শ্ৰমজীৱী মানুহে তাৰ উত্তৰত কব ঃ ইতিহাসত কাৰ মুখ কোন পিনে ঘুৰিছে চোৱা। আমি নহয়, পুঁজিবাদেই ধ্বংস হব ধৰিছে!

বিবেকানন্দৰ অনুসৰণত শ্ৰমজীৱীসকলেহে—শোষক শ্ৰেণীক কব পাৰে ঃ " ... ... অতীজৰ কংকাসকল ... ... তোমালোকহে ভূতকাল-লঙ্, লুঙ্, লিট্ আটাই কেইটা......তোমালোক শূন্যত বিলীন হোৱা আৰু নৱভাৰত জনম লওক; জনম লওক হাতত নাঙলৰ খুটিৰে সৈতে, খেতিয়কৰ পজা ঘৰত, জালোৱা নাৱৰীয়া মুচি মেথৰৰ জুপুৰিৰ পৰা......জাগি উঠক মুদৈৰ দোকান আৰু ভুজিয়াৱালাৰ জুহালৰ কাষত, ওলাওক কাৰখানা আৰু হাটবজাৰৰ পৰা...... ।"

এই শ্ৰমজীৱী মানুহেই ভৱিষ্যত ভাৰতৰ উত্তৰাধিকাৰী। মাৰ্ক্সবাদৰ জ্ঞানবাদে এই শ্ৰেণীৰ জয়যাত্ৰাৰ পথকে তত্ত্বৰ পোহৰে আলোকিত কৰিছে।

—×—



OKDISCD

# চিঠি পত্ৰ

## সম্পাদক, "নতুন পৃথিৱী"

সম্পাদক মহাশয়,

গভীৰ মনোযোগ সহ ২য় সংখ্যা "নতুন পৃথিৱী"ত অধ্যাপক অতুল গোস্বামীৰ "অসমত দ্ৰব্যমূল্যবৃদ্ধিৰ কাৰণে" প্ৰবন্ধটো পঢ়িলোঁ। কিন্তু দুখৰ বিষয় তেওঁৰ প্ৰবন্ধটোত বৈজ্ঞানিক অনুসন্ধানৰ লক্ষণ আমাৰ চকুত নপৰিল। পিচলৈ এই সম্পৰ্কে দীঘলীয়া আলোচনা এটা কৰাৰ ইচ্ছা আছে। আপাততঃ অধ্যাপক গোস্বামী আৰু পাঠক সকলৰ দৃষ্টি তলত দিয়া তথ্যবোৰলৈ আকৰ্ষণ কৰিলোঁ।

(১) ভাৰতৰ অৰ্থব্যৱস্থাৰ সম্পূৰ্ণ চৰিত্ৰ বাদ দি অসমৰ কথা ভবাটো বিজ্ঞানসন্মত নহয়। বিশেষকৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কৰনীতি (taxation Policy) আওকান কৰি দ্ৰব্যমূল্যবৃদ্ধিৰ কাৰণ নিৰ্ণয় কৰা টান। এই প্ৰসংগত উল্লেখযোগ্য যে ১৯৭১ চনতে দুবাৰকৈ কৰ বঢ়ুৱা হ'ল।

(২) ১৯৬২ চনৰ পিচত অসমত প্ৰতিৰক্ষাৰ (defence) নামত বিভিন্ন ৰাস্তা পদুলি, সৈন্যশিবিৰ আদি নিৰ্মাণ কৰাত প্ৰচুৰ অৰ্থব্যয় হৈছে। অসমত থকা বিপুল সেনাবাহিনীৰ চাহিদা পূৰাবলৈ স্থানীয় দ্ৰব্যসামগ্ৰী বহু পৰিমাণে ক্ৰয় কৰা হৈছে। তাৰ ফলতো বস্তুৰ দামৰ উৰ্দ্ধমুখী গতি হৈছে।

(৩) দোং, মঠাউৰি ইত্যাদি বিভিন্ন নিৰ্মাণ কাৰ্যৰ ঠিকাৰ পৰা আৰু অসৎ উপায়ে পোৱা ধন স্থানীয় ধনীবিলাকে উৎপাদনমূলক (productive) কামত খৰচ নকৰি ভোগ্যসামগ্ৰীক্ৰয়ত খৰচ কৰিছে। তাৰ ফলত নিশ্চয় দ্ৰব্যমূল্যৰ উৰ্দ্ধমুখী গতি দ্ৰুততৰ হোৱাত সহায় হৈছে।

(৪) ১৯৬৮ চনলৈকে ৱাঞ্চু কমিটিৰ প্ৰতিবেদন মতে ভাৰতত ৭০০০ কোটি ক'লা টকা (black money) আছিল। অসমত তাৰ আনুমানিক কিমান অংশ ঘূৰি আছে আমি জানোনে?

(৫) "দ্ৰব্যমূল্যবৃদ্ধিৰ" কথা উল্লেখ কৰোঁতে পাহৰিব নোৱাৰি যে গ্ৰাম্যাঞ্চলৰ দুখীয়া খেতিয়কে কেতিয়াও কৃষিজাত উৎপন্নৰ বাবে উচিত





মূল্য নাপায়। কুখ্যাত "দাদনপ্ৰথাৰ" বাবে দুখীয়া খেতিয়কে ধানৰ মোণে ১৫ টকাকৈ পায়—বজাৰত ধানৰ মোণে ৩০।৪০ টকা হ'লেও। মৰাপাটৰ দাম বজাৰত মোণে ৫০ টকা। দুখীয়া খেতিয়কে তাক মোণে ২০ টকাত বিক্ৰী কৰিবলৈ বাধ্য হয়। অৰ্থাৎ এই দ্ৰব্যমূল্যবৃদ্ধিৰ পৰা উৎপাদক শ্ৰেণীটোৱেই কোনো লাভ হোৱা নাই। এই সম্পৰ্কে অধ্যাপক গোস্বামী অচেতন। যি সকল মানুহে আমাৰ খেতিয়ক সকলৰ দাৰিদ্ৰ্যৰ কাৰণ তেওঁলোকৰ এলাহ বুলি কব খোজে, তেওঁলোকে গাঁৱলৈ আহিলে দেখিব যে অতি পৰিশ্ৰমী আদৰ্শ খেতিয়কেও কেনেকৈ দ্ৰব্যমূল্যবৃদ্ধিৰ পৰা কোনো উপকাৰ পোৱা নাই।

আমাৰ গৱেষকসকলৰ দৃষ্টি পুনৰ এই তথ্যলৈ আকৰ্ষণ কৰিলোঁ—আৰ্থিক ঘটনাবোৰ সামাজিক আৰু ৰাজনৈতিক ঘটনাৰ পৰা পৃথক কৰিলে কিছুমান ভুল হব পাৰে। ইতি।

শ্ৰীহেমেন দাস (সৰভোগ)

—×—

আগষ্ট মাহত প্ৰকাশ পাব "নতুন পৃথিৱীৰ" বাৰ্ষিক সংখ্যা। তাত থাকিব—মাওচেতুঙৰ দ্বন্দ্বৰ বিষয়ে বিচাৰ, যোৱা সাধাৰণ নিৰ্বাচন সম্পৰ্কে ডঃ দেৱপ্ৰসাদ বৰুৱাৰ প্ৰবন্ধ হীৰেণ ভট্টাচাৰ্য্যৰ কবিতা, শীলভদ্ৰৰ আৰু মুকুট ভট্টাচাৰ্য্যৰ উপন্যাস, হৰেকৃষ্ণ দাসৰ গল্প, অনিল ৰায়চৌধুৰীৰ ফেচিবাদৰ আৰু ডঃ অমলেন্দু গুহৰ—সামন্ত যুগীয় অসমৰ ভূমি ব্যৱস্থা সম্পৰ্কে আলোচনা, মুকুট ভট্টাচাৰ্য্যৰ উপন্যাসিকা খগেন শৰ্মা ৰাজখোৱাৰ প্ৰবন্ধ, কুমুদ গোস্বামীৰ গল্প, হীৰেন গোহাঁইৰ অসমৰ কলাশিল্প সম্পৰ্কে টোকা, বৰ্ত্তমান শিক্ষা নীতি সম্পৰ্কে ৰঞ্জিত নাৰায়ণ ডেকা আৰু খগেন্দ্ৰ নাথ শৰ্মা ৰাজখোৱাৰ প্ৰবন্ধ আৰু বহুতো আকৰ্ষণীয় সম্ভাৰ—মূল্য ৩·৫০ টকা (নিয়মীয়া গ্ৰাহকৰ বাবে ২·৫০ টকা)।

সম্পাদক—



OKDISCD

# ভদ্ৰলোক

গোবিন্দ প্ৰসাদ শৰ্ম্মা

যি হ'লো গৈ অৱশেষত, তাৰ দাম এনেদৰে দিব লাগিব বুলি আগতেই যদি জানিলোঁহেঁতেন ! আগতেই যদি বুজিলোঁহেঁতেন, মোৰ জীৱনৰ এই আশাতীত সফলতাৰ অন্তত সন্মুখীন হব লাগিব গৈ এনে এক অপ্ৰত্যাশিত কাৰুণ্যৰ ! সহজ, সৰল, কোমল-মনা সেই গাৱঁৰ মানুহবোৰৰ কিমান যে ভালপোৱা আছিল মোৰ প্ৰতি। অথচ কেনেদৰে বিচ্ছিন্ন হৈ পৰিলোঁ সেই মানুহবোৰৰ পৰা, সেই মোৰ গাওঁখনৰ পৰা।

আজি কালি প্ৰায়ে ভাব হয়, কিয় এনে হ'ল। প্ৰায়ে নিজকে শোধোঁ, কেনেকৈ এনে হলোঁ গৈ ? উত্তৰ কিন্তু বিচাৰি নাপাওঁ।

মাইনৰ পাচ কৰালৈকে এনেকুৱা এটা জীৱনৰ কথাতো সপোনতো ভাবিব পৰা না ছলোঁ। তেতিয়া চহৰ দেখিছিলোঁ—আমাৰ গাৱঁৰ পৰা তিনি মাইল আঁতৰৰ সেই সৰু চহৰখন। তাত মানুহবোৰে কি কৰে, তাৰ মানুহবোৰ আমাৰ গাৱঁৰ মানুহবোৰতকৈ কিহত বেলেগ, সেইবোৰ জ্ঞান কিন্তু তেতিয়া হোৱা নাছিল। আমাৰ গাৱঁতোতো তেতিয়া একে ধৰণৰ মানুহেই। সকলোৰে পথাৰত খেতি কৰে, বাৰীত কোৰ মাৰে আৰু ভাত খায়। পৃথিবীৰ সকলো মানুহেই তেনেদৰে পথাৰত খেতি কৰে, বাৰীত কোৰ আৰু ভাত খাই জীয়াই থাকে বুলি ভাবিছিলোঁ তেতিয়া।

মানুহ যে একে শ্ৰেণীৰেই নহয়—সেই জ্ঞান হ'ল পিচত। তিনি মাইল আঁতৰৰ চহৰখনৰ হাই স্কুলখনত নাম লিখাৰ কেইদিনমান পিচৰ কথা। গধূলি আমাৰ চুবুৰিৰ এমূৰৰ ৰাস্তাৰ দলংখনত আমি সমনীয়া ল'ৰা কেইজনমান বহি জিৰণি লৈছোঁ। সিপিনৰ পৰা আহিছিল আমাৰ ওচৰৰ চুবুৰিটোৰ ৰহিম কা। ত্ৰিছ-ছল্লিছ বছৰীয়া ৰহিম কা গাৱঁৰ আমি আটাইবোৰ ল'ৰা ছোৱালীৰ কাৰণেই ককাইদেউৰ দৰে। ৰহিম কাৰ বাবেও আমাৰ দৰে সৰু ল'ৰাবোৰ সদায় তেওঁৰ ভায়েক। তাৰ মাজতে আকৌ ৰহিম কাৰ বিশেষ মৰমৰ হ'ল আমাৰ দৰে স্কুললৈ যোৱা ল'ৰাবোৰ। ৰহিমকাৰ দুখ,





তেওঁৰ নিজৰ চুবুৰিৰ ল'ৰাবোৰ স্কুললৈ নাযায়। প্ৰাইমাৰী স্কুললৈ অৱশ্যে ডাঙৰবোৰে ল'ৰাবোৰক মৰিয়াই গতিয়াই হলেও পঠিয়ায়। কিন্তু প্ৰাইমাৰীটো পাচ কৰাব পাৰিলে ডাঙৰবোৰেও আৰু এৰি দিয়ে। ৰহিম কাৰ সেই কাৰণে মৰম, গাওঁখনৰ অন্য চুবুৰিৰ প্ৰাইমাৰী স্কুল পাচ কৰি মাইনৰ স্কুললৈ যোৱা ল'ৰাবোৰলৈ। আমি হাই স্কুললৈ যোৱা ল'ৰাবোৰলৈ তেওঁৰতো মৰমৰ সীমাই নাই। আমাক লগ পালে মৰমৰ মাত এষাৰ নিদিয়াকৈ তেওঁ কেতিয়াও নাযায়, স্কুলৰ বিষয়ে কিবা এটা কথা নোকোৱাকৈ কেতিয়াও নাথাকে। মাইনৰ স্কুলতো মাষ্টৰে পঢ়া নোৱাৰিলে বেট দিয়েনে ? মাইনৰ স্কুলত যদি ল'ৰা ঢাৰিত নবহি বেঞ্চত বহে, হাই স্কুলত তেন্তে চেয়াৰতেই বহে নেকি ? স্কুলৰ বিষয়ে জানিবলৈ ৰহিম কাৰ কত যে কৌতূহল।

ৰহিম কাৰ ৰেহ-ৰূপ কিন্তু সেইদিনা সম্পূৰ্ণ বেলেগ দেখিলোঁ। তেওঁৰ মাতত সেই দিনা কিবা এটা ক্ষোভৰ সুৰ। মুখত আন দিনাৰ হাঁহিটো নাই। তেওঁ ক'লে, 'যা, যা, তহঁতে পঢ়ি-শুনিয়েই বা কি সোপা কৰিবি। এই মাত্ৰ চহৰৰ পৰা আহিলোঁ। দিনটো লঘোন। কিন্তু হাকিমৰ অফিচত মোৰ সেই দুখ বুজে কোনে ? মাটি মোৰ, খেতি কৰোঁ মই ; তথাপি সেই মাটি বোলে মোৰ নামত নাই। কিবাবোলে তাতে নামজাৰি থাকিব লাগিব। তাকে লৈ আজি অত মাহে মাটি হাকিমৰ অফিচত নগুৰ শাস্তি। ৰতন মহৰিয়ে আজি কামটো যেনে তেনে হব বুলি আশা দিছিল। পিচে ক'ত ! কি কেৰাণী, কি হাকিম—কাৰো গাকে লৰাব নোৱাৰিলোঁ। গোটেই দিনটো লঘোনে-ভোকে চালাম ঠুকোঁতেই গ'ল। খেতিয়ক হ'লোঁ বুলি, অশিক্ষিত হ'লোঁ বুলি আমি মানুহেই নহলোঁ নেকি ? খঙৰ ভমকত কথাখিনি কৈ ৰহিম কাই আমাক 'পাৰ' হৈ আগুৱাই গৈছিল। আমি চিঞৰি মাতিলোঁ, ৰহিম কা, ৰহিম কা, ৰবা। ক'ত যোৱা তেনেকৈ ? কি হৈছে আমক ভালকৈ কৈ যোৱা'। ৰহিম কা কিন্তু নৰল। আনকি উভতিও নাচালে। 'যা, যা, তহঁতো পঢ়ি শুনি তেনেকৈ হাকিম, কেৰাণী বা মণ্ডল এটা হৈ ওলাব নোৱাৰ যদি আমাৰ দুখৰ কথা সুধি কি সোপা কৰিবি।' ৰহিম কা আঁতৰি গ'ল।

ৰহিম কাৰ সেই দিনাৰ মুখৰ চেহেৰাটোৱে ; ৰহিম কাৰ সেইদিনাৰ কথা কেইটাই কিয় জানো অন্তৰত ছাপ বহুৱালে। 'কি কেৰাণী, কি হাকিম,



OKDISCD

কাৰো গাকে লৰাব নোৱাৰিলোঁ……।’ ৰহিম কাৰ দৰে মানুহহেও? ‘গোটেই দিনটো লঘোণে-ভোকে চালাম ঠুকোঁতেই গ’ল…।’ ৰহিম কাৰ দৰে মানুহজনেও? আমাৰ ৰহিমক কাৰ দৰে মানুহেও চালাম ঠুকিবলগীয়া মানুহ তেন্তে আছে?

‘খেতিয়ক হলোঁ বুলি, অশিক্ষিত হলোঁ বুলি, আমি মানুহেই নহলেঁ। নেকি…?’ মানুহ তেন্তে দুবিধ? কেৰাণী, হাকিম, মণ্ডল—সেই শিক্ষিত মানুহবোৰ—যিবোৰক আমি চালাম ঠুকিব লাগে। আৰু ৰহিম কাইতকে আদি কৰি আমি অশিক্ষিতবোৰ—যিবোৰে তেওঁলোকক চালাম ঠুকিব লাগে? এই দুবিধ তেন্তে মানুহ? কিন্তু মানুহ দুবিধ বুলি ৰহিম কাৰ এই কথাৰ পৰা বুজিলোঁ যদিও, এই দুবিধ মানুহৰ মাজত আচলতে কিহৰ পাৰ্থক্য তাক বহুত দিনলৈ ভাবি উলিয়াব পৰা নাছিলোঁ। পিচত তাবি পালোঁ এবিধ মানুহ স্কুল কলেজত পঢ়া, ইংৰাজী জনা শিক্ষিত মানুহ। এওঁলোকৰ পিন্ধনত চাফ চিকুণ কাপোৰ, ভৰিত জোতা, হাতত ঘড়ী। আন বিধ মানুহ ভালকৈ লিখা-পঢ়া নজনা, ইংৰাজী-নজনা, জধলা পিন্ধন—উৰণৰ মানুহ। জোতা-মোজা-ঘড়ী পিন্ধা, ইংৰাজী জনা চাফ-চিকুণ মানুহবোৰে হাল বাই বা বোজা কঢ়িয়াই জীৱিকা উলিয়াব নালাগে। তেওঁলোকৰ জীৱন আৰামৰ জীৱন। কাম থাকিলেও তেওঁলোকৰ কাম পাংখাৰ তলৰ কাম। ইবিধ মানুহৰ কাম আন হাতে দেহেৰে খাটি খোৱা কাম—গাৱঁলীয়া হ’লে হালবোৱা, কোৰ মৰা; চহৰীয়া হ’লে বোজা কঢ়িওৱা। এওঁলোকৰ কাম ৰ’দ-বৰষুণৰ কাম। মানুহ সঁচাই দুবিধেই। কথাটো ভাবি উলিয়াব পৰা বাবে মনে মনে বৰ আনন্দ পাইছিলোঁ।

কিন্তু ইবিধ মানুহে সিবিধ মানুহক কিয় চালাম ঠুকিব লাগে? দেহেৰে খাটি খোৱা মানুহবোৰ মূৰেৰে খাটি খোৱা মানুহবোৰতকৈ কিহত সৰু হ’ল—? ৰহিম কাই কিয় আমি ডাঙৰ হৈ সিবিধ মানুহৰ আসন লবলৈ আশা পালি থাকিব লাগে? এই প্ৰশ্নৰ উত্তৰ সেই সময়ত কোনোমতেই ভাবি উলিয়াব পৰা নাছিলোঁ। কিন্তু কথাটো যিমানেই ভাবিছিলো সিমানেই এটা কথা ভালকৈ বুজিছিলোঁ। সেইটো আছিল এই যে, দেহেৰে পৰিশ্ৰম কৰি যিবোৰে খাব নালাগে সেইবোৰৰ জীৱন নিঃসন্দেহে সুখৰ জীৱন। ৰহিম কাইঁতে দিনটো লঘোনে থাকি চালাম ঠুকিলেও সিবিধ মানুহে মূৰ তুলি নোচোৱাকৈয়েই





পংখাৰ তলত আৰামত বহি থাকি নিজৰ কাম কৰি যাব পাৰে। সেয়েহে নিশ্চয় কি ৰহিম কাই, কি পিতাই, কি গাৱঁৰ অন্য মানুহবোৰে আমাক ভালকৈ পঢ়িবলৈ কৈ লগতে কয়, ‘তেহে হাকিম—উকিল হব পাৰিবি।’ সেই কাৰণেহে নিশ্চয় আমাৰ কিতাপতো আছে, ‘‘লিখা-পঢ়া কৰে যেয়ে, ঘোঁৰা-গাড়ী উঠে সেয়ে।’

এবিধ মানুহে আনবিধ মানুহক চালাম ঠুকিব লাগে তাৰ উত্তৰ এনে-কৈয়েই বিচাৰি পাইছিলোঁ। এনেকৈয়েই লিখা-পঢ়াত বেচি মনোযোগ দিছিলোঁ। পিতাই ভাল পাইছিল। নিজে পঢ়িব নোৱাৰা দাদাই ভাল পাইছিল। গাৱঁৰ মানুহবোৰে ভাল পাইছিল। আৰু সৰ্বোপৰি ভাল পাইছিল ৰহিম কাই। ৰহিম কাই আশা কৰা মতেই এই সময়ত মোৰ জীৱনৰ লক্ষ্য হৈ পৰিছিল হয় হাকিম হোৱা, নহয় কেৰাণী হোৱা, নহয় মণ্ডল হোৱা। মুঠৰ ওপৰত, সিবিধ মানুহ হোৱা, যিবিধে আমাৰ পিতাইঁতৰ দৰে দেহ মাৰি পৰিশ্ৰম কৰি ভাত মোকোলাব নালাগে; অথচ সিবিধ মানুহৰ ওচৰতে ইবিধ মানুহে চালাম ঠুকি থাকিব লাগে।

এই ভাগ্যৱান মানুহ শ্ৰেণীকনো কি মানুহ বুলি কয়, বহু দিনলৈ পিচে জনা নাছিলো। কেনেকৈ প্ৰথম জানিছিলো, সিও এটি আমোদজনক কাহিনী। আমি পঢ়া সৰু চহৰ খনত স্থায়ী চিনেমা হল নাছিল। গতিকে আমি বহুত ডাঙৰলৈ চিনেমাও দেখা নাছিলো। আমি তেতিয়া সপ্তম নে অষ্টম মানত। আমাৰ চহৰলৈ কেইদিনমানৰ কাৰণে চিনেমা আহিছিল। দেখুৱাৰ ব্যৱস্থা কৰা হৈছিল। চহৰ খনৰ সভা-সমিতিৰ বাবে থকা ‘গান্ধী ভৱনটো’ত। এদিন আমিও চাবলৈ গৈছিলো— পিতা, আই, দাদা, বৌ, আৰু মই।

গৈ পাই দেখিলো টিকেটৰ কাৰণে মানুহৰ ভয়ঙ্কৰ হেঁচা থেলা। আটাইতকৈ বেছি ভিৰ দেখিলো থাৰ্ড ক্লাচ টিকেট দিয়া খিৰিকীত। তথাপি সেই ভিৰৰ মাজতেই দাদা সোমাই গ’ল,। সেই ভিৰৰ মাজত আধা ঘণ্টা মান টিকেটৰ বাবে যুদ্ধ কৰিও দাদাই টিকেট লব নোৱাৰিলে আৰু অলপ জিৰাই লবলৈ দাদা ওলাই আহিল। সেইখিনি সময় পিতাই যুঁজি চাওঁ বুলি ভিৰৰ মাজত সোমাব খুজিছিল। মই কিন্তু একেবাৰে জনশূণ্য টিকেট দিয়া খিৰিকী এখনলৈ আঙুলিয়াই কলো, ‘সৌ খিৰিকীখনত চোন এজনো



OKDISCD

মানুহ নাই। সেই যে লিখা আছে— "ফাৰ্ষ্ট ক্লাচৰ টিকেট।"' পিতাই লগে লগে কৈ উঠিল, 'এঃ! ফাচ কালাচত ভদ্রলোকেহে চায়। আমি হোজালোক। ফাচ কালাচৰ মানুহৰ লগত কেনেকৈ বহিম!' পিতাৰ কথাষাৰ লগে লগেই মোৰ মনত এটি ডাঙৰ প্রশ্ন হৈ থিয় হ'ল: আমি হোজা লোক। অন্য কিছুমান আকৌ ভদ্রলোক। ভদ্রলোক বুলি পিতাই সিবিধ মানুহকেই বুজাইছে নেকি?

শেহলৈ থাৰ্ড ক্লাচৰ টিকেট লোৱাৰ আশা পিতাইতে বাদ দিবলৈ বাধ্য হৈছিল আৰু আগতকৈ কম কষ্ট কৰি চেকেণ্ড ক্লাচৰ টিকেট লৈছিল। চেকেণ্ড ক্লাচত বহি লোৱাৰ পিচৰে পৰা চিনেমা আৰম্ভ হোৱালৈ মোৰ চকু আছিল আমাৰ পিচফালৰ ফাৰ্ষ্ট ক্লাচত। তাত বহা ভদ্রলোকবোৰনো আচলতে কি মানুহ, মোৰ চাবলৈ কৌতুহল হৈছিল। চাই দেখিলোঁ। ভদ্রলোক মানে দেহেৰে খাটি খাব নলগা সেই ভাগ্যবান মানুহবোৰেই হয়— চাফ-চিকুণ কাপোৰ পিন্ধা, জোতা মোজা ঘড়ী পিন্ধা সেই মানুহবোৰ। পিতাই কোৱা কথাই তেন্তে সঁচা— আমি তেওঁলোকৰ লগত একেলগে কেনেকৈ বহিম! তেওঁলোক ভদ্রলোক। মনে মনে আওৱালোঁ।

কিন্তু ভদ্রলোক আৰু হোজালোক সঁচাই একেলগে বহিব নোৱাৰে? এই দুয়োবিধ মানুহ জানো একে মানুহেই নহয়? 'লিখা পঢ়া কৰে যেয়ে ঘোড়া গাড়ী উঠে সেয়ে'— পুনৰ মনত পৰিল। আৰু মনত পৰিল, 'যা যা, তইঁতো পঢ়ি শুনি তেনেকৈ হাকিম, কেৰাণী বা মণ্ডল এটা হৈ ওলাব নোৱাৰ যদি।' ৰহিম কাৰ সেই কথা। সিয়েই যেন উৎসাহ দিলে।

ক্রমে ক্রমে গৈ হাইস্কুলৰ ওপৰ শ্রেণী পাইছিলো। লগে লগে সম্পৰ্ক হেৰুৱাইছিলো পথাৰৰ সৈতে। নৱম মানলৈ প্রমোচন পোৱাৰ পিচত পিতাই এদিন আগৰ দৰেই পথাৰলৈ গৈ তেওঁৰ কামত সহায় কৰি দিবলৈ কৈছিল। মই কিন্তু সেইদিনা পিতাক বুজাইছিলো, কেনেকৈ হাইস্কুলৰ ওপৰ শ্রেণী পোৱাৰ বাবে, দুবছৰ পাচত ফাইনেল পৰীক্ষা দিব লাগিব বাবে, মই আৰু আগৰ দৰে খেতিৰ কামত লাগি সময় নষ্ট কৰিব নোৱাৰা হৈছো। পিতাই মোৰ কথাত আপত্তি কৰা নাছিল। তেওঁ কৈছিল, 'জানো, তোৰ কাৰণে কি ভাল, কি বেয়া এতিয়া তইহে জনা হৈছ। আমিতো হোজা





লোক। যেনে কৰিলে তোৰ পঢ়াত ভাল হয়, তাকেই কৰ।' তেনেকৈয়ে পথাৰৰ সৈতে মোৰ সম্পৰ্ক হেৰাইছিল। দেহেৰে পৰিশ্রম কৰিবলৈ এৰিছিলো। গা-মূৰ চিলচিলীয়া হৈ উঠিছিল। আৰু কাপোৰ কানিও হৈছিল চাফ-চিকুণ।

গুৱাহাটীৰ কলেজ পালত মোৰ এই পৰিবৰ্ত্তনে পূৰ্ণতা লাভ কৰিলে। পিন্ধন উৰণত কলেজ পায়েই পূৰা চাহাবটো হৈ উঠিছিলোঁ। এনে চাহাবী সাজ-পাৰ পিন্ধি বন্ধত ঘৰলৈ গলে গাঁৱৰ মানুহৰ পৰা উৎসাহেই পাইছিলো। তেওঁলোকে প্রসংশা সূচক ভাবত সেই সাজ-পাৰবোৰ লাৰি-চাৰি চাইছিল আৰু পিন্ধি কেনে লাগে সুধিছিল। লগত লৈ অহা তেওঁলোকৰ সৰু সৰু ল'ৰা ছোৱালীবোৰক মোৰ চাহাবী সাজ-পাৰ দেখুৱাই কৈছিল, 'তহঁতেও ভালকৈ পঢ়া শুনা কৰিবি।' গাঁৱৰ মানুহবোৰৰ মনত মই গাঁৱৰ ল'ৰা ছোৱালী বোৰৰ আদৰ্শ—কথাটো ভাবি কিয় জানো অলপ লাজ পোৱা যেন লাগিছিল মাজে মাজে। গাঁৱৰ মানুহবোৰে মোক যিখন আসন দিছে, মোৰ ভৱিষ্যৎ যেনেকুৱা হব বুলি তেওঁকে ধৰি লৈছে মই তাৰ অধিকাৰী হওঁ নে নহওঁ সি যেন ভাবি চাবলগীয়া কথা আছিল। কিন্তু এটা কথাত মোৰ সন্দেহ নাছিল। মই যিটো বাটেৰে গৈছোঁ, পঢ়ি শুনি এটি আৰামী চাকৰি কৰা জীৱনৰ বাট— সিয়েই পঢ়া-শুনা কৰা লৰাৰ কাৰণে একমাত্র বাট— শুদ্ধ আৰু আদৰ্শনীয়।

কলেজ বন্ধ হলে যেতিয়াই ঘৰলৈ যাওঁ তেতিয়াই গাঁৱৰ মানুহবোৰ চহৰৰ কথা শুনিবলৈ মোৰ ওচৰলৈ লৰি আহিছিল— যেন মই চন্দ্রৰ পৰাহে আহিছো। ময়ো তেওঁলোকক সন্তুষ্ট কৰিবলৈ কৈ গৈছিলো চহৰৰ যত কথা। চহৰীয়া মানুহৰ চাল-চলন, চহৰীয়া আদব-কায়দা, চহৰীয়া সভ্যতা—এইবোৰৰ কথা—সম্পূৰ্ণ এক শ্রেণী বেলেগ মানুহৰ কথা। প্রথমতে মোৰ এই বৰ্ণনাত স্বাভাৱিকতেই আছিল এটি নিৰাশক্তি। পিচলৈ কিন্তু সেইবোৰ বৰ্ণনাত মোৰ অজ্ঞাত সাৰেই সোমাই পৰিবলৈ ধৰিছিল সেই সভ্যতাত মোৰ এটি লিপ্ততাৰ ভাব। তেতিয়া মই কলেজৰ তৃতীয়-চতুৰ্থ বাৰ্ষিকমান পাইছিলো গৈ।

সময়ত যেতিয়া এম. এচ. চি. পাচ কৰিছিলো, আমাৰ চহৰৰ হাইস্কুল খনে তাত শিক্ষকতা কৰিবলৈ মোক মাতিছিল। আমাৰ গাঁৱৰ ওচৰৰে গাঁৱঁখনত নতুনকৈ পতা হাইস্কুলখনে আকৌ তাত হেড্ মাষ্টাৰ হবলৈকো



OKDISCD

মোক মাতিছিল। মই কিন্তু গাৱঁলৈ উভতি যোৱাৰ কথা আৰু ভাবিব পৰাকে নাছিলো। পিতালৈ লিখিছিলো, হাকিম হবলৈ সৰুৰে পৰাই ইচ্ছা কৰি আছো। কিন্তু হাকিম হব লাগিলে এটা বৰ কঠোৰ পৰীক্ষা পাচ কৰিব লাগিব। তাৰ বাবে জগতৰ সমস্ত নতুন খবৰ কণ্ঠতেই থাকিব লাগিব। সেই বাবেই এই পৰীক্ষাটো নিদিয়ালৈকে গুৱাহাটী এৰি আৰু গাৱঁত থাকিব নোৱাৰি। পিতাই আপত্তি কৰা নাছিল। অত টকা মোৰ লগত ভাঙিব পাৰিছে যেতিয়া এই টান পৰীক্ষাটো দিয়ালৈ আৰু যি টকা লাগে তাকো ভাঙিব পাৰিব। পিতাই উত্তৰ পঠিয়াইছিল।

সময়ত এ. চি. এচ. পৰীক্ষা দিছিলো আৰু হাকিমৰ চাকৰি পাইছিলোঁ। চাকৰিত যোগ দিয়াৰ আগে আগে গাৱঁৰ মানুবোৰক মাত দিবলৈ গৈছিলোঁ। সকলোৱে ভাল পাইছিল। ৰহিম কাই চুলিত হাত বুলাই দি কৈছিল, 'আমাক কিন্তু নাপাহৰিবি। গাৱঁথনলৈ মৰম নেৰিবি।'

গাৱঁথনলৈ মৰম এৰা নাছিলো। অৱশ্যে মনতে গাৱঁথনলৈ মৰম সদায় থাকিলেও তালৈ ঘনাই যোৱা, ঘনাই গৈ মানুহবোৰৰ লগত লগ হোৱা, তেওঁলোকৰ সুখ দুখৰ ভাগি হোৱা, আৰু সম্ভৱ নহৈছিল। তেনে কৰিবলৈ ইচ্ছা অৱশ্যে সদায়ে আছিল। কিন্তু কামৰ পৰা ছুটি নাপাওঁ। তদুপৰি পিচলৈ বিয়া-বাৰু কৰালত ঘৰ এৰো বুলিও এৰিব নোৱাৰা হলোঁ। সপৰিবাৰে গাৱঁলৈ যোৱাও সম্ভৱ নহয়— গাৱঁলৈ যাতায়তৰ যিহে ব্যৱস্থা, গাৱঁৰ যিহে ৰাষ্টা ঘাট।

বিয়াও কৰাইছিলোঁ চহৰত। গুৱাহাটীতেই। কোনো দিন গাৱঁলৈ নোযোৱা চহৰীয়া পৰিয়ালৰ চহৰীয়া ছোৱালী। গাৱঁলৈ যাবলৈ স্বাভাৱিকতেই তেওঁ উৎসাহ নেদেখুৱাইছিল। তথাপি মোৰ এই বিয়াত পিতাৰো সন্মতি আছিল। পিতাই সঁচাকৈয়ে মোৰ কোনো কথাতেই কেতিয়াও আপত্তি কৰা নাছিল। বিয়া কৰাই সুখীয়েই হৈছিলোঁ। সৰুৰে পৰা বিচাৰি অহা চহৰীয়া এটি আৰামী জীৱনৰ পূৰ্ণতাপ্ৰাপ্তি হৈছিল যেন চহৰত কৰোৱা মোৰ এই বিয়া খনৰ মাজেদিয়েই।

কিন্তু এই ভদ্ৰলোকী জীৱনৰ দাম, এই চহৰীয়া জীৱনৰ দাম, এনেকৈ দিব লাগিব বুলি আগতেই যদি সঁচাকৈয়ে জানিলোঁহেঁতেন।





হাকিমৰ অফিচত মোৰ তলতীয়া কৰ্মচাৰীবোৰৰ মানুহক কষ্ট দি টকা উপাৰ্জ্জন কৰাৰ যি প্ৰথা তাক প্ৰথম অৱস্থাত সমূলি সহ্য কৰিব পৰা নাছিলোঁ। ৰহিম কাই আমাৰ দৰে লৰাৰ পৰা যি আশা কৰিছিল তাৰ স্মৃতি তেতিয়াও মনত সেউজীয়া হৈয়েই আছিল। কিন্তু তলতীয়া কৰ্মচাৰীবোৰক সৎ পথলৈ আনিবলৈ গৈ অফিচত ইমানেই অপ্ৰিয় হৈ উঠিছিলো যে মিজো পাহাৰলৈ মোৰ ট্ৰেন্‌চ্‌ফাৰ অৰ্ডাৰ হৈছিল। সৌভাগ্যক্ৰমে মোৰ শহুৰ আছিল প্ৰভাৱশালী লোক। তেখেতে কিবা উপায়ে সেই ট্ৰেন্‌চ্‌ফাৰ অৰ্ডাৰ কেন্‌চেল কৰালে। কিন্তু লগতে শহুৰে মোক সাৱধান বাণী শুনাই দিলে ঃ 'এই যুগৰ মানুহৰ দৰে চলিবলৈ তুমি এতিয়াও শিকা নাই। এই যুগৰ মানুহৰ মেণ্টেলিটিয়েই তোমাৰো মেণ্টেলিটি হব লাগিব। নহলে ভৱিষ্যতে আৰু মই তোমাক এনেদৰে ৰক্ষা কৰিব নোৱাৰিম।'

সন্দেহ নাই—শহুৰে মোৰ মংগল চিন্তা কৰিয়েই এই কথা কৈছিল। কিন্তু ই যেন মোৰ আত্মসন্মানত আঘাট কৰিলে। প্ৰথম অনুভৱ হ'ল, যি পৰিবেশত সোমাই ইমান দিনে আত্মতুষ্টি লাভ কৰি আছিলোঁ, তাত আত্মতুষ্টি লাভ কৰিব লগীয়া একোৱেই নাই। বৰং তাত আছে আত্মগ্লানি। ইয়াৰ পিচত যিবোৰ পৰিস্থিতিত নিজকে পাই আগতে গৌৰৱবোধ কৰিছিলোঁ, এতিয়া সেইবোৰতেই নিজকে আচহুৱা আচহুৱা যেন লগা হ'ল। এনেকুৱা এটি জীৱনলৈ, সৰুৰে পৰা বিচাৰি অহা ভদ্ৰলোকী জীৱনটোলৈ, মনে মনে এটি তীব্ৰ ঘৃণা হ'ল। সেউজীয়া গছ-বিৰিখে আগুৰি থকা মোৰ গাৱঁথন, বহল মুকলি পথাৰত মুকলি বতাহ লৈ কাম কৰি থকা মোৰ গাৱঁৰ মানুহ বোৰৰ স্মৃতিৱে মোৰ মন বিষণ্ন হৈ পৰিল। সেই গাৱঁলৈ উভতি যোৱাৰ বাট মোৰ বাবেতো মুকলি হৈ ৰোৱা নাই। তাৰ পৰা যে মই বহু দূৰ আঁতৰি আহিলোঁ।

লাহে লাহে গাৱঁৰ সকলো স্মৃতি সপোনত দেখা এটি দৃশ্যৰ দৰেহে হৈ পৰিছিল। কিন্তু হঠাৎ এদিন এখন টেলিগ্ৰাম পালোঁ। আইৰ বৰ টান ; আমি আটাইবোৰ শীঘ্ৰে যাব লাগে। মই লগে লগেই যাবলৈ ওলালোঁ। পৰিবাৰে কিন্তু যাব নুখুজিলে। ল'ৰা ছোৱালী হালৰ পৰীক্ষা ওচৰ চাপিছে। তেওঁ গলে সিহঁতৰ পঢ়াত ব্যাঘাট ঘটিব। এই সময়ত সিহঁতক নিয়াতো প্ৰশ্নই উঠিব নোৱাৰে। উপায় নাপাই মই অকলেই গ'লোঁ।



OKDISCD

আইৰ সচাঁই বৰ টান। মুখত মাত নাই; চকুৰ পিনে চাই থাকে মাঠোন। পিতাও নিজৰ কোঠাত সোমাই নিথৰ হৈ বহি থাকে, পকা চুলি। সোতোৰা স্তুতুৰি গাৰ ছাল। গাল দুখন বহি গৈছে। ঘাৰ দুখন তললৈ ওলমি পৰিছে। পিতাই মাথোন ক'লে 'আহি ভাল কৰিলি; তোৰ নাম কালি বৰকৈ লৈছিল। আজিতো মাতেই নাই।' পিতাৰ কোঠাৰ পৰা ওলাই পুনৰ নৰিয়াৰ ওচৰলৈ গ'লোঁ। সকলো ভাবৰ প্ৰকাশ হেৰাই যোৱা চকুযুৰিৰে আয়ে মোৰ পিনে চাই থাকিল আগৰ দৰে। মই আইৰ মূৰটোত হাত বুলাই দিলোঁ তেওঁৰ মূৰৰ ওচৰতে বহি। বহু চেষ্টা কৰি আয়ে যেন কিবা এটি কব খুজিলে। মই মোৰ কাণ এখন আইৰ মুখৰ ওচৰলৈ আগবঢ়াই দিলোঁ। শেহাঁই শেহাঁই বহু কষ্টৰ ফলত আয়ে কলে, 'নাতি-নাতিনী দুটিক নানিলি কিয়?' আৰু একো কব নোৱাৰিলে। একো কব নোৱাৰিলোঁ মযো।

আই তেন্তে মৰিব। পিতাও বেছি দিন বাচি নাথাকে। মনটো বৰ কিবা লাগি গ'ল। ঘৰখনৰ পৰা ওলাই যাবৰ মন গ'ল। চুবুৰিতে ইঘৰ সিঘৰ ফুৰোঁ গৈ নেকি ভাবিলোঁ। এনেতে দেখিলোঁ, মোৰ শৈশৱৰ সখি বাণে সোমাই আহিছে চোতাললৈ। মোক দেখি তেওঁ দূৰতে হাঁহিলে আৰু ক'লে, 'হালতলীৰ পৰাই তোমাক দেখিলোঁ। দৌৰাদৌৰিকৈ হালখন এৰি দি ঘৰ পালোঁ গৈ। গাটো ধুয়েই তোমাৰ ওচৰলৈ আহিছোঁ।' মই তেওঁক কাঠিতে পীৰা এখন পাৰি বহিবলৈ দিলোঁ আৰু কিছু সময় কথা পাতিলোঁ।

কথাই কথাই গাৱঁখনত ইঘৰ সিঘৰ ফুৰাৰ ইচ্ছা হোৱা কথা বাণে সখিক কলোঁ। লগে লগে তেওঁ এটি হুমুনিয়াহ কাঢ়িলে আৰু কলে, মই গাৱঁত থকা দিনৰ সেই গাৱঁ হেনো আৰু নাই। এতিয়াৰ গাৱঁৰ মাজত হেনো স্বৰ্গ-মৰ্ত্ত্য তফাৎ। বাণে সখিয়ে কথাবোৰ কৈ এটা যে বৰ দুখ অনুভৱ কৰিছে, তাক বুজিবলৈ বাকী নাথাকিল। মই তেওঁৰ কথাবোৰ শুনাত আৰু উৎসাহ নেদেখুৱালোঁ। দুখৰ কথা সোৰঁৱাই তেওঁক দুখ দিবলৈ ইচ্ছা নাছিল। কিন্তু বাণে সখিয়ে কৈয়েই গ'ল, 'এইখিনি আহোঁতে বাটৰ পৰা ঘৰবোৰ দেখি তুমি একো বুজিব নোৱাৰিলানে? গাৱঁখনৰ গোটেই কেইটা চুবুৰিৰ মাজত ধনী হৈ ওলাইছে এতিয়া মাত্ৰ চাৰি ঘৰ। এই চাৰি ঘৰ কিন্তু বেছ ধনী মানুহ। তোমালোকৰ চহৰবোৰত বৰ ধনী মানুহ থাকে বুলি শুনিছোঁ। তেওঁলোক





কিমান ধনী নাজানোঁ। আমাৰ ইহঁতো কিন্তু কম নহ'ব। ঘৰবোৰো যেনেকৈ তুলিছে—একেবাৰে চহৰৰ দালানবোৰৰ দৰেই ইটাৰে গথা। কিন্তু সেই চাৰি ঘৰেই যি আৰু। বাকী আমি আটাইৰে এতিয়া খোৱা মুঠিৰেই চিন্তা। আগতে গাৱঁত এনে ধনী তুমি দেখা নাছিলা; কিন্তু এনে দুখীয়াও দেখা নাছিলা। গাৱঁখনৰ আটাইবোৰ মাটি সম্পত্তি এতিয়া সেই চাৰি ঘৰতেই থুপ খালে গৈ। তুমি এতিয়া মানুহৰ ঘৰলৈ ফুৰিবলৈ গ'লে মানুহবোৰে লাজহে পাব, ঘৰত বহিবলৈ দিলে উকথা চালেৰে আকাশ দেখা পাবা। তথাপি বহিবলৈ বাৰু পীৰা খন দিলে। কিন্তু খুৱায় কি? আৰু বহুৱাবলৈ, খুৱাবলৈ ঘৰত পাবাই বা কাক? বেচি ভাগ ঘৰতেই পাবা মাথোন আলৰ বুঢ়া-বুঢ়ী। ডেকাবোৰ, ল'ৰাবোৰ গাৱঁত থকা দিন আৰু গ'ল।

'আজি কালিৰ মানুহে গাৱঁত থাকিবলৈ টান পায়। আমাৰ দিনত তুমি পঢ়িলা। গাৱঁত তোমাৰ বাবে উপযুক্ত কাম নোহোৱা হ'ল। গতিকে তুমি গাৱঁ এৰিলা। তাত তোমাক দুষিবলৈ একো নাই। এতিয়াৰ কথা কিন্তু বেলেগ। দেখাত দেখি এতিয়া সকলোৱে পঢ়ে। ইস্কুলো হৈছে এতিয়া সোপাস্থুপি। এবাৰত হওক, দুবাৰত হওক, তিনি বাৰত হওক, আজি কালি সকলোৱে মেট্ৰিকটো পাচ কৰাৰ চেষ্টা কৰে। আৰু তাৰ পিচতেই গাৱঁ এৰিব খোজে। ভদ্ৰলোক হয়। যি চাকৰি পায়, সিতো গাৱঁ এৰিবই। কিন্তু যি চাকৰি নাপায়, মেট্ৰিকটোকে পাচ কৰিব পৰা নাই, সিও ভদ্ৰলোক। খেতি নকৰে। দেহাক কষ্ট দিয়া কাম নকৰে। খাবলৈ নাপায়; কিন্তু জোতা-মোজা পিন্ধি ঘূৰি ফুৰে। যিবোৰে চাকৰি কৰিছে, সেইবোৰৰ অৱস্থা যে ভাল হৈছে তেনেও নহয়। চাকৰিৰ দৰ্মহাৰে হেনো কোনোমতে পেটটোহে পুহি থাকিব পাৰি। গতিকে বাহিৰত গৈ চাকৰি কৰাবোৰে কোনোমতে য'তে আছে ত'তে পেটটোহে পুহি থাকিব পাৰে। ফলত ইপিনে গাৱঁত বুঢ়া মাক-বাপেকহঁত শুকাই মৰে। টকা পঠিয়ালেও কিমান পঠিয়াব। ধান-চাউলৰ যিহে দাম। আজি কালিৰ এমোন চাউলৰ দামেৰে তোমালোক গাৱঁত থকা সময়ত এহাল হালৰ গৰু কিনিব পৰা গৈছিল। গাৱঁবোৰ যে কি হ'ল!'

বাণে সখি গ'ল গৈ। কিন্তু তেওঁৰ কথাবোৰ মোৰ মনত যেন ঘূৰি ঘূৰি বাজি থাকিল। সি মোক ব্যতিব্যস্ত কৰি তুলিলে, অশান্ত কৰি তুলিলে।



OKDISCD

আবেলি অকলে অকলেই গাৱঁৰ বাটে বাটে ফুৰিলোঁ। বাটৰ মানুহৰ ঘৰবোৰলৈ চাই বাণে সখিৰ কথাত সত্যতা আছে যেন পালোঁ। ৰাস্তাত চিনাকি মানুহ কাচিৎহে লগ পালোঁ। ঘৰবোৰ ভাগি চিগি উৰঁলি গৈছে। এক ভয়াবহ নীৰৱতা যেন গাৱঁখনত বিৰাজ কৰিছে। তাহানিৰ দীঘলীয়া ডাঢ়িৰে লম্বা জেঠা, ওলমি পৰা তল-পেটটোৰে মুক্তা খুড়া; নিজে ঘোঁৰাত উঠি ফুৰা আৰু আমাকো ঘোঁৰাত উঠাই ৰং পোৱা অন্ন আতা—এইবোৰ এতিয়া ক'ত? গাৱঁখন চাবলৈ আৰু ইচ্ছা নাইকিয়া হ'ল।

উভতি আহিব ধৰোঁতে দেখিলোঁ, বিপৰীত ফালৰপৰা আহিব ধৰিছে দুজন ডেকা। দুয়োৰে চাইকেলত উঠি আহিছে। আগেয়ে গাৱঁত চাইকেল দেখিবলৈ নাছিল। পিন্ধনত দুয়োৰে চাহাবী সাজ-পাৰ—যদিও বৰ বেছি চাফ-চিকুণ নহয়। তেওঁলোক মোৰ কিছু ওচৰ পালত এজনক চিনি পালোঁ। ভবেন—নাউচৌখা খুড়াৰ ল'ৰাটো। ওচৰ পাই দুয়ো চাইকেলৰ পৰা নামিল। ভবেনে কলে, 'পৰমা দাদা, আপুনি অহা বুলি চহৰতে শুনি আহিলোঁ। জেঠীৰ খবৰ লবলৈ আহিছে? বৰ ভাল কৰিলে।' মই কলো, 'পিচে তুমিনো ক'ত কি কৰিছা? এতিয়া ক'ৰ পৰা আহিলা?' ভবেনে টপৰাই কৈ উঠিল, 'মই বৰ্ত্তমান আমাৰ চহৰতেই। পোষ্টেলত। গাৱঁত থাকি নিতৌ তিনি মাইল আপ্‌ ডাউন্‌ কৰা টান বাবে চহৰতেই থাকিবলৈ লৈছোঁ। তদুপৰি পোষ্ট অফিচটোৰ চাৰ্জত ময়েই। অফিচৰ পৰা ইমান দূৰত থাকিলে চিন্তা হৈ থাকে। গতিকে চহৰতে নাথাকি উপায় নাই। আই পিতাৰ মাজে মাজে খবৰ লৈ যাওঁ এনেদৰে আহি।' মোৰ মুখৰ পৰা ওলাল, 'ভালেই কৰিছা। আৰু এওঁ কোন?'

ইজন ডেকাই টপৰাই মাত দিলে, 'মই অজিত। সিটো চুবুৰিৰ দোভাগৰ ল'ৰা। আপোনাৰ নাম সদায় শুনি থাকোঁ। আজি দেখি বৰ ভাল লাগিল।' 'দোভাগ কাৰ ল'ৰা ইমানটো হ'লা গৈ? পিছে ক'ত কি কৰিছা?' মই সুধিলোঁ। অজিত যেন অলপ বিমৰ্ষ হ'ল আৰু ক'লে, 'আজি তিনি বছৰেই হ'ল বি. এ. পাচ কৰিবৰ। কতো একো এতিয়ালৈকে সুবিধা কৰিব পৰা নাই। চাকৰি বিচাৰিয়েই আছোঁ।' খেতি কৰাৰ সুবিধা নাই নেকি মই সুধিলোঁ। অজিতে কওঁ নকওঁ কৈ ক'লে, 'খেতি কৰিলে আধুনিক ধৰণে





কৰিবৰ ইচ্ছা। গাৱঁৰ কেই ঘৰমান মানুহে তেনেকৈ খেতি কৰি বেছ উন্নতি কৰিছে। কিন্তু তাৰ বাবে প্ৰথমতে বহুত টকা লাগে; বহুত মাটি লাগে। মোৰ এটাও নাই। আনপিনে, পুৰণি ধৰণে খেতি কৰাৰ ইচ্ছাও আৰু ইমানখিনি পঢ়াৰ পিচত নাইকিয়া হৈছে।'

তেওঁলোকক যাবলৈ দি মই ঘৰমুৱাকৈ পুনৰ খোজ পেলালোঁ। বাটে বাটে তেওঁলোকৰ কথাই ভাবি গলোঁ। বাণে সখিৰ ক্ষোভতো এওঁলোকৰ কাৰণেই। কিন্তু এওঁলোকক জানো দোষ দিব পাৰি? ভবেনে চাকৰি কৰিছে। গাৱঁত থাকিলে অসুবিধা। ঘৰ এৰিছে। ময়ো জানো তাকেই কৰা নাই? অজিতৰ খেতি কৰিলে নতুন ধৰণেৰেই কৰিবলৈ ইচ্ছা। কিন্তু তাকে কৰিবলৈ তেওঁৰ মূলধনো নাই, মাটিও নাই। পুৰণি ধৰণে তেওঁৰ খেতি কৰিবলৈ ইমানখিনিলৈ পঢ়াৰ পিচত আৰু ইচ্ছা নাই। মোৰো জানো আছিল? তেন্তে তেওঁলোকক জানো দোষ দিব পাৰি? ময়ো জানো দোষী? অথচ বাণে সক্ষীৰ ক্ষোভ জানো নিৰৰ্থক?

পিচ দিনা পুৱা বাণে সখিৰ ঘৰলৈ গলোঁ। তেওঁৰ অৱস্থা তেওঁৰ কথাৰ পৰা যেনে হব বুলি ভাবিছিলোঁ, সচাঁকৈয়ে তেনেকুৱাই। সেই কাৰণেই তেওঁৰ ঘৰলৈ আহিবলৈ কালি এবাৰ মোক মাতি নাহিল নেকি? উপযাচি আহিলোঁ। যদিও বাণে সখিৰ আদৰ সাদৰৰ কিন্তু সীমা নাই। কাঠিত পাৰি থোৱা, সখিয়ে নিজ হাতে কৰা বাহঁৰ বেঞ্চখনত মোক বহিবলৈ দিছে। আঙুলিৰ আগেৰে গুড় মিঠাই চাকি ছাগলীৰ গাখীৰৰ চাহ খাইছোঁ। বেছ তৃপ্তিয়েই পাইছোঁ।

তাৰ পিচত দুয়ো ৰহিম কাৰ ঘৰলৈ যোৱাৰ প্ৰস্তাৱ দিলোঁ বাণে সখিৰ আগত। বাণে সখিয়ে কলে, 'যাবলৈ মন কৰিছা যেতিয়া যাওঁ বাৰু। কিন্তু কি যাবা, তাৰ অৱস্থা যিহে হৈছে গৈ। কালি কলোঁ নহয়, গাৱঁৰ কথা। তাৰ পুতেক দুটাৰ মতি-গতি ভাল হ'লে তথাপি কিবা এটা হ'লহেতেন। কিন্তু পুতেক দুটাও যে পালে সি কপাল সাধি! তিনি চাৰি বাৰ দিও মেট্ৰিক এটায়ো পাচ কৰিব নোৱাৰিলে। তথাপি সিহঁত ভদ্ৰলোক। খেতি নকৰে। চাকৰি বিচাৰি ঘূৰি ফুৰে। চাকৰিও লাগে সিহঁতক ভদ্ৰলোকী। চৰকাৰী আলিত কাম কৰা চাকৰি পাইছিল। কুলীৰ কাম হেনো নকৰে।



OKDISCD

গাৱঁত দিন হাজিৰাকৈ ঘৰ-বাৰীৰ কাম কৰিলেও তিনিজন মানুহে কোনো মতে চলি থাকিব পাৰে। কিন্তু সিও হেনো কুলীৰেই কাম। সিহঁতক লাগে ভদ্ৰলোকৰ কাম। ৰহিম কাৰ দেহৰ বল পৰি আহিলত সি যেতিয়া পথাৰলৈ যাব নোৱাৰা হ'ল, তেতিয়াৰ পৰা তাৰ অৱস্থা আৰু কি চাবা !'

ৰহিমকাৰ এনে খবৰে অন্তৰৰ কোনোবাখিনিত যেন এটি আঘাত কৰিলে। ৰহিমকাৰ ওচৰলৈ যোৱাৰ উৎসাহ প্ৰায় হেৰুৱাই পেলালোঁ।

ৰহিম কাহঁতৰ চুবুৰিত সোমায়েই বুজিলোঁ, এই চুবুৰিৰ অৱস্থাও গাৱঁখনৰ অন্য চুবুৰি বোৰৰ অৱস্থাৰ দৰেই। ৰহিম কাৰ চোতালত থিয় দি দেখিলোঁ, ঘৰখন তেনেই নিতাল। আগতে পুৰা চোতালত ৰ'দ উঠা সময়ত প্ৰতি ঘৰতে দেখা পাইছিলোঁ ধান উহোৱাৰ বা উহোৱা ধান মেলি দিয়াৰ ব্যস্ততা। ৰহিমকাৰ চোতাল কিন্তু তেনে এটি ৰ'দ-ৰুপালী আজিৰ এই পুৱাতো তেনেই নিজান। বাণে সখিয়ে চিঞৰি মাতিলে, 'ৰহিম কা, ৰহিম কা।' উত্তৰত ভিতৰত শুনা গ'ল এটি ক্ষীণ স্বৰ, 'কোন আহিছ ? বহ।'

ৰহিম কাক দেখা পাবলৈ উদগ্ৰীৱ হৈ উঠিলোঁ। বাণে সখিয়ে কাঠিৰ বেৰত আওজাই থোৱা পীৰা দুখন আনি চোতালৰ কোণৰ ছাঁতে পাৰি লৈ আমাৰ বহাৰ ব্যৱস্থা কৰিলে। আমি বহিলোঁ। কিছু সময়ৰ পিচত ৰহিম কা ওলাই আহিল। কি যে এক বৰুণ দৃশ্য সেয়া। কঁকাল হালি যোৱা বুঢ়া ৰহিম কা—বাহঁৰ টোকান এডালত ভিৰ দি দি লৰক ফৰককৈ ওলাই আহিব ধৰিছে। মূৰৰ চুলি, মুখৰ ডাঢ়ি গোঁফ, চকুৰ ভ্ৰূ সকলো পাক বগা। যত্নেৰে কাঠিৰ পৰা নামি ৰহিম কাই আমাৰ পিনে চাই পঠিয়ালে। বহু কষ্ট কৰি চাই পঠিয়ায়ো আমাক মনিব নোৱাৰি অৱশেষত তেওঁ সুধিলে 'কোন আহিছ ?' মই লৰি আগুৱাই গ'লো আৰু ৰহিম কাক সাৱটি ধৰিলোঁ, 'এয়া মই, ৰহিম কা। মই পৰমা। আৰু এয়া বাণে সখি।' ৰহিম কাৰ নিষ্প্ৰভ চকুযুৰি লগে লগে উজ্জ্বল হৈ উঠিল। দুৰ্বল শৰীৰটোৰ সকলো শক্তি গোটাই লৈ যেন তেওঁ ক'লে, 'পৰমা! এয়া পৰমা ? তই আহিছ ?' বাণে সখিয়ে কাঠিৰ পৰা আৰু এখন পীৰা আনিলে আৰু ওচৰতে ৰহিম কাক বহুৱাই দিলে। তাৰ পিচত সুধিলোঁ, 'ঘৰত কোনো নাই নেকি, ৰহিম কা ?'

মোৰ প্ৰশ্নই যেন বুঢ়াৰ অন্তৰত গৈ বিন্ধিলে। কিহবাই যেন তেওঁৰ





কণ্ঠত চেপি ধৰিছে। ল'ৰা দুজন ঘৰতে আছে বুলিহে ৰহিম কাক মই এই কথা সুধিছিলোঁ। কিছু সময়ৰ পিচত বহু কষ্টেৰে ৰহিম কাই কলে, 'কোন আৰু থাকিব ? তই কলেজত পঢ়িবলৈ যোৱাৰ এবছৰ নে দুবছৰ পিচতেই বোৱৰৰ ঢুকাল ? ছোৱালী কেইজনীকো বিয়া দি উলিয়াই দিলোঁ। ল'ৰা দুটা আছে ; কিন্তু আছেহে। সিহঁতৰ কথা আৰু নুসুধিবি। এই আজিৰ কথাই চা। এই পুৱাতেই সিহঁতে ঘৰ এৰিলে। সাৰ পাই দেখিলোঁ, ঘৰত এটাও নাই। কোনো মতে উঠি গৈ সিহঁতৰ বিছনাৰ তলত খেপিয়াই খেপিয়াই দেখিলোঁ সিহঁতৰ জোতা দুযোৰো নাই। গতিকে বুজিলোঁ, ক'ৰবাৰ দূৰলৈ গৈছে। দূৰলৈ গৈছে মানেই কোন দিনা উভতি আহিব তাৰ কোনো ঠিকনা নাই। ঘূৰি আহি তাৰ পিচত আৰু বিছনাতে পৰি থাকিলোঁ। এই বয়সত আৰু কি কৰিব পাৰোঁ ?' ৰহিম কাৰ চকুৰ পৰা দুধাৰি চকুলো বৈ আহিল। তেওঁ অলপ সময় টলকা মাৰি ৰল। তাৰ পিচত কলে, 'বৰ সুখ পালোঁ দে, বোপা পৰমা, তোক দেখি। তোক লৈ আমাৰ যে কিমান গৌৰৱ। আমাৰ গাৱঁৰ ল'ৰা গৈ হাকিম হলি। আমাৰ গৌৰৱ নহৈ আৰু কাৰ হব ?'

আৰু কিছু সময় মনে মনে থাকি বুঢ়াই পুনৰ কলে, 'কিন্তু আজি কালি গাৱঁখন কিবা হ'ল। তহঁত ইস্কুলত পঢ়োতে ইস্কুলত পঢ়া ল'ৰা আছিল গাৱঁখনত কেইটা ? তাৰ পিচত শিক্ষাৰ মোল সকলোৱে বুজা হ'ল। সোপাই সোপাই ইস্কুলত পঢ়া ল'ৰা ওলাল। ছোৱালীবোৰেও ইস্কুলত পঢ়া হ'ল। বৰ ৰং পালোঁ। গাৱঁৰ মানুহবোৰ শিক্ষিত হব। আমাৰ দৰে অশিক্ষিত হৈ কণা মানুহৰ দৰে ইহঁতে আৰু খেপিয়াই ফুৰিব নালাগিব। আনন্দ কৰাৰ কাৰণ সচাঁই জানো নাছিল ? মোৰ ল'ৰা দুটাকো শিক্ষিত কৰিব খুজিছিলোঁ। সিহঁতকো অজ্ঞানৰ আন্ধাৰত থাকি মই পোৱা যন্ত্ৰণাৰ পৰা মুক্তি দিব খুজিছিলোঁ। কিন্তু কি হ'ল ? সিহঁতৰ কি হ'ল ? মোৰ কি হ'ল ? আনলৈ চাব নালাগে মোৰ দুটালৈকে চা, মোৰ ল'ৰা দুটা—জামাল আৰু কামালৰ কথা কৈছোঁ। সিহঁতো ভদ্ৰলোক হ'ল। গাৱঁখনৰ বুকু শুদা হ'ল। ইয়াত আৰু আছে কি ? বুঢ়া বৈ গ'ল। তেওঁৰ যেন আৰু বহুত কিবা কিবি কবলগীয়া আছিল। কিন্তু যেন আৰু নোৱাৰে। আৰু কিবা কওঁ বুলি বহু



OKDISCD

সময় চেষ্টা কৰি বুঢ়াই শেষত ফেঁকুৰি উঠিল। দুই আঁঠুৰ মাজত মুখখন গুজি ধৰি তেওঁ কান্দি কান্দিয়েই মোক সুধিলে, 'কিয় এনে হ'ল, পৰমা? কিয় এনে হ'ল?'

ৰহিম কাক কি কম ভাবি নাপালোঁ। তেওঁক এটি অৰ্থহীন সান্তনা দি তাৰ পৰা আঁতৰি আহিলোঁ। কিন্তু ৰহিম কাৰ ওচৰৰ পৰা যিমানেই আঁতৰি আহিলোঁ, সিমানেই মোৰ অনুভৱ হ'ল—চাহাবী সাজপাৰ পিন্ধি, হাতত ঘড়ী ভৰিত জোতাৰে মই যেন আঁতৰি যাব ধৰিছোঁ মোৰ গাৱঁখনৰ পৰা। আৰু মোৰ পিচে পিচে যেন খোজ লৈছে মোৰ তলতীয়া যত ডেকা আৰু ল'ৰা-বোৰ। ভবেন, অজিত, জামাল, কামাল……। গাৱঁখন উদং কৰি, গাৱঁখন নিজান কৰি মোৰ নেতৃত্বত ওলাই যাব ধৰা ভদ্ৰলোকৰ এটি দীঘলীয়া সমদল।

কিন্তু কিয়? ৰহিম কাই এতিয়া অকলে অকলে চোতালত বহি কি ভাবিছে জানো?

—×—

প্ৰগতিশীল চিন্তাধাৰাৰ সাময়িকী
॥ বিবৰ্তন ॥
তিনিমহীয়া আলোচনী পঢ়ক
ঠিকনাঃ
দীন কলিতা
টিহু



# চীনত কি দেখিলোঁ?

**জি, জগন্নাথ**

[ অলপতে চীনদেশৰ আমন্ত্ৰণক্ৰমে ভাৰতৰ এটা টে'বল টে'নিচ খেলা দলে পিকিঙৰ আফ্ৰ'-এ'ছীয়ান টে'বল টে'নিছ ক্ৰীড়া মহোৎসৱত যোগ দিবলৈ যায়। ভাৰতৰ ভূতপূৰ্ব জাতীয় চেম্পিয়ন জি. জগন্নাথো উক্ত দলটোৰ সভ্য আছিল। চীনৰ খেল-ধেমালিৰ উপৰিও তাৰ সমাজৰ কিছুমান কথাই এই খেলুৱৈ জনক মুগ্ধ কৰে। সমাজতান্ত্ৰিক চীনৰ বিৰুদ্ধে আমাৰ বৃহৎ সংবাদ পত্ৰবোৰত নিয়মীয়া ভাবে কুৎসা আৰু অপবাদ ৰটনা কৰা হয়। সেয়ে এজন প্ৰত্যক্ষ দৰ্শীৰ বিৱৰণ অসমৰ পঢ়ুৱৈ সমাজৰ আগত ডাঙি ধৰিলোঁ।

অসমৰে নাম কৰা খেলুৱৈ **দ্বাৰিক শৰ্মাই** জি. জগন্নাথৰ লগত লোৱা সাক্ষাৎকাৰক তলত প্ৰবন্ধাকাৰে দিয়া হৈছে। সম্পাদক, "নতুন পৃথিৱী" ]

চীনে আয়োজন কৰা আন্তঃৰাষ্ট্ৰীয় মিত্ৰতামূলক টে'বল টে'নিছ ক্ৰীড়া মহোৎসৱ এই খেলটোৰ ইতিহাসতে এটা উল্লেখযোগ্য ঘটনা। ই আছিল এক জাকজমকপূৰ্ণ আৰু চমকপ্ৰদ অনুষ্ঠান। লালচীনৰ ইতিহাসতো খেল-ধেমালিৰ উৎসৱৰ ভিতৰত নিঃসন্দেহে এইটোৱেই সকলোতকৈ ডাঙৰ আছিল। এছিয়া আৰু আফ্ৰিকা মহাদেশৰ ৫১ খন দেশে এই উৎসৱত অংশগ্ৰহণ কৰিছিল, আৰু পিকিঙত তেওঁলোকৰ থকামেলাৰ বাবে লোৱা ব্যৱস্থা আছিল প্ৰায় কল্পনাতীত।

ভাৰতীয় দলটোৰ নেতৃত্ব কৰিছিল শ্ৰী টি. ডি. ৰঙ্গ ৰামানুজনে। এওঁ ভাৰতীয় টে'বল টে'নিছ সন্থাৰ সভাপতি আৰু বহুযুগ ধৰি ভাৰতীয় টে'বল টে'নিছৰ এজন সন্মানিত ব্যক্তি। মহোৎসৱৰ সকলো প্ৰধান প্ৰতিনিধিয়ে ভাৰতীয় দলটোক সাদৰে আৰু বন্ধুত্বপূৰ্ণ ভাবে সম্বৰ্দ্ধনা জনাই আচৰিত কৰিলে। বিশ্বৰ ভূতপূৰ্ব চে'ম্পিয়ন চাং-ছে' তুঙ স্বয়ং এই সম্বৰ্দ্ধনাত উপস্থিত থাকি অভ্যৰ্থনাৰ সহৃদয়তা বঢ়াইছিল।

ভাৰতীয় দলটোক আনবোৰ দলৰ লগতে ৰাষ্ট্ৰীয় অতিথিসদনত ( নাম চে'মেন =সন্মুখ তোৰণ ) থাকিবলৈ দিয়া হৈছিল। এই হোটেলটোৰ ভিতৰতে কাপোৰ

ধোৱা, চুলি কটা, পান-ভোজন কৰা সকলো বিধৰ সুবন্দোৱস্ত আছিল। অতিথি সকলৰ বাবে এইবোৰ বিনা খৰচে হৈছিল। হোটেলত কাম কৰা মানুহক টিপ্‌চ দিয়াৰ কোনো দস্তুৰ নাই আৰু, সৌজন্য আৰু ভদ্ৰতা তাৰ কৰ্ম্মীসকলৰ প্ৰধান বৈশিষ্ট্য আছিল।

পীকিঙৰ বিভিন্ন ঠাইত বহিৰাগত দলবোৰৰ আখড়াৰ (practice) ভাল ব্যৱস্থা লোৱা হৈছিল আৰু স্থানীয় বিশিষ্ট খেলুৱৈসকলৰ লগত তেওঁলোকৰ আখড়াৰ দিহা কৰা হৈছিল। আনকি এই আখড়াৰ ব্যৱস্থাবোৰো আছিল সুচিন্তিত। থাচ ক্ৰীড়ামহোৎসৱত ব্যৱহাৰিত দ্বি-সুখ (Double Happiness) পঞ্চ বৃত্ত টি, টি, বলকে এই আখড়াবোৰতো ব্যৱহাৰ কৰিবলৈ দিয়া হৈছিল। এই বল আৰু টেবুল সমূহৰ গুণাগুণ চমৎকাৰ আৰু পৃথিবীৰ ভিতৰতে অদ্বিতীয়।

প্ৰতিযোগিতা আৰম্ভ হোৱাৰ আগতে দলনৃত্য আৰু গীত, সাংস্কৃতিক অনুষ্ঠান, চীনা নেতৃবৃন্দৰ ভাষণ ইত্যাদিৰ এক কাৰ্যক্ৰমণিকা আগবঢ়োৱা হৈছিল। আচল ক্ৰীড়া মহোৎসৱৰ খেল চলা ইন্দ'ৰ ষ্টেডিয়ামটোত প্ৰায় কুৰিহাজাৰ দৰ্শকৰ আসন আছিল। টেবুল টেনিছৰ উপৰিও বেডমিণ্টন ভলিবল, বাস্কেট বল, জিম্নেছিয়াম আদিৰ ব্যৱস্থা থকা এইটো এটা বহুমুখী ষ্টেডিয়াম। কেন্দ্ৰত থকা খেলৰ মুকলি ঠাইডোখৰ বৰফ হকী কঠিন ক্ৰীড়া-ভূমিলৈ (Ice Hockey Rink) পৰিবৰ্ত্তিত কৰিব পৰাকৈ ষ্টেডিয়ামটোত এক অপৰূপ ইলেকট্ৰনিক ব্যৱস্থা আছে। ইলেকট্ৰনিক বুটাম টিপিলে খেলা-ভেটিৰ কাঠৰ তক্তাবোৰ পৃথক হৈ স্বয়ংক্ৰিয়ভাবে আঁতৰি গৈ এটা লোৰলৈ পৰিবৰ্ত্তিত হয় আৰু ঠাইডোখৰ এটা বহল পুখুৰী হৈ পৰে। আন এটা বুটাম টিপি পুখুৰীটো কুৰি মিনিটত পূৰুৱা হয়। ষ্টেডিয়ামত উপস্থিত দৰ্শকৰ প্ৰয়োজন অনুযায়ী আৰু কুৰিমিনিটত ইয়াক বৰফ হকী পথাৰলৈ ৰূপান্তৰিত কৰা হয়।

টেবুল টেনিছ ক্ৰীড়া মহোৎসৱৰ বাবে প্ৰধান হলটোত কুৰিখন টেবুল পতা হৈছিল। এই ঘৰটোৰ চাৰিসীমা আমাৰ দেশৰ ফুটবল আৰু ক্ৰিকেট খেলা অনেক আউটড'ৰ ষ্টেডিয়ামৰ প্ৰায় সমান হোৱা সত্বেও এটাও ঠিয় খুটা ব্যৱহাৰ নকৰাটো ইয়াৰ উল্লেখযোগ্য বৈশিষ্ট্য। গোটেই ষ্টেডিয়ামটোৰ চিলিঙ





অদৃশ্য দীঘলীয়া আকাৰৰ লাইটেৰে উজ্জ্বল। ইয়াৰ ফলাফল খেলুৱৈসকলৰ চকুৰ বাবে অত্যন্ত ফলপ্ৰসু। এই উজ্জল মুক্ত পোহৰে পীকিঙত অনুষ্ঠিত আফ্ৰিকা আৰু এছিয়াৰ ক্ৰীড়া মহোৎসৱৰ সুস্থ বাতাবৰণৰ বাবে প্ৰভূত অৱদান আগবঢ়াইছিল।

ষ্টেডিয়ামৰ ভিতৰৰ ৰেষ্টুৰাঁ; কাফে আৰু বাৰ সমূহৰ স্বাস্থ্যবিজ্ঞানৰ স্তৰ অতি উচ্চ। পৃথিৱীৰ অনেক ইন্দ'ৰ ষ্টেডিয়ামক চেৰ পেলাব পৰা আৰু এটা হল ষ্টেডিয়ামৰ ভিতৰতে আছে। প্ৰতিযোগীতাৰ পূৰ্বে প্ৰতিযোগী সকলে আখড়া কৰিবলৈ আৰু প্ৰস্তুত হবলৈ ক্ৰীড়াভূমিৰে সৈতে ১৪ খন টেবুল টেনিছ টেবুল ইয়াত ৰখা হৈছে। প্ৰতিটো দলকে ষ্টেডিয়ামৰ ভিতৰতে এটা ঘৰ দিয়া হয়। সেইটো পান-ভোজনৰ ব্যৱস্থা সহ সকলো সুবিধা থকা এক আহল বহল ঘৰ। নিৰ্দ্দিষ্ট ঘৰটোৰ পৰা দলসমূহে খেলিবৰ বাবে পোছাক পৰিচ্ছদ কৰি আহিব পাৰে আৰু খেল শেষ হোৱাৰ লগে লগে তালৈ ঘূৰি গৈ পোছাক সলাই পাচৰ খেলৰ বাবে জিৰণি লব পাৰে। মীমাংসা অতি উচ্চ স্তৰৰ আৰু এইটো বাস্তবিকতে অবিশ্বাস্য যে ৫১ খন দেশৰ খেলুৱৈৰ প্ৰচুৰ খেল হোৱা সত্বেও এটা ভুলো কৰা হোৱা নাছিল। সমগ্ৰ ক্ৰীড়া মহোৎসৱত ষ্টেডিয়াম পৰিপূৰ্ণ আছিল আৰু দৰ্শক সকলে প্ৰতিটো দলক শলাগ-ধ্বনি দিছিল আৰু খেলৰ শ্ৰেষ্ঠ মুহূৰ্ত্তবোৰৰ সঠিক মূল্যায়ন কৰিছিল।

অংশগ্ৰহণকাৰী ৪৭ খন দেশৰ দললৈ চীনে আকাশী যানৰ ওভতনি ভাড়া দিছিল। ভাৰতে আকাশী যানৰ ভাড়া নিজে দিছিল আৰু চীনে আগবঢ়োৱা সুযোগ গ্ৰহণ কৰা নাছিল। সম্পূৰ্ণ বিনামূলীয়া থকাৰ সুবিধা, ভ্ৰমণ আৰু আতিথ্যৰ উপৰিও প্ৰতিজন এফ্ৰ'-এচিয়ান টেবুল টেনিছৰ অংশগ্ৰহণকাৰীকে ২০ ইয়েনকৈ (১ ইয়েন = টঃ ৩·২৫) জেপ খৰচ দিয়া হৈছিল। পীকিঙত থকা সময় ছোৱাৰ বাবে প্ৰতিটো দলকে একোখনকৈ জাকজমক পূৰ্ণ বাছ দিয়া হৈছিল। দুজন অতি সহায়ক তথা সহযোগী—এজন চীনা-হিন্দী আৰু এজন চীনা-ইংৰাজী, দোভাষীও ভাৰতীয় দলটোক দিয়া হৈছিল।

প্ৰতিযোগিতাৰ আৰম্ভৰ আগতে বিৰাট ভোজ ঘৰত (২৫০০—৩০০০ জনে খাব পৰা) সকলো দল আৰু প্ৰতিনিধিৰ বাবে এটা ভোজৰ আয়োজন কৰা হৈছিল। দলসমূহে পীকিঙৰ পৰা বিদায় লোৱাৰ আগমুহূৰ্ত্ততো তেনে ভোজৰ



OKDISCD

আয়োজন কৰা হৈছিল। দৈনন্দিন খাদ্যৰ সাধাৰণ তালিকাখনো অসাধাৰণ বিধৰ আছিল। পুৱাৰ চাহ, দুপৰীয়া আৰু ৰাতিৰ আহাৰত ২৩ বিধকৈ খোৱা বস্তু পৰিবেশন কৰা হৈছিল। যদি কোনোলোক ইংৰাজী আহাৰত অভ্যস্ত তেওঁকো ৪।৫ বিধৰ আদৰ্শনীয় ইংৰাজী আহাৰৰ যোগান ধৰা হৈছিল।

অনুশাসন চীনা জীৱনৰ অন্যতম দিশ। বিৰাট সংখ্যক অফিচৰ চাক-ৰিয়াল ক্ৰীড়া মহোৎসৱলৈ একেলগে খোজ কাঢ়ি আহে। কেতিয়াবা তেওঁ-লোক ট্ৰাকত আহে আৰু ট্ৰাকতে ঘূৰি যায়। স্কুলীয়া ল’ৰা-ছোৱালী ডাঙৰ দলত একেলগে খোজ কাঢ়ি স্কুললৈ যায়। শাৰীৰিক যোগ্যতাৰ বাবে খোজ-কঢ়াটো অপৰিহাৰ্য বুলি বিবেচিত হোৱাত স্কুলীয়া ল’ৰা-ছোৱালীক সাধাৰণতে বাছ ব্যৱহাৰ কৰিবলৈ দিয়া নহয়। স্কুলীয়া ল’ৰা-ছোৱালীবোৰে স্কুললৈ যাওঁতে কেতিয়াবা বহল ৰাস্তাত ৰৈ যায় আৰু শাৰীৰিক ব্যায়াম কৰি উঠি পুনৰ আগবাঢ়ে। ভাৰতীয় দলটোক থাকিবলৈ দিয়া হোটেলৰ আগতো খুউব পুৱাই স্কুলীয়া ল’ৰা-ছোৱালীবোৰক শাৰীৰিক ব্যায়াম কৰা দেখা গৈছিল। স্কুলীয়া পাঠ্যক্ৰমত খেল ধেমালি বাধ্যতামূলক আৰু প্ৰয়োজনীয় অংশ। প্ৰতিটো খেল ধেমালিৰ অধিক নিপুন ল’ৰাবোৰক এখন বিশেষ কেন্দ্ৰীয় স্কুললৈ নিয়া হয় —য’ত সাধাৰণ অধ্যয়নৰ উপৰিও তেওঁলোকক শাৰীৰিক শক্তি বৃদ্ধিৰ প্ৰশিক্ষণৰ লগতে শ্ৰেষ্ঠ শিক্ষক সকলৰ দ্বাৰা ৰাপ থকা খেলৰ শিক্ষা দিয়া হয়। চীনত টেবুল টেনিছ ১ নম্বৰ খেল। আনকি সৰু ল’ৰা-ছোৱালীকো বৰ ধাউতিৰে টেবুল টেনিছৰ বেত ধৰা দেখা যায়।

চীনত ব্যক্তিগত মটৰগাড়ী নাই। প্ৰত্যেকেই একো একোখন চাইকেলৰ গৰাকী আৰু ইয়াক মুক্তভাবে এঠাইৰ পৰা আন ঠাইলৈ যাবলৈ ব্যৱহাৰ কৰে। ৰাজহুৱা পৰিবহন হিচাপে বিজুলী চালিত ‘কেবল’ (cable) বাছ পীকিঙৰ সৰহ সংখ্যক ৰাইজে ব্যৱহাৰ কৰে। যিহেতু পীকিঙৰ আহল-বহল পথত মাত্ৰ যৎসামান্য গাড়ীমটৰ দেখিবলৈ পোৱা যায়—প্ৰায়বোৰ ডাঙৰ মহানগৰীৰ বৈশিষ্ট্য যানবাহনৰ ভীৰ অথবা থকাথুন্দা ( jam ) পীকিং আৰু চীনৰ আন আন মহানগৰীত নাই। পথ সমূহ অতি বহল আৰু শাৰী শাৰী ওখ গছেৰে শোভিত। জনসাধাৰণৰ পৌৰজ্ঞান অতি উচ্চ, ফল স্বৰূপে ৰাজহুৱা ঠাই আৰু আলি-পদুলিবোৰ আবৰ্জ্জনামুক্ত





আৰু পৰিষ্কাৰ। ৰাজহুৱা ঠাইত কোনেও অপকৰ্ম্ম নকৰে। প্ৰয়োজনীয় আৰু সুবিধাজনক ঠাইসমূহত ৰাজহুৱা প্ৰসাধনাগাৰৰ (Toilet) ব্যৱস্থা আছে।

চীনত কোনো ব্যক্তিগত শিল্প-উদ্যোগ নাই আৰু সকলোবোৰ উদ্যোগেই ৰাষ্ট্ৰায়ত্ত। ব্যক্তিগত সম্পত্তি আহৰণৰ প্ৰবৃত্তি ধ্বংস কৰিবৰ বাবে চীনৰ জনসাধাৰণে বেংকত জমাব পৰা ধনৰ সীমা বান্ধি দিয়া হৈছে। চীনত ঘৰ, মাটিৰ দৰে স্থাৱৰ সম্পত্তিতো ব্যক্তিগত মালিকনা নাই। সমস্ত শিক্ষা ব্যৱস্থাৰ দায়িত্ব চৰকাৰৰ আৰু সকলো ল’ৰা-ছোৱালীৰ বাবে শিক্ষা বাধ্যতামূলক।

চিনেমাই আটাইতকৈ সৰবৰহী প্ৰমোদ ব্যৱস্থা। কিন্তু ৰোমান্টিক অথবা পলায়নবাদী কাহিনীৰ চলচিত্ৰ কেতিয়াও দেখুওৱা নহয়। দেশমাতৃকাৰ উন্নতি আৰু প্ৰগতিৰ গৌৰৱেৰে উদ্বেলিত হৈ থকা দেশাত্মবোধক ছবিয়েই আটাইতকৈ জনপ্ৰিয়। পাকিঙত নামি শিল্পীসকলৰ চমৎকাৰ অপেৰা আৰু বেলে নৃত্যাভিনয় দেখা পালোঁ। হয় আৰু ইয়াৰ পৰিবেশনৰ গুনাগুণ পৃথিৱীৰ যি কোনো এনে অভিনয়ৰ সমপৰ্যায়ৰ।

চীনত কোনো নৈশ ক্লাব নাই যদিও মহানগৰীবোৰত বাৰ (Bars) দেখা যায়। পৃথিৱীৰ প্ৰায়বোৰ মহানগৰীৰ নৈশ-জীৱনৰ এৰাব নোৱাৰা অংশ প্ৰমোদ প্ৰদৰ্শন (Cabaret shows) পীকিঙত অথবা চীনৰ ক’তো দেখিবলৈ পোৱা নাযায়।

ভাৰতীয় দলটোক মেচিনৰ সা-সৰঞ্জম নিৰ্মাণকাৰী পীকিঙৰ ১ নম্বৰ কাৰখানা বুলি কোৱা এটা কাৰখানালৈ নিয়া হৈছিল। কৰ্ম্মচাৰীবৃন্দ আৰু পৰিচালক সদস্যবৃন্দৰ মাজৰ মধুৰ সম্পৰ্ক ইয়াৰ উল্লেখযোগ্য বৈশিষ্ট্য। স্বৰূপাৰ্থত **কৰ্মচাৰী আৰু পৰিচালক সকলৰ মাজত পাৰ্থক্য বিচাৰি উলিওৱাটো অতি দুৰূহ —যেহেতু তেওঁলোক সকলোৱেই একে পোচাক-পৰিচ্ছদ কৰিছিল আৰু যেতিয়াই প্ৰয়োজন হাতে-কামে কামত ধৰিছিল।** তিৰোতাসকলক কাম কৰাৰ সুবিধা দিবৰ বাবে কাৰখানাটোৰ লগতে এটা শিশু সদন আছে। তাত গোটেই সপ্তাহৰ বাবে ল’ৰা-ছোৱালী থৈ দিব পাৰি। শিশুসদনত থোৱা লৰা-ছোৱালী পিতৃ-মাতৃয়ে সাধাৰণতে সপ্তাহৰ শেষৰ দিনাহে লৈ যায়।

অত্যন্ত প্ৰতিভাধৰ আৰু গুণী চীনা সকলো দৰ্প, অহংকাৰৰ পৰা সম্পূৰ্ণ মুক্ত। খেলা-ধূলা, সাহিত্য ইত্যাদিত কৃতিত্ব লাভ কৰি যি সকলে অন্তৰ্দেশীয়



OKDISCD

থ্যাতি অৰ্জন কৰিছে সেই সকলো তেওঁলোকৰ প্ৰচেষ্টাৰ বাবেহে গৌৰৱান্বিত —তেওঁলোক আৰু সন্মান অৰ্জন কৰিব নোৱাৰা সকলৰ মাজত কোনো প্ৰভেদৰ সৃষ্টি হবলৈ নিদিয়ে। বিশ্ব টেবুল টেনিছ চেম্পিয়ন চাং-ছে তুঙ চীনাসকলৰ এই বৈশিষ্ট্যৰ এক উদাহৰণ। আন আন সাধাৰণ খেলুৱৈৰ প্ৰতি তেওঁৰ ব্যৱহাৰ আৰু মিত্ৰতা উচ্চ ধৰণৰ খেলুৱৈ সুলভ তথা অত্যন্ত সৰল আৰু আন্তৰিকতাপূৰ্ণ। চীনৰ সৰ্বসাধাৰণ ৰাইজে অত্যন্ত সৰল আৰু পৰিশ্ৰমী। প্ৰায় সকলোৱেই স্বদেশহিতৈশী আৰু দেশমাতৃকাৰ প্ৰতি অনুগত।

জীৱন ধাৰণৰ মান মজলীয়া—অতি উচ্চও নহয় অতি নিম্নও নহয়। সকলোৰে মৌলিক প্ৰয়োজনখিনি পূৰুৱা হৈছে আৰু যিহেতু ব্যক্তিগত ধন-সম্পত্তি আহৰণ কৰিবলৈ দিয়া নহয়, বিভিন্ন সম্প্ৰদায়ৰ মানুহৰ মাজত বিশেষ বৈষম্য দেখা নাযায়।

ভাৰতীয় দলটোক 'নৰ্থ-কোৰিয়া-চাইনা ফ্ৰেণ্ডচিপ কমিউন' নামৰ এটা সাংস্কৃতিক 'কমিউন' পৰিদৰ্শনৰ বাবেও নিয়া হৈছিল। এই প্ৰখ্যাত সাংস্কৃতিক 'কমিউন'টো চীনৰ জীৱনধাৰণৰ নতুন প্ৰথা আৰু ৰীতিৰ পৰীক্ষা স্বৰূপ। এডোখৰ স্বয়ং সম্পূৰ্ণ স্থানত প্ৰায় ৬০০ পৰিয়াল বসবাস কৰিছিল। ইয়াত ক্ষুদ্ৰ উদ্যোগ, চিনেমা হল, হস্পিটাল, সকলোৰকমৰ দোকান-পোহাৰ, খেল-মাটি, খেল-ঘৰ আৰু নাৰ্চাৰী আছিল। 'কমিউন'ত থকা মানুহে কেৱল কমিউনৰ ভিতৰতে কাম কৰিছিল। উদ্যোগত উৎপাদিত সামগ্ৰীসমূহ চহৰৰ বজাৰত বেচা হৈছিল। জনসাধাৰণৰ স্বাভাৱিক নগৰমুখী আগ্ৰহক বাধা দিবৰ বাবে 'কমিউন'ত বাস কৰা লোকক নগৰত প্ৰৱেশ কৰিবলৈ অনুমতি লব লগাৰ ব্যৱস্থা কৰা হৈছিল। কমিউনত বসবাস কৰা লোকসকল সৰল আৰু সন্তুষ্ট—তেওঁলোকক নিজৰ বৃত্তিকে লৈ ব্যস্ত যেন দেখা গৈছিল।

লণ্ডনৰ 'টিউবৰ' দৰে পীকিঙেও তলাতল ৰেলপথৰ বাবে গৌৰৱ কৰিব পাৰে। ই ১৬ টা ষ্টেচনেৰে ২৩ কিলোমিটাৰ জোৰা। এনে ধৰণৰ তলাতল ৰেলপথ নিৰ্মাণৰ খৰচ প্ৰায় অসম্ভৱ হলহেতেন বাবে ৰাষ্ট্ৰই নিৰ্মাণ কৰিব পৰাকৈ চেঙেলীয়া লৰা-ছোৱালীকে ধৰি পীকিঙৰ জনসাধাৰণে বিনামূলীয়াকৈ শ্ৰমদান কৰিছিল।

—×—



# শ্বেক্সপীয়েৰ আৰু তেওঁৰ সমাজ

যামিনী ফুকন

বাইবেল, টলষ্টয়ৰ গ্ৰন্থাৱলীৰ লগতে পৃথিৱীৰ সকলোতকৈ বেছি কিতাপ বিক্ৰি হোৱা, সকলোতকৈ বেছি ভাষালৈ অনূদিত হোৱা গ্ৰন্থকাৰ হ'ল উইলিয়াম শ্বেক্সপীয়েৰ। এই কথা কলে বিন্দু মাত্ৰও বঢ়াই কোৱা নহব যে পৃথিৱীত এনে এডোখৰ ঠাই নোলাব যি ঠাইত মাত্ৰ এজন ব্যক্তিয়ে হলেও শ্বেক্সপীয়েৰৰ নাম কিবা কাৰণত নহয় কিবা কাৰণত নুশুনাকৈ থকা নাই। মুঠতে লিখক হিচাবে শ্বেক্সপীয়েৰ এই পৃথিৱীৰ এক অপূৰ্ব বিস্ময়। সময়ৰ কঠোৰ আঘাতে তেওঁৰ উজ্জ্বল জ্যোতিক লেশমাত্ৰও ম্লান কৰিব পৰা নাই! বহুদেশত তেওঁৰ নাটক এতিয়াও মঞ্চস্থ হৈ আছে আৰু তেওঁৰ নাটকৰ অভিনয়ে দৰ্শকক দিব পাৰে অপাৰ তৃপ্তি। তদুপৰি পণ্ডিত আৰু বিদ্বানসকলে তেওঁৰ ৰচনাত মানৱ জীৱনৰ বিষয়ে গভীৰ আৰু তাৎপৰ্য্যপূৰ্ণ মন্তব্য আবিষ্কাৰ কৰি তেওঁৰ ৰচনাৰ ওপৰত লিখিছে হাজাৰ-বিজাৰ কিতাপ। বহুতৰ দৃষ্টিতো শ্বেক্সপীয়েৰে ধৰা দিয়ে এজন 'দাৰ্শনিক' হিচাবেহে।

লিখক হিচাবে লাভ কৰা তেওঁৰ চৰম কৃতকাৰ্য্যতা, আৰু গুণমুগ্ধসকলে তেওঁৰ গাত আৰোপণ কৰা গুণাৱলীয়ে আমাক এই কথা পাহৰাই ৰাখে যে মানৱ জাতিৰ অন্যান্য শ্ৰেষ্ঠ কীৰ্ত্তিৰ দৰেই শ্বেক্সপীয়েৰৰ নাটকসমূহো অতি সাধাৰণ ভাৱে আৰু বিশেষ জাক-জমক নথকা পৰিস্থিতিতেই জন্ম হৈছিল। আমি পাহৰি যাওঁ যে পেটৰ ভাতমুঠি মোকোলাবৰ কাৰণে শ্বেক্সপীয়েৰে তেওঁৰ অসামান্য নাটক সমূহ ৰচনা কৰিছিল। নতুন নাটক লিখিবৰ কাৰণে তেওঁ ঘনাই তাগাদা পাইছিল নাটক কোম্পানীৰ পৰিচালকৰ ( manager) পৰা। নতুন নাটকে অধিক দৰ্শক আকৰ্ষণ কৰিব পাৰিলে কোম্পানীৰ লগতে তেওঁৰো ভাগ্য প্ৰসন্ন হৈছিল আৰু দৰ্শক আকৰ্ষণ কৰাত সফল নহলে কোম্পানীৰ ওপৰত নিৰ্ভৰশীল আন মানুহৰ দৰে তেওঁৰ নিজৰো দুশ্চিন্তাৰ সীমা নাছিল। নাটক বুলিলেই মনলৈ আহে দৰ্শকৰ কথা আৰু শ্বেক্সপীয়েৰৰ নাটকৰ দৰ্শক আছিল সমাজৰ সকলো শ্ৰেণীৰ মানুহ। কেতিয়াবা ৰজাঘৰীয়া প্ৰয়োজনত কেৱল ৰাজদৰবাৰ আৰু



OKDISCD

নিমন্ত্ৰিত অভিজাত অতিথিৰ সন্মুখতে নাটক মঞ্চস্থ কৰা হৈছিল। কিন্তু বছৰৰ বেছি ভাগ দিনতেই আমাৰ গাৱঁলীয়া যাত্ৰা ভাওনাতকৈ সামান্য মাত্ৰ উন্নত পৰিবেশত ধনী-দুখীয়া, উচ্চ-নীচ, শিক্ষিত অশিক্ষিত সকলো ধৰণৰ দৰ্শকৰ সন্মুখত তেওঁৰ নাটক মঞ্চস্থ হৈছিল। সামন্ততন্ত্ৰৰ অৱক্ষয় আৰু ধনতন্ত্ৰৰ প্ৰথম বিকাশৰ দোমোজাত স্পষ্ট হৈ উঠা নতুন সাংস্কৃতিক লক্ষণৰ ভিতৰত ব্যৱসায়ী নাট্যমঞ্চৰ আৱিৰ্ভাৱ আৰু প্ৰভাৱ এটা উল্লেখযোগ্য ঘটনা। শেক্সপীয়েৰৰ আগে আগেহে মাত্ৰ জন লিলি (John Lyly ১৫৫৪-১৬০৬), ৰবাৰ্ট গ্ৰীন (Robert Greene ১৫৫৮-১৫৯২), টমাছ কীড (Thomas Kyd, ১৫৫৭-১৫৯৪), ক্ৰিষ্টফাৰ মাৰলো (Christopher Marlowe, ১৫৬৪-১৫৯৩) প্ৰমুখ্যে ইউনিভাৰচিটিৰ ডিগ্ৰীপ্ৰাপ্ত (এওঁলোকৰ 'Univeresity Wits' বোলা হয়) উদ্যোগী যুৱক কেইজনমানে এই ক্ৰমশঃ জনপ্ৰিয় ব্যৱসায়ী অনুস্থানক তেওঁলোকৰ বিদ্যা বুদ্ধিৰে অৰিহণা যোগাবলৈ আহি সূচনা কৰিলে ইংৰাজ মঞ্চ আৰু নাট্য সাহিত্যৰ এটা স্বৰ্ণ যুগ। এনে পটভূমিতেই শেক্সপীয়েৰৰ নাটকসমূহৰ জন্ম হয়, মাথো অৱসৰ বিলাসী আৰু ঐশ্বৰ্য্যশালী অভিজাত শ্ৰেণীৰ সৃষ্টি ই নহয়।

মঞ্চ আৰু নাটকে শেক্সপীয়েৰৰ যুগৰ মানুহৰ মনত এনে দকৈ শিপাইছিল যে বহুত সময়ত মানৰ জীৱনৰ লীলা-খেলাক অভিনয়ৰ অংক হিচাবে বুজোৱা হৈছে—

"All the world's a Stage,
And all the men and women merely players;
They have their exits and their entrances;
And one man in his time plays many parts,
His acts being seven ages. At first the infant,
Mewling and puking in the murse's arns;
Then the whining School boy, with his Satchel
And shining morning face, creeping like snail
Unwillingly to School. And the the lover,
Sighing like furnace, with a woeful ballad
Made to his mistress' eyebrow. Then a soldier,
Full of strange oaths, and bearded like the pard,





Jealous in honour, sudden and quick in quarrel,
Seeking thc bubble reputation
Even in the cannon's month. And then the justice,
In fair round belly with good capon lin'd,
With eyes severe and beard of formal cut,
Full of wise saws and modern instances;
And so he plays his part. The sixth age shifts
Into the lean and Slipper'd pantaloon,
With spectacles on nose and pouch on side,
His youthful hose, well sav'd, a world too wide
For his shrunk shank; and his big manly voice,
Turnimg again toward childish treble, pipes
And whistles in his sound, Last scene of all,
That ends this strange eventful history,
Is second childishness and mere oblivion;
Sans teeth, sans eyes, sans taste, sans every thing."

"As you Like It. II, Vii, line 140-166)

নতুনকৈ প্ৰৱৰ্ত্তনকৰা বিবিধ নাট্য কৌশল, সাজসজ্জা, প্ৰভৃতিৰে এখন মোহময় কল্পনাজগত কেইঘণ্টামানৰ কাৰণে দৰ্শকৰ আগত দাঙি ধৰিব পাৰিছিল, বিশেষকৈ ৰাজকীয় পৃষ্ঠপোষকতা থকা মঞ্চাভিনয়ত :

"These our actors,
As I foretold you, were all Spirits, and
Are melted in to air, in to thin air;
And, like the baseless fabric of this vision,
The cloud-capp'd towers, the gorgeous palaces,
The Solemn temples, the great globe it self,
Yes, all which it inherit, shall dissolve,
And, like this insubstantial pageant faded,
Leave not a rack behind." (**The Tempest**)
**IV. 1. 148-156)**



OKDISCD

অৱশ্যে সাধাৰণ মঞ্চত, বিশেষকৈ তেওঁৰ কৰ্মজীৱনৰ আগডোখৰত নাট্যকাৰ শ্বেক্সপীয়েৰে তেওঁৰ কল্পনাৰ তুলনাত মঞ্চৰ সাজ-সৰঞ্জামৰ দৈন্যৰ কথা বাৰুকৈ অনুভৱ কৰিছিল ঃ

"But pardon, gentles all,
The flat unraised Spirits that hath dar'd
On this unworthy scaffold to bring forth
So great an object. Can this Cockpit hold
The vastly fields of France? Or may we cram
Within this wooden O this very casques
That did affright the air at Agincourt?"

( **King Henry the Fifth**, Prologue, lines 8-14).

এই উদ্ধৃতিৰপৰা বুজা যায় যে তেতিয়াৰ দিনত মঞ্চ O আখৰটোৰ নিচিনা ঘূৰণীয়া আছিল। এনেকুৱা মন্তব্যৰ উপৰিও 'Hamlet' নাটকত নাটকৰ ভিতৰতে নাটকৰ অভিনয় প্ৰদৰ্শন কৰা হৈছে (Hamlet, Act III, Scene II)। আকৌ অভিনয় কৰা মানুহৰ প্ৰতি অৱজ্ঞাৰ ভাৱ পোষণ কৰা Polonius ক মৰ্মস্পৰ্শী ভাষাত হেমলেটে বুজাইছে—

"Good my lord, will you see the players well bestowed? Do you hear: let them be well used; for they are the abstract and brief chronicles of the time;"

(**Hamlet**, Act II, Scene II,-516 518)

অভিনয় সম্পৰ্কে হেমলেটে নিজেই অভিনেতাসকলক বুজাইছে—

"Speak the Spech, I pray you, as I produc'd it to you, trippingly on the tongue; but if you mouth it, as many of our players do, I had as lief the town-crier Spoke my lines. Nor do not saw the air too much with your hand, thus, but use all gently; for in the very torrent, tempest, and, as I may say, whirlwind of your passion, you must acquire and beget a temperance that may give it smoothness. O, it offends me to the soul to hear





a robustious periwig-pated fellow tear a passion to tatters, to very rags, to split the ears of the groundlings, who, for the most part, are capable of nothing but inexplicable dumb shows and noise. I would have such a fellow whipp'd for o'erdoing Termagant; it out-herods Herod. Pray you avoid it.

1. Player—I warrant your honour.

Hamlet :—Be not too tame neither, but let your own discretion be your tutor. Suit the action to the word, the word to the action; With this special observance, that you o'erstep not the modesty of nature; for anything so o'erdone is form the purpose of playing, whose end, both at the first and now, was and is to hold, as 'twere, the mirror up to nature. ( Hamlet, Act III, Scene II lines 1-34 )

তেওঁৰ জীৱনৰ শূন্যতা আৰু ব্যৰ্থতাৰ গভীৰতম অনুভূতি প্ৰকাশ কৰিবলৈ মেকবেথে ব্যৱহাৰ কৰিছে এজন অভিনেতাৰ কল্পচিত্ৰ ঃ

"Life's but a walking shadow, a poor player,
That struts and frets his hour upon the stage,
And then is heard no more; it is a tale
Told by an idiot, full of sound and fury,
Signifying nothing" (**Macbeth**, Act V, Scene
V line 23-27)

আৰু এনেকুৱা বহুত উদাহৰণ দিব পৰা যায় যাৰ দ্বাৰা প্ৰমাণ হয় যে নাটক, অভিনয় আৰু অভিনেতাসকলে শ্বেক্সপীয়েৰৰ মানসত আৰু সমসাময়িক জীৱনত অতি গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল।

এটা বিশেষ সামাজিক পৰিস্থিতিতহে এনে দৰে নাট্যশিল্পৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ হৈছিল ('art and literature continue to be depe-ndent upon the economic life of society'-'Art and Social



OKDISCD

life' by G. V. Plekhanov পৃঃ ১২)। সেই সমাজৰ চৰিত্ৰ আছিল কেনে ? তাৰ শ্ৰেণী বিন্যাস আছিল কেনেকুৱা ? ৰাজনৈতিক আৰু সামাজিক আচাৰ-ব্যৱহাৰ, নীতি নিয়ম কেনে আছিল ? এনেবোৰ প্ৰশ্নৰ অৱতাৰণা কৰাৰ ফলত শেক্সপীয়েৰৰ সুপ্ৰতিষ্ঠিত মৰ্যাদাৰ কোনো হানি নহয় ; বৰং তেওঁৰ মহান আৰু কাৰো কাৰো ভাষাত স্বৰ্গীয় প্ৰতিভাও মাটিৰ পৃথিবীৰ সৃষ্টি বুলি বুজিব পৰা যাব।

মধ্যযুগৰ য়ুৰোপত ইটালি আৰু ফ্ৰান্সৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থা, ক্ষমতা আৰু মৰ্যাদা যেনে আছিল ইংলণ্ডৰ তেনে নাছিল ; বৰং ইংলেণ্ডৰ তাতোকৈ বহুত কম আছিল। বাস্তৱিকতে ইংলেণ্ডক এথন সাধাৰণ তৰপৰ ৰাজ্য বুলি বিবেচনা কৰা হৈছিল। কিন্তু সপ্তদশ শতিকাত ইংলেণ্ডৰ আৰ্থিক আৰু ৰাজনৈতিক ক্ষমতা যেনেকৈ বৃদ্ধি হ'ল তেনেকৈ ইংলেণ্ডৰ মনীষী, লেখক আৰু সাহিত্যিক সকলে সমগ্ৰ ইউৰোপ মহাদেশতে সমাদৰ পাবলৈ ধৰিলে। এসময়ত ইটালিৰ কলা-শিল্প সাহিত্য ৰুচি আৰু ফেশনেও ইংলেণ্ডৰ মানুহক আকৃষ্ট আৰু প্ৰভাৱান্বিত কৰিছিল। শেক্সপীয়েৰৰ নাটকত দেখা যায় যে ইটালিয় সকলৰ কথা-বতৰা, ভাৱ-ভঙ্গী, সাজ-পোচাক নকল কৰা কাৰণে কোনো ইংৰাজ মানুহক তেওঁলোকৰ সমনীয়া সকলে ইতিকিং কৰিছিল ( এসময়ত ইংৰাজৰ প্ৰভাৱত বেছিকৈ পৰা ভাৰতীয় মানুহক লগৰীয়া বোৰে 'কালা চাহাব' বুলি জোকাইছিল )। পাহৰিলে নচলিব যে ইটালিৰ মাইকেল এঞ্জেলো, লিয়নাৰ্ডো ডা ভিঞ্চি, ৰাফেল প্ৰভৃতিৰ দৰে শিল্পী, মেকিয়াভেলি, জ্যুচ্চিয়াৰ্ডিনিৰ দৰে বুৰঞ্জীবিদ আৰু চিন্তাবীৰ, জৰ্দানো ব্ৰুনো, ফিচিনো ইত্যাদিৰ দৰে দাৰ্শনিক, পেট্ৰাৰ্ক, টাচ' বা আৰিৱষ্টৰ দৰে সাহিত্যিক ইত্যাদি য়ুৰোপৰ মানসৰ ওপৰত গভীৰ আৰু ব্যাপক প্ৰভাৱ বিস্তাৰ কৰা প্ৰতিভা সকল পৰিপুষ্ট হৈছিল ফ্লৰেন্স, মিলান, জেনিভা প্ৰভৃতি বাণিজ্য প্ৰধান চহৰৰ ঐশ্বৰ্য আৰু ক্ষমতাৰ দ্বাৰা। ইংলেণ্ড এখন প্ৰধান জাতীয় ৰাষ্ট্ৰ হৈ উঠে তাৰ বহুত পিচত কিন্তু তাৰ ভিত্তি স্থাপিত হৈছিল মধ্যযুগৰ শেষৰ ফালেই। ইংলেণ্ডৰ বস্ত্ৰশিল্প ক্ৰমাত চহকী হৈছিল প্লেগ মহামাৰীৰ পিচত চনপৰি থকা পথাৰবোৰ যেতিয়া ভেড়া চৰা ঘাঁহনিত ( pasture ) পৰিণত হয় তেতিয়াৰ পৰা। তাৰ ফলত ইংলেণ্ডৰ আৰ্থিক জীৱনলৈ আহিল





নানা ধৰণৰ বৃত্তি আৰু বেহাবেপাৰৰ বৈচিত্ৰ্য, আৰু আহিল ইউৰোপ মহাদেশৰ পৰা প্ৰচুৰ অৰ্থ। বিপুল ভূ-সম্পত্তিৰ অধিকাৰী জমিদাৰ ( যি বিলাকে ভুমি-দাস সকলক অসমৰ পাইকবোৰৰ দৰে খটুৱাই খেতি বাতি চলাইছিল ) বিলাকৰ উপৰিও ইংলেণ্ডত এটা সমৃদ্ধিশালী স্বাধীন মজলীয়া খেতিয়কৰ (yeoman) শ্ৰেণী উদ্ভৱ হৈ দেশৰ সম্পদ আৰু জাতিৰ পৌৰ মৰ্য্যাদা বৃদ্ধি কৰিছিল।

ইংলেণ্ডৰ সৈন্যদলে Crecy আৰু Poitiers যুদ্ধত পৰাক্ৰান্ত ফৰাচী সৈন্যদলক বিপৰ্যস্ত কৰিছিল। ইয়াৰ মূলতে আছিল স্বাধীন খেতিয়কদলৰ উৎসাহ আৰু ইংলেণ্ডৰ ৰজা ঘৰৰ ক্ষমতা। এই ক্ষমতা আন বহু ইউৰোপীয় ৰাষ্ট্ৰতকৈ বহুত আগতেই অবিসম্বাদী আৰু কেন্দ্ৰীভূত হৈছিল—যেনেকৈ ২য় আৰু ৩য় হেনৰীৰ দিনত আইন আদালত সকলোতে সামন্ত যুগীয় স্থানীয় নীতি-নিয়ম তল পেলাই একতৰপীয়া (unitary) ৰাজকীয় ন্যায় (Justice) ক্ৰমাৎ প্ৰচলিত হব ধৰিছিল। এইবোৰ লক্ষণৰ পৰা বুজা যায় যে ইংলেণ্ডৰ পৰবৰ্তী সমৃদ্ধি আৰু উন্নতিৰ ভিত্তি ৰচিত হৈছিল মধ্যযুগৰ শেষৰ ফালে। কোৱা বাহুল্য মাথোন যে আধুনিক বুৰ্জুৱা ঐতিহাসিক সকলৰ দৰে বুৰঞ্জীৰ এটা যুগ বা প্ৰক্ৰিয়াক কিছুমান বিচ্ছিন্ন ঘটনাৰ সমষ্টি বুলি আমি নাভাবো। সেয়েহে আমি কব খোজোঁ যে ইংলেণ্ডত এটা মধ্যবিত্ত শ্ৰেণীৰ উত্থান হৈ সামন্ত যুগৰ অৱসান ঘটায় আৰু আধুনিক পুঁজিবাদী সমাজ আৰু সভ্যতাৰ জন্ম দিয়ে। ষষ্ঠদশ আৰু সপ্তদশ শতিকা দুটা ( টিউডৰ আৰু ষ্টুৱাৰ্ট ৰাজবংশৰ উত্থান আৰু পতনৰ সময় ) সামন্তবাদৰ পতন আৰু পুঁজিবাদৰ উত্থানৰ মধ্যৱৰ্তী সংকট কাল। এই কালৰ সম্যক পৰিচয় পাবলৈ হলে আমি শেক্সপীয়েৰৰ পূৰ্বমুহূৰ্ত্তৰ ইংলেণ্ডৰ সামাজিক পৰিস্থিতি বুজি লব লাগিব। ( আগলৈ )

—×—



OKDISCD

# শিক্ষানীতিৰ সংকট আৰু তাৰ সমাধান

ডঃ হীৰেন গোহাঁই

( সদৌ অসম সাহায্যপ্ৰাপ্ত হাইস্কুল শিক্ষক সন্থাৰ আলোচনাচক্ৰত দিয়া বক্তৃতা )

সভানেত্ৰী মহোদয়া, বয়োজ্যেষ্ঠ শিক্ষাগুৰুসকল, সমনীয়া বন্ধু সকল !

আজিৰ সভাত প্ৰকৃততে যাৰ পৰা আমি দুআষাৰ সাৰুৱা কথা শুনিব পাৰিলোহেঁতেন, তেখেত সকল আজি নিৰ্বাক শ্ৰোতা। আমাৰ দেশৰ ভিন ভিন পৰিবেশ আৰু পৰিস্থিতিত, ভিন ভিন আৰ্থিক অৱস্থাৰ ছাত্ৰ, ভিন ভিন আৰ্থিক সম্বলৰ বিদ্যালয়, ভিন ভিন সাংস্কৃতিক পৰ্যায়ৰ লোকৰ মাজত যিসকল শিক্ষকে শিক্ষকতা কৰি আছে, তেখেতসকলৰ মতামতেই বহু সমস্যাৰ সমাধানত বিশেষ কাৰ্য্যকৰী হ'লহেঁতেন। অন্ততঃ ভাৰতৰ নামকৰা শিক্ষা বিশেষজ্ঞ সকলতকৈ তেওঁলোকৰ মতামতৰ মূল্য কম বুলি মই নাভাবোঁ।* যেনেকৈ আমাৰ গাঁৱৰ খেতিয়ক সকলৰ পৰা বিভিন্ন অঞ্চলৰ মাটিপানীৰ খবৰ, খেতিবাতিৰ পুৰণা নিয়ম কানুনৰ আওভাও নোলোৱাকৈ প্ৰয়োগ কৰা বৈজ্ঞানিক কৃষি বহু ক্ষেত্ৰত বিফল হৈছে, সেইদৰে শিক্ষকতা কৰি থকা লোক সকলৰ জীৱন্ত অভিজ্ঞতা আওকান কৰি প্ৰৱৰ্ত্তন কৰা বহু নতুন-নতুন উদ্ভাৱন বা সংস্কাৰ শিক্ষাৰ ক্ষেত্ৰতো একে ধৰণে বিফল হবলৈ বাধ্য।

আমাৰ দৰে স্কুলীয়া শিক্ষাৰ লগত প্ৰত্যক্ষ সম্পৰ্ক নথকা মানুহে নাইবা বিশেষ গৱেষণাগাৰত আবদ্ধ শিক্ষাবিদে যিবোৰ কথা কব পাৰে, সম্ভবতঃ তাৰ

* বিশেষজ্ঞৰ প্ৰয়োজন যেনেকৈ নুই কৰিব নোৱাৰি, তেনেকৈ বিশেষজ্ঞৰ প্ৰতি অন্ধ আস্থাও বিপজ্জনক। বিশেষজ্ঞ যাদুকৰ বা পুৰোহিত নহয়। বিশেষজ্ঞৰ বিশেষ জ্ঞান আহে কিছুমান বিশেষ পৰিস্থিতিত ওপজা অভিজ্ঞতাৰ পৰা। তেনেবোৰ পৰিস্থিতি বিশ্বজনীন নহবও পাৰে। উন্নত পুঁজিবাদী দেশৰ অৰ্থনীতিৰ জ্ঞান সুন্দৰকৈ আয়ত্ত কৰা ভাৰতীয় অৰ্থনীতিবিদৰ পৰামৰ্শই আমাৰ অৰ্থনীতিত বহুত আসোঁৱাহ সৃষ্টি কৰিছে। কাৰণ আমাৰ দেশৰ আৰ্থিক পৰিস্থিতি উন্নত পুঁজিবাদী দেশতকৈ বহুত বেলেগ। তাৰ বেজালি আমাৰ ইয়াত বহু ক্ষেত্ৰত নচলে।





সৰহভাগেই ইতিমধ্যে ১৯৬৬ চনতে ওলোৱা Education Commission (তথাকথিত Kothari Commission) ৰ Report ত কোৱা হৈ গৈছে। কিন্তু মোৰ ধাৰণা যে উক্ত Commission এ যদি কেৱল চৰকাৰী শিক্ষাবিভাগৰ বিষয়া, খ্যাতিমান শিক্ষাবিদৰ বাহিৰেও আমাৰ সাধাৰণ তৰপৰ শিক্ষক সকলৰ ওচৰ চাপিলহেঁতেন, তেনেহলে সেই প্ৰতিবেদনৰ ব্যৱহাৰিক মূল্য আৰু বেছি হ'লহেঁতেন। দুখৰ বিষয় যে আজি ভাৰতৰ চুকে কোণে স্কুলত শিক্ষকতা কৰা লোক সকলৰ শিক্ষা সম্পৰ্কে মতামত প্ৰকাশ কৰাৰ আগ্ৰহ স্তব্ধ হৈ গৈছে—কাৰণ কৰ্তৃপক্ষই কেতিয়াও তাত যথোচিত মূল্য নিদিয়ে।

উদাহৰণ স্বৰূপে **Education Commission** ৰ প্ৰতিবেদনৰ ৬১ পৃষ্ঠাত কি আছে চাওক :

"In creative work like teaching or research, the provision of stimulating conditions of work and adequate opporfunities for professional advancement are extremely important and can play a very significant role in attracting and retaining the right type of person in the profession."

আৰো—

"The conditions of work in educationat institutions should be such as to enable teachers to function at their highest level of efficiency."

কিন্তু প্ৰতিবেদনত এই কথাটোত কোনো গুৰুত্ব দিয়া হোৱা নাই যে অসমৰ চহৰবোৰৰ ভাল স্কুলবোৰতো একোজন শিক্ষকে দিনে প্ৰায়ে ৬।৭ টা বা তাতকৈ বেছি ক্লাছ লব লগা হয়। মাজতে এপিয়লা চাহ পি আৰু এটা বিস্কুট চোবাই দিনটো চিঞৰি তেওঁলোকৰ গলা শুকাই আহে। তাৰ পৰা তেওঁলোকৰ efficiency ৰেই উন্নতি হৈছে নে উৎসাহ-উদ্দীপনাই বাঢ়িছে ? সাধাৰণ শিক্ষকৰ ওচৰ চপা হলে Education Commission এ এই তথ্যত প্ৰয়োজনীয় গুৰুত্ব দিব পাৰিলেহেঁতেন।

আৰু এটা উদাহৰণ দিয়া যাওক। দেখা যায় যে Education Commission এ ছাত্ৰৰ বিদ্যাৰ্জনত গ্ৰন্থাগাৰৰ প্ৰয়োজনৰ ওপৰত বিশেষ জোৰ দিছে।



OKDISCD

কিন্তু Commission এ বোধহয় ভূ নাৰাখে যে আমাৰ ডাঙৰ ডাঙৰ স্কুল আৰু বেছি ভাগ কলেজতে কিতাপ পত্ৰৰ লগত সম্পৰ্ক থকা আৰু সেই বিষয়ে ল'ৰাক guidance দিব পৰা লাইব্ৰেৰিয়ান নাই। এজন শিক্ষকেই ৬।৭ টা ক্লাচ লোৱাৰ উপৰিও মাহে ১৫।২০ টকাৰ বিনিময়ত লাইব্ৰেৰিৰ যাৱতীয় কাম চলায়। ফল কেনে হব সহজে অনুমান কৰিব পাৰি। (লাইব্ৰেৰিত কিতাপ কিমান আছে, সেই প্ৰশ্ন আৰু নুতুলিলোঁ।)

Education Commission এই এনে মনোভাৱৰ জন্ম দিলে যে স্বীকৃতি বস্তুটো স্বয়ংক্ৰিয় (automatic) হব নোৱাৰে। স্কুলৰ শিক্ষাৰ মান অনুসৰিহে স্কুলক স্বীকৃতি দিয়া উচিত। এই নিৰ্দেশ মতেই আমাৰ চৰকাৰে যি স্বীকৃতি বাতিল কৰা (de-recognition) নীতি ল'লে, তাৰ ফলত বহুত অন্যায় হ'ল। এনে বহু অঞ্চল এতিয়াও আছে যত নানা কাৰণত অভিভাৱকে লৰা-ছোৱালীক স্কুললৈ পঠাবলৈ ইচ্ছুক নহয়। সেইবোৰ ঠাইত যান্ত্ৰিক ভাৱে শতকৰা ইমান ল'ৰা পাছ নহলে স্বীকৃতি বাতিল কৰা হব বোলাৰ অৰ্থ নাই বৰং তেনে ঠাইৰ পৰা দুই এজনকৈ লৰাই পাছ কৰি ওলাই অহাটোৰেই শিক্ষক সকলৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফল।

Education Commission এই কৈছে যে শিক্ষাৰ বাবে প্ৰয়োজনীয় অৰ্থ সম্বল চৰকাৰে সদায় যোগাব নোৱাৰিব। স্থানীয় সমাজ বা Community ৰ ওপৰত সেয়ে শিক্ষাৰ ব্যয়ভাৰৰ একাংশ ন্যস্ত কৰাৰ প্ৰস্তাৱ তেওঁলোকে দিছে। কিন্তু আমি দেখিছো একোটা ক্লাচৰ Section বঢ়াবলৈ হলে এজন শিক্ষকৰ দৰমহা এবছৰ Managing Committee য়ে যোগাব লাগে বাবেই অসমৰ বহু স্কুলত ক্লাছত লৰা ঠাঁহ খাই গলেও section বঢ়োৱা নহয়!

এনে সৰু সৰু অথচ তাৎপৰ্য্যপূৰ্ণ উদাহৰণ আৰু বহুত দিব পাৰি য'ত Education Commission ৰ চকু পৰা নাই, পৰিব নোৱাৰেও। তাৰ অৰ্থ অৱশ্যে এইটো নহয় যে গোটেই report খনেই ভুল। তাত বহুত নীতি আৰু উদ্দেশ্য, পদ্ধতি আৰু কৌশলৰ বিৱৰণ আছে—যিবোৰৰ প্ৰয়োগে আমাৰ দেশৰ শিক্ষা উন্নত আৰু ফলৱতী কৰিব পাৰে। কিন্তু দেশৰ শিক্ষাৰ বাস্তৱ পৰিৱেশ, অৰ্থ সম্বল আৰু সামাজিক পৰিস্থিতি সম্পৰ্কে উক্ত Commission ৰ আৰু বহুল আৰু প্ৰত্যক্ষ জ্ঞান থকা উচিত আছিল। এক কথাত কব





পাৰি যে আদৰ্শ, নীতি আৰু লক্ষ্য নিৰূপণ কৰাত উক্ত Commission এ যি গুৰুত্ব দিছে, তাৰ দহ ভাগৰ এভাগো যদি আমাৰ সাধাৰণ তৰপৰ স্কুল-বোৰৰ বিভিন্ন সমস্যাৰ সমীক্ষাত (survey) দিলেহেঁতেন, তাৰ ফলপ্ৰসূতা দহ গুণে বাঢ়িলহেঁতেন।

কথাটো খুব serious। আমাৰ দেশৰ শিক্ষাৰ সমস্যাই বৰ্ত্তমান সংকটৰ মুহূৰ্ত্ত পাইছে। সংকটৰ অৰ্থ সৰুসুৰা বা সাময়িক বিপদ নহয়। তাৰ অৰ্থ এয়ে যে কোনো অনুষ্ঠান বা ব্যৱস্থাৰ আভ্যন্তৰীণ দুৰ্বলতা বা ত্ৰুতিবিচ্যুতি ইমান বেছি হৈছে যে জোৰাতালি দি তাক ভাল কৰিব নোৱাৰি। হয় তাৰ আমূল আৰু drastic পৰিবৰ্ত্তন ঘটাব লাগিব, নহলে তাৰ পৰা সৰ্বনাশী বিপদ উপস্থিত হব।

এই সংকটৰ কিছুমান সাধাৰণ লক্ষণ আমাৰ স্কুলীয়া শিক্ষাত প্ৰকট হৈ উঠিছে ঃ

(১) শেষ স্কুলীয়া পৰীক্ষাত প্ৰতি বছৰে লক্ষ লক্ষ ল'ৰা অকৃতকাৰ্য্য হৈছে। কৃতকাৰ্য্য হোৱা লৰাৰ অনুপাত শতকৰা ৩০ কি ৩৫ জন মাত্ৰ। এইদৰে অকৃতকাৰ্য্য হোৱা ছাত্ৰবিলাকে কৰ্মসংস্থানৰ আন উপায় পোৱা নাই, আৰু খেতিবাতি বা আন পৰিশ্ৰমৰ জীৱিকা লোৱাৰ মনোবৃত্তিও হেৰুৱাই পেলাইছে। ই এটা বিপজ্জনক অপচয়।

(২) শিক্ষাৰ ক্ষেত্ৰত প্ৰসাৰণ বা expansion এ চূড়ান্ত ৰূপ লৈছে। অথচ তাৰ পৰা সমাজৰ লাভতকৈ ক্ষতিহে বেছি হৈছে। ১৯৫০-৫১ চনত ক্লাছ ৰানত ভৰ্ত্তি হয় ৬৯, ৪৮, ০০০ জন। ১৯৬৫-৬৬ চনত সেই ক্লাছত ভৰ্ত্তি হয় ১৮, ৪৯৩, ০০০ জন! অৰ্থাৎ ১৫ বছৰত ছাত্ৰৰ সংখ্যা সেই ক্লাছত ৩ গুণ হৈছে। চৰকাৰে কৰা খৰচো বাঢ়িছে। ১৯৫১ চনত স্কুলীয়া শিক্ষাত চৰকাৰে ১,৪৪৪ নিযুত টকা খৰছ কৰে, ১৯৬৬ চনত কৰে ৬০০০ নিযুত।

সাধাৰণ অৱস্থাত দেশৰ আৰ্থিক আৰু সাংস্কৃতিক উন্নয়নত এই প্ৰসাৰণে বিশেষ বৰঙণি যোগালেহেঁতেন। কিন্তু এই বিৰাট সংখ্যা আৰু ব্যয়ভাৰৰ বৃদ্ধিয়ে দেশৰ আৰ্থিক উন্নতিত বিশেষ বৰঙণি যোগোৱা নাই যেন লাগে। বৰং সাধাৰণ মানুহৰ ওপৰত এই ব্যয়ভাৰ এক অতিৰিক্ত অনৰ্থক বোজাৰ দৰে হৈ পৰিছে।



OKDISCD

আধুনিক শিক্ষাবিদ সকলৰ ধাৰণা যে উপযুক্ত শিক্ষা এবিধ গুৰুত্বপূৰ্ণ মূলধন। তাৰ ফলত দেশৰ প্ৰগতি দ্ৰুততৰ হয়। কিন্তু আমাৰ ব্যৱহাৰিক জীৱনত আমি পোৱা শিক্ষাৰ পুথিগত চৰিত্ৰই কোনো সহায় নকৰে। আমাৰ লৰাই hygiene ৰ পাঠ মুখস্থ হে কৰে, ঘৰুৱা বা ৰাজহুৱা জীৱনত তাক বিশেষ প্ৰয়োগ কৰা দেখা নাযায়। প্ৰাচীন সমাজৰ শিক্ষাৰ দৰে কেৱল অভিজাত শ্ৰেণীৰ কৌলীন্যৰ চিহ্ন হিচাবে ব্যৱহাৰ কৰা শিক্ষাৰ পৰা দেশৰ আৰ্থিক আৰু সাংস্কৃতিক উন্নতি হব নোৱাৰে।

(৩) স্কুলকলেজ বিলাকত এসময়ত খেলাধুলা, সংস্কৃতি চৰ্চা প্ৰভৃতিত সামান্য হলেও যিকণ জোৰ দিয়া হৈছিল, এতিয়া আৰু দিয়া নহয়। ছলে বলে কৌশলে মেট্ৰিক পাছ কৰা ছাৰ্টিফিকেট খন আদায় কৰাই ছাত্ৰৰ একমাত্ৰ সাধনা হৈ পৰিছে। সেয়ে দায়িত্ববান, স্বাস্থ্যবান, ৰুচিবান নাগৰিক হোৱাৰ প্ৰশিক্ষণ নতুন চাম ছাত্ৰে পোৱা নাই। আনহাতে পুথিগত শিক্ষাৰো সাৰখিনি লৰাই পোৱা নাই।

(৪) শিক্ষক সকলৰ উপাৰ্জন আৰু সামাজিক মৰ্যদা আগতকৈ তুলনা মূলকভাবে নামিছে বুলিব লাগিব। দেশৰ ক্ৰমবৰ্দ্ধমান আৰু অবাধ মূল্যবৃদ্ধিৰ অনুপাতে তেওঁলোকৰ আয় বঢ়া নাই। ফলত স্বচ্ছলতা দূৰৰ কথা প্ৰাথমিক প্ৰয়োজনখিনি মিটোৱাও তেওঁলোকৰ পক্ষে ক্ৰমাৎ অসম্ভৱ হৈ পৰিছে। লগে লগে সমাজত তেওঁলোকৰ মানমৰ্যদাৰ অৱনতি ঘটিছে। পুঁজিবাদী সমাজৰ স্বাভাৱিক মানদণ্ড হ'ল টকা— টকা থাকিলে সাতখুণ মাফ, আৰু টকাৰ মান দণ্ডৰে মানুহক বিচাৰ কৰা হয়। তাৰ উপৰিও এই সমাজত অগণন শিশুৰ জীৱনৰ বিশেষ মূল্য নাই। ভৱিষ্যতৰ সমাজৰ উন্নতিৰ বাবে উৎপাদিকা শক্তি বুলিও সিহঁতক বিবেচনা কৰা নহয়। সেই শিশু সমূহৰ তত্ত্বাৱধান কৰা শিক্ষকৰ জীৱিকাও সেই অনুযায়ী মূল্যহীন হৈ পৰিছে। এনে সন্মান আৰু অনুপ্ৰেৰণাৰ অভাৱত শিক্ষকসকল শিক্ষাদানত শিথিল আৰু অমনোযোগী হৈ পৰিছে। কিছুমানে গোপনে ঠিকাদাৰী কৰে, কোনোৱে আকৌ কংগ্ৰেছী নেতাৰ পিছে পিছে দৌৰি ফুৰে। তেওঁলোকৰ সভাসমিতিতো অৰ্থনৈতিক দাবীৰ আলোচনাই প্ৰধান—কাৰণ চাকৰিৰ নিৰাপত্তা আৰু আয় তেওঁলোকৰ সামান্য।





(৫) শিক্ষাৰ প্ৰসাৰণ আৰু উন্নয়নৰ বাবে চৰকাৰে যি পৰিমাণৰ ধন খৰচ কৰিছে, সিও প্ৰকৃততে প্ৰয়োজনৰ তুলনাত নগণ্য। আমাৰ দেশৰ সৰহ সংখ্যক ছাত্ৰে যেনে স্কুলঘৰলৈ যায়, তাত শিক্ষাৰ সা-সজুলি যেনে নিছলা ধৰণৰ, তেওঁলোকক পঢ়াবলৈ নামমাত্ৰ দৰমহাত এমুঠি নিৰুৎসাহ শিক্ষকে যেনেকৈ পৰিশ্ৰম কৰিছে— ভাবিলে শোক লাগে। আমেৰিকা বা ৰাশ্যাৰ দৰে ধনবান দেশত দেশৰ সৰ্বমুঠ আয়ৰ শতকৰা ৬ ভাগতকৈ বেছি ধন শিক্ষাত ব্যয় হয়। অথচ ভাৰতৰ সামান্য আয়ৰ মাত্ৰ ২·৭% খৰচ হয় শিক্ষাত। দেখা গৈছে যে অপেক্ষাকৃত লঘু এই ব্যয়ভাৰো বহন কৰিবলৈ চৰকাৰ অপৰাগ। কেন্দ্ৰীয় চৰকাৰৰ হেঁচাত অসম চৰকাৰে অলপতে যি austerity আৰু economy ৰ ব্যৱস্থা লৈছে, তাৰ পৰিণামত নিশ্চয় বহু নতুন নিযুক্তি, প্ৰাপ্য পদোন্নতি, বহু অনুষ্ঠানৰ এককালীন দান আৰু অনু-দান বন্ধ হব। ৰাজ্যৰ শিক্ষাৰ ক্ষেত্ৰত সি এক প্ৰতিবন্ধকৰ সৃষ্টি কৰিব। শিক্ষাৰ প্ৰতি জনসাধাৰণৰ প্ৰবল ধাউতিক দেশৰ উন্নতি আৰু কল্যাণৰ স্বাৰ্থত পৰিচালিত কৰিবলৈ আমাৰ চৰকাৰ অপৰাগ।

সংকটৰ এইবোৰ লক্ষণ ভালদৰে বিবেচনা কৰিলে বুজা যাব যে পুৰণি-কলীয়া শিক্ষাব্যৱস্থাৰ পৰা দেশৰ যিমান লাভ হৈছে লোকচান তাতকৈ বেছি হৈছে। শিক্ষাৰ বিষয়বস্তু, পদ্ধতি আৰু পৰিবেশৰ আমূল পৰিবৰ্তনৰ প্ৰয়োজন হৈছে। **Education Commission** এ সেই মৰ্মে যথেষ্ট সাৰুৱা আঁচনি আগবঢ়াইছেও—পাঠ্যক্ৰম, পৰীক্ষা, পৰিদৰ্শন, স্কুলৰ সা-সঁজুলি ইত্যাদি বহু বিষয়ত। উক্ত Commission এ ঠিকেই কৈছে যে শিক্ষাব্যৱস্থাৰ জৰীয়তে দেশৰ অৰ্থনৈতিক উৎপাদনৰ উন্নতি হব লাগিব, আৰু তাৰ বাবে বিজ্ঞান শিক্ষা আৰু work-experience ত বিশেষ গুৰুত্ব দিব লাগিব। মাধ্যমিক স্তৰত vocational training ত পৰীক্ষা আদিৰ ফালৰ পৰাও গুৰুত্ব দিব লাগিব।

**Education Commission** এ শিক্ষাৰ যোগেদি উচ্চ-নীচ আৰু ধনী-দুখীয়াৰ ব্যৱধান দূৰ কৰি গণতান্ত্ৰিক আৰু সমাজবাদী প্ৰমূল্য প্ৰচাৰ কৰাৰ কথা কৈছে। কিন্তু তেওঁলোকে কোৱা নাই যে বৰ্ত্তমান সুবিধাভোগী ধনিক শ্ৰেণীৰ আদৰৰ শিক্ষানুষ্ঠানবোৰৰ privileged position নষ্ট নকৰিলে এই উদ্দেশ্য সিদ্ধি নহব। সাময়িকভাবে তাৰ ফলত standard ৰ কিঞ্চিৎ অৱনতি



OKDISCD

ঘটিলেও কোনো লোকচান নাই—কাৰণ বৰ্ত্তমান পৰিবেশত সেই standard ৰ পৰা দেশৰ একো লাভো হোৱা নাই। শিক্ষাৰ অৰ্থ যদি দেশৰ ভবিষ্যৎ নাগৰিক তথা কৰ্ম্মী সকলক দিয়া প্ৰয়োজনীয় প্ৰশিক্ষণ, তেন্তে সেই শিক্ষাত দেশৰ সৰহভাগ নাগৰিক অৰ্থাৎ দুখীয়া শ্ৰেণীটোৰ প্ৰয়োজনৰ ওপৰতেই সৰ্বাধিক গুৰুত্ব দিয়া বাঞ্চনীয়। Standard ৰ নামত এশজনক ফে'ল কৰাই এজনক সসন্মানে উলিয়াই অনাৰ শিক্ষানীতিয়ে দেশত প্ৰকাৰান্তৰে শ্ৰেণীবৈষম্য বাহালহে ৰাখিছে। তেনে শিক্ষাব্যৱস্থাৰ বিনাশ দেশৰ উন্নতিৰ বাবেই অপৰিহাৰ্য্য।

এনেতৰহৰ উদ্দেশ্য আৰু লক্ষ্য সাধন কৰিবলৈ হলে শিক্ষকসকলৰ চাকৰিৰ পৰিবেশ, পৰিশ্ৰমৰ চৰিত্ৰ, দৰমহাপাতি সকলোৰে বিশেষ পৰিবৰ্তনৰ প্ৰয়োজন। অন্ততঃ আৰ্থিক দুশ্চিন্তা আৰু গাধাখাটনিৰ মাত্ৰা কমাব লাগিব। সেইদৰে অভাৱগ্ৰস্ত অঞ্চল বা জাতিবোৰৰ বাবে আগতকৈও বহু বেছি পৰিমাণৰ অৰ্থসাহায্যৰ প্ৰয়োজন হব। তেহে যেনিবা আমাৰ বিভিন্ন বিশেষজ্ঞই দিয়া আঁচনিৰ ব্যৱহাৰিক মূল্য আৰু সুফল বাঢ়িব।

নতুন শিক্ষাব্যৱস্থাৰ কাৰ্যকৰিতাৰ বাবে দুটা বস্তুৰ প্ৰয়োজন—অৰ্থ আৰু নেতৃত্ব। এই ক্ষেত্ৰতো অৰ্থ ই ঘাই অনৰ্থ! Education Commission এ আগবঢ়োৱা প্ৰায় প্ৰতিটো নতুন সংস্কাৰ বা পৰিবৰ্ত্তনৰ বাবে যথেষ্ট প্ৰাৰম্ভিক (initial) অৰ্থব্যয়ৰ প্ৰয়োজন হব। আনকি নতুন পাঠ্যক্ৰম মতে নতুন পাঠ্যপুথি প্ৰণয়ণ মানেই নতুনকৈ ধনভগন—আনবোৰ পৰামৰ্শৰ কথা বাদেই দিলোঁ। অথচ চৰকাৰৰ ধনভঁড়ালৰ বোলে তলি উদং। * *

* * সেইদিনাৰ সভাৰ শ্ৰদ্ধেয়া সভানেত্ৰীয়ে পিচত প্ৰশ্ন তুলিছিল: "টকা দিলেই চব ঠিক হবনে? টকা কেনেকৈ খৰচ কৰিম, তাৰো এটা ৰাস্তা লাগিব। অৰ্থাৎ প্ৰধান প্ৰশ্ন হ'ল ভাল-বেয়া, সৎ-অসৎ, প্ৰয়োজনীয়-অলাগতিয়াল এনেধৰণৰ নৈতিক জ্ঞান। সেই মূল্যবোধ নহ'লে টকাৰে কাম নহব।"

আমি সবিনয়ে উত্তৰ দিব খোজোঁ: "প্ৰথমতে, টকা লাগিবই। শিক্ষাৰ সা-সঁজুলি আৰু শিক্ষক আজিৰ সমাজত টকা নহলে নাপায়। দ্বিতীয়তে, মূল্যবোধৰ চৰ্চা আমাৰ ধনী আৰু ক্ষমতাশালী লোকসকলে আগধৰি কৰা ভাল। কাৰণ তেওঁলোকেই সমাজৰ নেতা। নিজে সামান্য আৰামো বৰ্জন নকৰি অভাৱগ্ৰস্ত কৰ্ম্মী বা শিক্ষক সকলক পেটত গামোছা বান্ধি মূল্যবোধ আয়ত্ত কৰিবলৈ কোৱাটো নৈতিকজ্ঞান আৰু কাণ্ডজ্ঞান উভয়ৰে বিৰোধী। মুঠতে, যদি এনে মূল্যবোধে আমাক বৰ্তমানৰ সমাজব্যৱস্থা পৰিবৰ্তন কৰিবলৈ নিশিকায়, তেন্তে তাৰ কোনো মূল্য নাই।"——লেখক।





তাৰ পিচত প্ৰশ্ন হ'ল **Education Commission** ৰ পৰামৰ্শসমূহ কাৰ্য্যকৰী কৰাৰ প্ৰধান দায়িত্ব লব কোনে? বৰ্তমান ব্যৱস্থাত শিক্ষক সকল চাকৰিয়াল মাত্ৰ—যন্ত্ৰহে, যন্ত্ৰী নহয়। বহুক্ষেত্ৰত অভিজ্ঞ আৰু গুণী হলেও তেওঁলোক শিক্ষাব্যৱস্থাৰ সংস্কাৰত বিশেষ অগ্ৰণী নহয়। কাৰণ বৰ্ত্তমান সমাজে তেওঁলোকক তেনে অধিকাৰো দিয়া নাই বা তেনে অৱসৰো দিয়া নাই। তেওঁলোক চৰকাৰী আমোলাৰ ওপৰত নিৰ্ভৰশীল হবলৈ বাধ্য।

সেই নেতৃত্ব চৰকাৰী আমোলাই লব পাৰিবনে? এটা গল্প শুনা যায় যে তাহানি basic education ৰ ভাৰপ্ৰাপ্ত কোনো বিষয়াই নিজৰ ল'ৰাছোৱালীক basic school ত নিদিলে! নতুন নতুন যিবোৰ আঁচনি হৈছে, সেইবোৰৰ প্ৰতি উচ্চপদস্থ আমোলাসকলৰ নিষ্ঠা তাতকৈ বেছি হবনে? নিজৰ ল'ৰাছোৱালীক ব্যয়বহুল অভিজাত স্কুলত পঢ়ুৱাই জনসাধাৰণৰ শিক্ষানুষ্ঠানৰ উদ্গতিত তেওঁলোকে মনপুতি লাগিব পাৰিবনে? ফৰফৰাই ইংৰাজী কোৱাত গুৰুত্ব দি উঠি তেওঁলোকে work-experience ৰ মূল্য বুজিবনে? আৰু এইবোৰ নতুন আঁচনিৰ বাবে নতুন আমোলা নিয়োগ কৰিও লাভ নাই। আমোলাতন্ত্ৰৰ সভ্য হব পাৰিলে এটাইৰে পৰিকিতি ল'ৰিবই। আৰু দেশত 'অভিজাত' স্কুল থাকে মানে আমোলাসকলৰ তাৰ চটকদাৰ শিক্ষাৰ প্ৰতি অচলা ভক্তিও থাকিবই!

প্ৰকৃততে প্ৰত্যেক সমাজেই তাৰ নিজৰ নিজৰ প্ৰয়োজন অনুযায়ী শিক্ষাব্যৱস্থা গঢ়ি লৈছে। আৰু হাজাৰ হাজাৰ বছৰ ধৰি শ্ৰেণী বিভক্ত সমাজত শিক্ষা শ্ৰেণীবৈষম্য ৰক্ষা কৰাৰ অস্ত্ৰ হৈ আছে। শ্ৰেণীবিভক্ত সমাজৰ শিক্ষাই উচ্চ-নীচৰ পাৰ্থক্য সুদৃঢ় কৰে। যিবা এমুঠি মানুহে কাৰ্য্যকৰী শিক্ষা পায়, তেওঁলোকক শোষণকাৰীবিলাকে আশ্ৰিত চাকৰ কৰি ৰাখে। প্ৰকৃত গণতন্ত্ৰত সকলোৰে শিক্ষাৰ সমান সুবিধা পোৱা উচিত—প্ৰত্যেকৰে ব্যক্তিত্বৰ বিশেষ গুণ বা নৈপুণ্যৰ বিকাশ হোৱা উচিত। আমাৰ ভাৰতত কি হৈছে?

দেশৰ এমুঠি ধনী মানুহে (উচ্চপদস্থ আমোলা আৰু ধনী খেতিয়কক ধৰি এওঁলোক জনসংখ্যাৰ শতকৰা পাচজন (৫%) মাত্ৰ (Charles Bettelheim, **India Independent**) দেশত উৎপন্ন সম্পদৰ সৰহভাগ হয় নিজৰ ব্যক্তিগত সম্পত্তিত পৰিণত কৰিছে নহয় তাক নিজৰ সুখসুবিধাৰ হকে নিয়ন্ত্ৰণ



OKDISCD

কৰিছে। তেওঁলোকৰ ঐশ্বৰ্য্য আৰু ক্ষমতাৰ পথ পৰিষ্কাৰ কৰিবলৈ অগণন সাধাৰণ মানুহে আঁকোৱালি লৈছে ভীষণ দাৰিদ্ৰ্য, অভাৱ আৰু অশান্তিৰ জীৱন। উন্নত পুঁজিবাদী দেশবোৰৰ দৰেও আমাৰ দেশত ধনিকশ্ৰেণীৰ লাভৰ এটা অংশ জনসাধাৰণৰ কল্যাণত খৰচ হোৱা নাই। বৰং ধনিকশ্ৰেণীৰ লোকচানৰ সমস্ত ভাৰ জনসাধাৰণেহে বহন কৰিছে।

অলপতে Statesman কাগজত দিয়া মতে আমাৰ ৰাষ্ট্ৰীয় খণ্ডৰ Hindustan Steel, Heavy Engineering Corporation আৰু Heavy Electricals প্ৰভৃতি বৃহদায়তন শিল্পানুষ্ঠানবোৰৰ লোকচান প্ৰায় সিহঁতৰ paid-up capital ৰ ওচৰ চাপিছে। সৰ্বসাধাৰণৰ ক্ৰয়ক্ষমতা নিম্নগামী হোৱা বাবে সমগ্ৰ দেশজুৰি সামগ্ৰীৰ চাহিদা এনে নহয় যাৰ বলত এনেবোৰ শিল্পানুষ্ঠান চলি থাকিব পাৰে। বহু ঠাইত সিহঁতৰ capacity ৰ মাত্ৰ ১৫% ভাগ বা ২০% ভাগ ব্যৱহাৰ কৰি বহু লোকচান ভৰি এইবোৰ চলি আছে। ৰাইজৰ কষ্টোপাৰ্জিত ধনৰ একাংশ কৰকাটল হিচাবে কাঢ়ি লৈ এইবোৰ চলাই থকা হৈছে। কিয়? কাৰ স্বাৰ্থত? পাহৰিলে নচলিব যে বিপুল মুনাফাত চলি থকা পুঁজিপতি সকলৰ ব্যক্তিগত শিল্প-ব্যৱসায়ৰ প্ৰয়োজনীয় মালমছলা ইত্যাদি সেই ৰাষ্ট্ৰীয় খণ্ডৰ বৃহৎ উদ্যোগ বোৰৰ পৰাই আহিছে। অৰ্থাৎ ধনিক শ্ৰেণীৰ লাভ একচেটিয়া, আৰু লোকচান ভৰিছে দৰিদ্ৰ জনসাধাৰণে। আচৰিত নহয় যে এনে এখন সমাজত সমাজৰ সৰহসংখ্যক মানুহৰ ল'ৰাছোৱালীৰ বাবে সুশিক্ষাৰ ব্যৱস্থা নাই— আনহাতে ধনিক শ্ৰেণীৰ সন্তানৰ বাবে নানা ঠাইত ব্যয়বহুল আৰু ঐশ্বৰ্য্যশালী অনুষ্ঠান গঢ়ি উঠিছে। প্ৰত্যক্ষ বা পৰোক্ষ ভাবে এই দুইখলপীয়া শিক্ষাব্যৱস্থা গঢ়ি উঠিছে শোষণ আৰু দমনৰ স্বাৰ্থত।

এনে সমাজ ব্যৱস্থাৰ পৰা সুবিধা পোৱা মানুহে নিশ্চয় শিক্ষাব্যৱস্থাৰ পৰিবৰ্ত্তন মনেচিতে সমৰ্থন জনাব নোৱাৰে— নেতৃত্ব দিয়া দূৰৰ কথা। শিল্প যেহেতু জনসাধাৰণৰ সামূহিক উন্নতিৰেই অন্যতম পন্থা, এই শিল্পৰ সাফল্য আৰু উন্নতিৰ বাবে ৰাইজেই দায়িত্ব লব লাগিব। কিন্তু সংগঠিত সামাজিক আৰু ৰাজনৈতিক শক্তি হিচাবে দৰিদ্ৰ ৰাইজ আগবাঢ়ি নাহিলে শিক্ষাব্যৱস্থাৰ পৰিবৰ্ত্তন সাধিব পৰা বল আৰু অধিকাৰ তেওঁলোকে পাবনে? উন্নয়ন আৰু উৎপাদনত কাৰ্য্যকৰী আৰু সমাজবাদী মনোভাবৰ অনুকূল শিক্ষাব্যৱস্থা প্ৰব-





ৰ্ত্তন কৰিবলৈ আমোলাতন্ত্ৰক কোনে কঢ়া শাসনত ৰাখিব? দেশৰ black money কে আৰম্ভ কৰি ধনাঢ্য শ্ৰেণীৰ হাতৰ উদ্বৃত্ত ধন—পাপৰ ধন! কোনে কাঢ়ি আনি তাক সমূহ ৰাইজৰ উন্নয়নৰ কামত লগাব? আমাৰ বুকুতে খোপনি লৈ থকা Burma Oil Company, বিড়লাৰ নানা উদ্যোগ, চাহবাগানৰ পৰা কেইকোটিমান টকা আদায় কৰিব পাৰিলেই আমাৰ Primary School বোৰৰ অভাৱনীয় দৈন্য দূৰ হব। কিন্তু ধনিক শ্ৰেণীৰ বলত ক্ষমতালৈ অহা এটা চৰকাৰে তেনে ধৰণৰ নেতৃত্ব দিবনে? নিদিয়ে, বৰং জনসাধাৰণৰ কল্যাণ আৰু প্ৰগতিৰ পথ ৰুদ্ধ কৰি হলেও সি ধনিক শ্ৰেণীক শোষণ আৰু লুণ্ঠনৰ সুবিধা দি থাকিব। অৰ্থাৎ শিক্ষাব্যৱস্থাৰ সংস্কাৰো শেহান্তৰত নিৰ্ভৰ কৰিব বহল গণতান্ত্ৰিক ৰাইজৰ ৰাজনৈতিক চেতনা আৰু সংগ্ৰামৰ ওপৰত।

এতিয়া আপোনালোকৰ আগত মই এক নিষিদ্ধ দেশৰ কথা কম। চীন দেশৰ কথা। চীনৰ লগত আমাৰ চৰকাৰৰ বিবাদৰ বাবেই সেই দেশৰ প্ৰকৃত তথ্য আৰু সত্য আমি আওকাণ কৰিব নোৱাৰো। এনে বহু বিদেশী প্ৰত্যক্ষদৰ্শীৰ বিৱৰণ পোৱা যায়, যি নিজে সাম্যবাদী নহয়। তেওঁলোকৰ মতে চীনত বৰ্ত্তমান শতকৰা নব্বৈজনতকৈ বেছি লোকে পঢ়িব আৰু লেখিব পাৰে। অথচ এসময়ত চীন দেশৰ সাক্ষৰ লোকৰ অনুপাত বোধহয় ভাৰততকৈ কম আছিল। চীনদেশৰ শিক্ষাৰ ব্যয় সম্পূৰ্ণ সমাজৰ, ব্যক্তিৰ বা পৰিয়ালৰ নহয়। মাচুল দিব নেলাগে। তাৰ পৰীক্ষাবোৰত সচৰাচৰ কোনো ল'ৰাকে ক্লাছত ৰাখি থোৱা নহয়, কাৰণ তেনেদৰে লৰা-ছোৱালীক চুৰাপাত-নিত পেলোৱাটো তেওঁলোকে দেশৰ সম্পদৰ অপচয় বুলি ভাবে। এই নীতি যে ভুল বা অপকাৰী নহয়, হাতে হাতে তাৰ প্ৰমাণ পোৱা গৈছে। দেশৰ উৎপাদনৰ পৰিমাণ আৰু মান প্ৰতি বছৰে উন্নত হৈছে। পঢ়াশুনাত শিক্ষক আৰু ছাত্ৰ, উভয়ৰে বিপুল উৎসাহ। যি বুনিয়াদী শিক্ষাৰ কথা গান্ধীজীয়ে কল্পনা কৰিছিল, সেই ধৰণৰ হাতে কামে পোৱা শিক্ষাৰ ওপৰত চীনদেশত বিশেষ গুৰুত্ব দিয়া হৈছে। অধ্যয়ন কালৰ এটা বুজন অংশ চীনৰ শিক্ষক আৰু ছাত্ৰই খেতিপথাৰ আৰু কলকাৰখানাত কটায়।

চীনৰ সমাজত সাধাৰণ মানুহে প্ৰথমতে পাইছে আৰ্থিক নিৰাপত্তা আৰু



OKDISCD

শোষণৰ পৰা মুক্তি। সেয়ে নিজকে যথাৰ্থ ভাবে শিক্ষিত কৰি দেশক উন্নত কৰিবলৈ তেওঁলোক নিজেই আগবাঢ়ি আহিছে। যেহেতু তেওঁলোকৰ শ্ৰমৰ ফল তেওঁলোকৰ উন্নতি বা কল্যাণতেই ব্যৱহৃত হয়, যেহেতু এটা ধনীক শ্ৰেণীয়ে তেওঁলোকৰ পৰিশ্ৰমৰ ওপৰত নিজৰ মুনাফা গঢ়িব নোৱাৰে, সেয়ে চীনদেশত অগণিত মানুহে বিনাপইচাই স্বেচ্ছাই বহু কাম কৰিবলৈ আগবাঢ়ি আহে। শিক্ষক ছাত্ৰ উভয়েই অধিক পৰিশ্ৰম কৰিবলৈ আপত্তি নকৰে। কাৰণ তেওঁলোক কাৰো চাকৰ নহয়। জনসাধাৰণৰ প্ৰকৃত মুক্তিৰ বাবেই তাত শিক্ষানীতি আৰু শিক্ষাব্যৱস্থাৰ প্ৰকৃত পৰিৱৰ্ত্তন হৈছে। আমাৰ Education Commission এ যি সামাজিক দায়িত্ব আৰু স্বদেশপ্ৰেম জাগ্ৰত কৰাৰ কথা কৈছে সেই কামত চীনৰ শিক্ষাব্যৱস্থা বহুদূৰ সফল হৈছে। কিয়, প্ৰতিজন শিক্ষিত লোকে গভীৰ ভাবে ভাবি চাব লাগিব।

—×—



# চোভিয়েট ইউনিয়নত নিৰক্ষৰতা নিৰসণ

শ্ৰীমতী অলকা গায়ন (অনুবাদিকা)

[ মস্কোৰ ৰিচাৰ্চ ইনস্‌টিটিউট অব পেদাগজিকেল চাইন্সেজৰ কেন্দিডেট চি, মাচলোভাই দিল্লীত দিয়া এটা বক্তৃতাৰ মুকলি অনুবাদ ]

আমাৰ দেশে নিৰক্ষৰতা দূৰ কৰোঁতে লাভ কৰা অভিজ্ঞতাৰ আভাস আপোনালোকক দিবলৈ মই ভাল পাম। আমাৰ নতুন প্ৰজাতন্ত্ৰৰ বিস্তৃত নিৰক্ষৰতা নিৰসণৰ কাম ১৯১৭ চনৰ পৰা ৪০ ৰ আগভাগলৈকে প্ৰায় ২০ বছৰ ধৰি চলোৱা হৈছিল, অৰ্থাৎ এটা চামৰ সম্পূৰ্ণ জীৱনকাল এই কাৰ্য্যত ব্যস্ত আছিল। এই সময়ৰ ভিতৰত ৬০ নিযুত বয়স্কলোকে লিখিব আৰু পঢ়িব শিকিছিল। এইটো সম্ভৱ হৈছিল—আমাৰ জাতীয় অৰ্থনৈতিক পুনৰ সংস্থাপনৰ গুৰুত্বপূৰ্ণ সময়ছোৱাত, আমাৰ জনতাৰ ৰাষ্ট্ৰখনৰ শত্ৰু আক্ৰমণকাৰী-সকলক বাধা দিয়াৰ প্ৰথম বছৰকেইটাত, বহু জাতি থকা দেশ এখনৰ বহুতো জাতিৰ বৰ্ণমালা নথকা অৱস্থাত। বয়স্কলোকৰ মাজত থকা নিৰক্ষৰতাৰ বিৰুদ্ধে এক গণ আন্দোলনো আৰম্ভ কৰা হৈছিল।

## ১৯১৭ চনলৈকে দেশত শিক্ষিতৰ সংখ্যা কিমান আছিল ?

১৮৮৭ চনৰ গণনা মতে দেশত শিক্ষিতৰ সংখ্যা আছিল মাত্ৰ শতকৰা ২১·১ ভাগ। অশিক্ষিত তিৰোতাৰ সংখ্যা আৰু বেছি আছিল—গাওঁৰ শতকৰা মাত্ৰ ৭ ভাগ তিৰোতাইহে লিখিব আৰু পঢ়িব জানিছিল।

ৰাছিয়ান সকলত বাদে আন জাতিৰ মাজত অৱস্থা আৰু বেছি বেয়া আছিল—টাজিক (Tajiks) সকলৰ মাজত অশিক্ষিতৰ সংখ্যা আছিল শতকৰা ৯৯·৫ ভাগ, কিৰগিজ (Kirghizes) সকলৰ মাজত শতকৰা ৯৯·৪ ভাগ আৰু য়াকুট (Yakuts) সকলৰ মাজত অশিক্ষিতৰ সংখ্যা আছিল শতকৰা ৯৯·৩ ভাগ। উত্তৰ ফালে শিক্ষিত মানুহ এজনো দেখা নগৈছিল। ৫০টা জাতিৰ নিজৰ বৰ্ণমালাই নাছিল। মহান সমাজিতান্ত্ৰিক বিপ্লৱৰ ৬ বছৰ আগতে ভল্গা আৰু ইউৰাল অঞ্চলৰ অনা-ৰাছিয়ান সকলৰ শতকৰা মাত্ৰ ৩·৩ ভাগ ল'ৰা



OKDISCD

ছোৱালীহে স্কুললৈ গৈছিল। সেইদৰে অশিক্ষিতৰ সংখ্যা প্ৰকৃততে বাঢ়ি আহিছিল। চাইবেৰিয়াতো একেধৰণৰ অৱস্থাকে দেখা গৈছিল।

৪০ ৰ আগভাগত অৰ্থাৎ ২০ বছৰৰ ভিতৰত বিস্তৃত নিৰক্ষৰতা দূৰীকৰণ কাৰ্য্য সম্পূৰ্ণ হৈছিল। ১৯৩৯ চনৰ গণনা মতে শিক্ষিত লোকৰ সংখ্যা বাঢ়ি শতকৰা ৮৯·১ ভাগ হৈছিলগৈ (মুনিহৰ সংখ্যা শতকৰা ৯৫·১ আৰু তিৰোতাৰ সংখ্যা শতকৰা ৮৩·৪ ভাগ)। সেই সময়ত নিৰক্ষৰতা দূৰীকৰণ কাৰ্য্য সম্পূৰ্ণ হোৱা নাছিল ৫০ বছৰৰ ওপৰৰ বয়সৰ লোকৰ মাজত আৰু সেইবোৰ অঞ্চলত যিবোৰ অঞ্চল মাত্ৰ ১৯৩১ চনতহে চোভিয়েট যুক্তৰাজ্যৰ অন্তৰ্ভুক্ত হৈছিল। এইটো মন কৰিবলগীয়া কথা যে নগৰতকৈ গাওঁবোৰতহে শিক্ষিত লোকৰ সংখ্যা বেছি হাৰত বৃদ্ধি পাইছিল। বৰ্ত্তমান চোভিয়েত যুক্তৰাজ্যৰ ৮০ নিযুত লোকে বিভিন্ন ধৰণৰ শিক্ষালাভ কৰি আছে।

## এই গুৰুতৰ সমস্যা সমাধানৰ কৃতকাৰ্য্যতাৰ গুৰি ক’ত?

আমাৰ ৰাজ্য গঠিত হোৱাৰ প্ৰথম দিনাখনৰ পৰাই অশিক্ষিতৰ বিৰুদ্ধে আন্দোলন কৰাই ৰাজ্যৰ আটাইতকৈ গুৰুতৰ আৰু প্ৰধান কাৰ্য্য হিচাবে পৰিগণিত হৈছিল। ৰাজ্যক আৰু ৰাজহুৱা অনুষ্ঠানসমূহক অশিক্ষিতৰ বিৰুদ্ধে বিস্তৃত প্ৰচাৰ কাৰ্য্যত সহায় কৰাই আছিল আমাৰ দলৰ, ৰাজ্যিক কৰ্তৃপক্ষৰ আৰু শ্ৰমিক সঙ্ঘবোৰৰ প্ৰধান উদ্দেশ্য। এই কাৰ্য্যত মহিলাইও অংশ লৈছিল। জ্ঞান বিস্তাৰ কৰাত আৰু নিৰক্ষৰতা দূৰীকৰণৰ প্ৰয়োজনীয়তা সম্বন্ধে মানুহৰ অন্তৰত বিশ্বাস জন্মোৱাৰ প্ৰতিহে বেছি মনোযোগ দিয়া হৈছিল। সকলোকে লিখিব আৰু পঢ়িব শিকোৱাৰ ওপৰতেই আমাৰ নতুন ৰাষ্ট্ৰৰ জয় আৰু উন্নতি নিৰ্ভৰ কৰিছে বুলি ধৰা হৈছিল।

১৯১৭ চনৰ ২৯ অক্টোবৰত (পুৰণি ৰীতিত) অৰ্থাৎ আমাৰ ৰাষ্ট্ৰ গঠিত হোৱাৰ চতুৰ্থ দিনাখন ৰাছিয়ান সংযুক্ত ৰাজ্যৰ শিক্ষাবিভাগৰ বাবে নতুনকৈ স্থাপিত জনসাধাৰণৰ কমিছাৰিয়েটে আৰু ৰাজ্যিক শিক্ষা আয়োগে নিৰক্ষৰতাৰ বিৰুদ্ধে কৰা সংগ্ৰামত অংশ লবলৈ শিক্ষিত সম্প্ৰদায়ক আহ্বান জনাইছিল। নিৰক্ষৰতা আৰু অজ্ঞতাপূৰ্ণ অঞ্চলবোৰৰ শিক্ষাৰ লগত সংশ্লিষ্ট প্ৰত্যেক প্ৰকৃত গণতান্ত্ৰিক কৰ্তৃপক্ষৰ প্ৰতি আবেদন কৰা হৈছিল এইদৰে—“এই অন্ধকাৰৰ বিৰুদ্ধে





সংগ্ৰাম কৰাটোৰেই তেওঁলোকৰ প্ৰধান উদ্দেশ্য বুলি লব লাগিব।” তেওঁলোকে সম্ভৱপৰ কম সময়ৰ ভিতৰতে সাধাৰণ শিক্ষা লাভ কৰা উচিত। নিৰক্ষৰতা আৰু অজ্ঞতাৰ বিৰুদ্ধে চলা সংগ্ৰাম কেৱল শিশু আৰু ডেকাসকলৰ স্কুলীয়া শিক্ষাতেই সীমাবদ্ধ ৰাখিব নোৱাৰি, কাৰণ বয়স্কলোক সকলেও লিখিব আৰু পঢ়িব নজনা অপমানৰপৰা হাত সাৰিব বিচাৰিব।

১৯১৮ চনত চোভিয়েট সকলৰ সমগ্ৰ ৰাছিয়ান ৰাজনৈতিক সভাই “শ্ৰমিক আৰু শোষিত জনসাধাৰণৰ অধিকাৰ সম্বন্ধীয় এটি ঘোষণা” গ্ৰহণ কৰে যাৰ দ্বাৰা জীৱনৰ সকলো ক্ষেত্ৰতে মুনিহ আৰু তিৰোতাক সমান অধিকাৰ দিয়া হয়। ১৯১৮ চনৰ জুনত প্ৰথম চোভিয়েট সংবিধান গঠন কৰা হয় আৰু ইয়াৰ দ্বাৰা লিঙ্গ, জাতি আৰু ধৰ্ম্ম নিৰ্ব্বিশেষে সকলো নাগৰিকৰে সমান অধিকাৰ বুলি ঘোষণা কৰা হয়, আৰু সহস্ৰ মহিলাৰ জ্ঞানদানৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।

১৯১৮ চনৰ ২৫ আগষ্টত প্ৰথম সমগ্ৰ ৰাছিয়া শিক্ষাবিষয়ক কংগ্ৰেছত ভি, আই, লেনিনে কৈছিল ঃ ‘প্ৰতি দহ জন কৰ্ম্মীৰ ভিতৰত ৯ জনেই অনুভৱ কৰিছে যে জ্ঞানেই হৈছে মুক্তিৰ বাবে তেওঁলোকে কৰা সংগ্ৰামৰ প্ৰধান অস্ত্ৰ’। ভি, আই, লেনিনৰ এজন ঘনিষ্ঠ সঙ্গী, শিক্ষাবিষয়ৰ এজন বিশিষ্ট ব্যক্তি এন্, কে, ক্ৰুপস্কায়াই কৈছিল ঃ “গোটেই দেশখন বয়স্কলোকৰ বাবে প্ৰাথমিক বিদ্যালয়, শিক্ষিত আৰু অৰ্দ্ধশিক্ষিত সকলৰ বাবে বিভিন্ন প্ৰকাৰৰ বিদ্যালয়েৰে আৱৰি পেলাব লাগিব— প্ৰত্যেকেই এই কাৰ্য্যত অংশ গ্ৰহণ কৰাটো একান্ত আৱশ্যক”। নিৰক্ষৰতা দূৰীকৰণ আৰু সাধাৰণ সাংস্কৃতিক আৰু ৰাজনৈতিক শিক্ষাৰ মাজত থকা সম্বন্ধৰ ওপৰত কংগ্ৰেছে অধিক গুৰুত্ব আৰোপ কৰিছিল। বয়স্ক সকলৰ বাবে স্থাপিত বিদ্যালয়ত উপস্থিত থকা কৰ্ম্মীসকলৰ বাবে পৰিশ্ৰমৰ সময় কিছু হ্ৰাস কৰি দিবলৈ সিদ্ধান্ত লোৱা হৈছিল।

বিস্তৃত নিৰক্ষৰতা দূৰীকৰণ কাৰ্য্য সংগঠন কৰিবলৈ যাওঁতে আৰু এই কাৰ্য্যত সফলতা লাভ কৰিবলৈ হলে সাংস্কৃতিক বিপ্লৱৰ বাবে উদ্ভৱ হোৱা বহুতো নতুন সমস্যা আমাৰ নবগঠিত ৰাষ্ট্ৰই সমাধান কৰিবলগীয়া হৈছিল—

(১) শিক্ষাৰ বাবে কৰা সংগ্ৰাম আইনসঙ্গত কৰা।

(২) এই প্ৰণালীক পৰিচালনা কৰিবৰ বাবে এটি প্ৰতিস্থান গঢ়ি তাৰ ওপৰত কিছুমান অধিকাৰ ন্যস্ত কৰা।



OKDISCD

(৩) নিৰক্ষৰতা দূৰীকৰণৰ বাবে ধন সংগ্ৰহৰ উপায় উদ্ভাৱন কৰা।

(৪) নিৰ্দ্দিষ্ট শিক্ষকক প্ৰশিক্ষণ দিয়া।

(৫) কৰ্ম আৰু স্থানীয় অৱস্থালৈ লক্ষ্য ৰাখি বয়স্কসকলৰ বাবে কিতাপ প্ৰকাশ কৰা।

শেষত সৰ্বসাধাৰণ ৰাইজৰ মনত এইটো বিশ্বাস জন্মোৱা অতি প্ৰয়োজনীয় আছিল যে শ্ৰমিক এজনৰ জীৱনত উদ্ভৱ হোৱা অসুবিধাবোৰ দূৰ কৰিবলৈ হলে লিখিব আৰু পঢ়িব জনাটো একান্ত আৱশ্যক।

১৯১৮ চনৰ অক্টোবৰত শিক্ষাবিভাগৰ সৰ্বসাধাৰণৰ কমিছাৰিয়েটে সংখ্যা লঘু জাতিৰ বিদ্যালয়বোৰৰ ওপৰত এখন আইন জাৰি কৰিলে, যি খন অনুসৰি শিক্ষাবিভাগৰ কমিছাৰিয়েটত আৰু ৰাজহুৱা শিক্ষাৰ জিলা আৰু নগৰৰ বিভাগবোৰত সংখ্যালঘু জাতিৰ বিদ্যালয়বোৰৰ বাবে বিশেষ পৰিচালনা সভা স্থাপন কৰা হয়।

উদাহৰণ স্বৰূপে মধ্য এচিয়াৰ কু-সংস্কাৰ আচ্ছন্ন অঞ্চলবোৰত চলিত পুৰণি ৰীতি-নীতিৰ বাবে মুনিহ-তিৰোতা আৰু ল'ৰা-ছোৱালীৰ বাবে একেলগে শ্ৰেণী পৰিচালনা কৰা অসম্ভৱ আছিল। গতিকে এনেকুৱা অঞ্চলবোৰত ছোৱালীৰ বাবে বেলেগ বিদ্যালয় আৰু মহিলা শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণৰ বাবে বিশেষ সংক্ষিপ্ত পাঠ্যক্ৰমৰ প্ৰৱৰ্ত্তন কৰিবলগীয়া হৈছিল। পিচত সংক্ষিপ্ত পাঠ্যক্ৰমৰ সলনি শিক্ষকৰ প্ৰশিক্ষণৰ বাবে এবছৰীয়া পাঠ্যক্ৰম যুগুত কৰা হয়। এইদৰে ১৯১৯ চনৰ এপ্ৰিলত তাচ্‌কেণ্টত মহিলাৰ বাবে এবছৰীয়া পাঠ্যক্ৰমৰ প্ৰৱৰ্ত্তন কৰা হয় আৰু অতি সোনকালে ইয়াক উজবেক মহিলা শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণ কলেজলৈ ৰূপান্তৰিত কৰা হয়।

১৯১৯ চনৰ ডিচেম্বৰত ভি, আই, লেনিনে "ৰাছিয়া প্ৰজাতন্ত্ৰৰ জনসাধাৰণৰ মাজৰ পৰা নিৰক্ষৰতা দূৰী-কৰণ" নামৰ চৰকাৰী ডিক্ৰিত চহী কৰে।

"প্ৰজাতন্ত্ৰৰ সকলো নাগৰিকক সম্ভৱপৰ সকলো সুবিধা দিয়াৰ বাবে"—ডিক্ৰিত এইদৰে লিখা হৈছে— "জনসাধাৰণৰ কমিছাৰ সভাই ঘোষণা কৰিছে যে দেশৰ ৰাজনৈতিক কামত সক্ৰিয়ভাবে অংশ গ্ৰহণ কৰিবলৈ হলে ৮ বছৰৰ পৰা ৫০ বছৰ বয়সৰ ভিতৰৰ প্ৰত্যেকজন লিখিব আৰু পঢ়িব নজনা ব্যক্তিক নিজ ভাষাত নাইবা ৰাছিয়ান ভাষাত শিক্ষা লাভ কৰিবলৈ বাধ্য কৰোৱা হব।"





ডিক্ৰিত আৰু কোৱা হৈছে যে শ্ৰমিক সঙ্ঘই, কমিউনিষ্ট দলে আৰু মহিলা শিক্ষাৰ বাবে নিযুক্ত বিশেষ সভাই নিৰক্ষৰতা দূৰীকৰণত সক্ৰিয়ভাবে সহায় কৰা উচিত।

একে সময়তে নিৰক্ষৰতা দূৰীকৰণৰ হকে ডিক্ৰিখনে তলত দিয়া সৰ্ত্তবোৰৰ প্ৰৱৰ্ত্তন কৰে—(১) বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা। (২) শিক্ষা লাভ কৰাৰ সময়ছোৱাত পাৰিশ্ৰমিক নকমোৱাকৈ পৰিশ্ৰমৰ সময় ২ ঘণ্টাকৈ হ্ৰাস কৰা হয়।

ৰেড আৰ্মিত নিৰক্ষৰতা দূৰীকৰণৰ প্ৰচাৰ আৰু বেছি বিস্তৃতভাবে কৰা হৈছিল। ১৯১৮ চনৰ শেষলৈকে ৰেড আৰ্মিত অশিক্ষিত কৰ্ম্মীসকলৰ বাবে ৪৫০ টা বৰ্ণমালা বিদ্যালয় স্থাপিত হৈছিল।

এই প্ৰচাৰৰ কামত বহু মহিলাই সক্ৰিয়ভাবে অংশ গ্ৰহণ কৰিছিল। শিক্ষাবিভাগৰ এজন বিশিষ্ট ব্যক্তি এন্, ক্ৰুপস্কায়াই দিয়া বৰঙণিৰ কথা চোভিয়েটবাসীয়ে পাহৰিব নোৱাৰে। তেওঁ ৰাছিয়াৰ সামৰিক বিপ্লৱী সন্থাৰ ৰাজনৈতিক শাখাৰ সভ্যও আছিল।

যুদ্ধৰ ক্ষুধা আৰু ধ্বংসৰ সময়ত যেতিয়া পঢ়া কোঠাৰ, কাঠ, কয়লা, পাঠ্যপুথি আদিৰ অভাবে দেখা দিছিল তেতিয়া চোভিয়েট শক্তিয়ে নেৰানে-পেৰাকৈ শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি কৰিছিল। বহুত সময়ত পেঞ্চিলৰ সলনি কাঠকয়লা ব্যৱহাৰ কৰা হৈছিল, আখৰবোৰ বেৰত নাইবা কাঠৰ টুকুৰাত লিখা হৈছিল, আৰু বিটৰ পৰা চিয়াহী তৈয়াৰ কৰা হৈছিল। তথাপি দেশৰ সকলোৰে শিক্ষা লাভ কৰি আছিল।

নিৰক্ষৰতা দূৰীকৰণৰ প্ৰয়োজনীয়তা জনসাধাৰণে ভালদৰে উপলব্ধি কৰিছিল। ৰাছিয়া যুক্ত ৰাজ্যৰ শিক্ষা সন্থাই ১৯২০ চনৰ প্ৰথম ভাগত প্ৰচাৰ কৰা তালিকা অনুসৰি বৰ্ণমালা বিদ্যালয়বোৰত অশিক্ষিত সকলৰ শিক্ষাৰ উদ্দেশ্য আছিল—

(১) ছপা কৰা আৰু লিখা কিতাপ স্পষ্টকৈ পঢ়িব পৰা।

(২) দৈনন্দিন জীৱনৰ আৰু কৰ্ম্মৰ প্ৰয়োজনীয় কথাবোৰৰ চমু টোকা কৰা।

(৩) গোট সংখ্যা, ভগ্নাংশ, শতকৰা হিচাব লিখিব আৰু পঢ়িব জনা, নক্সা, তালিকা আদি বুজিব পৰা।

(৪) চোভিয়েট ৰাষ্ট্ৰ গঠনৰ প্ৰধান সমস্যাবোৰ উপলব্ধি কৰা।



OKDISCD

অৰ্দ্ধশিক্ষিত সকলৰ বাবে স্থাপিত স্কুলৰ শিক্ষণীয় বিষয়ৰ তালিকা আৰু বিশদ আছিল। ইয়াৰ অন্তৰ্ভুক্ত আছিল—খোকোজা নলগাকৈ লিখিব আৰু পঢ়িব শিকোৱা যাতে উপাধি পোৱাসকলে কিতাপ আৰু বাতৰিকাকত পঢ়ি প্ৰচলিত ঘটনাসমূহ বুজিব পাৰে। এই বিদ্যালয়বোৰত ছাত্ৰসকলে ৰাজনীতি, ভূগোল, বুৰঞ্জী আৰু আন আন বিষয়ৰ প্ৰাথমিক পাঠ পঢ়িব লাগিছিল।

এনেকুৱা বিদ্যালয়ৰ পৰা প্ৰথম উপাধি দিয়া হয় ১৯২০ চনৰ এপ্ৰিল আৰু জুলাই মাহত আৰু এই দিনবোৰ সসন্মানে পালন কৰা হয়।

নিৰক্ষৰতা দূৰীকৰণৰ ওপৰত প্ৰথম ৰাছিয়া কংগ্ৰেছ আহ্বান কৰা হয় মস্কোত ১৯২২ চনৰ ফেব্ৰুৱাৰী মাহত। দেশৰ অৰ্থনৈতিক অসুবিধালৈ লক্ষ্য কৰি বয়স্ক লোকৰ কামত ক্ষতি নোহোৱাকৈ প্ৰথমতে ১৬ৰ পৰা ৩০ বছৰ বয়সৰ লোককহে শিক্ষাদান কৰাৰ প্ৰয়োজন বুলি কংগ্ৰেছে বিবেচনা কৰে।

কংগ্ৰেছে আৰু স্থিৰ কৰে যে বিদ্যালয়বিলাক দেশত কৃষি সম্বন্ধে কাৰিকৰি জ্ঞান বিস্তাৰ কৰাৰ কেন্দ্ৰ হব লাগিব, ইয়াৰ বাহিৰেও এইবোৰে পৰিশ্ৰমৰ সাৰ্থকতা বৃদ্ধি কৰিব লাগিব আৰু ৰাজনৈতিক আৰু সাংস্কৃতিক শিক্ষা প্ৰচাৰৰ সহায়ক হব লাগিব।

অনা-ৰাছিয়ান জাতিবোৰৰ মাজৰ পৰা নিৰক্ষৰতা দূৰীকৰণৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰা হৈছিল।

১৯২২ চনৰ মে মাহত দ্বিতীয় সমগ্ৰ ৰাছিয়া কংগ্ৰেছে নিৰক্ষৰতা দূৰীকৰণৰ ওপৰত ৫ বছৰীয়া পৰিকল্পনা সম্বন্ধে আলোচনা কৰে, আৰু যিবোৰ গাওঁত ১১ৰ পৰা ৪০ বছৰ বয়সৰ লোকৰ ১৭ নিযুত ৰ ভিতৰত ১৩ নিযুতেই অশিক্ষিত তেনেকুৱা গাওঁবোৰৰ পৰা আৰু জাতীয় প্ৰজাতন্ত্ৰবোৰৰ পৰা নিৰক্ষৰতা দূৰ কৰাৰ প্ৰতি বেছি মনোযোগ দিয়ে।

নিৰক্ষৰতাৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ এটি প্ৰধান ঘটনা হৈছে “নিৰক্ষৰতা ধ্বংস হওক” নামেৰে এটি স্বেচ্ছাবাহিনী গঠন কৰা। এম কেলিনিনক এই সংস্থাৰ সভাপতি নিযুক্ত কৰা হয়। শিক্ষক, ছাত্ৰ আৰু স্কুলীয়া ছাত্ৰই এই সংস্থাৰ কামত সক্ৰিয়ভাবে সহযোগ কৰে।

১৯২৮ চনত কমজোমলে (Komsomol) জ্ঞানৰ ওপৰত ঘোষণা কৰা সাংস্কৃতিক সংগ্ৰামেই আছিল নিৰক্ষৰতা দূৰীকৰণৰ বাবে কৰা সকলো চেষ্টা





সাফল্যমণ্ডিত হোৱাৰ এটি প্ৰধান কাৰণ। প্ৰতিদিনে নিৰক্ষৰতাৰ বিৰুদ্ধে কৰা সংগ্ৰামত কৰ্ম্মীৰ সংখ্যা বৃদ্ধি পোৱা দেখা গৈছিল। আমাৰ জাতীয় বুদ্ধিজীৱীসকলৰ প্ৰধান প্ৰতিনিধি—লিখক, কবি, শিল্পীসকলৰ বাহিৰেও ছাত্ৰ আৰু “নিৰক্ষৰতা ধ্বংস হওক” নামৰ সংস্থাৰ সভ্যসকলে এই কামত যথেষ্ট সহায় আগবঢ়াইছিল। শিক্ষক আৰু শিক্ষাবিভাগৰ আন বিষয়াসকলে এই সংগ্ৰামত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। ১৯২৮—২৯ চনৰ ভিতৰত গোটেই দেশত প্ৰায় ১০০,০০০ জন শিক্ষাবিভাগৰ বিষয়াই এই প্ৰচাৰত অংশ গ্ৰহণ কৰিছিল।

মধ্যএচিয়াৰ প্ৰজাতন্ত্ৰবোৰত, য'ত চলিত পুৰণি ৰীতিনীতিয়ে তিৰোতাক সকলো সামাজিক কামৰ পৰা আঁতৰত ৰাখিছিল তেনেকুৱা অঞ্চলবোৰত এই কথাবোৰ বিবেচনা কৰা হৈছিল। এই কাৰণেই প্ৰথম আৰম্ভণিতে বিশেষ “মহিলা সভাঘৰ” খোলা হৈছিল য'ত ঊণৰ কাম আৰু চিলাইৰ কাম শিকোৱা হৈছিল। ইয়াৰ বাহিৰেও তাত ল'ৰা-ছোৱালীৰ প্ৰতিপালন, স্বাস্থ্য প্ৰণালী আৰু স্বাস্থ্য বিজ্ঞান সম্বন্ধীয় আলোচনা কৰা হৈছিল। যেতিয়া মহিলাসকল সামাজিক জীৱনৰ প্ৰতি কিছু পৰিমাণে আকৃষ্ট হোৱা দেখা গৈছিল তেতিয়াহে তেওঁলোকৰ বাবে সেই সভাঘৰবোৰত বৰ্ণমালা বিদ্যালয় খোলা হৈছিল।

মহিলাৰ মাজত নিৰক্ষৰতা দূৰীকৰণৰ বাবে কৰা কামৰ লগত মহিলাৰ মুক্তিৰ বাবে কৰা পুৰণি ৰীতিনীতিৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ অতি ঘনিষ্ঠ সম্বন্ধ আছিল।

সকলোবোৰ কাম সুচাৰুৰূপে চলা নাছিল। কিছুমান ক্ষেত্ৰত পুৰুষে মহিলাসকলক বিদ্যালয়ত উপস্থিত থকাৰ পৰা বিৰত কৰিছিল; আনকি ঘৰতো কিতাপ পঢ়াৰ, অনুমতি তেওঁলোকক দিয়া নহৈছিল। এনেকুৱা কিছুমান ঘটনা আছে য'ত মহিলাসকলে জ্ঞান লাভ কৰিবলৈ যত্ন কৰা বাবে নিষ্ঠুৰভাবে প্ৰহাৰ কৰা হৈছিল। সেই সময়ত বহুতো সন্ত্ৰাসমূলক ঘটনা ঘটিছিল। বহুত ক্ষেত্ৰত মহিলাসকলে পঢ়িবলৈ তেওঁলোকৰ অধিকাৰ আছে বুলি প্ৰতিবাদ কৰিবলগীয়াত পৰিছিল।

নিৰক্ষৰতাৰ বিৰুদ্ধে কৰা সংগ্ৰামত যথেষ্ট পৰিমাণ ধনৰ আৱশ্যক হৈছিল। প্ৰয়োজনীয় ধন সংগ্ৰহ কৰাৰ দুটাই মাত্ৰ উপায় আছিল—ৰাজ্যৰ পৰা আৰু ৰাজহুৱা অনুষ্ঠানবোৰৰ পৰা।



OKDISCD

নিৰক্ষৰতা দূৰীকৰণৰ বাবে শিক্ষা-বিষয়াক প্ৰশিক্ষণ দিবলৈ শ্ৰেণীবোৰক ৰাজ্যয়ো ধনৰ যোগান ধৰিছিল। ১৯২১ চনৰ জানুৱাৰীৰ ১ তাৰিখলৈকে ৰাছিয়াত শিক্ষিত আৰু সংক্ষিপ্ত শ্ৰেণীৰ পৰা উপাধি লোৱা উপদেষ্টাসকলকে ধৰি মুঠ ১২৪,০০০ জনে নিৰক্ষৰতাৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল। সকলো ৰাজ্যিক আৰু শ্ৰমিক অনুষ্ঠানবোৰে প্ৰাথমিক বিদ্যালয়ৰ বাবে গৃহ নিৰ্ম্মাণত সাহায্য কৰিবলগীয়া হৈছিল।

“নিৰক্ষৰতা ধ্বংস হওক” নামৰ আলোচনী এখন, কিতাপ, নতুন শিক্ষাৰ্থীৰ বাবে পুথিভৰাল, বয়স্কসকলৰ বাবে বৰ্ণমালাৰ কিতাপ, কৰ্ম্মীসকলৰ বাবে বৰ্ণমালা, জাতীয় প্ৰজাতন্ত্ৰবোৰৰ বাবে কিছুসংখ্যক বৰ্ণমালা কিতাপ আদি প্ৰকাশ কৰাৰ বাবে আৱশ্যকীয় ধনৰ যোগান ধৰিছিল ৰাষ্ট্ৰই। জাতীয় প্ৰজাতন্ত্ৰবোৰতো একেধৰণৰ কামেই কৰা হৈছিল। তলত দিয়া উদাহৰণৰ পৰা নিৰক্ষৰতা দূৰীকৰণৰ হকে কৰা কামৰ পৰিমাণ বুজা যাব। ১৯২০ চনৰ শেষভাগলৈকে বিভিন্ন অনুষ্ঠানবোৰে ৬·৫ নিযুত বৰ্ণমালাৰ কিতাপ প্ৰচাৰ কৰে তাৰ ভিতৰত ২ নিযুত খন প্ৰকাশ কৰা হৈছিল জাতীয় ভাষাবোৰত।

নিৰক্ষৰতা দূৰীকৰণৰ বাবে ৰাইজৰ পৰাই যথেষ্ট পৰিমাণৰ ধন আহিছিল। কোনো কোনো ঠাইত ৰাইজে নিজেই নিৰক্ষৰতা দূৰীকৰণৰ কেন্দ্ৰ স্থাপন কৰিছিল, আৰু বিদ্যালয়ৰ বাবে ঘৰ সজাইছিল। গাওঁবোৰত খেতিয়কসকলে উপকৰা খেতি কৰিছিল, আৰু এই খেতিৰ পৰা উৎপন্ন হোৱা শস্য বেচি পোৱা টকাখিনি নিৰক্ষৰতা আঁতৰোৱাৰ বাবে ফাণ্ডত দান কৰিছিল।

১৯২৩ চনৰ ডিচেম্বৰত, কেন্দ্ৰীয় কাৰ্য্য নিৰ্বাহক সমিতি আৰু চোভিয়েট যুক্তৰাজ্যৰ কমিছাৰিয়েট সন্থাই এখন ডিক্ৰি জাৰি কৰে যিখন অনুসৰি ধপাত বিক্ৰি কৰাৰ আদেশ পত্ৰ বেচি পোৱা টকাৰ কিছু অংশ নিৰক্ষৰতাৰ বিৰুদ্ধে কৰা সংগ্ৰামত ব্যৱহাৰ কৰা হৈছিল। বিভিন্ন প্ৰকাৰৰ আমোদৰ বাবে প্ৰৱেশ পত্ৰ আদি বেচি পোৱা টকাও এই ফাণ্ডলৈ আহিছিল। উদাহৰণ স্বৰূপে চাইবেৰিয়াত নিৰক্ষৰতা দূৰীকৰণৰ বাবে স্থাপিত শতকৰা ৩০ ভাগ কেন্দ্ৰলৈ এনেকুৱা ফাণ্ডৰ পৰাই ধনৰ যোগান ধৰা হৈছিল।

১৯২৪ চনৰ ফেব্ৰুৱাৰীত তুৰ্কিস্থানত শিক্ষাৰ প্ৰচাৰত সমৰ্থন জনাবলৈ “ভি আই লেনিন ফাণ্ড” নামেৰে এটা বিশেষ ফাণ্ড খোলা হৈছিল।





দূৰস্থ জিলাবোৰৰ ৰাইজৰ বাবে ভাষা লিখি উলিওৱাত সহায় আগবঢ়াইছিল ৰাছিয়াৰ বিজ্ঞান একাডেমিৰ বৈজ্ঞানিকসকলে আৰু শিক্ষাবিদ এন্‌. মাৰে। বিভিন্ন জাতীয় অঞ্চলবোৰত জাতীয় ভাষাৰ ব্যাকৰণ লিখাত সহায় কৰিবলৈ একাডেমিয়ে সেই অঞ্চলবোৰলৈ ভাষা সম্বন্ধীয় বিশেষ অভিযান কৰিছিল।

বয়স্কসকলক ব্যাকৰণৰ শিক্ষা দিয়াত কৃতকাৰ্য্যতা লাভ কৰিবলৈ হলে তেওঁলোকে যে নিজৰ ব্যক্তিগত উন্নতিৰ লগতে সমাজৰ বাবেও প্ৰয়োজনীয় এটা অতি মহৎ কাম কৰিছিল তাৰ ওপৰত বিশ্বাস জন্মোৱাটো বিশেষ প্ৰয়োজনীয় আছিল। পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰা আৰু পৰিশ্ৰমৰ সাৰ্থকতা বৃদ্ধি কৰাত শিক্ষাই কেনেদৰে সহায় কৰে তাৰ প্ৰকৃত উদাহৰণ সম্বন্ধে মানুহৰ লগত হোৱা আলোচনাৰ পৰাই ৰাইজৰ মনলৈ এই বিশ্বাস আহিছিল। ৰাইজক শিক্ষা-প্ৰচাৰ কাৰ্য্যলৈ আহ্বান কৰি বহুতো বিজ্ঞাপন আৰু পেম্‌ফ্লেট প্ৰকাশ কৰা হয়, যেনে— “নিৰক্ষৰতা ধ্বংস হওক” “প্ৰত্যেক জন শিক্ষিতই সদায় মনত ৰাখিব লাগে যে তেওঁৰ কৰ্ত্তব্য হৈছে অশিক্ষিতক শিক্ষাদান কৰা”, “শ্ৰমিকৰ সন্তান সকল, অজ্ঞতাৰ অন্ধকাৰৰ পৰা আতৰি আহি পোহৰৰ ফালে আগবাঢ়া,” “শিক্ষাই হৈছে অন্ধকাৰ জয় কৰাৰৰ প্ৰধান অস্ত্ৰ”।

জনসাধাৰণক ব্যাকৰণৰ শিক্ষা দিয়াৰ ওপৰতেই ৰাজ্যই বেছি জোৰ দিছিল আৰু ইয়াৰ বাবে তেওঁলোকক কিছু অৰ্থনৈতিক সাহায্যও দিয়া হৈছিল। মই ইতিমধ্যে উল্লেখ কৰিছো যে বিদ্যালয়লৈ যোৱা বনুৱাসকলৰ বাবে পাৰিশ্ৰমিকৰ হ্ৰাস নকৰাকৈ পৰিশ্ৰমৰ সময় কিছু কমাই দিয়া হৈছিল। গাওঁ অঞ্চলত বিদ্যালয়লৈ যোৱা প্ৰত্যেকজন খেতিয়কে সৰ্ব্বপ্ৰথমে খেতিৰ সজুলি আৰু ৰাজ্যিক ঋণ পাইছিল আৰু সেই ঋণ পৰিশোধ কৰাৰ সময়ো তেওঁলোকৰ বাবে বৃদ্ধি কৰি দিয়া হৈছিল।

উজবেকিস্থানত নিৰক্ষৰতা দূৰীকৰণৰ বাবে জাৰি কৰা ডিক্ৰিখনৰ এটি বিশেষ ঘোষণা অনুসৰি নিজে আগকণুৱা হৈ আন এজন মানুহক শিক্ষা দিয়া প্ৰতিজন মানুহকেই পুৰস্কৃত কৰা হৈছিল।

ৰেড আৰ্মিত প্ৰত্যেকজন লিখিব আৰু পঢ়িব শিকা চাকৰিয়ালক ছুটি লোৱাৰ সময়ত এটি বিশেষ টোকা লিখি দিয়া হৈছিল। টোকাত লিখা হৈছিল এইদৰে—এজন চাকৰিয়ালে সেনাবাহিনীত থকা কালত শিকোৱা কথা-



OKDISCD

থিনি পাহৰি নাযায় যেন। তেওঁ জ্ঞানলাভৰ উপকাৰিতা সম্বন্ধে ব্যাখ্যা কৰি গাওঁ বোৰৰ পৰা নিৰক্ষৰতা দূৰ কৰাত আৰু গাওঁবাসীক শিক্ষা দিয়াত সহায় কৰিব।

১৯৩৯ চনলৈকে চোভিয়েট যুক্তৰাজ্যৰ জনসাধাৰণৰ শতকৰা ৮৯·১ ভাগ মানুহেই শিক্ষিত হয়, তাৰ ভিতৰত মুনিহ হ'ল শতকৰা ৯৫·১ ভাগ আৰু তিৰোতাৰ সংখ্যা হ'ল শতকৰা ৮৩·৪ ভাগ।

মুনিহতকৈ তিৰোতাৰ মাজত শিক্ষিতৰ সংখ্যা বেছি হাৰত বৃদ্ধি পোৱা দেখা গৈছিল, আৰু এইটো বিশেষকৈ পৰিলক্ষিত হৈছিল জাতীয় প্ৰজাতন্ত্ৰবোৰত। উদাহৰণ স্বৰূপে, কাজ'কস্থানত শিক্ষিত মুনিহৰ সংখ্যা ২·৬ গুণ আৰু তিৰোতাৰ মাজত ৫·৩ গুণ বৃদ্ধি পাইছিল, সেইদৰে কিৰঘিজত যথাক্ৰমে ৩·৭ গুণ আৰু ৮·৬ গুণ আৰু তাজিকস্থানত ১৩·৭ গুণ আৰু ৮৬·১ গুণ বৃদ্ধি পাইছিল।

—×—

ডঃ হীৰেন গোহাঁইৰ শেহতীয়া প্ৰবন্ধ সংকলন "সৃষ্টি আৰু যুক্তি" পঢ়ক।

মাৰ্ক্সবাদ, যুক্তিবাদ আৰু কলাশিল্পৰ তত্ত্ব সম্পৰ্কে আকৰ্ষণীয় আলোচনা ইয়াৰ বৈশিষ্ট্য।

বেচ ঃ ৩·০০ টকা।

প্ৰাপ্তিস্থান ঃ মণিমাণিক প্ৰকাশ

গুৱাহাটী - ১



# সাময়িক প্ৰসংগ

## ভিয়ে'টনাম আৰু আমি

মেলমিটিং আৰু শোভাযাত্ৰাৰ বহৰ দেখি যদি কোনোবাই ভাবে যে ভিয়ে'টনামৰ জাতীয় মুক্তিযুদ্ধৰ বীৰ যুঁজাৰু সকলৰ প্ৰতি আমাৰ সমাজৰ বৰমূৰীয়া সকলৰ সমৰ্থন কুণ্ঠাহীন আৰু প্ৰবল, তেন্তে তেওঁলোকে ভাবি চাওক ভাৰত চৰকাৰে মাৰ্কিন সাম্ৰাজ্যবাদৰ বহুতীয়া ঘৰবিভীষণ থিউ চৰকাৰৰ লগত বাণিজ্য সম্পৰ্ক কিয় ছেদ কৰা নাই?

ঘৰৰ ওচৰতে অন্যান্য উদাহৰণো পোৱা যায়। আমি পোৱা খবৰমতে অলপতে গুৱাহাটীত অনুষ্ঠিত হৈ যোৱা **সদৌ অসম সাহায্যপ্ৰাপ্ত হাইস্কুল শিক্ষক সন্থাৰ** বাৰ্ষিক অধিবেশনত এগৰাকী শিক্ষকে ভিয়ে'টনামত মাৰ্কিন বৰ্বৰতাক গৰিহণা দিয়া এটা প্ৰস্তাৱ উত্থাপন কৰিব খুজিছিল। অধিবেশনৰ বৰমূৰীয়া সকলে সেই প্ৰস্তাৱটো উত্থাপিত হবলৈকে নিদিলে। অথচ প্ৰস্তাৱটোত বিশুদ্ধ মানবতাবাদী আবেগহে প্ৰকাশ কৰা হৈছিল— ৰাজনীতিৰ কোনো গোন্ধ নাছিল তাত। ভাৰতৰ সমাজৰ তথাকথিত নেতাসকলৰ চৰিত্ৰ এনেকুৱাই।

## শিক্ষাৰ মাধ্যমৰ প্ৰশ্নটো

১৯৭২ চনৰে পৰা গুৱাহাটী বিশ্ববিদ্যালয়ে কলেজবোৰত আঞ্চলিক ভাষাৰে শিক্ষাদানৰ প্ৰৱৰ্তন কৰিব খুজিছে। সেই উদ্দেশ্যে ইতিমধ্যে অসমীয়া ভাষাত কিছুমান পাঠ্যপুথি প্ৰৱৰ্ত্তনো কৰা হৈছে। এই সম্পৰ্কে বিভিন্ন মহলত কিছুমান সন্দেহ আৰু প্ৰশ্নৰ উদয় হৈছে। উ: পূ: অঞ্চলৰ বিভিন্ন গোষ্ঠী আৰু সম্প্ৰদায়ৰ মাজত বিভেদ আৰু কন্দল সৃষ্টি কৰি শোষণকাৰীইঁতক সুবিধা দিয়া বঙালী আৰু অসমীয়া বাতৰিকাকত আৰু হৰেক ৰকমৰ সংঘ বা সন্থাই এই সুযোগতে তীব্ৰ অপপ্ৰচাৰ আৰম্ভ কৰিছে।

যেহেতু এই অঞ্চলৰ বিভিন্ন সম্প্ৰদায় আৰু গোষ্ঠীৰ মাজত শান্তি, সম্প্ৰীতি আৰু সহিষ্ণুতা নাথাকিলে সমগ্ৰ অঞ্চলটোৱে আৰ্থিক উন্নয়নত নানান বিঘিনি ঘটিব, সেয়ে এই পৰিস্থিতিত বিভিন্ন সম্প্ৰদায়ে "মাথা ঠাণ্ডা ৰাখি" চলিবলৈ



OKDISCD

সংকল্প কৰিব লাগিব। যিবোৰ আবেগৰ পৰা শোষক শ্ৰেণীয়ে শোষণ কৰিবলৈ, শাসক গোষ্ঠীয়ে দমন কৰিবলৈ সুযোগ পায়, সেইবোৰ আবেগক প্ৰশ্ৰয় নিদিয়াই উচিত হব। সংখ্যাগৰিষ্ঠ সম্প্ৰদায় হিচাবে এই ক্ষেত্ৰত অসমীয়া ভাষাভাষী মানুহৰ দায়িত্ব সবাতোকৈ বেছি। ইতিমধ্যে তেওঁলোকৰ অদুৰদৰ্শিতা আৰু নিৰ্মম ঔদাসিন্যৰ বাবে বহুত জনজাতীয় গোষ্ঠী তেওঁলোকৰ পৰা আঁতৰি গৈছে। তেনে মাৰাত্মক ভুলৰ যেন পুনৰাবৃত্তি নহয়!

প্ৰথমতে ১৯৬৬ চনৰ Education Commission ৰ পৰামৰ্শ মতেই কেন্দ্ৰীয় চৰকাৰে এই পাঠ্যপুথি প্ৰস্তুতিৰ বাবে অনুদান দিছে। উক্ত Commission ৰ প্ৰতিবেদনত আঞ্চলিক ভাষাৰ গৌৰৱ (prestige) বঢ়োৱাৰ ওপৰত কোনো গুৰুত্ব দিয়া হোৱা নাই। কেৱল মাতৃভাষাৰ যোগেদি শিক্ষা দিলে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা ভাল হয় বুলিহে এই পৰামৰ্শ দিয়া হৈছিল।

কিন্তু প্ৰতিবেদনৰ সেই ঠাইতে স্পষ্টকৈ কোৱা হৈছে যে সংখ্যালঘু গোষ্ঠীৰ প্ৰতি যেন কোনো অন্যায় কৰা নহয়। বিশেষকৈ যিবোৰ ঠাইত সংখ্যালঘু লোকৰ ঘন বসতি, তাৰ কলেজবোৰত স্থানীয় মানুহে ইচ্ছা কৰিলে তেওঁলোকৰ ভাষা চলোৱাত অনুমোদন জনোৱা হৈছে।

তাৰ উপৰিও Education Commission ৰ মতে ভবিষ্যতে বহুকাল ধৰি স্নাতকোত্তৰ মহলাত ইংৰাজীয়েই শিক্ষাৰ মাধ্যম হৈ থাকিব। তদুপৰি স্নাতক মহলাতো library language হিচাবে বা পাঠ্যপুথিৰ ওপৰঞ্চি বিশদ অধ্যয়নৰ বাবে ইংৰাজীৰ গুৰুত্ব সদায় থাকিব। অৰ্থাৎ কোনো অঞ্চলৰ স্কুল আৰু কলেজত ইংৰাজী ভাষাৰ জ্ঞান বিশেষ আৰু ব্যাপক ভাবে উন্নত কৰাৰ ব্যৱস্থা নোলোৱাকৈ আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম কৰিলে বহুধৰণৰ খেলিমেলি আৰু অপকাৰ হব।

আচৰিত নহয় যে এই ব্যৱস্থা লবলৈ বহুত ৰাজ্যই ঠেৰেঁা গেঠোঁা লগাইছে। আমাৰ অসমত হৈছে কি? শুনা গৈছে যে অসমৰ কাছাৰ জিলাত বঙালী ভাষাত পৰীক্ষাত উত্তৰ দিবলৈ ছাত্ৰৰ অধিকাৰ থাকিব, কিন্তু শিক্ষা দান হেনো ইংৰাজীত হব। পাহাৰ অঞ্চলত ইংৰাজীয়েই মাধ্যম হব। ভৈয়ামতো কলেজ বিলাকে অসমীয়া বা ইংৰাজী বা দুয়োটা ভাষাতে শিক্ষাদানৰ ব্যৱস্থা লব পাৰিব। ইংৰাজীৰ গুৰুত্ব অনুভব কৰি তাৰ শিক্ষাদানৰ বিশেষ ব্যৱস্থা যদি বিশ্ববিদ্যালয় বা চৰকাৰে লৈছে, আমাৰ চকুত পৰা নাই।





যেহেতু ভাষাৰ হেঙাৰৰ বাবে বহু ছাত্ৰই বিষয়বস্তু আয়ত্ত কৰাৰ কথা নেভাবি ভুলেভালে মুখস্থ কৰে, স্নাতক মহলাৰ শিক্ষা ক্ৰমাৎ প্ৰহসন হব ধৰিছে। সেয়ে মাতৃ ভাষাৰ যোগেদি শিক্ষাদানৰ সংকল্প আৰু ব্যৱস্থা প্ৰগতিশীল বুলিবই লাগিব। কিন্তু এই সুযোগতে বিশ্ববিদ্যালয়ৰ অদুৰদৰ্শিতা বা অন্ধ জাতীয়তাবাদৰ ফলত কিছুমান অন্যায় আৰু বৈষম্যই গা কৰি উঠাৰ আশংকা আছে।

কাছাৰ জিলাৰ বহুসংখ্যক ছাত্ৰক এটা ন্যায্য অধিকাৰৰ পৰা কিয় বঞ্চিত কৰা হৈছে জনা নাযায়। যি Education Commission ৰ পৰামৰ্শমতে আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম কৰা হৈছে, সেই Commission ৰ প্ৰতিবেদনতে শিক্ষাদান আৰু পৰীক্ষাৰ ভাষা বেলেগ কৈ ৰখাৰ অভ্যাসটোক তীব্ৰ ভাষাত গৰিহণা দিয়া হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ে কাছাৰত ঠিক এই ব্যৱস্থাই প্ৰৱৰ্তন কৰিবলৈ ওলাইছে। কাছাৰত সাধাৰণ তৰপৰ কলেজীয়া ছাত্ৰৰ ইংৰাজী জ্ঞান প্ৰায় অসমীয়া ছাত্ৰৰ দৰেই। তেনেহলে এইটো স্পষ্টকৈ এটা অন্যায় কৰা হোৱা নাইনে? অসমীয়া পাঠ্যপুথিবোৰৰ একোটাকৈ বঙলা সংস্কৰণ যুগুত কৰিলে কি মহাভাৰত অশুদ্ধ হ'লহেতেন?

ভৈয়ামৰ বহুত কলেজতে ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে শিক্ষা দিব পৰা দুদল অধ্যাপকক নিযুক্তি দিয়া অসম্ভৱ। তাৰ ফলত এচাম কলেজত কেৱল ইংৰাজীৰে আৰু আন চাম কলেজত কেৱল অসমীয়াৰে শিক্ষাদান কৰা হব। এনে অনুমানো অযুক্তিকৰ নহয় যে ইংৰাজী মাধ্যমৰ কলেজবোৰ শেষত গৈ অসমীয়া মাধ্যমৰ কলেজবোৰতকৈ উন্নত আৰু সমৃদ্ধ হৈ পৰিব। যেহেতু আমাৰ জাতীয় জীৱনত— যেনে, ব্যৱসায়-বাণিজ্যত — ইংৰাজীৰ প্ৰভাৱ দিনকদিনে বাঢ়িহে গৈছে, সমাজৰ ওপৰৰ শ্ৰেণীৰ মানুহে ইংৰাজী মাধ্যমৰ কলেজ বোৰৰ পৃষ্ঠপোষকতা কৰিব পাৰে। হয়তো অসমৰ বাহিৰলৈ যাব খোজা ভাল ছাত্ৰবোৰে অসমীয়াৰ চৰ্চা এৰি ইংৰাজী মাধ্যমৰ কলেজ বোৰলৈ যাব। ফলত কলেজবোৰৰ মাজত শ্ৰেণীবৈষম্যই দেখা দিব, আৰু অসমীয়া মাধ্যমৰ কলেজবোৰৰ অৱস্থা বেয়া হব।

বিশ্ববিদ্যালয়ৰ মূৰতো কিছুমান নতুন বোজা পৰিব। তিনি চাৰিটা ভাষাত পৰীক্ষা লওঁতে সময়, অৰ্থ আৰু শক্তিৰ ব্যয় বহুত বাঢ়ি যাব।



OKDISCD

বেলেগ বেলেগ ভাষাৰ পৰীক্ষাৰ্থীৰ মাজত সমতা ৰক্ষা কৰাও টান হব। আঞ্চলিক ভাষাৰ উন্নতি আৰু শ্ৰীবৃদ্ধিৰ আশাও ইংৰাজীৰ প্ৰতিযোগিতাই ক্ষুণ্ণ কৰিব।

আমাৰ কিছুমান আপত্তি মৌলিক (fundamental) নহয়। পলমকৈ হলেও যদি বিশ্ববিদ্যালয়ে যথোচিত ব্যৱস্থা লয় তেনেহলে সেইবোৰ অসুবিধা দূৰ হব। নতুন আঁচনি বা পৰিকল্পনা দূৰদৃষ্টি অবিহনে আৰু পৰিণামদৰ্শিতা অবিহনে ক্ষতিকৰ হবলৈ বাধ্য। এই বিষয়ত সংশ্লিষ্ট কৰ্তৃপক্ষক বিশেষ তৎপৰ যেন লগা নাই। "একটা নতুন কিছু কৰো" মনোভাবেৰে শিক্ষাবিভাগে কৰা কিছুমান উদ্ভত্তালিত ৰাইজ ইতিমধ্যে বিৰক্ত। মাতৃভাষাক শিক্ষাৰ মাধ্যম কৰা ক্ষেত্ৰতো যেন দায়িত্বহীনতাৰ বিষময় ফল নহয়!

তদুপৰি অসমীয়া ছাত্ৰ আৰু যুৱক বন্ধু সকলক অনুৰোধ জনালোঁ যেন তেওঁলোকে বিভ্ৰান্তিকাৰী নেতাৰ প্ৰৰোচনাত এই বিষয়টোক জাতিৰ মান সন্মানৰ প্ৰশ্নৰ লগত সাঙুৰি নেপেলায়। অসমৰ আৰ্থিক উন্নয়ন আৰু সৰ্ব-ভাৰতীয় একচেটিয়া পুঁজিৰ কবলৰ পৰা অসমৰ অৰ্থব্যৱস্থাক ৰক্ষা কৰা—অসমত বাস কৰা সকলো ভাষাৰ, সকলো সম্প্ৰদায়ৰ মানুহৰ বাবেই ই জীৱন-মৰণ প্ৰশ্ন হৈ উঠিছে। ইয়াৰ যথোচিত সমাধান নহলে আঞ্চলিক ভাষাক কলেজৰ মাধ্যম কৰি কোনো ফল আমি নেপাম।

## গুৱাহাটী মে'ডিকেল কলেজৰ ধৰ্মঘট:

"পাব্লিক বনাম মে'ডিকেল কলেজ"—এইটো এটা সঠিক শ্ল'গান হব পাৰে জানো? মেডিকেল কলেজৰ সৰহখিনি মানুহেই জনসাধাৰণৰ অংশ—জীৱন নিৰ্বাহৰ একেখিনি সমস্যাত জৰ্জৰিত। অথচ পাব্লিকৰ নামত এদল মানুহে হাস্পাতালত সোমাই এজন নিৰপৰাধ ডাক্তৰক মাধমাৰ দিলে, আৰু শেহত পুলিচ পহৰীয়া নহলে কাম নকৰোঁ বুলি হাস্পাতালৰ বহু কৰ্ম্মী, বহু ডাক্তৰে ধৰ্ম্মঘট কৰিলে।

ইতিমধ্যে ছয়-সাতবাৰ মেডিকেল কলেজ হাস্পাতালত অপ্ৰীতিকৰ ঘটনা ঘটিছে। ডাক্তৰ সকলৰ প্ৰতি সাধাৰণ ৰাইজৰ বিশেষ আস্থা যে নাই, তাৰ প্ৰমাণ নতুনকৈ দিবৰ সকাম নাই। প্ৰায় প্ৰত্যেকৰেই গুৱাহাটী মেডিকেল কলেজত এটা নহয় এটা তিক্ত অভিজ্ঞতা হৈছে।





অথচ ৰাজ্যৰ আটাইবোৰ ধুৰন্ধৰ আৰু বদমাচ যে মেডিকেল কলেজত সোমাইছেগৈ, এনে ধাৰণা কৰাটো পাগলামি হব। কৰ্ত্তব্যনিষ্ঠ ডাক্তৰ আৰু কৰ্ম্মীৰ অভিজ্ঞতাও নোহোৱা নহয়। তাৰ উপৰিও ধৰ্মঘটৰ সময়ত গম পোৱা গল যে হাস্পাতালৰ ডাক্তৰ আৰু কৰ্ম্মী সকলৰো কব লগীয়া কথা বহুত আছে।

চমুকৈ কবলৈ গলে হাস্পাতালৰ প্ৰশাসনত বহুত দোষ ক্ৰটি আৰু খেলি মেলি আছে। এইবোৰৰ বাবে কেৱল ডাক্তৰ কেইজন বা কৰ্ম্মীসকল ব্যক্তি-গত ভাবে জগৰীয়া নহয়। হাস্পাতালৰ প্ৰশাসনৰ লগত চৰকাৰৰ সম্পৰ্ক ঘনিষ্ঠ—টকা পয়চাৰ ফালৰ পৰা, কৰ্ম্মী নিয়োগৰ ফালৰ পৰা আৰু প্ৰশাস-নীয় নিয়মনীতিৰ ফালৰপৰা। হাস্পাতালৰ পৰিচালনা ব্যৱস্থাতো বহু গোলমাল আছে যিবোৰ দূৰ নকৰিলে সাধাৰণ ৰোগী বা চিকিৎসাকামী ৰাইজে দুৰ্গতি ভোগ কৰি থাকিব। তাৰ উপৰিও বহু দিশৰ পৰা অভিযোগ আহিছে যে উচ্চ পদমৰ্যাদাবিশিষ্ট বহু কেইজন অধ্যাপক দুৰ্নীতিত লিপ্ত।

ভাৰতবৰ্ষত মানুহৰ জীৱনৰ দাম বেছি নহয়। টকা পয়চা থাকিলে হয়তো কিছু দাম থাকে, নহলে তেনে জীৱন পেলনি গলে কোনেও নেকান্দে। আমাৰ মেডিকেল কলেজ হাস্পাতালত তাৰ ব্যতিক্ৰম হব কেনেকৈ? ধনতান্ত্ৰিক সমাজত গৰীব দুখীয়াই কেনেকৈ ভাল চিকিৎসা আশা কৰিব পাৰে? ভৰসা কৰিব নোৱাৰি যে এই সমাজত ৰাজহুৱা চিকিৎসালয়বোৰ দুৰ্নীতি আৰু আমোলাতান্ত্ৰিক নিষ্ঠুৰতাৰ পৰা মুক্ত হব নাইবা তাত প্ৰতিজন ৰোগীক ডাক্তৰে উৎসাহ আৰু সহানুভূতিৰে চিকিৎসা কৰিব। বৰং আমাৰ চৰকাৰৰ পুঁজিবাদসুলভ ঔদাসিন্যই ডাক্তৰ আৰু কৰ্ম্মী সকলৰ তিক্ত বৈৰাগ্য বৃদ্ধি কৰে।

"নতুন পৃথিৱী"ৰ তৰফৰ পৰা ধৰ্মঘটৰ কেইদিন আৰু তাৰ পিচতে বিভিন্ন মহলৰ মানুহক লগ ধৰি মতামত লোৱা হয়। এই মতামতবোৰ তলত দিয়া হ'ল।

## ছাত্ৰ, কৰ্ম্মী আৰু তৰুণ ডাক্তৰ সকলৰ বক্তব্য:

(১) এটা বিৰাট এলেকাৰ ৰোগীয়ে সন্তোষজনক চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল কলেজ হাস্পাতাললৈ আহে। কিন্তু এই বিপুল সংখ্যক ৰোগীৰ বাবে যথোচিত সংখ্যাৰ ডাক্তৰ নিয়োগ হোৱা নাই। সেয়ে ডাক্তৰ সকলে সকলো ৰোগীকে চোৱা চিতা কৰিব নোৱাৰে।



OKDISCD

(২) হাস্পাতালত ঔষধৰ নাটনি প্ৰায় দৈনন্দিন ঘটনা। ডেকা ডাক্তৰ সকলে যেতিয়া ৰোগীক অতি সাধাৰণ ঔষধো কিনিবলৈ কবলৈ বাধ্য হয়, তেতিয়া তেওঁলোক বৰ লজ্জিত হয়। কিন্তু তাৰ বাবে তেওঁলোক নিজে দোষী নহয়, আচলতে ঔষধপাতি হাস্পাতালৰ কৰ্তৃপক্ষই নিকিনে। ঔষধ, x-ray প্লেট কিনাৰ দায়িত্ব আৰু ক্ষমতা চৰকাৰৰ স্বাস্থ্য বিভাগৰহে। এই কথা নুবুজি বাইজৰ একাংশই মিছাতে ডাক্তৰ বিলাকক অপমান কৰে। মৰ্ফিনৰ দৰে অতি আৱশ্যকীয় দৰৱ এটাও (টোপনি আহিবলৈ আৰু বিষ কমাবলৈ ব্যৱহাৰ কৰা হয়) হাস্পাতালত প্ৰায়ে নাথাকে। ফলত ৰোগীক তেওঁলোকে বাহিৰৰ পৰা কিনি আনিবলৈ কবলৈ বাধ্য হয়। কিন্তু এই দৰৱ বিক্ৰী কৰাৰ লাইচেন্স গুৱাহাটীত মাত্ৰ তিনিখন ফাৰ্মাচিৰহে আছে। ৰাইজেও চ'ৰা দামত ক'লাবজাৰত কিনিবলৈ বাধ্য হয়। এন্টি-টিটেনাছ ছিৰামো যি কোনো আঘাত বা জখমৰ ক্ষেত্ৰত অপৰিহাৰ্য্য — অথচ হাস্পাতালত এইটোও প্ৰায়ে নাথাকে।

(৩) ছাত্ৰসকলে অভিযোগ আনে যে মে'ডিকেল কলেজৰ অধ্যক্ষ মহোদয়ো হাস্পাতালৰ পৰিচালনা সম্পৰ্কে সম্পূৰ্ণ উদাসীন। হাস্পাতালৰ এগৰাকী কৰ্ম্মীৰ মতে যোৱা ডুবছৰে অধ্যক্ষ মহোদয় হেনো হাস্পাতাল পৰিদৰ্শন কৰিবলৈ অহা নাই।

(৪) ৰোগীৰ আৰাম আৰু উপযুক্ত শুশ্ৰূষাৰ বাবে নাৰ্চ আৰু চতুৰ্থ শ্ৰেণীৰ (fourth-grade) কৰ্ম্মী যথেষ্ট হব লাগে। কিন্তু এই ক্ষেত্ৰত কৰ্তৃপক্ষৰ কিৰ্পিণালি অসহনীয়। জনা গৈছে যে চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মীৰ চাকৰি আছে ৫০০, কিন্তু ২০০ মানহে বোলে নিযুক্ত হৈছে। ফলত কামৰ হেঁচা বেছি হয় আৰু কৰ্ম্মী সকলে ভাল কাম কৰিব নোৱাৰে।

(৫) ছাত্ৰসকলে ধৰ্ম্মঘটৰ সময়ত অভিযোগ আনে যে তেতিয়া চলি থকা তদন্তটোৰ পৰা কোনো লাভ নহব। কাৰণ সেই তদন্তই হাস্পাতালৰ সকলো দিশৰ মৌলিক অনুসন্ধান কৰাৰ অধিকাৰ পোৱা নাই। ফলত হাস্পাতালৰ আচল কেৰোণবোৰ আগৰ দৰে ঢাক খাই থাকিব। উপযুক্ত তদন্তত তেওঁলোকৰ আপত্তি অৱশ্যে নাই।

(৬) ছাত্ৰসকলে পুনৰ কয় যে অধ্যাপক আৰু সহকাৰী অধ্যাপকৰ সৰহ-





ভাগেই হেনো কৰ্ত্তব্যপৰায়ণ নহয়। বহুতে হাস্পাতালত বৰ বেছি ডুঘণ্টা সময় কটায়। ৰাতি হাস্পাতালত থাকিবলৈ তেওঁলোকে প্ৰায়েই অনিচ্ছুক।

**মে'ডিকেল কলেজৰ অধ্যাপক আৰু সহকাৰী অধ্যাপক সকলৰ বক্তব্য ঃ**

(৭) এই অধ্যাপক সকলৰ মতে কলেজখন বৰ্ত্তমানৰ নিচিনাকৈ সিঁচৰিত হৈ নাথাকি এটা গোট হৈ থাকিব লাগে। নহলে সকলোৰে সময় নষ্ট হোৱাৰ উপৰিও বহুত বেমেজালিৰ সৃষ্টি হয়। উদাহৰণ স্বৰূপে pathological laboratory দিছপুৰ আৰু হাস্পাতাল পানবজাৰত হোৱা বাবে বহুত পৰীক্ষাৰ ৰিপ'ৰ্ট আহোঁতে বহুত পলম হয়।

(৮) হাস্পাতালত সকলো সময়তে কাম কৰি থকা Resident staff (যেনে - ৰেজিষ্ট্ৰাৰ, হাউচ চাৰ্জন প্ৰভৃতি) হাস্পাতালৰ পৰা বহু দূৰে দূৰে থকাৰ ফলত অসুবিধা হৈছে। কোনো হাস্পাতালৰ Resident staff হাস্পাতালৰ পৰা বেছি দূৰত থকা অনুচিত। সাধাৰণতে হাস্পাতালৰ ওচৰতে তেওঁলোকৰ কোৱাৰ্টাৰৰ ব্যৱস্থা কৰা উচিত। নহলে একাগ্ৰতীয়া হৈ তেওঁলোকে কাম কৰিব নোৱাৰে।

(৯) চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল আৰু নাৰ্চ সকলৰ বাবে যাতায়াতৰ সুবন্দোবস্ত থকা উচিত। নহলে তেওঁলোকৰ কামকাজ বা উপস্থিতিত হেলা হ'লে দোষ দিব নোৱাৰি।

(১০) একেখন এম্বুলেন্স ভানকে বিবিধ কামত আৰু বিবিধ দায়িত্বত খটোৱা হয়। ফলত বিশেষ জৰুৰী পৰিস্থিতিতো ভানখন পোৱা নাযায়।

(১১) X-ray যন্ত্ৰ বা হাস্পাতালৰ অইন যন্ত্ৰপাতি বেয়া হলে ভাল কৰা মেকানিক সদায় বাহিৰৰপৰা আনিব লগা হয়। হাস্পাতালৰ কৰ্ত্তৃপক্ষই চৰকাৰলৈ লেখিব লাগে। চৰকাৰে কোনোবা কোম্পানিক জনায়, আৰু বহুদিনৰ মূৰত কোম্পানিৰপৰা মেকানিক আহি মেৰামতী কৰে।

(১২) ১২ বছৰে হাস্পাতালৰ কোনো স্থায়ী site নহ'ল। হাস্পাতালৰ কৰ্ম্মী আৰু অধ্যাপকসকলে সেয়ে অবৰ্ণনীয় কষ্ট ভোগ কৰিব লগা হয়।

(১৩) হাস্পাতালৰ প্ৰশাসন আৰু পৰিচালনাত বিশেষ ত্ৰুটি আৰু বেমেজালি দেখা যায়। কেতিয়াবা হয়তো কোনো গুৰুত্বপূৰ্ণ অপাৰেশ্যন চলি থাকোঁতেই



OKDISCD

পানী নোহোৱা হয়। হাস্পাতালৰs sanitationৰ অৱস্থাও দুখ লগা। সেয়ে ভাৰতৰ আন বহু ঠাইত হোৱাৰ দৰে কলেজৰ হাতৰ পৰা হাস্পাতালৰ পৰিচালনা আৰু প্ৰশাসনৰ ভাৰ আনৰ হাতলৈ নিলে অধ্যাপক আৰু সহকাৰী অধ্যাপক সকলে সকাহ পাব।

(১৪) অধ্যাপক সকলে অভিযোগ কৰে হাস্পাতালৰ কৰ্ম্মী আৰু অধ্যাপক সকলৰ অৱস্থাটো সহানুভূতিৰে বুজিবলৈ ৰাইজে বিশেষ চেষ্টা নকৰে। বহু-সময়ত হেনো চিকিৎসাৰ কিছুমান কৌশল বা নিয়ম নুবুজাৰ বাবে ৰোগীৰ আত্মীয় কুটুম্বই মিছাতে ডাক্তৰ বা নাৰ্চক দোষাৰোপ কৰে।

**(১৫)** ৰাইজৰ একাংশই ক্ষুব্ধ হৈ ডাক্তৰ বা কৰ্ম্মীসকলৰ ওপৰত প্ৰায়ে উপদ্ৰৱ চলায়। আনকি কৰ্ম্মী সকলে সাধাৰণ নিৰাপত্তাৰো অভাৱ অনুভৱ কৰে। চকীদাৰে প্ৰায়ে মাৰ খায়। ৰাতি মদপী মানুহ সোমাই হেনো নাৰ্চসকলক অসুবিধাত পেলায়।

## ৰাইজৰ বক্তব্য আৰু আমাৰ অভিমত

ডাক্তৰসকলৰ অভিযোগ যে পৃথিৱীৰ আন কোনো ঠাইত এনে নিয়ম নাই য'ত ৰোগীৰ কি চিকিৎসা হৈছে ৰোগীৰ বন্ধুবান্ধৱ আৰু অভিভাৱকে চকু ৰাখিব পাৰে। কথাটো তেনেই মিছা নহয়। কিন্তু সৰ্বসাধাৰণে ডাক্তৰৰ চিকিৎসাত ইমান চোকা নজৰ ৰাখিব খোজে কেলেই? কাৰণ তেওঁলোকৰ হাস্পাতালৰ অভিজ্ঞতা নিশ্চয় এনে বিধৰ যে ৰোগীৰ জীৱন ডাক্তৰসকলৰ হাতত নিৰাপদ বুলি তেওঁলোকে বিশ্বাস কৰিব নোৱাৰে। হাস্পাতালৰ তৰুণ ডাক্তৰসকলে অন্ততঃ সৰ্বসাধাৰণৰ এই অনুভূতিক সহানুভূতিৰ চকুৰে চাবলৈ শিকিব লাগিব। আমাৰ দাৰিদ্ৰ্যপীড়িত, অভাৱজৰ্জৰ জনসাধাৰণে সমাজত ক'তেই বা সুবিচাৰ পায়? জীৱনৰক্ষাৰ বিষয়ত তেওঁলোক উৎকণ্ঠিত হ'লে আচৰিত হব নোৱাৰি।

ওপৰমহলাৰ ডাক্তৰসকলৰ কিছুমান কাৰ্য্যকলাপ কোনো যুক্তিৰে সমৰ্থন কৰিব নোৱাৰি। তেওঁলোকৰ লগত x-ray Clinic আৰু pathological Clinic বোৰৰ বিশেষ সম্পৰ্ক থাকে। অথচ সেই Clinic বোৰ বৰ খৰচী। এনেকৈ সৰ্বসাধাৰণৰ চিকিৎসাৰ খৰচ বাঢ়ি যায়। একেবাৰে দৰিদ্ৰ মানুহৰ বাবেতো হাস্পাতালত x-ray plate নথকা মানে চিকিৎসা বন্ধ হৈ থকা!





আনহাতে তেওঁলোকৰ ব্যক্তিগত প্ৰেক্টিচত ওপৰমহলাৰ ডাক্তৰসকল অতি-পাত ব্যস্ত থকা বাবে কৰ্ত্তব্যৰ সময়ত কিছুমানে পাল মাৰে বা হয়তো প্ৰয়োজনীয় সময় নাথাকে। পাৰিলে তেওঁলোকৰ non-practicing allowance বঢ়াই হ'লেও এওঁলোকৰ ব্যক্তিগত প্ৰেক্টিচৰ মাত্ৰা কমোৱাৰ কঢ়া ব্যৱস্থা লোৱা উচিত। নহলে হাস্পাতালত এওঁলোকে যথোচিত মনোযোগ দিব নোৱাৰিব।

দেখা গৈছে যে ওপৰমহলাৰ প্ৰফেছৰ আৰু এছিষ্টেণ্ট প্ৰফেছ'ৰ সকলে মে'ডিকেল কলেজৰ হাস্পাতালটো প্ৰায় নিজা নাৰ্ছিং হোম হিচাবে ব্যৱহাৰ কৰিছে। হাস্পাতালত তেওঁলোকে ছুপাৰিছ কৰা মতে ৰোগী ভৰ্ত্তি কৰা হয়, আৰু তেওঁলোকৰ ওচৰলৈ ব্যক্তিগত চিকিৎসাৰ বাবে অহা ৰোগীক তেওঁলোকে হাস্পাতালত ভৰ্ত্তি কৰি দিয়ে। আনহাতে পোনপতীয়াকৈ বা Casualty ward ৰ যোগেদি ভৰ্ত্তি হোৱা ৰোগীৰ প্ৰতি তেওঁলোকে বিশেষ চকু-কান নিদিয়ে। সেয়ে তেওঁলোকৰ পৰা বিশেষ অনুগ্ৰহ পাবলৈ বিপন্ন ৰোগীয়ে তেওঁলোকক ঘোচ দিয়াৰ দৰে "ভিজিট" দিয়ে। প্ৰফে'ছৰ সকলে দিনে ২।৩ ঘণ্টা সময় মাত্ৰ হাস্পাতালত থাকে। বেছিভাগেই গধুলি হাস্পাতাললৈ নাহে বুলি জনা গৈছে।

প্ৰফে'ছৰ আৰু এছিষ্টেণ্ট প্ৰফে'ছৰ সকলৰ যিবোৰ অভিযোগ আৰু দাবী আছে, যুক্তিসংগত হ'লে নিশ্চয় শুনিব লাগিব। **তেওঁলোকৰ দায়িত্ব আৰু কৰ্ত্তব্যও নিশ্চয় বেলেগ ধৰণৰ হবই।** কিন্তু আমি উল্লেখ কৰা অন্যায় আৰু দুৰ্নীতিত লিপ্ত হবলৈ তেওঁলোকৰ কোনো অধিকাৰ নাই। তেওঁলোকৰ প্ৰায় প্ৰতিজনেই ৰাইজৰ টকাৰ অংশৰে উচ্চ শিক্ষা সমাপ্ত কৰিছে। এতিয়া উচ্চ বেতনৰ উপৰিও আন আন অযুক্তিকৰ আৰু অন্যায় সা-সুবিধা বিচৰা বাবেই তেওঁলোক ৰাইজৰ অপ্ৰিয় হৈছে।

এটা উদাহৰণ দিয়া যাওক। প্ৰতিটো ৱাৰ্ডতে থকা বিছনাবোৰ একো একোজন প্ৰফে'ছৰ বা এছিষ্টেণ্ট প্ৰফেছ'ৰৰ জিম্মাত থাকে। এজনৰ ৰোগী আনজনে নেচায়। তাৰ উপৰিও এজনৰ জিম্মাত থকা বিছনা খালি থাকিলেও আন এজনৰ তৰফৰ ৰোগীয়ে তাত ঠাই নেপায়! এনেদৰে ৰাজহুৱা অনুষ্ঠানত ব্যক্তিগত জমিদাৰী চলাবলৈ তেওঁলোকে ক'ত অধিকাৰ পাইছে আৰু এই অধিকাৰ তেওঁলোকক কোনে দিলে?



OKDISCD

আনহাতে জুনিয়ৰ ডাক্তৰ সকলে কিছুমান প্ৰাপ্য আৰু ন্যায্য সা-সুবিধা পোৱা নাই। প্ৰথমতে তেওঁলোকৰ বেতন সদায় যথেষ্ট নহয়। হাউছ ছাৰ্জন আৰু হাউছ ফিজিচিয়ান সকলে মাহে মাত্ৰ ১৫০ বা ১৭৫ টকা পায়। (যুনিভাৰ্ছিটিৰ ৰিচাৰ্চ স্কলাৰশ্বিপেই ২৫০ ৰ পৰা ৩০০ টকা লৈ হয়।) প্ৰচণ্ড খাটনিৰ মাজতো তেওঁলোকৰ চাহ একাপ খাবৰ পইচা নাথাকে। হাস্পাতালৰ বাসিন্দা ডাক্তৰসকলে (Resident Staff) কোনো ঘৰভাড়া নাপায়। হাস্পাতালৰ কোনো কোৱাৰ্টাৰ নাই। এনে অৱস্থাত তেওঁলোকে হাস্পাতালৰ কাম আন্তৰিকতাৰে কৰিব পাৰে জানো?

এই ডাক্তৰ সকলৰ ওপৰত কাম আৰু দায়িত্বৰ হেঁচা বেছি। সপ্তাহটোত তেওঁলোকৰ এদিনো ছুটি নাথাকে। কেতিয়াবা এজন মানুহে দুপৰীয়া এটা বজালৈ কাম কৰাৰ পিছত আকৌ দুটা বজাত কাম আৰম্ভ কৰিব লগা হয়। ডাক্তৰ সকলে আন কৰ্ম্মীৰ দৰে সপ্তাহত এদিন ছুটি পাব লাগে। তাৰ উপৰিও হাস্পাতালৰ কেম্পাছৰ ভিতৰতে তেওঁলোকৰ বাবে উপযুক্ত বিশ্ৰাম আৰু অৱসৰ গৃহ থাকিব লাগে।

হাস্পাতালৰ কৰ্ম্মী সকলৰ প্ৰতিও ওপৰ মহলাৰ ডাক্তৰ সকলে বিশেষ মনকাণ নিদিয়ে বুলি শুনা গৈছে। মাহে নব্বৈ টকা দৰমহা পোৱা কৰ্ম্মীসকলে তিনিচাৰি মাইল দূৰৰ পৰা আহিব লাগে। তেওঁলোকৰ বিপদ-আপদৰ সময়ত কৰ্ত্তৃপক্ষৰ পৰা সহানুভূতি নাপায়। আৰু য'ত ৫০০ চাকৰি আছে, তাত ২০০ মানুহ নিয়োগ কৰি থোৱা মানে নিশ্চয় সাধাৰণ তৰপৰ কৰ্ম্মীৰ ওপৰত হেঁচা অত্যধিক বঢ়াই দিয়া।

হাস্পতাল প্ৰশাসনৰ দায়িত্ব অৱশ্যে ওপৰ মহলাৰ ডাক্তৰ সকলেও ভাল নাপায়। কেইবাজনো প্ৰফে'ছৰ আৰু এছিষ্টেণ্ট প্ৰফে'ছৰে কৈছে যে হাস্পাতালৰ প্ৰশাসনৰ দায়িত্ব তেওঁলোকে লব নোখোজে। অধ্যক্ষৰ হাতৰ পৰা হাস্পাতাল প্ৰশাসনৰ দায়িত্ব আঁতৰাই আনিব লাগে। হাস্পাতালত ৰোগী ভৰ্ত্তি কৰা দায়িত্ব Resident Staff ৰ ওপৰত অৰ্পণ কৰিব লাগে। কেৱল সন্দেহজনক বা বিশেষ ক্ষেত্ৰতহে এই বিষয়ত প্ৰফে'ছৰ বা এছিষ্টেণ্ট প্ৰফে'ছৰৰ অভিমত লব পাৰি। Resident Medical officer হিচাবে এজন অভিজ্ঞ লোক ৰাখিব লাগে। হাস্পাতালৰ স্বাস্থ্যবিধি (Sanitation) আৰু সাধাৰণ কৰ্ম্মী





সকলৰ কামকাজৰ তত্বাবধান তেওঁ লব লাগে। সততে পৰিদৰ্শন চলাই তেওঁ হাস্পাতালৰ পৰিচালনা তৎপৰ কৰি ৰখা উচিত।

হাস্পাতালৰ বৰ্ত্তমান শাসন ব্যৱস্থাত এজন Hospital Superintendant লাগে। কিন্তু এই দায়িত্ব এজন বেলেগ ডাক্তৰৰ হাতত অৰ্পন নকৰি, সেই কামৰ দায়িত্ব লৈছে বৰ্ত্তমান অধ্যক্ষই। তেখেতে এই দায়িত্ব লবলৈ আপত্তি কৰা নাই আৰু তাৰ বাবে তেখেতে মাহে ২৫০ টকাকৈ পায়। হাস্পাতালৰ ছুপাৰিণটেণ্ডেণ্টে দিনে দুবাৰকৈ হাস্পাতাল পৰিদৰ্শন কৰি হাস্পাতালৰ কাম নিয়াৰিকৈ চলিছে নে নাই চাব লাগে। কিন্তু বৰ্ত্তমানৰ চুপাৰিণটেণ্ডেণ্ট অধ্যক্ষই হাস্পাতাল পৰিদৰ্শন নকৰে—আৰু প্ৰমাণ হাস্পাতালৰ মলি-জাবৰ দুৰ্গন্ধ, ইত্যাদি। এইবোৰত তিক্ত হলে—দোষ কাৰ?

কেতিয়াবা হেনো নিশাৰ ডিউটিত থকা ডাক্তৰে কোনো ৰোগীৰ পৰীক্ষাত নিশ্চিত নহলে বা পৰীক্ষাত কিবা সন্দেহ হলে অধ্যাপকক ৰাতি ফোন কৰে। কিন্তু কোনো কোনো অধ্যাপকে হাস্পাতালত থকা ডাক্তৰ জনক ফোনেৰে নিৰ্দেশ দিয়ে, অধ্যাপক জন নিজে হাস্পাতাললৈ ৰোগীজনক চাবলৈ নাহে। তেতিয়া নিশাৰ ডিউটিত থকা ডাক্তৰ জন বিমোৰত পৰে; কাৰণ তেখেতে ফোন কৰাৰ কাৰণ আছিল যে তেখেত নিজে Diagnosis সম্পৰ্কে নিশ্চয় নহন, ফলত ডাক্তৰজনে সেই অধ্যাপকক দায়িত্বহীন বুলি ভাবে। এই কথা বাগৰি গৈ ৰাইজৰ কাণত পৰিলে, ৰাইজ ক্ৰুদ্ধ হয়। অনতিপলমে এনে কু অভ্যাসৰ ওৰ পৰিব লাগে।

মেডিকেল কলেজৰ হাস্পাতালটো দিছপুৰলৈ স্থানান্তৰিত কৰাৰ প্ৰশ্ন উঠিছে। মেডিকেল কলেজৰ বৰ্ত্তমান স্থান পাহাৰৰ ওপৰলৈ হাস্পাতাল নিয়াৰ যি কোনো প্ৰস্তাৱেই সমাজবিৰোধী হব। গতিকে হাস্পাতালটো সকলোৰে ঢুকি পোৱা তলৰ সমতলত হব লাগে। এই সম্পৰ্কে মেডিকেল কলেজৰ ছাত্ৰ সন্থাই দিয়া এখন স্মাৰক পত্ৰত উল্লেখ কৰাটো প্ৰশংসনীয় হৈছে। ৰাইজেও ইয়াকে বিচাৰে। তাৰোপৰি স্থানান্তৰ কাৰ্য্য যিহেতু শীঘ্ৰে সম্ভৱ নহয় আৰু ইয়াৰ বাবে কেইবা বছৰৰো প্ৰয়োজন হব, সেয়ে এই কালছোৱাত বৰ্ত্তমান হাস্পাতালটোৰেই যথোচিত উন্নতি সাধন কৰা উচিত।

---



OKDISCD

# সংস্কৃতি সংবাদ

## কাৱাবাটাৰ আত্মহত্যা

জাপানৰ নোবে'লবটাবিজয়ী সাহিত্যিক য়ছুনাৰি কাৱাবাটাই অলপতে আত্মহত্যা কৰিছে। কাৱাবাটাৰ বিখ্যাত উপন্যাস হ'ল **Snow Country** (হিম প্ৰান্তৰ)। প্ৰাচীন জাপানী কলা হাইকু-কবিতাৰ আংগিকৰ লগত পাশ্চাত্যৰ উপন্যাসৰ বৰ্ণনা আৰু চৰিত্ৰসৃষ্টিৰ সংযোগত গঠিত অপৰূপ সাহিত্য-কৃতি। কাৱাবাটাৰ বিষয়ে যিবোৰ মন্তব্য আমাৰ চকুত পৰিছে, এটাইবোৰতে উল্লেখ কৰা হৈছে যে "সৰ্বহাৰা সাহিত্য"ৰ (proletarian literature) বিৰুদ্ধে বিদ্ৰোহতেই হেনো কাৱাবাটাৰ সুষমামণ্ডিত কলাৰ জন্ম। সেইবোৰ মন্তব্যৰ ভিত্তি আছে নে নাই নাজানোঁ। কিন্তু কাৱাবাটাৰ উপন্যাসত বুৰ্জোৱা সমাজ আৰু বুৰ্জোৱা শ্ৰেণীৰ নিৰ্মম অন্তঃসাৰশূন্যতা তীব্ৰভাবেই ফুটি উঠিছে। **Snow Country** ৰ নায়ক হ'ল বিপুল সম্পত্তিৰ উত্তৰাধিকাৰী, শিক্ষিত, ৰুচিবান ভদ্ৰলোক—সময় কটাবৰ বাবে যি কলাশিল্পৰ চৰ্চা কৰে। চহৰৰ পৰা দূৰৈত ছুটি কটাবলৈ অহা নায়কৰ হিম প্ৰদেশৰ অৱসৰগৃহৰ এজনী গে'ইছাৰ লগত ঘনিষ্ঠতা হৈছে। গে'ইছাজনী তৰুণী, বুদ্ধিমতী আৰু সূক্ষ্ম ৰুচিসম্পন্না। তাইৰ প্ৰতি মাজে সময়ে নায়কে অনুভৱ কৰিছে গভীৰ কৰুণা। তাইক দেখিলেই তেওঁৰ মনত এটা ভাব হয়—wasted effort, অৰ্থাৎ বৃথা চেষ্টা। গে'ই-ছাজনীৰ কথাবতৰা আৰু আচৰণৰ মাজত প্ৰকাশ পাইছে সহজ, নিৰ্ভাঁজ আৰু উদ্দীপ্ত আবেগৰ সোঁত। কিন্তু সমাজৰ উচ্চতম স্তৰৰ পৰা অহা, আৰাম আয়াসত জীৱন কটোৱা নায়কৰ প্ৰাণত স্তূপীকৃত কেৱল অৱসাদ আৰু ঔদাসিন্য। এই ঔদাসিন্য চকুলোৰে, হাঁহিৰে, গৌৰৱেৰে বৰণ কৰিছে গেই'ছাজনীয়ে। আবেগৰ ঢৌৰে তোলপাৰ লগাইছে নায়কৰ চেতনা—কিন্তু নায়কৰ হৃদয় নিঃসাৰ। কেৱল মাজে মাজে কৰুণ ক্লান্ত অপৰাধবোধৰ মাজত তেওঁ অনুভৱ কৰিছে গেই'ছাজনীৰ প্ৰেমৰ, গেই'ছাজনীৰ জীৱনৰ কাৰুণ্য—wasted effort!

কাৱাবাটাৰ এই উপন্যাসত ধনসম্পত্তিক মানুহৰ জীৱনৰ সাৰ্থকতা হিচাবে দেখুৱা হোৱা নাই। বৰং মানুহৰ জীৱনৰ গুপ্তশত্ৰু হিচাবেই দেখুৱা হৈছে—ধনবান নায়কৰ জীৱন স্বচ্ছল, ছৌখীন আৰু অন্তঃসাৰশূন্য। আনহাতে সেই





ধনৰ ভোগত জাহ গৈছে এই গেই'ছাজনীৰ দৰে অকৃত্ৰিম জীৱনীশক্তি আৰু আবেগিক সৌন্দৰ্য্যৰ আধাৰ কতশত প্ৰাণ! এই কথাৰো ইংগিত কাৱাবাটাই দিছে যে দুখকৰি খোৱা মানুহৰ মাজৰ পৰা অহা বাবেই গেই'ছাজনীৰ আবেগ আৰু আচৰণত ইমান স্বাভাৱিকতা আছে।

নহলেই বা ই সৰ্বহাৰাৰ সাহিত্য। কিন্তু তাৰ উপলব্ধি আৰু অন্তদৃষ্টিত মাৰ্ক্সবাদী সমালোচকে সমাদৰ কৰিব পৰা বহুত বস্তু আছে। উনবিংশ শতি-কাৰ মহান য়ুৰোপীয় উপন্যাসবোৰৰ দৰে কাৱাবাটাৰ কাহিনী সমৃদ্ধ হৈছে গভীৰ মানবীয় সহানুভূতিৰে।

জীৱনযন্ত্ৰণাৰ উত্তৰ কাৱাটাই বিচাৰিছিল প্ৰেমত। হয়তো তেওঁৰ অনু-ভূতিশীল মনে পিচত বুজিছিল যে সমাজ য'ত নিৰ্মম আৰু দানবীয়, তাত দুটি প্ৰাণে প্ৰেমৰ কুঞ্জলৈ পলাই চিৰদিন সাৰিব নোৱাৰে। আনহাতে সমাজ পৰিবৰ্তনৰো কোনো উপায়ত তেওঁৰ আস্থা নাছিল, আন বহু বুৰ্জোৱা লেখকৰ দৰে। সেয়ে তেওঁ বাচি ল'লে চিৰশান্তিৰ ভীষণ পথ।

* * *

## "বহুৰূপী"ৰ অভিনয়

"বহুৰূপী" গোষ্ঠীয়ে এসপ্তাহ কাল ধৰি স্থানীয় জিলা পুথিভঁড়ালত কেইবাখনো নাটক মঞ্চস্থ কৰে। বিখ্যাত নট শম্ভু মিত্ৰৰ নেতৃত্ব আৰু পৰিচালনাত অভি-নীত নাটক কেইখনে প্ৰতিদিনেই অজস্ৰ দৰ্শকক আকৰ্ষণ কৰিছিল। অভিনয়, মঞ্চ কৌশল, উচ্চাৰণ আৰু নাটকৰ প্ৰযোজনা—সকলো পিনৰে পৰা পৰি-পৰিশীলিত উৎকৰ্ষৰ প্ৰমাণে দৰ্শকক মুগ্ধ কৰিছিল। অৱশ্যে চহৰৰ বাতৰি কাকত কেইখনে একেসময়তে অনুষ্ঠিত free style wrestling ৰ বৰ্ণনাত বহু কলম লেখিলেও "বহুৰূপী" গোষ্ঠীৰ নাট্যানুষ্ঠানক সম্পূৰ্ণ অৱহেলা কৰিলে। **আমাৰ সাংস্কৃতিক চেতনাৰ বৰ্ত্তমান অৱস্থা কি তাৰ পৰাই কিছু বুজা যায়।**

শম্ভু মিত্ৰৰ দলে বাদল সৰকাৰৰ প্ৰসিদ্ধ এবছাৰ্ড নাট "পাগলা ঘোড়া" ছফোক্লীছৰ "ঈডিপাছ ৰে'ক্স"ৰ বঙ্গানুবাদ, ৰবীন্দ্ৰনাথৰ "ৰাজা" আৰু "চুপ আদালত চল্‌ছে" নাটৰ অভিনয় কৰে। বিশেষকৈ ছফোক্লীছৰ নাটকখনত প্ৰাচীন গ্ৰীক নাটকৰ নিজস্ব বাতাবৰণৰ লগতে তাৰ বিশ্বজনীন আবেদনো প্ৰকাশ কৰাত এই গোষ্ঠীৰ সাফল্য চমকপ্ৰদ। ৰবীন্দ্ৰনাথৰ "ৰাজা"ৰ হাস্য-



OKDISCD

ৰসপূৰ্ণ আৰু অপেক্ষাকৃত বাস্তৱধৰ্মী দৃশ্যবিলাক চিত্তাকৰ্ষক হলেও তাৰ ৰহস্য বাদী বক্তব্য বিশেষ পৰিষ্কাৰ নহয়—অতিৰিক্ত বাগবিস্তাৰো তাৰ অন্যতম দুৰ্বলতা। অকুণ্ঠ আৰু দাসসুলভ আত্মসমৰ্পণত দিয়া গুৰুত্বও আমি নাটখনৰ বক্তব্যৰ ত্ৰুটি বুলি ভাবোঁ। "সং নাটক"ৰ নামত ঘাইকৈ মানবাত্মাৰ পৰাজয়, হতাশা আৰু গ্লানিৰ প্ৰচাৰ কৰা নাটক নিৰ্বাচন কৰি "বহুৰূপী" গোষ্ঠীয়ে বোধহয় বুৰ্জোৱা কলাকৈবল্যৰ ( art for art's sake ) পৰিণামকেই উদ্‌ঘাটিত কৰিছে। আনকি ছফোক্লীছৰ নাটকৰ প্ৰযোজনাতো নিয়তিৰ মহিমা মানুহতকৈ বহুত বেছি হ'ল—মূল নাটকখনৰ পৰা যেনে ধাৰণা প্ৰকৃততে নহয়।

কলিকতাৰ কোনো কোনো গোষ্ঠীয়ে Bertold Brecht ৰ নাট মঞ্চস্থ কৰিছে বিশেষ সাফল্যৰে। তেনে নাট দেখাৰ সুযোগ আমি কেতিয়া পাম ?

* * *

গুৱাহাটীৰ কটন কলেজৰ কেইজনমান কবিতাপ্ৰেমী ছাত্ৰই উলিওৱা "মাহেকীয়া কবিতা"ৰ ৬টা সংখ্যা ওলাই গৈছে। তাত ওলোৱা অপ্ৰতিষ্ঠিত কেইজনমান কবিৰ কবিতা সঁচাকৈ উচ্চস্তৰৰ। তেওঁলোকৰ বক্তব্য আৰু কথন ভংগীত মৌলিকতা আছে। আনহাতে তেওঁলোকৰ কবিতাত ক্ৰমাৎ ফুটি উঠিছে বলিষ্ঠ সমাজচেতনা। কবিতাত তেওঁলোকৰ বিশ্বাস যেনে দৃঢ়, সমাজৰ মুক্তিতো তেনে দৃঢ় বিশ্বাস হলে সোণত সুৱগা চ'ৰিব।

* * *

সাহিত্যসভাৰ ধুবুৰি অধিবেশনত ধুবুৰিৰ জাতিবৰ্ণভাষা নিৰ্বিশেষে সকলোৰে অকুণ্ঠ উৎসাহেৰে সহায় কৰাটো উল্লেখযোগ্য ঘটনা। বিভিন্ন ভাষিক গোষ্ঠীৰ মাজত সাংস্কৃতিক সহযোগিতা অসম্ভৱ নহয়।

সাহিত্যসভাৰ বাৰ্যিক অধিবেশন অসমীয়া জাতীয়তাৰে এটা প্ৰতীকৰ দৰে। সাহিত্যসভাই ভাল কাম দুই চাৰিটা কৰিছে—বিশেষকৈ পুৰণা কিতাপ পুন-মুদ্ৰনৰ ক্ষেত্ৰত। কিন্তু তাৰ ৰাজনৈতিক ভূমিকাত বৰ্ত্তমান আচল হৈ পৰা উগ্ৰ জাতীয়তাবাদৰ গোন্ধ আছে। বিশেষকৈ ভাষাৰ ক্ষেত্ৰত অসমীয়া প্ৰচাৰতকৈ বঙালীবিৰোধত সভাৰ উৎসাহ বেছি। অসমত নিৰক্ষৰতা দূৰীকৰণ, সাংস্কৃতিক সাম্যস্থাপন প্ৰভৃতি ক্ষেত্ৰত সভাৰ অৱদান নগণ্য। থলুৱা উদ্যোগৰ হকে মাত মাতিলেও সভাই আজিলৈকে অসমত উদ্যোগীকৰণৰ অন্তৰায় আৰু সম্ভাৱনাৰ বিষয়ে এখন প্ৰমান গ্ৰন্থ বাহিৰ কৰিব পৰা নাই। **সেয়ে সাহিত্য সভাৰ প্ৰস্তাৱসমূহ paper tigerতো নহয়েই, paper mouse ও নহয়নে।** সাহিত্যৰ ক্ষেত্ৰতো অসম সাহিত্য সভাই এনে কি বৰঙণি আগবঢ়ালে যাৰ অবিহনে অসমীয়া সাহিত্য পিচ পৰি ৰ'লহেতেন ? "চন্দ্ৰকান্ত অভিধান"ৰ বাহিৰে আন তেনে বৰঙণি মনত নপৰে দেখোন !





## "নতুন পৃথিৱী" আৰু নতুন নাটক

"নতুন পৃথিৱী"ত প্ৰকাশিত নাট "এটা নতুন সূৰ্য্য" (লেখক ৰবীন্দ্ৰনাথ বৰঠাকুৰ) বেছ জনপ্ৰিয় হৈছে। ইতিমধ্যে "অসমৰ ত্ৰিবিউন কৰ্ম্মী সংঘ" আৰু "গুৱাহাটী বিশ্ববিদ্যালয় কৰ্ম্মী সংঘ"ই নাটখন মঞ্চস্থ কৰে।

## বালিপৰাত বিহু

এইবাৰো বহাগী আহিছিল—ভৰলীৰ প্লাৱনত সৃষ্টি হোৱা বালিপৰাৰ বুকুলৈ।

এটি নতুন উদ্যম—এটি নতুন পৰিবেশত অসমীয়া, বঙালী, নেপালী, মিৰি, বড়ো, আৰু চিৰ অৱহেলিত বাগিছাৰ শ্ৰমিক ভাই-ভনী সকলৰ মাজত ৰজন-জনাই উঠিছিল ধৰ্ম্ম নিৰপেক্ষ, অকৃত্ৰিম মৰম চেনেহেৰে ভৰপূৰ সাৰ্বজনীন বিহু মেলাৰ এক সমন্বয়স্থূৰী ঐকতান।

সৃষ্টিকামী এই চাম ডেকা-গাভৰুৱে—'বহাগী'ক ৰূপ দিছিল বালিপৰা বহাগী মেলাৰ এক 'মুখপত্ৰ' হিচাবে। ভদ্ৰদত্তৰ সম্পাদনাত কেইটিমান বাছুক বনীয়া গল্প, কবিতা আৰু প্ৰৱন্ধই 'বহাগী'ৰ কলেবৰত ঠাই পাইছিল। ২ বহাগৰ পৰা ১০ বহাগলৈ ন'দিনীয়া বিহুমেলাৰ মনোৰম কাৰ্য্যসূচী আৰু শিক্ষামূলক গল্প, কবিতা, প্ৰৱন্ধ সমন্বিতে 'বহাগী"য়ে মৰমৰ ওলগ জনাই জন-সাধাৰণৰ হাতে হাতে উঠিছিল।

এই অঞ্চলৰ বয়োবৃদ্ধ কৃষক শ্ৰীআপাৰাম বড়াই ২ বহাগ ৰাতিপুৱা ৭ বজাত বিহু পতাকা উত্তোলন কৰাৰ লগে লগেই আৰম্ভ হৈছিল বিভিন্ন খেল প্ৰতি-যোগিতা। দিনৰ ১ বজাৰ পৰা আৰম্ভ হৈছিল 'মুকলি বিহু' প্ৰতিযোগীতা, বিহু নাচৰ মঞ্চমুখী গতিক ক্ষণিকৰ কাৰণে হলেও জঠৰ কৰি দি বালিপৰা অঞ্চলৰ ডেকা-গাভৰুৱে যেতিয়া মুকলি আকাশৰ তলত দলে দলে আহি প্ৰাণবন্ত বিহুনাচ নাচে—তেতিয়া মনত পৰে—অতীতৰ সেই বিহুলৈ, মনত পৰে সেইখন সহজ সৰল সমাজলৈ য'ত আভিজাত্যৰ গৌৰৱৰ লেখমানো সঁচ নাছিল। বিহু নাচৰ সৰলতাত বিমোহিত হৈয়েই হবলা সিদিনা বালিপৰা বিষ্ণুতলীত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ দুগৰাকী ভদ্ৰলোকেও বিহুনাচত অংশ গ্ৰহণ কৰিছিল। দূৰ-দূৰণিৰ পৰা অহা শ'শ লোকে লোকাৰণ্য হৈ পৰিছিল।

৩ বহাগৰ ৰাতিপুৱাৰ খেল প্ৰতিযোগীতাৰ পাচত আৰম্ভ হয় '**বিভিন্ন জাতিৰ কৃষ্টি সমাবেশ**'। এই সমাবেশত বিশিষ্ট অতিথি হিচাবে যোগদান কৰিছিল ভৈয়াম জনজাতীয় নেতা, শ্ৰীকমল বসুমতাৰী দেৱে। প্ৰায় ৫।৬ হাজাৰ দৰ্শকৰ আগত ভাষণ দি শ্ৰীবসুমতাৰীয়ে আনন্দ প্ৰকাশ কৰিছিল আৰু কৈছিল যে অসমীয়া জাতিৰ কৃষ্টি সমাবেশে আজিহে পৰিপূৰ্ণতা লাভ কৰিছে।

এই সমাবেশত যোগদান কৰা গড়মৰা গাৱঁৰ "নেপালীনৃত্য", চেঙেলী মৰা গাৱঁৰ "বড়োনৃত্য", নামগাওঁ বাগিছাৰ "দমকাছ", পানীপোটা বাগিছাৰ



OKDISCD

"মিচন ভজন", বেংবাৰী (ফুলবাৰী) বাগিছাৰ "লাঠিখেল", বালিপৰা মাহালি বস্তিৰ "তুচু নাচ", বঙালী সকলৰ (বালিপৰা বালিজানৰ) "কালীনৃত্য" আৰু কমাৰা গাওঁ, উদমাৰী গাৱৰ সন্মিলিত "বিহুনাচ" আদিয়েই প্ৰধান আছিল। দিনৰ এক বজাৰ পৰা অসীম ধৈৰ্য্যেৰে বহি হাজাৰ হাজাৰ দৰ্শকে নিশা আঠ বজালৈ বিহুতলী এৰি যাবলৈ পাহৰি গৈছিল। বাগিছাৰ শ্ৰমিক ভাই-ভনী সকলৰ আনন্দই বা চায় কোনে? বহুদিনৰ পৰা বঞ্চিত আৰু অৱহেলিত এই চাম ডেকা-গাভৰুৱে আজি দুখ-বেদনা জাৰি জোকাৰি জীৱনৰ গীত গাবলৈ যেন অকণ সুবিধা পালে। নিশা আঠ বজাৰ লগে লগে বিশিষ্ট অতিথি শ্ৰীবসুমতাৰীদেৱ আৰু শ্ৰীলীলাৰাম দত্ত ডাঙৰীয়াই বিহু নৃত্যত অংশ গ্ৰহন কৰি ৰাইজক উৎসাহিত কৰে আৰু এই বিচিত্ৰানুষ্ঠানৰ সামৰণি পৰে।

৪, ৫, ৬, ৭, ৮ এই গোটেই কেইটা দিনতে খেল প্ৰতিযোগিতা যেনে চাইকেল ৰেছ, ইচ্ছাগমন, ভলীবল খেল, প্ৰদৰ্শনী মুলক ফুটবল খেল প্ৰভৃতি তাৰোপৰি শিক্ষামূলক ভাবে আকস্মিক বক্তৃতা প্ৰতিযোগীতা আৰু 'মঞ্চস্থ হোৱাত বিহুৰ ঐতিহ্য হ্ৰাস পাইছে" শীৰ্ষক এখনি তৰ্ক প্ৰতিযোগীতাই বিহু তলীলৈ নিচিগা ধাৰে জনস্ৰোত বোৱাই থাকে।

৯ বহাগৰ দিনা আবেলি ডাঃ গজেন ডেকাৰ সভাপতিত্বত কৃষ্টি প্ৰতি-যোগীতা আৰম্ভ হয়। সিদিনাৰ বিশিষ্ট অতিথি অধ্যাপক নাৰদ উপাধ্যায় দেৱে এটি সাৰগৰ্ভ বক্তৃতাৰে বিহু উৎসৱৰ তাৎপৰ্য্য ব্যাখ্যা কৰে। বিভিন্ন গীত-মাত, বাদ্যযন্ত্ৰ, কথকনৃত্য, আধুনিক নৃত্য, বিহুনৃত্য আদি উচ্চ পৰ্য্যায়ৰ প্ৰতিযোগীতাত স্থানীয় শিল্পীৰ বাহিৰেও দূৰৈৰ শিল্পীসকলে অংশ গ্ৰহণ কৰে। প্ৰগতিধৰ্মী একাঙ্ক নাট প্ৰতিযোগীতা আৰম্ভ হৈ নিশা ১ বজাত অনুষ্ঠানৰ সামৰণি পৰে।

১০ বহাগৰ দিনা দিনৰ ২ বজাৰ পৰা মুকলি অধিবেশন আৰু পুৰস্কাৰ বিতৰণ আৰম্ভ হয়। মুখ্য অতিথি হিচাবে ডঃ হীৰেণ গোঁহাই দেৱে যোগদান কৰে। সুন্দৰ ফৰকাল বতৰত, এটা গাম্ভীৰ্য্য পূৰ্ণ পৰিবেশত বৰ্তমানৰ সমাজ ব্যৱস্থাত আমি বিহু কিমান কৃতকাৰ্য্যতাৰে উদ্‌যাপন কৰিব পাৰিছো, শ্ৰমজীৱী জনসাধাৰণৰ লগত বিহুৰ কেনে ওতঃপ্ৰোত সম্বন্ধ, তাৰোপৰি বালিপৰাৰ বিহুমেলাৰ কি কি সুকীয়া গঠন মূলক বৈশিষ্ট্য পৰিলক্ষিত হৈছে ইত্যাদি বিষয়ৰ ওপৰত তেখেতে ভাষণ দিয়ে। সিদিনাৰ সভাপতি শ্ৰীকুন্দৰ দাসৰ সভাপতিত্বত মুকলি অধিবেশনৰ পৰি-সমাপ্তি ঘটে। নিশালৈ কমাৰী গাৱৰ প্ৰতিযোগীতাত প্ৰথম হোৱা নাট "দোষ কাৰ" বালিপৰা প্ৰগতিশীল শিল্পী গোষ্ঠীৰ দ্বাৰা "আৰু এজন নিহত" আৰু "ৰক্তাক্ত ৰোডেচিয়া" নামৰ দুখন একাঙ্কীকা নাটৰ সফল অভিনয়ৰে এই মনোগ্ৰাহী ন দিনীয়া বিহু মেলাৰ কাৰ্য্যসূচীৰ অন্ত পৰে।

(ধীৰেন মিশ্ৰ ঃ বালিপৰা)




# অসমত পৰিয়াল পৰিকল্পনাৰ অগ্ৰগতি ঃ

বিত্তীয় বছৰৰ জানুৱাৰী মাহলৈকে

অসমত

২৯,১৪৬ জন পুৰুষ

আৰু

২,৬৩৭ গৰাকী মহিলাই

অস্ত্ৰোপচাৰ কৰিছে।

এই সকল সচেতন ব্যক্তিয়ে

তেওঁলোকৰ নিজৰ পৰিয়াল,

লৰা-ছোৱালী আৰু

দেশৰ ভৱিষ্যতৰ কল্যাণৰ কথা

চিন্তা কৰিয়ে এই উচিত

ব্যৱস্থা গ্ৰহণ কৰিছে।

(অসম চৰকাৰৰ ৰাজ্যিক পৰিয়াল পৰিকল্পনা বুৰ'ৰ দ্বাৰা প্ৰচাৰিত)


OKDISCD